UG S2-03
(IDC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

দ্বিতীয় ষাণ্মাসিক

পৰিৱেশ শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীল ৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড^{0} মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড^{0} ইন্দ্রানী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে	ভাষান্তৰকাৰী
১	ড^{0} নীলিমা ডেকা, এল. চি. বি. মহাবিদ্যালয়	ড^{0} ৰীতিমণি বৰদলৈ , আৰু মুকতাৰা ৰহমান, এল. চি. বি. মহাবিদ্যালয়
২	ড^{0} হৈম্য গোহাঁই ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	বলৰাম নাথ, ৰহা মহাবিদ্যালয়
৩	ড^{0} পিয়ালী ৰয় বি. এইছ. মহাবিদ্যালয়	ড^{0} অর্চনা অধিকাৰী কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪	ড^{0} নীলিমা ডেকা, ড^{0} অনীতা ভাগৱতী এল. চি. বি. মহাবিদ্যালয়	গিতাঞ্জলী মেধি, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫	ড^{0} হৈম্য গোহাঁই ছয়দুৱাৰ মহাবিদ্যালয়, গহপুৰ	সুমন বর্মন, ছয়দুৱাৰ মহাবিদ্যালয়
৬	ড^{0} ৰঞ্জু মেধি, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়	জেনালী ৰাভা, গুৱাহাটী বিশ্ববিদ্যালয়
৭	ড^{0} উৎপল কলিতা আৰ জি বৰুৱা মহাবিদ্যালয়	ড^{0} ৰুমী চৌধুৰী, গৱেষণা বিষয়া, গুৱাহাটী বিশ্ববিদ্যালয়, উত্তৰ পূব অধ্যয়ন প্রতিষ্ঠান
৮, ১১	ড^{0} ৰঞ্জু মেধি, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয় ড^{0} ইন্দ্রানী কলিতা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড^{0} ইন্দ্রানী কলিতা, গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯, ১০	ড^{0} অর্চনা অধিকাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়,বলৰাম নাথ, ৰহা মহাবিদ্যালয়	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা গায়ত্রী গোস্বামী, শিক্ষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড^{০} প্রণৱ শইকীয়া,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ অধ্যায় ড^{0} ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
অধ্যায় ড^{0} বিনাপাণী তালুকদাৰ, সুৱেন দাস মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ অধ্যায় 1, 4 ঃ ড^{0} ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
অধ্যায় 2,3,5,6,7,8,9,10,11, ঃড^{0} ইন্দ্রানী কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ছেপ্টেম্বৰ, ২০২৩

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী- ৭৮১০২২, Web : www.kkhsou.in

পাঠ্য বিষয় আৰু খণ্ড পৰিচয় (পাঠ্য বিষয় UG ED S2 ০২)

এই পাঠ্যবিষয় হৈছে দ্বিতীয় ষাণ্মাসিকৰ আন্তঃশাখাৰ পাঠ্যবিষয়ৰ অন্তর্গত। এই পাঠ্য বিষয়ত আপোনালোকে পৰিৱেশ শিক্ষাৰ বিষয়ে বিতংভাৱে জানিব পাৰিব। ইয়াত এঘাৰটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

খণ্ড পৰিচয় ঃ

এই পাঠ্যবিষয়টোৰ প্রথম অধ্যায়টিত পৰিৱেশ শিক্ষাৰ প্রয়োজনীয়তা আৰু গুৰুত্ব, ইয়াৰ প্রকৃতি আৰু পৰিসৰ সম্পর্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল পৰিৱেশ শিক্ষাৰ শিকনৰ পদ্ধতিসমূহ।পৰিৱেশীয় আন্দোলনসমূহৰ আলোচনা হ'ল তৃতীয় অধ্যায়ৰ বিষয়বস্তু। চতুর্থ অধ্যায়ত পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাত গণ মাধ্যমৰ ভূমিকা সম্পর্কে আলোচনা কৰা হৈছে। শিক্ষাৰ বিভিন্ন পর্য্যায়ত পৰিৱেশ শিক্ষাৰ কার্য্যসূচীসমূহ কেনেদৰে অনুসৰণ কৰিব পৰা যায় তাৰ আলোচনা হ'ল পঞ্চম অধ্যায়ৰ বিষয়বস্তু। ষষ্ঠত পৰিৱেশ অৱনতিৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা হৈছে। সপ্তম অধ্যায়টিত আপোনালোক পৰিৱেশীয় প্রদূষণসমূহৰ বিষয়ে জানিব পাৰিব। অষ্টম অধ্যায়ৰ আলোচনাৰ মূল বিষয় হ'ল পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা। পৰিৱেশ সুৰক্ষা আৰু আইনী বিধানসমূহ আলোচনা হ'ল নৱম অধ্যায়ৰ মূল বিষয়। দশম অধ্যায়ত বহনক্ষম উন্নয়নৰ বিষয়ে আলোচনা কৰা হৈছে। আন্তিম তথা একাদশ অধ্যায়টিত পৰি ৱেশ বা পাৰিপার্শ্বিক শিক্ষা ঃ অসমৰ প্রেক্ষাপটত ইয়াৰ সমস্যা আৰু সম্ভাৱনা সম্পর্কে বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যভাগটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়ে�ৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ অর্থ ৭-১৮

পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ অর্থ আৰু প্ৰকৃতি, সংজ্ঞা, বৈশিষ্ট্য, পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য, পৰিৱেশ শিক্ষাৰ উপদেশ মূলক নীতি, ইয়াৰ পৰিসৰ।

অধ্যায় ২ ঃ পৰিৱেশ শিক্ষাৰ পদ্ধতিসমূহ ১৯-৩০

পৰিৱেশ শিক্ষাৰ শিক্ষা, পৰিবেশ শিক্ষাত ব্যৱহৃত বিভিন্ন পদ্ধতি সমূহ - আলোচনা পদ্ধতি,প্ৰকল্প পদ্ধতি, সমস্যা সমাধান পদ্ধতি,পর্য্যবেক্ষন পদ্ধতি, নাটকীয়কৰণ পদ্ধতি, ক্ষেত্ৰ-ভ্ৰমণ।

অধ্যায় ৩ ঃ ভাৰতবর্ষৰ পৰিৱেশীয় আন্দোলনসমূহ ৩১-৪৭

পৰিৱেশীয় আন্দোলনৰ অর্থ, চিপ্‌কো আন্দোলন, এপিকো আন্দোলন, নীৰৱ উপত্যকাৰ আন্দোলন, চিলিকা বছোৱা/ৰক্ষা আন্দোলন, নর্মদা ৰক্ষাৰ আন্দোলন।

অধ্যায় ৪ ঃ পৰিৱেশ শিক্ষাৰ গণ মাধ্যমৰ ভূমিকা ৪-৬৯

নির্দেশনামূলক বা শিক্ষণমূলক প্ৰচাৰ মাধ্যমৰ ধাৰণা, আলোচনী, আলোচনা চক্ৰ, আলোচনা চক্ৰৰ উপকাৰিতা, কর্মশালা, কর্মশালাৰ ক্ৰিয়া- কলাপ, কর্মশালা আয়োজন কৰাৰ নিয়ম, কর্মশালাৰ সুবিধা, আর্হি, প্ৰতিলিপি, দৃশ্য-শ্ৰব্য আহিলা।

অধ্যায় ৫ ঃ শিক্ষাৰ বিভিন্ন পর্য্যায়ত পৰিৱেশ শিক্ষাৰ কার্য্যসূচীসমূহ ৭০-৮৫

বিদ্যালয়ত আনুষ্ঠানিক পৰিৱেশ শিক্ষা, প্ৰাথমিক পর্য্যায়ৰ শিক্ষাৰ বাবে পৰিৱেশ শিক্ষা, ইয়াৰ উদ্দেশ্যবোৰ আৰুগুৰুত্ব, ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয়ত পৰিৱেশ শিক্ষাৰ কার্য্যসূচী, ইয়াৰ উদ্দেশ্যবোৰ, উচ্চতৰ মাধ্যমিক পর্য্যায়ত বিশেষ গুৰুত্ব প্ৰদান কৰা পৰিৱেশ শিক্ষাৰ বিভিন্ন দিশবোৰ, ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয়ৰ পর্য্যায়ত পৰিৱেশ শিক্ষা কেনেদৰে কার্যকৰী কৰিব পৰা যায়, উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষাৰ কার্য্যসূচীবোৰ।

অধ্যায় ৬ ঃ পৰিৱেশ অৱনতি ঃ ইয়াৰ কাৰণ আৰু প্ৰতিৰোধ ৮৬-১০০

পৰিৱেশ অৱনতিৰ ধাৰণা, প্ৰকাৰ, কাৰণ, পৰিবেশ অৱনতিৰ প্ৰতিৰোধ,পৰিৱেশ সজাগতা আৰু মনোভাৱপৰিৱর্তনত শিক্ষাৰ ভূমিকা।

অধ্যায় ৭ ঃ পাৰিপার্শ্বিক প্ৰদূষণ ১০১-১১৮

পাৰিপার্শ্বিক প্ৰদূষণৰ অর্থ, পাৰিপার্শ্বিক প্ৰদুষণৰ প্ৰকাৰ-বায়ু প্ৰদূষণ, জল প্ৰদূষণ, ভূমি প্ৰদূষণ, গোটা পেলনীয়া সামগ্ৰীৰ প্ৰদূষণ, শব্দ প্ৰদূষণ, ৰেডিঅ' সক্ৰিয় প্ৰদূষণ।

অধ্যায় ৮ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা **১১৯-১৪০**

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত আইন সম্বন্ধীয় আৰু সাংবিধানিক নিৰাপত্তামূলক ব্যৱস্থা, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাত ব্যক্তি আৰু সমাজৰ ভূমিকা, বহনক্ষম উন্নয়নৰ ধাৰণাৱহনক্ষম উন্নয়নৰ বৈশিষ্ট্যসমূহ বহনক্ষম উন্নয়নৰ বাবে শিক্ষা।

অধ্যায় ৯ ঃ পৰিৱেশ সুৰক্ষা আৰু আইনী বিধানসমূহ **১৪১-১৫৩**

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ, বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ, ভাগসমূহ, আইনী বিধানসমূহ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাংবিধানিক বিধানসমূহ।

অধ্যায় ১০ ঃ বহনক্ষম উন্নয়ন **১৫৪-১৬২**

বহনক্ষম উন্নয়নৰ ধাৰণা, বৈশিষ্ট্য, প্ৰয়োজনীয়তা, বহনক্ষম উন্নয়নৰ বাবে শিক্ষা।

অধ্যায় ১১ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষা ঃ অসমৰ পেক্ষাপটত ইয়াৰ সমস্যা আৰু সম্ভাৱনা **১৬৩-১৭৫**

পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা, অসমত থকা বিশেষ পৰিৱেশ বা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ, পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ, অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সুযোগ প্ৰদূষণ।

অধ্যায় ১ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ অর্থ

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য

1.2 পৰিচয়

1.3 পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাৰ অর্থ আৰু প্রকৃতি

1.3.1 পৰিৱেশ শিক্ষাৰ সংজ্ঞা

1.3.2 পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্য

1.4 পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

1.5 পৰিৱেশ শিক্ষাৰ উপদেশমূলক নীতি

1.6 পৰিৱেশ শিক্ষাৰ পৰিসৰ

1.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1.8 অধিক জানিবলৈ

1.9 অগ্রগতিৰ খতিয়ান

1.10 আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি সম্পর্কে আলোচনা কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ লক্ষ্য, উদ্দেশ্য, আৰু বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ উপদেশাত্মক নীতি সমূহ চিনাক্ত কৰিব পাৰিব।
- পৰিৱেশ শিক্ষাৰ পৰিসৰ বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

বিজ্ঞান প্রযুক্তি বিদ্যাৰ উন্নতিৰ লগে লগে মানৱ জীৱৰো বিশেষ পৰিৱর্তন ঘটিছে। কিন্তু বর্তমান সময়ত মানৱ আৰু প্রকৃতিৰ মাজৰ সম্বন্ধত এক তাৎক্ষনিক পৰিৱর্তন সাধন হৈছে। বৈজ্ঞানিক আৰু উদ্যোগীক বিপ্লৱ হৈছে ইয়াৰ মূল কাৰণ। নিৰবিচ্ছিন্ন প্রাকৃতিক শোষণ মানৱ সমাজৰ প্রতি এক ভয়ংকৰ প্রাকৃতিক সংকট । কিন্তু এইটো স্পষ্ট যে মানৱৰ কল্যাণ আৰু অস্তিত্ব নির্ভৰ কৰে মানুহ আৰু প্রকৃতিৰ মাজত থকা সৌহাদ্যপূর্ণ সম্পর্কই। সেয়েহে সমগ্র মানৱজাতিৰ মাজতএটা নতুন প্রাকৃতিক তত্ত্বৰ প্রয়োজন যিয়ে মানুহ আৰু প্রকৃতিৰ মাজৰ সম্বন্ধক অধিক গাঢ় কৰি তুলিব পাৰে। মানুহ আৰু প্রকৃতিৰ মাজত সম্বন্ধ ঘটাতো অসম্ভৱ যেতিয়ালৈকে মানুহে চলিত গতানুগতিক জীৱনৰ বিপৰীতে এক নতুন পথ নলয়। শিক্ষাই মানৱ চৰিত্র আৰু ভাৱ-

ভংগী পুনঃগঠনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সেয়েহে আমি এক নতুন শিক্ষা ব্যৱস্থা তৈয়াৰ কৰিব লাগিব যিয়ে প্রাকৃতিক সজাগতা, প্রাকৃতিক জ্ঞান, প্রাকৃতিক আঁচনি বা ৰক্ষণা-বেক্ষণৰ মূল্যায়ন কৰিব পাৰে।

পৰিৱেশ শিক্ষা এনে এক বিষয় যিয়ে মানুহক পৰিৱেশ বিজ্ঞানৰ ভাৰসাম্যতা ৰক্ষাৰ শিক্ষা দিয়াৰ লগতে নির্দিষ্ট সজাগতা, জ্ঞান, ভাৱ-ভংগী, আচাৰ-ব্যৱহাৰ আৰু প্রকৃতিৰ প্রতি থকা দায়বদ্ধতাৰ জ্ঞানো দিয়ে। এই অধ্যায়টোত আমি পৰিৱেশ শিক্ষাৰ অর্থ, প্রকৃতি, সংজ্ঞা, বৈশিষ্ট্য, পৰিৱেশৰ লক্ষ্য, উদ্দেশ্য আৰু বিষয়ে আলোচনা কৰিম।

১.৩ পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি

পৰিৱেশ শিক্ষা দুটা শব্দৰে গঠিত। এটা হৈছে 'পৰিৱেশ' আৰু আনটো 'শিক্ষা'। প্রথমে আমি 'পৰিৱেশ' শব্দটোৰ অর্থ সম্পর্কে আলোচনা কৰিম। ইয়াৰ আভিধানিক অর্থ হ'ল চাৰিওফালে বেৰি থকা বা অৱস্থা, অর্থাৎ এনে এটা অৱস্থা য'ত মানুহ, গছ-গছনি, জীৱ-জন্তু আদি সকলোৱে একে লগে বসবাস কৰে। পৰিৱেশ বিশেষত দুটা উপাদানক লৈ জড়িত - শাৰীৰিক বা প্রাকৃতিক আৰু মানৱ সৃষ্ট বা সাংস্কৃতিক পৰিৱেশ। শাৰীৰিক বা প্রাকৃতিক পৰিবেশ জীৱ সম্বন্ধীয় বা জৈৱিক (biotic) আৰু জড় বা অজৈৱিক (abiotic) উপাদানক লৈ গঠিত। গছ-গছনি, জীৱ-জন্তু আদি জৈৱিক প্রকৃতিৰ আনহাতে মাটি, পানী, বতাহ, জলবায়ু আদি বোৰ অজৈৱিক। পৰিস্থিতি তন্ত্র (Eco-system) পৃথিৱীৰ সকলো বোৰ জীৱ-জন্তু উদ্ভিদক লৈ গঠিত। এটা নির্দিষ্ট অঞ্চলত ভালেসংখ্যক জীৱ, গছ-গছনিয়ে ইটোৱে সিটোৱে নির্ভৰশীল হৈ শৃংখলাবদ্ধতাৰ মাজেৰে সহ অৱস্থান কৰে। যদি কোনো এক প্রকাৰ প্রজাতিৰ মাজত কিবা সলনি ঘটে বা ই আন প্রজাতিক অসুবিধা কৰে তেন্তে তাক পৰিস্থিতিক(Ecological) ভাৰসাম্যহীনতা বুলি কোৱা হয়।

জীবশ্রেষ্ঠ হিচাপে যদিও মানুহক জ্ঞান কৰা হয় তথাপিতো মানুহে বিভিন্ন ধৰণে পৰিৱেশক ব্যাঘাত জন্মোৱা দেখা যায়। তাৰ ভিতৰত গছ-গছনি কাটি পৰিবেশ ধবংস কৰা, ঘাহ-বন চাফা কৰা, কয়লা লোৰ খনিৰ বাবে খনন কার্য সম্পাদন কৰা আদিয়েই প্রধান। প্রাৰম্ভিক অৱস্থাত মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পর্ক সুদৃঢ় আছিল। মানুহে সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক কার্যকলাপৰ যোগেদি পৰিৱেশৰ প্রসাৰ ঘটাইছিল। কিন্তু ইয়াৰ পিছৰ মানৱ প্রজন্মই প্রাকৃতিক সম্পদ যেনে প্রাকৃতিক গেছ, কয়লা, তেল আদিৰ দৰে মূল্যৱান বস্তুৰ বাবে পৰিবেশক অধিক শোষন কৰা দেখা যায়। মানুহ আৰু পৰিৱেশৰ মাজৰ এই সংঘাতে ভালেমান জীৱ বিলুপ্ত প্রায় কৰাৰ লগতে প্রকৃতিৰপৰিস্থিতিক ভাৰসাম্যতাকো আঘাত হানিছে। পৰিৱেশ শব্দটোৱে প্রকৃতি, আচৰণ আৰু তাৰ উত্তৰণ, জীৱনত প্রভাৱ, উন্নয়ন আৰু বিভিন্ন জীৱৰ পৰিপক্কতা আদিক সাঙুৰি লয়। মুঠতে পৰিৱেশ বুলিলে বিশেষকৈ শাৰীৰিক, জীৱ-বিজ্ঞান সম্বন্ধীয় আৰু সাংস্কৃতিক উপাদানৰ সমষ্টি, যিটো আনটোৰ ওপৰত নির্ভৰ শীল।

শিক্ষা হৈছে কোনো বিষয় অধ্যয়নৰ স্বাধীনচেতীয়া এক ক্ষেত্ৰ য'ত শিক্ষা শিকন পদ্ধতি আৰু পৰামৰ্শৰ বিকাশৰ লগত জড়িত। যাৰ লক্ষ্য হ'ল শিশুৰ শাৰীৰিক , সামাজিক, আৱেগিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা। প্ৰৱীন শিক্ষাবিদে মানুহৰ পৰিৱেশৰ বিষয়ে অধ্যয়ন কৰে। যদিওঁ মানুহ পৰিৱেশৰ প্ৰতিটো বস্তুৰ লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত সেয়েহে তেওঁলোকে পৰিবেশৰ সকলো জীৱৰ বিষয়ে অধ্যয়ন কৰে। পৰিৱেশ শিক্ষা এনে এটা বিষয় যিয়ে পৰিৱেশ সম্বন্ধীয় সম্যক জ্ঞান বা তাৰ সমস্যাসমূহৰ বিষয়ে অধ্যয়ন কৰে। ই পৰিবেশ সম্বন্ধীয় সমস্যাসমূহ সমাধানৰ পৰামৰ্শ দিয়াৰ লগতে মানুহক পৰিবেশ সংৰক্ষনৰ বাবে সজাগতা আৰু মানুহ - প্ৰকৃতিৰ মাজৰ পৰস্পৰ সম্বন্ধৰ বিষয়েও অধ্যয়ন কৰে।

পৰিৱেশ শিক্ষাৰ লক্ষ্য হ'ল পৰিৱেশৰ বিভিন্ন সমস্যাসমূহৰ বিষয়ে বহল ভিত্তিত সজাগতাৰ সৃষ্টি কৰা। ই বিশ্বৰ জনগনক প্ৰাকৃতিক পৰিৱেশৰ জ্ঞান দিয়াই নহয়, তাৰ বিভিন্ন সমস্যাৰাজি সমাধান বা পৰিৱেশত প্ৰকৃতিৰ ভাৰসাম্যতা কিদৰে ৰক্ষা কৰিব পাৰি তাৰ বিষয়ে বিস্তৃত আলোচনা কৰে। যাৰ দ্বাৰা মানুহে নবীকৰণ আৰু অনবীকৰণ সম্পদৰ বিষয়ে জনাৰ লগতে মানৱ সভ্যতাৰ অবিছিন্ন ধাৰা বৰ্তাই ৰখাৰ যুক্তিযুক্ততা সম্বন্ধে জানিব পাৰে।

এইটো উল্লেখযোগ্য যে মানুহে প্ৰকৃতিৰ লগত সংঘৰ্ষ অব্যাহত ৰাখি কেতিয়াও জীয়াই থাকিব বা সমৃদ্ধিশালী হব নোৱাৰিব। সেয়েহে মানুহে প্ৰকৃতিৰ লগত শান্তি সমৃদ্ধি বজাই ৰাখি জীৱন ধাৰণৰ বিষয়ে জনাটো প্ৰয়োজন। এইটো সম্ভৱ যদিহে তেওঁ প্ৰকৃতিৰ নিয়ম-কানুন, ইয়াৰ ৰহস্য বা উদঘাটনৰ বিষয়ে জানে। পৰিৱেশ শিক্ষা হৈছে এটা বিষয় যিয়ে কিদৰে মানুহে ইয়াৰ চাৰিওফালে আৱৰি থকা বস্তুবোৰ সৈতে সম্পৰ্ক স্থাপন কৰিব লাগে আৰু যাৰ জড়িয়তে নিজৰ ঘৰখনক উৎকৰ্ষ সাধন কৰিব পাৰি তাৰ বিষয়ে জানিবলৈ দিয়ে। ই কিদৰে মানুহে নিজৰ জীৱনটোক গঢ় দি তুলিব পাৰে সেই বিষয়েও জ্ঞান দিয়ে। ই পৰিৱেশ প্ৰদূষণ, জনসংখ্যা বিস্ফোৰণ, প্ৰাকৃতিক সম্পদৰ হ্ৰাস বা মানুহ প্ৰকৃতিৰ প্ৰতি কিমান দায়বদ্ধ তাৰ বিষয়ে আলোচনা কৰে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট যে পৰিৱেশ শিক্ষাই মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্পৰ্ক আৰু মানৱ সৃষ্টি পৰিৱেশৰ বিষয়ে জ্ঞান আহৰণ, তাৰ প্ৰতি বোধগম্যতা, সজাগতা আদিৰ বিষয়ে শিক্ষা তথা জ্ঞানৰ যোগান ধৰে। গতিকে এইটো স্পষ্ট যে পৰিৱেশ শিক্ষা হৈছে এনে এক শিক্ষা যিয়ে পৰিৱেশৰ প্ৰতি অহা ভাবুকিৰ বিষয়ে অধ্যয়ন কৰে। সেয়েহে কব পাৰি যে পৰিৱেশ শিক্ষা হৈছে এক জীৱন যোৱা শিক্ষা, যি প্ৰাক বিদ্যালয়ৰ পৰা আৰম্ভ হৈ আনুষ্ঠানিক আৰু অনৌপচাৰিক মাধ্যমৰ মাজেৰে চলি থাকে। ই এক বিষয় যিয়ে পৰিৱেশৰ সমুদায় বস্তুৰ বিষয়ে স্পষ্ট অধ্যয়ন আগবঢ়াই। বহল ভিত্তিত পৰিৱেশ শিক্ষা বুলিলে পৰিৱেশৰ বাবে শিক্ষা, পৰিৱেশৰ ওপৰত শিক্ষা আৰু পৰিৱেশৰ জৰিয়তে শিক্ষা।

১.৩.১ পৰিৱেশ শিক্ষাৰ সংজ্ঞা

'পৰিৱেশ শিক্ষাৰ' উক্তিটো ভালেমান ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় আলোচনা চক্ৰত আলোচনাৰ মাধ্যমত বিভিন্ন ধৰণে সংজ্ঞা নিৰূপন কৰিছে। কিছুমান সংজ্ঞাত

ইয়াৰ প্ৰকৃতি আৰু ধাৰণা সম্পৰ্কে বাখ্যা আগবঢ়াইছে।

আন্তঃ ৰাষ্ট্ৰীয় প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণ আয়োগৰ ইউনেস্ক'ৰ(UNESCO) নেতৃত্বত পেৰিছত বহা বিদ্যালয় পাঠ্যক্ৰমত পৰিৱেশ শিক্ষা অন্তৰ্ভূক্তিকৰণ সভাত (1970) এই মন্তব্য আগবঢ়াইছে যে-

"পৰিৱেশ শিক্ষা এনে এক প্ৰক্ৰিয়া, যিয়ে মানুহ ৰ সংস্কৃতি আৰু ইয়াৰ চাৰিওকাষৰ পৰিৱেশৰ লগত থকা আন্তঃ সম্পৰ্কৰ মূল্যক স্বীকৃতি দিয়াৰ লগতে ইয়াৰ ধাৰণা সম্পৰ্কে স্পষ্ট মতামত আগবঢ়ায়। ই পৰিৱেশৰ প্ৰতি মানুহৰ আচৰণ বা ইয়াৰ বিভিন্ন সমস্যা সমূহ সমাধানত সিদ্ধান্ত গ্ৰহণ আৰু নিজস্ব কাৰ্যকলাপ গ্ৰহণতো সহায় কৰে।"

ফিনিছ জাতীয় আয়োগৰ আলোচনা (1974) অনুসৰি ঃ

"পৰিৱেশ শিক্ষাৰ মূল লক্ষ্য হ'ল পৰিৱেশ সংৰক্ষণ। পৰিৱেশ শিক্ষা কোনো বিজ্ঞান বা আন অধ্যয়নৰ পৃথক ক্ষেত্ৰ নহব। ইয়াক জীৱনযোৰা শিক্ষাৰ নীতিত গ্ৰহণ কৰা হৈছে।"

নাইৰোবিত অনুষ্ঠিত আফ্ৰিকান শিক্ষাবিষয়াসকলৰ দ্বাৰা গঠিত সন্মিলন (1968) অনুসৰিঃ

"সামাজিক আৰু শাৰীৰিক পৰিৱেশৰ ওপৰত সজাগতা সৃষ্টি কৰি তাৰ প্ৰকৃতি, মানৱসৃষ্টি, সংস্কৃতি, সমাজ আদিৰ যথাযোগ্য ব্যৱহাৰ আৰু তাক সংৰক্ষন কৰি উন্নতিৰ ব্যৱস্থা কৰা।"

মিশ্ৰ (Mishra-1993) ৰ মতে- "পৰিৱেশ শিক্ষা হৈছে এনে এক প্ৰক্ৰিয়া, যি মানুহৰ মাজত সজাগতা সৃষ্টি কৰাৰ লগতে জ্ঞান, আচৰণ বা পৰিৱেশৰ উৎকর্ষ সাধনত গুৰুত্ব দিয়ে।"

আৰ. এ. শর্মা (R.A. Sharma-1996) এ কৈছে যে " পৰিৱেশ শিক্ষাই শাৰীৰিক, সাংস্কৃতিক পৰিৱেশ সজাগতা সৃষ্টিৰ লগতে প্ৰকৃত জীৱনৰ লগত তাৰ সম্বন্ধৰ কথাও নিৰীক্ষণ কৰে। নিৰবিচ্ছিন্ন উন্নয়নে কিদৰে প্ৰকৃতিৰ ভাৰসাম্য হেৰুৱাইছে সেই বিষয়েও ই স্পষ্ট ধাৰণা দিয়ে।"

ওপৰোক্ত সকলোবোৰ সংজ্ঞা অসম্পূৰ্ণ, ই সম্পূৰ্ণতা লাভ কৰে ১৯৭৭ চনৰ অক্টোবৰ মাহত ইউনেস্ক'(UNESCO) আৰু ইউনেপ(UNEP-United Nations Environment Programme) নেতৃত্বত পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ (USSR) জৰ্জিয়াত **(Georgia)** অনুষ্ঠিত ৱিছি **(Tblisi**)সন্মিলনৰ জৰিয়তে। এই সন্মিলনখনে পৰিৱেশ শিক্ষাৰ মূল লক্ষ্য উদ্দেশ্য সমূহ উল্লেখ কৰিছে এনেধৰণে-

(ক) সজাগতা ঃ সামাজিক দ'ল বা ব্যক্তিগত ভাবে মানুহৰ মাজত সজাগতা সৃষ্টি কৰি পৰিৱেশ আৰু তাৰ লগত জড়িত সমস্যা সমূহৰ লগত পৰিচয় কৰোৱাই নহয় মানুহক দায়িত্বশীল কৰি তোলা।

(খ) **জ্ঞানঃ** সামাজিক দল বা ব্যক্তিগত ভাৱে মানুহক পৰিৱেশ সম্পৰ্কে বিভিন্ন অভিজ্ঞতা উপলব্ধি কৰাই পৰিৱেশ আৰু তাৰ সমস্যা সমূহৰ প্ৰতি বোধগম্য কৰি তোলা।

(গ) **আচৰণ** (Attitude)ঃ সামাজিক দল বা ব্যক্তিগত ভাৱে মানুহক পৰিৱেশৰ গুৰুত্ব বা মূল্য বুজাই তাক সংৰক্ষণৰ আৰু উৎকৰ্ষ সাধনৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে শিক্ষা দিয়া।

(ঘ) **কৌশল বা নিপুনতা** (Skill) ঃ সামাজিক দল বা ব্যক্তিগত ভাৱে মানুহৰ মাজত পৰিৱেশৰ সমস্যা সমূহ সমাধানৰ বাবে কৌশল বোৰ চিনাক্ত কৰি দিয়া।

(ঙ) **যোগ্যতা বা সামৰ্থ্যৰ মূল্যায়ন** (Evaluation ability)ঃ ব্যক্তিগত বা সামাজিক দলবোৰক অৰ্থনৈতিক, সামাজিক, শিক্ষা আৰু সৌন্দৰ্যবোধৰ বিষয়বস্তুসমুহক মূল্যায়ন কৰিবলৈ স হায় কৰা।

(চ) **অংশগ্ৰহণ** (Participation) ঃ সামাজিক গোট বা ব্যক্তিগত ভাৱে মানুহক পৰিৱেশৰ সমস্যাসমূহ সমাধানৰ বাবে প্ৰতিটো কামতে সক্ৰিয় অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰা।

১.৩.২ পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্য

ওপৰোক্ত সংজ্ঞা সমূহ বিশ্লেষণ কৰি আমি তলত উল্লেখ কৰা ধৰণে ইয়াৰ বৈশিষ্ট্য সমূহ উলিয়াব পাৰোঃ

- পৰিৱেশ শিক্ষা হৈছে এটা মাধ্যম বা শিক্ষাৰ এক প্ৰক্ৰিয়া যিয়ে মানুহ- প্ৰকৃতি আৰু মানৰ সৃষ্ট পৰিবেশৰ লগত মানুহৰ সম্পৰ্কক সাঙুৰি লয়।
- ই শাৰীৰিক, জীৱবিজ্ঞান (biological) আৰু সাংস্কৃতিক পৰিৱেশৰ লগত মানুহৰ প্ৰকৃত জীৱন কিদৰে সাঙুৰখাই আছে, সেই কথাৰ জ্ঞান দিয়ে।
- পৰিৱেশ শিক্ষাই জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, প্ৰদূষণ আদিয়ে কিদৰে পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলাই সেই বিষয়ে আলোচনা কৰে।
- পৰিৱেশ শিক্ষাই পৰিবেশৰ ভাৰসাম্যহীনতাক চিনাক্তকৰণ কৰি বহনক্ষম উন্নয়নক্ষমতাক কি দৰে বিকাশ কৰিব পাৰি তাৰ বাবে মানু হৰ মাজত সচেতনতাৰ ভাৱ সৃষ্টি কৰে।
- ই জৈবিক আৰু অজৈবিক জীৱ বা উদ্ভিদসমূহে কিদৰে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা বা উৎকৰ্ষ সাধনত সহায় কৰিছে তাক জানিবলৈ দিয়ে।
- পৰিৱেশ শিক্ষাই পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি তাৰ প্ৰতি মানুহৰ আচৰণ, নিপুনতা বা তাৰ মূল্য, ধাৰণা আদিৰ শিক্ষা দিয়ে।
- ই শিক্ষাগত প্ৰণালী আৰু কৌশলৰ জৰিয়তে পৰিৱেশৰ সমস্যাসমূহৰ প্ৰকৃত কাৰণ বোৰ চিনাক্তকৰণ কৰি সেইবোৰ মানুহ আৰু তাৰ সাংস্কৃতিক বা চাৰিওফালৰ

পৰিৱেশৰ লগত থকা পৰস্পৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰে।

- পৰিৱেশ শিক্ষাই তত্বমূলক (Theoretical) আৰু ব্যৱহাৰিক (Practical) দুয়োটা পদ্ধতিৰ জৰিয়তে পৰিৱেশৰ ভাৰসাম্য হীনতা বৃদ্ধিৰ অন্যতম কাৰণ প্রদূষণ আদি বিষয়ক ৰোধ কৰাৰ চেষ্টা কৰে।
- ই শিক্ষাৰ এনে এক প্রক্রিয়া যিয়ে শিকাৰুসকলক প্রদূষণবিহীন পৰিৱেশ সৃষ্টিত ধনাত্মক মনৰ সৃষ্টি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰকঃ

(ক) পৰিৱেশ শিক্ষা হৈছে এটা..... অধ্যয়নৰ শাখা।

(খ) পৰিৱেশ হৈছে..... য'ত মানুহ, জন্তু, বা গছ-গছনিয়ে জীৱন নির্বাহ কৰে।

(গ) পৰিবেশ শিক্ষাই বিশ্বৰ জনগনক প্রকৃতিৰ..... সুৰক্ষা দিয়াৰ শিক্ষা প্রদান কৰে।

প্রশ্ন নং ২ঃ পৰিৱেশ শিক্ষা কি ?

.....

.....

প্রশ্ন নং ৩ঃ পৰিৱেশ শিক্ষাৰ তিনিটা বৈশিষ্ট্য লিখক।

.....

.....

১.৪ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য

আপোনালোকে পৰিৱেশ শিক্ষাৰ বৈশিষ্ট্য, ধাৰণা আৰু প্রকৃতি সম্পর্কে পৰিচিত হ'ল। আপুনি অনুভৱ কৰিব লাগিব যে পৰিৱেশৰ প্রতি থকা ভাবুকি বা সমস্যাসমূহত বাধা প্রদান বা সমাধানৰ বাবে পৰিৱেশ শিক্ষাৰ গুৰুত্ব অপৰিসীম। ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ তলত আলোচনা কৰা হ'ল-

- পৰিৱেশ আৰু তাৰ লগত জড়িত সমস্যাসমূহৰ সম্পর্কে ছাত্র-ছাত্রী সকলৰ মাজত জ্ঞানৰ যোগান ধৰা।
- ছাত্র-ছাত্রী সকলৰ মাজত প্রকৃতিৰ নীতি-নিয়ম সম্পর্কে সজাগ কৰি মানৱ জীৱনত তাৰ প্রভাৱ সম্পর্কে বোধগম্য কৰি তোলা।
- মানুহ আৰু পৰিৱেশৰ মাজৰ পৰস্পৰ নির্ভৰশীলতা আৰু আত্ম সম্পর্ক ৰ বিষয়ে জ্ঞান দিয়া।
- ছাত্র-ছাত্রী সকলক প্রকৃতিৰ নিৰীক্ষণ, ইয়াৰ নীতি নিয়ম বোৰৰ প্রতি বোধগম্য, ইয়াৰ

সুন্দৰতাক অনুধাৱন কৰা আৰু প্ৰকৃতিৰ লগত এক সৌহাদ্যপূর্ণ সম্পর্ক স্থাপন কৰি জীৱন নির্বাহৰ বাবে উৎসাহ দিয়া।

- প্ৰদূষণ মুক্ত পৰিৱেশ সৃষ্টিত শিক্ষকসকলৰ মাজত ধনাত্মক মূল্যবোধৰ সৃষ্টি কৰা।
- পৰিৱেশৰ সমস্যাসমূহ চিনাক্তকৰণ কৰি তাক সমাধানৰ বাবে ছাত্ৰ ছাত্ৰীসকলৰ মাজত বিভিন্ন কৌশল আহৰণত সহায় কৰা।
- পৰিৱেশৰ প্ৰতি সজাগতা, তাৰ মূল্য আদিৰ ওপৰত ছাত্ৰ ছাত্ৰীসকলৰ মাজত সজাগতা বৃদ্ধি কৰি, পৰিবেশ সংৰক্ষণ আৰু তাৰ উৎকর্ষ সাধনত ছাত্ৰ ছাত্ৰীসকলক সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ অভি প্ৰায়ৰ সৃষ্টি কৰা।
- পৰিৱেশৰ সমস্যাসমূহৰ সমাধান আৰু প্ৰতিৰোধৰ বাবে সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ সকলো সুবিধাৰ ব্যৱস্থা কৰা।
- ছাত্ৰ ছাত্ৰী সকলৰ মাজত মানুহৰ ধ্বংস যজ্ঞ, ভবিষ্যত প্ৰজন্মই ভুগিবলগীয়া সমস্যা আৰু প্ৰতিজন মানুহৰ পৃথিৱীৰ প্ৰতি থকা দায়িত্ব (জীয়াই থকাৰ স্বার্থত) আদি ওপৰত চিন্তাৰ উৎকর্ষ সাধন কৰা।
- প্ৰকৃতিৰ নিয়ম নীতিৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰি এক সুন্দৰ আৰু সমৃদ্ধিশালী জীৱন উপভোগ কৰা।

১.৫. পৰিৱেশ শিক্ষাৰ উপদেশ মূলক নীতি

ছোভিয়েট ৰাছিয়াৰ ৰ্ত্লিছি (Tblisi Conference 1977) সম্মিলন অনুসৰি পৰিৱেশ শিক্ষাৰ উপদেশাত্মক নীতি বোৰ হ'ল-

- পৰিৱেশ বুলিলে সম্পূর্ণৰূপে প্ৰকৃতিক বুজা যায় যদিও ই সৃষ্টিমূলক, শিল্পমূলক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, নৈতিক, ঐতিহাসিক,সৌন্দর্যবোধ আদিক লৈয়ে গঠিত।
- পৰিৱেশ শিক্ষা এক জীৱন যোৱা প্ৰক্ৰিয়া যি প্ৰাক বিদ্যালয় অৱস্থাৰ পৰা আৰম্ভ হৈ সকলো আনুষ্ঠানিক আৰু অনৌপচাৰিক মাধ্যমৰ মাজেৰে চলি থাকে ।
- পৰিৱেশ শিক্ষা প্ৰতিটো বিষয়ৰ লগত জড়িত । প্ৰতিটো বিষয়ৰ মূল সূচিপত্ৰই প্ৰকৃতিৰ ভাৰসাম্যতা ৰক্ষাত এক মুখ্য ভূমিকা পালন কৰে ।
- পৰিৱেশত বিভিন্ন সমস্যা সমূহ সমাধান আৰু প্ৰতিৰোধৰ বাবে পৰিৱেশ শিক্ষাই এক সক্ৰিয় ভূমিকা পালন কৰে ।
- পৰিৱেশ শিক্ষাই শিক্ষকসকলৰ মাজত স্থানীয়, দেশীয়, প্ৰাদেশিক, আন্তৰাষ্ট্ৰীয় ঘটনা সমূহৰ বিষয়ে আলোচনা কৰি ছাত্ৰ ছাত্ৰী সকলক আন ঠাইৰ ভৌগলিক পৰিৱেশৰ লগত চিনাকি কৰায়।
- পৰিৱেশ শিক্ষাই অতীতৰ লগত সংগতি ৰাখি বর্তমান আৰু ভৱিষ্যতৰ সাম্ভাব্য পৰিৱেশৰ অৱস্থাৰ বিষয়ে জনায়।

- পৰিৱেশ শিক্ষাই পৰিৱেশৰ জটিল সমস্যা সমূহ মূল্যায়ন কৰি নিখুঁত চিন্তা ধাৰণাৰ উৎকর্ষ সাধনৰ জৰিয়তে সমাধানৰ বাবে প্রয়োজনীয় কৌশলৰ ব্যৱস্থা কৰাত স হায় কৰে।
- পৰিৱেশ শিক্ষাই পৰিৱেশৰ বিভিন্ন সমস্যা সমূহ সমাধান আৰু প্রতিৰোধৰ বাবে স্থানীয়, ৰাষ্ট্রীয় আৰু আন্তৰাষ্ট্রীয় সহযোগিতা স্থাপনত গুৰুত্ব দি য়ে।
- পৰিৱেশ শিক্ষাই প্রথম অৱস্থাৰ অভিজ্ঞতা আৰু কার্যকলাপৰ ভিত্তিত এক বহল অর্থত পৰিৱেশ শিক্ষা প্রদান কৰে ।
- পৰিৱেশ শিক্ষাই শিক্ষক সকলক পৰিবেশৰ বিভিন্ন সমস্যাসমূহৰ প্রকৃত কাৰণ আৰু তাক সমাধানৰ উপায় উদ্ভাৱনত সহায় কৰে ।
- পৰিৱেশ শিক্ষাই পৰিবেশৰ প্রতি সজাগতা, জ্ঞান, সমস্যাসমূহৰ সমাধান আৰু পৰিৱেশৰ প্রতিটো স্তৰৰ মূল্যায়ন কৰি শিক্ষক সকলক তাৰ প্রতি সজাগ কৰি তোলে ।

১.৬ পৰিৱেশ শিক্ষাৰ পৰিসৰ

পৰিসৰ শব্দটোৰ প্রকৃত অর্থ হৈছে কোনো বিষয় বা ঘটনা প্রবাহৰ ওপৰত কৰা অধ্যয়ন। ই বিভিন্ন কার্যাৱলী, কৰাৰ ধৰণ বা নিয়ম আৰু সঠিক কৌশলৰ ব্যৱহাৰ আদিৰ লগত জড়িত। পৰিৱেশ শিক্ষাৰ অর্থ হৈছে প্রতিজন ব্যক্তিক উদাৰতাৰ ভিত্তিত সকলোৰে বোধগম্য হোৱাকৈ শিক্ষা প্রদান কৰা।

আমি জানো যে পৰিৱেশ শিক্ষা হৈছে শিক্ষা বিভাগৰ অধীনস্থ এক অধ্যয়ন ক্ষেত্র। কিন্তু পৰিৱেশৰ প্রতি সজাগতা বা তাৰ ওপৰত অধ্যয়নৰ এই নতুন ধাৰণা প্রথমে পশ্চিমীয়া দেশ-সমূহত বিকশিত হৈছিল। সমগ্র প্রকৃতিৰ ওপৰত চলা মানুহৰ কর্মকাণ্ডৰ বাবে বর্তমান আমি পৰিৱেশৰ বিভিন্ন সমস্যসমূহৰ সৈতে মোকামিলা কৰিব লগা হৈছে । সেয়েহে শিক্ষা ব্যৱস্থাক বিকশিত কৰি পৰিবেশ শিক্ষাক স্বাধীনচেতীয়া ভাৱে সংযোজিত কৰি পৰিৱেশৰ বিভিন্ন সমস্যা�ৰাজিৰ ওপৰত মূল্যায়নৰ ব্যৱস্থা কৰা হৈছে।

পৰিৱেশ শিক্ষাৰ অন্তর্ভূক্ত বিভিন্ন ক্ষেত্র সমূহ হ'ল- পৰিৱেশৰ ওপৰত সজাগতা, পৰিৱেশ মূলক বিভিন্ন আচঁনি আৰু তাৰ ব্যৱহাৰ বা মূল্যায়ন আৰু পৰিৱেশৰ প্রতি বোধগম্যতা। পৰিৱেশ শিক্ষা নিম্নোক্ত বিষয়ৰ লৈ গঠিত(Shrivastava,2004,P-108-109) ঃ

- **পৰিৱেশ শিক্ষাৰ ধাৰণাঃ** ইয়াত অন্তর্ভূক্ত পৰিৱেশ শিক্ষাৰ ধাৰণা, পৰিৱেশ শিক্ষাৰ অর্থ আৰু আন বিষয়ৰ লগত ইয়াৰ সম্পর্ক আৰু পৰিৱেশ শিক্ষা এটা বিষয় হিচাপে পৰিৱেশৰ ভূমিকা সম্পর্কে আলোচনা কৰা হৈছে।
- **পাৰিপার্শ্ব বিজ্ঞানৰ ভাৰসাম্যতা ৰক্ষাৰ ধাৰণা আৰু পৰিৱেশ প্রদূষণঃ** পাৰিপার্শ্ব বুলিলে সাধাৰণতে জীৱবোৰৰ চাৰিওফালে থকা জীৱবোৰৰ মাজত আৰু পৰিৱেশৰ লগত থকা আন্তসম্পর্কৰ কথাকে বুজায়। প্রদূষণ হ'ল পৰিৱেশৰ বায়ু, পানী, মাটি আদিৰ ওপৰত মানুহে কৰা অনিষ্টকৰ কর্ম। পৰিৱেশ প্রদূষণে সমগ্র জীৱমণ্ডল প্রভাৱিত কৰি বিশ্বৰ এক মূল সমস্যা হিচাপে চিহ্নিত হৈছে। এই গোটেই বিষয়টো পৰিস্থিতিক আৰু পৰিস্থিতি তন্ত্র

বিজ্ঞানৰ ভাৰসাম্য প্ৰক্ৰিয়া, পৰিৱেশৰ গুণাগুণ, প্ৰদূষণ আৰু পৰিৱেশৰ ওপৰত পৰস্পৰ নিৰ্ভৰশীল খাদ্য শৃংখল আদি অন্তৰ্গত।

- **পৰিৱেশৰ মনস্তাত্ত্বিক আৰু শিক্ষাৰ ধাৰণাঃ** শিক্ষাৰ লক্ষ্য হৈছে শিশুৰ শাৰীৰিক, সামাজিক, মানসিক, আবেগিক আৰু বৌদ্ধিক বিকাশ সাধন কৰা য'ত পৰিৱেশে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষাৰ এই কাৰ্যকৰী প্ৰক্ৰিয়াত শিক্ষক ছাত্ৰ আৰু পৰিৱেশ সম্পৰ্কে জনাটো প্ৰয়োজনীয়। এইটো পৰিৱেশ শিক্ষাৰ এক গুৰুত্বপূৰ্ণ অধ্যয়নৰ ক্ষেত্ৰ যিয়ে পৰিৱেশ শিক্ষাৰ ধাৰণা বৃদ্ধি আৰু বিকাশ, মনস্তাত্ত্বিক পৰিৱেশ আৰু মানসিক স্বাস্থ্য, জনসংখ্য বিস্ফোৰণ আৰু পৰিৱেশ আদিৰ বিষয়ে অধ্যয়ন কৰে।
- **পৰিৱেশ ব্যৱস্থাপনাৰ ধাৰণা ঃ** এই ধাৰণাই মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্ক উৎকৰ্ষ সাধনৰ লগতে পৰিৱেশ আৰু মানৱ সমাজৰ গুণাগুণ সম্পৰ্কে আলোচনা কৰে। মানুহ আৰু পৰিৱেশৰ মাজত সম্পৰ্কৰ এই উৎকৰ্ষ সাধনে মানব সমাজে প্ৰকৃতিৰ ওপৰত কৰা ধ্বংস ৰোধ কৰাৰ লগতে প্ৰকৃতিৰ সংৰক্ষণ, সুৰক্ষা আৰু ভাৰসাম্যতা ৰক্ষাত সফলতা লাভ কৰিব পাৰে। পৰিৱেশ ব্যৱস্থাপনা পৰিৱেশ শিক্ষা পৰিসৰৰ এক বহল ক্ষেত্ৰ। ই পৰিৱেশ ব্যৱস্থাপনাৰ অর্থ আৰু প্ৰকৃতি, শিক্ষকৰ শিক্ষা আৰু পৰিৱেশ শিক্ষা, পৰিৱেশ শিক্ষাত সংবাদ-মাধ্যমৰ ভূমিকা, পৰিৱেশ বনানীকৰণ আৰু পৰিৱেশ শিক্ষা, পৰিৱেশ শিক্ষাৰ সমস্যা আৰু সমাধান আৰু পৰিৱেশ শিক্ষাৰ মূল্যায়ন আদিৰ সম্পৰ্কে আলোচনা কৰে।

আমি পৰিৱেশ শিক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে এইটো মনত ৰখা উচিত যে পৰিৱেশ শিক্ষা বিষয়টো বিভিন্ন বিষয়ৰ লগত আন্তঃসম্পৰ্ক (interdisciplinary) আছে। কিন্তু ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। আন বিষয় সমূহৰ লক্ষ্য বা উদ্দেশ্য হৈছে পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টি আৰু অধ্যয়ন কৰা। কিন্তু পৰিৱেশ শিক্ষাই প্ৰজ্ঞানাত্মক(cognitive), ভাৱাত্মক (affective) আৰু মনোসঞ্চালক (psychomotor) অর্হতা আৰু দক্ষতা বিকাশত গুৰুত্ব দিয়া উচিত। সংক্ষেপে ক'বলৈ গলে পৰিৱেশ শিক্ষা জ্ঞান আৰু অভিজ্ঞতাৰ অন্তৰ্ভূক্ত এক প্ৰক্ৰিয়া যিয়ে পৰিৱেশ শিক্ষা সম্পৰ্কে জ্ঞানৰ লগতে সজাগতাৰ সৃষ্টি কৰে।



অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ঃ 4 পৰিৱেশ শিক্ষাৰ মূল চাৰিটা উদ্দেশ্যে ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ঃ 5 পৰিৱেশ শিক্ষাৰ নির্দেশাত্মক নীতি সমূহ তালিকা কৰক।

.....

.....

প্রশ্ন নং ঃ 6 পৰিৱেশ শিক্ষাৰ পৰিসৰৰ বহল বিষয়সমু হৰ সম্পর্কে লিখক।

.....

.....



১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টোৰ প্রথম খণ্ডটোত পৰিৱেশ শিক্ষাৰ অর্থ আৰু প্রকৃতি সম্পর্কে আলোচনা কৰা হৈছে।
- পৰিৱেশৰ অভিধানিক অর্থ হৈছে চাৰিওফালৰ অৱস্থা, য'ত গছ- গছনি, জীৱ-জন্তু আদি জীয়াই থাকে।
- পৰিৱেশৰ দুটা মূল উপাদান হৈছে- শাৰীৰিক বা প্রাকৃতিক আৰু মানৱসৃষ্টি বা সাংস্কৃতিক।
- পৰিৱেশ শিক্ষা হৈছে এনে এক শিক্ষা যিয়ে পৰিৱেশৰ বিভিন্ন সমস্যা সমূহৰ বিষয়ে জ্ঞান দিয়ে। ইয়াৰ লক্ষ্য হ'ল পৰিৱেশৰ সমস্যাসমূহৰ বহলভিত্তিক সজাগতাৰ সৃষ্টি কৰা।
- পৰিৱেশ শিক্ষাই মূলত মানুহক চাৰিওকাষৰ অৱস্থা বা পৰিৱেশৰ লগতে কিদৰে চলিব লাগে সেই সম্পর্কে জ্ঞান দিয়ে। পৰিৱেশ শিক্ষাই মানুহ আৰু প্রকৃতিৰ মাজৰ সম্পর্ক আৰু মানৱ সৃষ্টি পৰিৱেশৰ বিষয়ে জ্ঞান আহৰণ, তাৰ প্রতি বোধগম্যতা, সজাগতা আদিৰ বিষয়ে শিক্ষা তথা জ্ঞানৰ যোগান ধৰে।
- পৰিৱেশ শিক্ষাই জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, প্রদূষণ আদিৰ লগতে পৰিৱেশৰ ভাৰসাম্যহীনতাক চিনাক্ত কৰি সামগ্রিক বিকাশৰ উদ্দেশ্য তাক সমাধানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই তত্ত্বমূলক (Theoretical) আৰু ব্যৱহাৰিক (Practical) দুয়োটা পদ্ধতি অৱলম্বন কৰি পৰিৱেশৰ ভাৰসাম্যহীনতা আৰু প্রদূষণ ৰোধৰ চেষ্টা কৰে। পৰিৱেশ শিক্ষাৰ মূল নীতিবোৰ-
  - পৰিৱেশ আৰু ইয়াৰ সম্পূর্ণতা।
  - জীৱন যোৱা প্রক্রিয়া।
  - এক আন্তঃসম্পর্কযুক্ত দৃষ্টিভংগী।
  - পৰিৱেশৰ বিভিন্ন সমস্যাৰ জটিলতাক প্রদর্শণ।
  - পৰিৱেশৰ সমস্যা সমূহৰ সমাধান আৰু ৰোধৰ বাবে সক্রিয় অংশগ্রহণ।
  - পৰিৱেশৰ প্রতি, জ্ঞান আদি সংবেদনশীল।
- পৰিৱেশ শিক্ষাৰ ধাৰণা, পাৰিপার্শ্ব আৰু পৰিৱেশৰ ধাৰণা, শিক্ষা আৰু মনোবিশ্লেষণাত্মক ধাৰণাৰ লগতে পৰিৱেশ ব্যৱস্থাপনাৰ ধাৰণাও পৰিৱেশ শিক্ষাৰ পৰিসৰৰ অর্ন্তগত ।
- পৰিৱেশ শিক্ষা ভাৱমূলক আৰু কার্যমূলক দুয়োটা পদ্ধতিৰে অন্তর্ভূক্ত। ই শিক্ষণ শিকনৰ

সকলো বিষয়কে সামৰি লয়। পৰিৱেশ শিক্ষা শিকনৰ বিভিন্ন পদ্ধতিসমুহ যেনে পৰ্যবেক্ষন, শিক্ষা মূলক ভ্ৰমন, প্ৰকল্প পদ্ধতি, নাটক, আলোচনা চক্ৰ, বক্তৃতা, তৰ্ক আলোচনা আদিয়েহ প্ৰধান।



১.৮ অধিক জানিবলৈ

1) Akhatar, P and Others (2008): Environment and Population education, Assamese Book Depot., Guwahati.

2) Barua, J (2009): Paribish Aru Jaresankhya Siksha, Chandra Prakash, Guwahati.

3) Das, S (2011) : Environmental Education- Concepts, Issues, and Problems, K.K, Pub Guwahati



১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (i) নতুন (ii) চাৰিওফালৰ পৰিৱেশ (iii) ভাৰসাম্যতা (balance)
(iv) আন্তঃসম্পৰ্ক(interdisciplinary)

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষা এনে এক বিষয় যিয়ে জনসাধাৰণক শিক্ষা দিয়াৰ লগতে প্ৰকৃতিৰ ভাৰসাম্যতা আৰু সজাগতা সৃষ্টি, পৰিৱেশ সম্পকীয় জ্ঞান, কৌশল, পৰিৱেশ ৰক্ষাত গুৰুত্ব আদি বিষয়ত শিক্ষা দিয়ে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষাই প্ৰথমতে মানুহৰ প্ৰকৃতি আৰু মানৱসৃষ্টি পৰিৱেশৰ লগত থকা সম্পৰ্কক সামৰি লয়। দ্বিতীয়তে, ই জৈবিক আৰু অজৈবিক, আৰু সাংস্কৃতিক পৰিৱেশ ৰ জ্ঞানৰ বিষয়েও উল্লেখ কৰে। তৃতীতেপৰিবেশ শিক্ষাই জনসংখ্যা বিস্ফোৰণ, উদ্যোগীকৰণ, পৰিৱেশৰ ওপৰত জনসংখ্যা প্ৰভাৱ আদিৰ বিষয়ে আলোচনা কৰে। চতুৰ্থতে ই পৰিৱেশৰ লগত জড়িত বিভিন্ন দল সংগঠনৰ বিষয়ে উল্লেখ কৰাৰ লগতে ই এক শিক্ষামূলক প্ৰক্ৰিয়া যিয়ে প্ৰদূষণহীন পৰিৱেশ সৃষ্টিত শিক্ষক সকলক ধনাত্মক ধাৰণা দিয়ে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

- ছাত্ৰ ছাত্ৰীসকলক পৰিৱেশ সম্পকীয় জ্ঞান আহৰণত সহায় কৰাৰ লগতে ইয়াৰ লগত জড়িত বিভিন্ন সমস্যা সমূহো অৱগত কৰোৱা।
- প্ৰকৃতিৰ নিয়ম সম্পৰ্কে ছাত্ৰ ছাত্ৰী সকলক জ্ঞানৰ যোগান ধৰা।

- প্রদূষণ বিহীন পৰিৱেশ সৃষ্টিৰ বাবে শিক্ষকসকলৰ মাজত ধনাত্মক চিন্তাৰ ধাৰণা দিয়া।
- পৰিৱেশৰ বিভিন্ন সমস্যা সমূহৰ সমাধান আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে ছাত্র-ছাত্রীসকলক বিভিন্ন কার্যসূচীত অংশগ্রহণৰ সুবিধা দিয়া।

৫ নং প্রশ্নৰ উত্তৰ ঃ

- পৰিৱেশ আৰু ইয়াৰ সম্পূর্ণতা।
- জীৱন যোৱা প্রক্রিয়া।
- এক আন্তঃসম্পর্কযুক্ত ব্যৱস্থা।
- পৰিৱেশৰ বিভিন্ন সমস্যাৰ জটিলতাক প্রদর্শন।
- পৰিৱেশৰ সমস্যা সমূহৰ সমাধান আৰু ৰোধৰ বাবে সক্রিয় অংশগ্রহণ।

৬ নং প্রশ্নৰ উত্তৰ ঃ

- পৰিৱেশ শিক্ষাৰ ধাৰণা।
- পৰিৱেশ প্রদূষণ আৰু পাৰিপার্শ্ব ধাৰণা।
- শিক্ষামূলক আৰু মনোবিজ্ঞান মূলক পৰিৱেশৰ ধাৰণা আৰু
- পৰিৱেশৰ ব্যৱস্থাপনাৰ ধাৰণা।



১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (50টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ বুলিলে আপুনি কি বুজে ?

প্রশ্ন ২ঃ পাৰিপার্শ্ব মানে কি?

প্রশ্ন ৩ঃ পৰিৱেশ ৰক্ষাৰ অগ্রগতিত শিক্ষাৰ ভূমিকা কি হোৱা উচিত?

প্রশ্ন ৪ঃ বহনক্ষম (sustainable) বিকাশ বুলিলে আপুনি কি বুজে?

প্রশ্ন ৫ঃ পৰিৱেশ ব্যৱস্থাপনা (management) বুলিলে কি বুজে?

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিৱেশ শিক্ষাৰ সংজ্ঞা আৰু ইয়াৰ বৈশিষ্ট্যবোৰ লিখক।

প্রশ্ন ২ঃ পৰিৱেশ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ কি কি? পৰিৱেশৰ ওপৰত সজাগতা সৃষ্টিত শিক্ষাৰ ভূমিকাৰ সর্ম্পকে আলোচনা কৰক ।

প্রশ্ন ৩ঃ পৰিৱেশ শিক্ষা কি? ইয়াৰ প্রকৃতি আৰু পৰিসৰৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ঃ বর্তমান পৰিস্থিতিত পৰিৱেশ শিক্ষা অধ্যয়নৰ প্রয়োজনীয়তা আৰু গুৰুত্ব কি? উদাহৰণৰ সহায়ত বর্ণনা কৰক।

*** ***** ***

অধ্যায় ২ঃ পৰিৱেশ শিক্ষাৰ পদ্ধতিসমূহ

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 পৰিৱেশ শিক্ষাৰ শিক্ষা

2.4 পৰিৱেশ শিক্ষাত ব্যৱহৃত বিভিন্ন পদ্ধতি সমূহ

- 2.4.1 আলোচনা পদ্ধতি
- 2.4.2 প্রকল্প পদ্ধতি
- 2.4.3 সমস্যা সমাধান পদ্ধতি
- 2.4.4 পর্যবেক্ষন পদ্ধতি
- 2.4.5 নাটকীয়কৰণ
- 2.4.6 ক্ষেত্র-ভ্রমণ

2.5 অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

2.6 অধিক জানিবলৈ

2.7 অগ্রগতিৰ খতিয়ান

2.8 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিবেশ শিক্ষাৰ বিভিন্ন পদ্ধতি সমূহ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- মাটি, বাবি আৰু জল সংৰক্ষণৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- পৰিবেশ শিক্ষাত ব্যৱহৃত বিভিন্ন পদ্ধতি যেনে- পর্য্যবেক্ষন পদ্ধতি, আলোচনা পদ্ধতি ইত্যাদিৰ বিষয়ে আলোচনা কৰিবলৈ সমর্থ হ'ব।

২.২ পৰিচয়

প্রথম অধ্যায়ত আমি পৰিবেশ সিক্ষা আৰু ইয়াৰ লগত জৰিত ধাৰনা সমূহৰ বিষয়ে আলোচনা কৰিছোঁ আৰু লগতে পৰিবেশ শিক্ষাৰ উদ্দেশ্য আৰু গুৰুত্বৰ ওপৰতো আলোচনা কৰা হৈছিল। পৰিবেশৰ অৱক্ষৰ হ্রাস কৰাৰ বাবে পৰিবেশৰ অংক্ষয়ত অৰিহনা যোগোৱা উপাদান সমূহ সম্পর্কে জনাসাধাৰণক সজাগ কৰিব লাগিব।পৰিবেশ শিক্ষা সম্পর্কে আমাৰ জ্ঞান থকাটোৱেই যথেষ্ট নহয়, কিদৰে অজ্ঞ লোকসকলৰ মাজত পৰিহ্বশ শিক্ষা বিস্তাৰ কৰিব পাৰি আমি সেইটো জনা অতি প্রয়োজন। এই অধ্যায়ত আমি পৰিবেশ শিক্ষাৰ বিভিন্ন পদ্ধতি সমূহ আলোচনা কৰিম।

২.৩ পৰিৱেশ শিক্ষাৰ শিক্ষণ

পৰিবেশ অৱক্ষয় ৰোধ কৰাৰ বাবে জনসাধাৰণক সজাগ কৰি গঢ়ি তোলাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আঁচনি হ'ল- পৰিবেশ শিক্ষা। বিভিন্ন ধৰণৰ পৰিবেশ সম্পৰ্কীয় শিক্ষা আৰু সংগঠনৰ বিভিন্ন আচঁনিৰ জৰিয়তে জনসাধৰণক পৰিবেশ সম্পৰ্কে সজাগ কৰি গঢ়ি তুলিব পাৰি পৰিবেশ সম্পৰ্কীয় শিক্ষাৰ ভিতৰত ব্যৱহাৰিক জ্ঞান আৰু তাত্বিক জ্ঞান দুয়োটাই আহৰণ কৰিব পাৰি। পৰিবেশ শিক্ষাৰ মূল উদ্দেশ্য হ'ল- জনসাধাৰণৰ পৰিবেশ সম্পৰ্কে সাগতা সৃষ্টিৰ লতে পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে মনোভাৱৰ পৰিৱৰ্তন কৰি এই সম্পৰ্কত কার্য ৰূপায়ন কৰা। পৰিবেশ শিক্ষাই জ্ঞান, মানসিক ধ্যান-ধাৰনা আৰু জ্ঞান প্রদান আৰু গ্রহন সকলো সামৰি লয়। শিক্ষা প্রদান আৰু গ্রহণৰ কৌশল এক বিস্তৃত ধাৰনা, এই শিক্ষা প্রদান আৰু গ্রহণ ইয়াৰ বিষয়বস্তু আৰু উপাদান শিক্ষাৰ স্তৰ আৰু উদ্দেশ্যৰ ওপৰত নির্ভৰশীল পৰিবেশ শিক্ষা প্রদানৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতিসমূহ অতি প্রয়োজনীয়।



জানি থোৱা ভাল

পৰিবেশ শিক্ষাই জ্ঞান, মানসিক জ্ঞান-ধাৰণাৰ লগতে জ্ঞান প্রদান আৰু গ্রহণ সকলো সামৰিলয়। শিক্ষা প্রদান আৰু গ্রহণৰ কৌশল এক বিস্তত ধাৰণা এই শিক্ষা প্রদান আৰু গ্রহণ ইয়াৰ বিষয় বস্তু আৰু উপাদান, শিক্ষাৰ স্তৰ আৰু উদ্দেশ্যৰ ওপৰত নির্ভৰশী। পৰিবেশ শিক্ষা প্রদানৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতি সমূহ অতি প্রয়োজনীয়।

২.৪ পৰিবেশ শিক্ষাত ব্যৱহৃত বিভিন্ন পদ্ধতি সমূহ

পৰিবেশ শিক্ষা শিকোৱাটো অতি সহজ কার্য নহয়। আন কিছুমান গুৰুত্বপূৰ্ণ বিষয় অধ্যয়ন কৰাটো যেনেদৰে জটিল পৰিবেশ শিক্ষা ৰ ওপৰত অধ্যায়ন কৰাটোও জটিল। এই গুৰুত্বপূৰ্ণ বিষয়টো অধ্যায়ন কৰিবলৈ বা শিকাবলৈ নির্দিষ্ট পদ্ধতিৰ প্রয়োজন। এনে পদ্ধতিৰ জৰিয়তে পৰিবেশ শিক্ষা সম্পৰ্কে ছাতৰে-ছাত্রীক জ্ঞান প্রদান কৰিব পাৰি আৰু ছাত্র ছাত্রীয়েও সহজতে আয়ত্ব কৰিব পাৰে।

পৰিবেশ শিক্ষা শিকোৱাৰ বাবে শিক্ষকে প্রয়োগ কৰিব পৰা পদ্ধতি সমূহ হ'ল—

২.৪.১ আলোচনা পদ্ধতি

আলোচনা পদধিতি হ'ল দলীয় ভিত্তিৰ শিকাৰ এটি সৰু ৰূপ। বিভিন্ন পৰিবেশত আলোচনা পদ্ধতি মাধ্যমিক আৰু উচ্চ সিক্ষাত প্রয়োগ কৰিব পাৰি দলটোত অংশগ্রহণ কৰা সকলোৰে সক্রিয়তাৰ ওপৰত আলোচনা পদধিতি'ৰ সফলতা নির্ভৰশীল আলোচনা পদ্ধতিত ছাত্র-ছাত্রী সকলক অংশগ্রহণ কৰিবলৈ সিক্ষাকজনে উৎসাহ যোগোৱাটো

অতি প্রয়োজন।এই কৌশলটো ফলদায়ক হ'বৰ বাবে সিক্ষকজনে আৰম্ভনিতে বিষয়বস্তুৰ ইতিহাস, তাৎপর্য্য আৰু প্রসঙ্গিকতা ছাত্র-ছাত্রীক অৱগত কৰিব লাগে যাতে ছাত্র-ছাত্রী সকলে অংশগ্রহণ কৰিবলৈ ইচ্ছুক হয়। সকলোৱে আলোচনাত অংশগ্রহণ কৰাটো অতি প্রয়োজন কিয়নো কোনো আলোচনাই সাৰশূণ্য নহয়। পৰিবেশ শিক্ষাৰ'ৰ পাঠ্যক্রমৰ ওপৰত ভিত্তি কৰি শিক্ষকে যি কোনো পাঠৰ ওপৰত সহজতে 'আলোচনা' ৰ ব্যৱস্থা কৰিব পাৰে। এনেধৰণৰ আলোচনাই ছাত্র-ছাত্রীৰ জ্ঞানৰ শক্তি বৃদ্ধি কৰাৰ লগতে উচ্চ জ্ঞান আহৰণৰদক্ষতা বৃদ্ধি কৰে। আলোচনা পদ্ধতি ত ছাত্র ছাত্রী সকলে সক্রিয় অংশগ্রহনৰে জ্ঞান আহৰণ কৰিব পাৰে। আলোচনা পদ্ধতি হল এক প্রকাৰৰ পাৰস্পৰিক আদান প্রদানৰ মাধ্যৰ যাৰ জৰিয়তে শ্রেণী কোঠা সজীৱ আৰু শক্তিশালী হয়। 'আলোচনা' পদ্ধতি মুঠতে চাৰি প্রকাৰৰ যেনে— শিক্ষক-শিক্ষার্থী আৰু সিক্ষার্থীৰ মাজৰ আন্তঃ ক্রিয়া, শিক্ষক আৰু সিক্ষন সামগ্রীৰ মাজৰ আন্তঃ ক্রিয়া আৰু শিক্ষার্থী আৰু শিক্ষন সামগ্রীৰ মাজৰ আন্তঃ ক্রিয়া পৰিবেশ যিহেতু এটি-গুৰুত্বপূর্ণ বিষয় সেয়ে 'আলোচনা' পদ্ধতি যে এই বিষয়ত ছাত্র-ছাত্রীসকলক অধিক বোধগম্য কৰিব পাৰে।

পৰিবেশ শিক্ষা শিকোৱাৰ বাবে শিক্ষকে-চহৰৰ পানীৰ নাটনি সাগৰৰ পানীৰ প্রদূষণ, পেলনীয়া সামগ্রীৰ ব্যৱস্থাপনা আদিৰ বিষয়ে আলোচনা কৰিব পাৰে।



জানি থোৱা ভাল

আলোচনা পদ্ধতি হ'ল এক প্রকাৰৰ পাৰস্পৰিক আদান- প্রদানৰ মাধ্যম যাৰ জৰিয়তে শ্রেণীকোঠা সজীৱ আৰু শক্তিশালী হয়। 'আলোচনা' পদ্ধতি হ'ল দলীয় ভিত্তিত শিকা এটা সৰু ৰূপ।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং 1ঃ আলোচনা পদ্ধতিত কি কি আন্তঃ ক্রিয়া অন্তর্ভুক্ত হৈ আছে?

.....

২.৪.২ প্রকল্প পদ্ধতি

পৰিবেশ শিক্ষাত ব্যৱহৃত আন এটি গুৰুত্বপূর্ণ পদ্ধতি হ'ল- প্রকল্প পদ্ধতি কোনো সমস্যা সমাধানৰ উদ্দেশ্যে ছাত্র-ছাত্রী সকলে ৰূপায়ন কৰা বিশেষকার্যকে 'প্রকল্প' বোলা হয়। প্রকল্পৰ বাবে যিবোৰ কার্য্য ৰূপায়ন কৰা হয় ইয়াৰ উদ্দেশ্য হ'ল জ্ঞান আহাৰণ কৰা। প্রকল্প পদ্ধতি'ৰ কিছুমান মূল বৈশিষ্ট হ'ল-

- **কার্য ঃ** প্রকল্পৰ সৈতে মানসিক বা শাৰীৰিক কার্য জৰিত হৈ থাকে।

উদ্দেশ্য ঃ কার্য সদায় উদ্দেশ্য প্রনোদিত হ'ব লাগে। এই সম্পর্কেত ছাত্র-ছাত্রীসকলে অভাৱ-অনুভৱ কৰা উচিত।

- **অভিজ্ঞতা ঃ** প্রকল্পৰ জৰিয়তে ছাত্র-ছাত্রীয়ে ইচ্ছা প্রকাশ কৰা ধৰণে বিভিন্ন প্রকাৰৰ কংক্রিট আৰু মানসিক অভিজ্ঞতা অর্জন কৰিব পৰা হোৱা উচিত।
- **বাস্তৱতা ঃ** প্রকল্প বাস্তৱ অভিজ্ঞতা অর্জন কৰাত সহায়ক হ'ব লাগে।
- **স্বাধীনতা ঃ** প্রকল্পৰ লগত সংলগ্ন বিভিন্ন প্রকাৰৰ কার্য্য ৰূপায়নৰ বাবে ছাত্র-ছাত্রী সকলৰ স্বাধীনতা থকা উচিত।
- **উপযোগিতা ঃ** প্রকল্পৰ দ্বাৰা ৰূপায়িত কার্য্যই ছাত্র-ছাত্রীৰ জ্ঞান- আহৰণত সহায় কৰা উচিত।

সক্রিয় অংশ গ্রহণৰ জৰিয়তে নির্দিষ্ট বিষয়ৰ ওপৰত জ্ঞান আয়ত্ব কৰাৰ ক্ষেত্রত প্রকল্প পদ্ধতিয়ে সহায় কৰে। প্রকল্প পদ্ধতিয়ে কেৱল জ্ঞান আহৰণতে সহায় নকৰে ইয়াৰ লগতে আত্ম-শিক্ষা নিশ্চিত কৰে। সাধাৰণতে প্রকল্প পদ্ধতিত ছাত্র-ছাত্রী সকলৰ বিশেষ কোনো বিষয় বা এলেকাৰ ওপৰত কাম কৰিবলৈ দিয়া হয়। পর্যবেক্ষণ সাক্ষৎকাৰ অথবা আন মাধ্যমৰ জৰিয়তে ছাত্র-ছাত্রী সকলে নির্দিষ্ট বিষয় বা এলেকাৰ বিষয়ে তথ্য সংগ্রহ কৰে আৰু এই তথ্য সমূহৰ বৈজ্ঞানিক বিশ্লেষনৰ জৰিয়তে প্রকল্প প্রস্তুত কৰা হয়। প্রকল্পৰ প্রতিবেদন হাতে লিখা অথবা ছপা ব'হ পাৰে আৰু প্রকল্পত প্রয়োজনীয় তালিকা, চিত্র অথবা আৰ্হি কিছুমান অন্তর্ভুক্ত কৰা হ'য়। এনেধৰনত ছবি অথবা তালিকাই শিক্ষক অথবা অভিভাৱকক প্রকল্পৰ লগত জৰিত কৰাত সহায় কৰে।

প্রকল্প প্রস্তুতিৰ দায়িত্ব যদিও ছাত্র-ছাত্রী সকলৰ তথাপিও প্রকল্পৰ বিভিন্ন স্তৱত শিক্ষকজনৰ ভূমিকা অপৰিসীম শিক্ষকে ছাত্র-ছাত্রীক প্রাসাঙ্গিঁক বিষয় বাচনি কৰাত সহায় কৰা, প্রকল্পৰ লক্ষ্য আৰু উদ্দেশ্য নির্ধাৰনত সহায় কৰাৰ উপৰিও সময়ে সময়ে ছাত্র-ছাত্রী সকলৰ প্রগতিৰ খতিয়ান লোৱা আৰু প্রয়োজন সাপেক্ষে সংশোধনত সাহয় কৰাৰ ভূমিকা পালন কৰে। পৰিবেশ সিক্ষা শিক্ষানৰ বাবে প্রকল্প পদধিতি অটি উত্তম পদ্ধতি বুলি ক'ব পাৰি। বিদ্যালয় পর্যায়ৰ ছাত্র-ছাত্রীসকলৰ মাজত বিভিন্ন ধৰণৰ প্রকল্পৰ কাম কৰিব পাৰি এই বোৰৰ ভিতৰত যেনে — বিদ্যালয়ৰ চৌহদত বৃক্ষৰোপন, প্রদূষিত অঞ্চল ভ্রমন, বন্যপ্রানী সংৰক্ষিত অভয়াৰণ্য ভ্রমন, গ্রাম্যঅঞ্চলৰকৃষি পদ্ধতি পর্যবেক্ষণ আৰু ঘৰুৱা পেলনীয়া সামগ্রী পেলোৱা ব্যৱস্থা আদি।



জানি থোৱা ভাল

কোনো সমস্যাসমাধানৰউদ্দেশ্যে ছাত্র-ছাত্রীসকলে ৰূপায়ন কৰা বিশেষ কার্যকে প্রকল্প বোলা হয়। প্রকল্পৰ বাবে যিবোৰ কার্য ৰূপায়ন কৰা হয়, ইয়াৰ উদ্দেশ্য হ'ল জ্ঞান আহৰন কৰা।

২.৪.৩ সমস্যা সমাধান পদ্ধতি

পৰিবেশ শিক্ষা শিক্ষণৰ বাবে ব্যৱহৃত পদ্ধতি সমূহৰ ভিতৰত 'সমস্যা সমাধান পদ্ধতি গুৰুত্ব পূর্ণ পৰিবেশ অৱক্ষয়' ৰোধ কৰা আৰু যিটো নেকি এক অন্যতম সমস্যাহিচাপে বিবেচনা কৰা হয়। পৰিবেশ সুৰক্ষা সম্পৰ্কীয় আঁচনি সমূহত ছাত্র-ছাত্রী সকলৰ সক্রিয় অংশ গ্রহনেহে পৰিবেশঅংক্ষয় ৰোধ কৰাত সহায় কৰিব পাৰে। 'সমস্যা সমাধান' পদ্ধতি হ'ল এনে এক পদ্ধতি য'ত শিক্ষকে ছাত্র-ছাত্রী সকলৰ নিজৰ ভিতৰতে সমস্যা সমাধানৰ শিক্ষা প্রদান কৰে। এই পদ্ধতিত ছাত্র-ছাত্রী সকলে সমস্যাৰ ওপৰত অধ্যয়ন কৰে আৰু সমস্যাৰ সন্মুখীন হৈ ছাত্র-ছাত্রী সকলে নতুন জ্ঞান আয়ত্ত কৰিব পাৰে। 'সমস্যা সমাধান' পদ্ধতিত ছাত্র-ছাত্রীসকলে বিষয়তি পর্য্যবেক্ষণ বোধগম্য, বিশ্লেষণ, ব্যাখ্যা আৰু সমাধান সুত্র পাবলৈ ইচ্ছা প্রকাশ কৰে আৰু যাৰ বাবে ছাত্র-ছাত্রীসকলৰ ধাৰনাটি প্রয়োগ আৰু সহজতে বুজাত সহায়ক হয়। 'সমস্যা সমাধান' পদ্ধতিটো বৈজ্ঞানিক কৌশলৰ দ্বাৰা বিকাশ লাভ কৰা অন্যতম পদ্ধতি। এই পদ্ধতিটোৱে পৰিবেশ শিক্ষা'ৰ ওপৰত জ্ঞান- আহৰণৰ চিন্তা-শক্তিৰ বিকাশ কৰে। এই পদ্ধতিটোত ছাত্র-ছাত্রীসকলে ব্যৱহাৰিক আৰু তাত্বিক উভয় জ্ঞান আহৰন কৰিব পাৰে, ইয়াত দুয়োটা পৰিপুৰকহে বিৰোধ নহয়। 'সমস্যা সমাধান' পদ্ধতিটোত ছাত্র-ছাত্রী সকলে বাস্তৱ ঘটনাৰ সতে পৰিচিত হ'ব পাৰে কিয়নো এই পদ্ধতিৰ জৰিয়তে যি কোনো বস্তু স্পর্শ আৰু নিজে ইচ্ছাকৰনতে প্রস্তুত কৰাৰ ছাত্র-ছাত্রী সকলৰ অধিকাৰ থাকে। ইয়াৰ উপৰিও এই পদ্ধতিয়ে বিজ্ঞান শিক্ষা আহৰ্ণত অধিক সজীৱ কৰি তোলে।

সমস্যা সমাধান পদ্ধতি হ'ল— কোনো বিষয়ৰ সমস্যাৰ সংজ্ঞা উদ্ভাৱন সমস্যাৰ কাৰণ উদ্ভাৱন, চিনাক্তকৰণ আৰু অগ্রাধিকাৰ ভিত্তিত সমস্যা সমাধানৰ উপায় উদ্ভাৱন কৰা সমস্যা সমাধানৰ উপায় উদ্ভাৱন কৰা সমস্যা সমাধান পদ্ধতিৰ জৰিয়তে ছাত্র-ছাত্রী সকলক সমস্যাৰ লগত জৰিতে হৈ সমস্যা অনুধাৱন কৰিবলৈ দিয়া হয়। যদিও সমস্যা সমাধান পদ্ধতি এটি সমস্যাৰে আৰম্ভ হয় তথাপিও ধাৰাবাহিক অর্থপূর্ণ আৰু সু-সংহত কার্য্যৰে ইয়াৰ ,সমাধান সুত্রৰ উদ্ভাৱন হয়। সমস্যাসমূহ প্রাকৃতিক মাধ্যমেৰে ছাত্র-ছাত্রীসকলে সমাধান কৰিবলৈ প্রকৃততে আগ্রহী হয়।

এই পদ্ধতিত ছাত্র-ছাত্রী সকলক কিছুমান সমস্যা দিয়া হয় আৰু যিবোৰ তেওঁলোকে বিকল্প পদ্ধতিৰে সমাধান কৰো এই পদ্ধতিৰ প্রতিবেদনত সমাধান সুত্রৰ ভূমিকা অপৰিসীম। পৰিবেশ শিক্ষাত ছাত্র ছাত্রী সকলক— জল প্রদূষণ, শব্দপ্রদূষণ আদি সমস্যাৰ ওপৰত অধয়ন কৰি সমাধান সূত্র উদ্ভাৱন কৰিবলৈ দিয়া হয় আৰু এনেদৰে ছাত্র- ছাত্রী সকলে অধ্যয়ন কৰাৰ ফলত এই সমস্যা সমূহৰ ভয়াবহতা উপলব্ধি কৰিব পাৰে। সেইবাবে, পৰিবেশ শিক্ষাৰ ক্ষেত্রত সমস্যা সমাধানৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিয়া হয়।



জানি থোৱা ভাল

সমস্যা সমাধান পদ্ধতি হ'ল — কোনো বিষয়ৰ সমস্যাৰ সংজ্ঞা উদ্ভাৱন, সংস্যাৰ কাৰণ উদ্ভাৱন, চিনাক্তকৰণ আৰু অগ্রাধিকাৰ ভিত্তিত সমস্যা সমাধানৰ উপায় উদ্ভাৱন কৰা।



অগ্রগতিৰ খতিয়ান

প্রশ্ন নং 2ঃ সমস্যা সমাধান পদ্ধতিৰ তিনিটা বৈশিষ্ট লিখা।

.....

.....

২.৪.৪ পর্যবেক্ষণ পদ্ধতি

পর্যবেক্ষণ পদ্ধতি হ'ল পৰিবেশ শিক্ষাত ব্যৱহৃত আন এতি গুৰুত্বপূর্ণ পদ্ধতি পর্যবেক্ষণ পদ্ধতি যদিও সাধাৰনতে বিস্তৃতভাৱে আচৰন বিজ্ঞান'ৰ ক্ষেত্রতহে প্রয়োগ কৰা হৈছিল তথাপিও পৰিবেশ শিক্ষাৰ ক্ষেত্রতো এই পদ্ধতি প্রয়োগ কৰিব পাৰি। পৰিবেশ আমাৰ চাৰিওফআলৰ সকলো বস্তুকেই সামৰি লয়। আমি যেতিয়া আমাৰ চাৰিওফালৰ জীৱ-জন্তু, বিভিন্ন বস্তু পর্যবেক্ষণ কৰো তেতিয়া ইয়ে আমাক এইবোৰৰ বিষয়ে জনাত আৰু এইবোৰৰ লগত একতা প্রতিষ্ঠাত সহায় কৰে। উদীয়মান ছাত্র-ছাত্রীসকলক পর্যবেক্ষন পদ্ধতিয়ে পৰিবেশৰ গুৰুত্ব উপলব্ধি কৰাৰ লগতে পৰিবেশক দূর্যোগৰ পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি তাৰ উপায় উদ্ভাৱনত সহায় কৰে। পর্য্যবেক্ষন পদ্ধতিয়ে পৰিবেশ অংক্ষয়ৰ লগত জৰিত প্রাসঙ্গিক ঘটনা সমূহ অনুধাৰন কৰাৰ লগতে অৱক্ষয় ৰো কৰাৰ বাবে সহাক মাধ্যম উদ্ধাৱনত সহায় কৰে।

প্রত্যক্ষ জৰিয়তে লাভ কৰা জ্ঞান আটাইতকৈ বেছি ফলাদায়ক আৰু দীর্ঘদিন ব্যাপি থকা জ্ঞান এনেকাৰণতে ছাত্র-ছাত্রীসকলক আমাৰ পৃথিৱীখন অথবা আকাশ মনৰ বিষয়ে বিভিন্ন উপাদান সমূহৰ ওপৰত পর্যবেক্ষণ কৰিবলৈ এৰি দিয়া উচিত যাতে জীৱ আৰু জড় পদার্থৰ বিষয়ে সজাগ হোৱাৰ ওপৰিও সামাজিক আৰু প্রকৃতিক পৰিবেশ সম্পর্কত তেওঁলোকে সুস্থ ধাৰানা আয়ত্ব কৰিব পাৰে। পৰিবেশ সম্পর্কে শিশুসকলে এটি ইতিবাচক আৰু পৰিবেশ সংৰক্ষনৰ মনোভাৱেৰে ক্রমান্বয়ে ডাঙৰ হৈ আহে। শিশুৰে সজাগতা, কৌশল,ধ্যান ধাৰানা অভ্যাসলৈ পৰিণত কৰিব পাৰে। ব্যক্তিগত অভ্যাসে পৰিবেশ উন্নীত কৰণত বিশেষ অৰিহনা যোগাব পাৰে। ছাত্র-ছাত্রী সকলে শিক্ষকৰ সচেতন তত্বাৱধানত যদি তাৎক্ষনিক আমাৰ চাৰিওফালৰ প্রাকৃতিক পৰিবেশ অথবা ভৌগলিক উপাদান আৰু ইয়াৰ মাজৰ সম্পর্ক পর্যবেক্ষণ কৰে তেনেহলে পৰিবেশ শিক্ষাৰ শিক্ষন অতি ফলদায়ক হৈ উঠিব।



জানি থোৱা ভাল

ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ সচেতন তত্বাৱধানত যদি তাৎক্ষনিক আমাৰ াৰিও ফআলৰ প্ৰাকৃতিক পৰিবেশ অথবা ভৌগলিক উপাদান আৰু ইয়াৰ মাজৰ সম্পৰ্ক পৰ্য্যবেক্ষন কৰে তেনেহ'লে পৰিবেশ শিক্ষাৰৰ শিক্ষন অতি ফলদায়ক হৈ উঠিব।

২.৪.৫ নাটকীয়কৰণ পদ্ধতি

'নাটক' আমি জানো যে এক জীৱন্ত অভিজ্ঞতা নাটকে শিশুৰ জীৱনৰ পৰিসীমা বিস্তীৰ্ণ কৰাৰ লগতে কোনো ঘটনা- পৰিঘটনা সম্পৰ্কত তেওঁলোকৰ কল্পনা, ধাৰণা আৰু অনুভৱ ব্যক্ত কৰিবলৈ সমৰ্থ কৰি তোলে। অভিনয় শিক্ষনৰ এক চমকপ্ৰদ আহিলা। নিম্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানত নাটকীয় পদ্ধতিৰে শিক্ষা প্ৰদানৰ বাবে বিভিন্ন ধৰনৰ পাঠ্যক্ৰম সামৰি লোৱা হৈছে। 'নাকীয় কৰন' এনে এক পদ্ধতি যিয়ে শিক্ষণৰ বিভিন্ন মাধ্যম সামৰি লয়। এই মাধ্যমসমূহৰ ভিতৰত প্ৰাচীন নাটকীয় পদ্ধতি যেনে,— ছাত্ৰ-ছাত্ৰীসকলক আকস্মিক ভাৱে কোনো বিষয়ৰ ওপৰত লিখিবলৈ দিয়া, গল্প ক'বলৈ দিস্তা অথবা খেলা-ধূলাৰ মাধ্যমেৰে জ্ঞান আহৰণ কৰা ইত্যাদি নাটকীয়কৰন পদ্ধতিয়ে বিশেষকৈ ছাত্ৰ ছাত্ৰীসকলৰ পাৰস্পৰিক বিনিময় কাৰ্যত গুৰুত্ব দিয়ে। শ্ৰেণী কোঠাত নাটকীয়কৰণ পদ্ধতি প্ৰয়োগ কৰাৰ বিভিন্ন উপায় আছে। ছাত্ৰ-ছাত্ৰীসকলক বিষয়বস্তুৰ গভীৰতালৈ নিবৰ বাবে আৰু বিষয়বস্তু সম্পৰ্কে এটা ধাৰণা গঢ় দিবলৈ শিক্ষকে নাটকীকৰণ পদ্ধতিব্যৱহাৰ কৰিব পাৰে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানৰ পৰিসৰ জানিবলৈ নাটকীয়কৰণ পদ্ধতি প্ৰয়োগ কৰিব পাৰি। নাটকীয়কৰণ পদ্ধতিয়ে কোনো এটি পটভূমি উন্মোচিত কৰে। নাটক এখন ৰূপায়িত হ'লে ই গনতান্ত্ৰিক নাগৰিকৰ দায়বদ্ধতা, সম্পদায়ত বসবাস কৰা নাগৰিকৰ সমস্যা আৰু সম্প্ৰদায়ৰ অন্তৰ্গত কাৰ্যসমূহৰ লগত জৰিত হোৱাৰ গুৰুত্ব আদি আলোকিত কৰে। নাটকে অনুকুল পৰিবেশৰ প্ৰয়োজনীয়তা আৰু পৰিবেশৰ অপপ্ৰযোগ ৰোধৰ বাৰ্তা কঢ়িয়াই।

নাটকীয় কৰণ পদ্ধতিৰ মাধ্যমত পৰিবেশ শিক্ষা শিক্ষণৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিক্ষকে ছাত্ৰ-ছাত্ৰীক পৰিবেশ সমস্যাৰ ওপৰত নাটলিপি প্ৰস্তুত কৰি ইয়াক মঞ্চস্থ কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগৱঢ়ায় ।নাটকৰ সতে ছাত্ৰ-ছাত্ৰীসকল জৰিত হৈ তেওঁলোকে মানৱ- জীৱনৰ বিভিন্ন কাৰ্যৰ সৈতে পৰিচিত হোৱাৰ লগতে পৰিবেশ সংৰনৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ কৌশল আয়ত্ব কৰে। শিশুসকলক তৃনমূল স্তৰৰ পৰাই পৰিবেশ সম্পৰ্কে সজাগ কৰি গঢ়ি তোলা উচিত কিয়নো পৰিবেশ হ'ল এতি জলন্ত সমস্যা। নাটকীয়কৰণ কৌশলে ছাত্ৰ-ছাত্ৰীসকলক পৰিবেশৰ গুৰুত্ব উপলব্ধি কৰাত সহায় কৰে।



জানি থোৱা ভাল

'নাটকীয়কৰণ' এনে এক পদ্ধতি যিয়ে শিক্ষনৰ বিভিন্ন মাধ্যম সামৰি লয়। এই মাধ্যম সমূহৰ ভিতৰত প্ৰাচীন নাটকীয় পদ্ধতি, য়েনে- ছাত্ৰ-ছাত্ৰীসকলৰ আকস্মিক ভাৱে কোনো বিষৰ ওপৰত ৰচনা লিখিবলৈ দিয়া, গল্প ক'বলৈ দিয়া অথবা খেলা-ধূলাৰ মাধ্যমেৰে জ্ঞান আহৰণ কৰা ইত্যাদি।



চিন্তা চৰ্চা কৰক

নিৰ্বণনীকৰণৰ ওপৰত শ্ৰেনীকোঠাত এখন নাটক কৰক।

.....

২.৪.৬ ক্ষেত্ৰ ভ্ৰমন

পৰিবেশ যিহেতু আমাৰ চাৰিওফালৰ সকলো বস্তুকে সামৰি লয় সেয়ে আমি পৰিবেশৰ বিষয়ে জানিবলৈ, আমাৰ পৰিস্থিতি তন্ত্ৰ বজায় ৰাখিবলৈ আমি আমাৰ চাৰিওফালৰ জীৱ-জন্তু, গছ-গছনি আদিৰ বিষয়ে জনাটো নিতান্ত প্ৰয়োজন। কেৱল পুঠিগত জ্ঞানেই ছাত্ৰ-ছাত্ৰী সকলৰ পৰিবেশৰ লগত একাত্ম হোৱাত যথেষ্ট নহয়। ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া প্ৰকৃতিৰ বিষয়ে জনাৰ সুবিধা লাভ কৰে তেতিয়া প্ৰকৃতিৰ ওপৰত আকৰ্ষিত হয়। বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক 'ক্ষেত্ৰ ভ্ৰমন'ৰ জৰিয়তে প্ৰকৃতি বিষয়ে জানিবলৈ সুবিধা কৰি দিয়াটো পৰিবেশ শিক্ষাৰ এক অন্যতম অংশ। 'ক্ষেত্ৰ-ভ্ৰমন' হ'ল এনে এক শিক্ষক ছাত্ৰ-ছাত্ৰী সমান্বিত ভ্ৰমন যাৰ জৰিয়তে প্ৰাকৃতিক, সাংস্কৃতিক, সামাজিক এথবা ভৌগোলিক বিশেষত্ব থকা কোনো ক্ষেত্ৰ অধ্যয়ন কৰা হয়। পৰিবেশ শিক্ষা শিক্ষনৰ বাবে অন্যতম ফলাদায়ক পদ্ধতি হ'ল ক্ষেত্ৰ ভ্ৰমন অথবা শিক্ষামূলক ভ্ৰমন' আটাইতকৈ বাস্তৱ আৰু ব্যৱহাৰিক পদ্ধতিটো হ'ল— ক্ষেত্ৰ ভ্ৰমন, যাৰ জৰিয়তে পৰিবেশ শিক্ষাৰ উদ্দেশ্যত সহজতে উপনীত হ'ব পৰা যায়। বিদ্যালয় পৰ্যায়ৰ পৰিবেশ শিক্ষা সম্পৰ্কীয় পাঠ্যক্ৰমত অন্তৰভুক্ত বিষয়সমূহ যেনে— স্থানীয় এলেকা পৰ্যবেক্ষণ, আঞ্চলিক আৰু ৰাষ্ট্ৰীয় এলেকাপৰ্যবেক্ষণ, ভৌগলিক অৱস্থাৰ পৰ্যবেক্ষণ, ঔতিহাসিক পটভূমি পৰ্যবেক্ষন ঔদ্যোগিক এলেকা পৰ্যবেক্ষন, প্ৰকৃতিক উদ্ভিদ পৰ্যবেক্ষণ আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বাস্তৱিক সজাগতা লাভ কৰে।

'ক্ষেত্ৰ ভ্ৰমন' পদ্ধতিত ছাত্ৰ- ছাত্ৰীসকলে আয়ত্ব কৰা পৰিবেশ সম্পৰ্কীয় উপলব্ধিৰ-পৰা সজাগতাৰ সৃষ্টি হয়। ক্ষেত্ৰ ভ্ৰমন'ৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশৰ কাৰন আৰু কাৰকৰমাজৰ সম্পৰ্ক ওপৰত পৰ্যবেক্ষন আৰু কল্পনা কৰাত সহায়ক হয়। এই পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশ সম্পৰ্কীয় বাস্তৱ অভিজ্ঞতা আয়ত্ব কৰে। ক্ষেত্ৰ ভ্ৰমনে প্ৰাকৃতিক পৰিবেশ প্ৰশংসা কৰাৰ ক্ষমতাৰ লগতে প্ৰাকৃতিক পৰিবেশ নিজৰ

পর্যবেক্ষণ আৰু অভিজ্ঞতাৰ পৰা ব্যাখ্যা কৰাৰ দক্ষতা বৃদ্ধি কৰে। সহযোগিতাৰ মনোভাৰ গঢ়ি তোলা, দলগত ভাৱে কাম কৰাৰ মানসিকতা বৃদ্ধি কৰা ইত্যাদিৰ ক্ষেত্ৰত ক্ষেত্ৰ অধ্যয়ন বা ভ্ৰমন অটি উৎকৃষ্ট পদ্ধতি 'ক্ষেত্ৰ ভ্ৰমন' ফলপ্ৰসু কৰি তুলিবৰ বাবে কিছুমান দৰকাৰী দিশ তলত উল্লেখ কাৰ হ'ল—

- বিশেষ উদ্দেশ্য নির্ধাৰণ কৰা উচিত।
- উদ্দেশ্য সমূহ বাস্তৱায়িত কৰাৰ উপায় আৰু মাধ্যম লমূহ চিনাক্ত কৰা উচিত।
- তাৰিখ, সময়, ছাত্ৰ-ছআত্ৰীৰ সংখ্যা সময় আৰু আৰ্থিক দিশসমূহ সুচনা কৰা উচিত।
- পৰিবহনৰ মাধ্যম আৰু সময়সূচী নির্ধাৰন কৰা উচিত।
- ভ্ৰমন কৰিবলগীয়া সংস্থা অথবা ক্ষেত্ৰ সমূহ আগতীয়াকৈ যোগাযোগ কৰি প্ৰয়োজনীয় ব্যৱস্থা কৰি ৰখা উচিত।

'ক্ষেত্ৰ ভ্ৰমন'ৰ সফলতা নির্ভৰ কৰে ক্ষেত্ৰ নির্বাচন আৰু ছআত্ৰ-ছাত্ৰীসকলে পর্য্যবেক্ষন কৰা তালিকাৰ সঠিকতাৰ ওপৰত। পৰিবেশৰ বিভিন্ন উপাদান উন্মোচিত হ'বলৈ হ'লে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে ক্ষেত্ৰ ভ্ৰমনৰ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ দিয়া উচিত।



জানি থোৱা ভাল

ক্ষেত্ৰ ভ্ৰমনে প্ৰাকৃতিক পৰিবেশ প্ৰশংসা কৰাৰ ক্ষমতাৰ লগতে প্ৰাকৃতিক পৰিবেশ নিজৰ পর্য্যবেক্ষন আৰু অভিজ্ঞাতাৰ পৰা ব্যাখ্যা কৰাৰ দক্ষতা বৃদ্ধি কৰে।



অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং 3ঃ ক্ষেত্ৰ ভ্ৰমনৰ সময়ত কোনবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগে।

.....

উপৰোক্ত পদ্ধতি সমূহৰ উপৰিও, পৰিবেশ শিক্ষাৰ বাবে বক্তৃতা, তর্ক, আলোচনাচক্ৰ নাইবা কর্মশালা শিক্ষকসকলে অনুষ্ঠিত কৰিব পাৰে। শিক্ষকসকলে ছাত্ৰ-ছাত্ৰী সকলৰ মনোভাৰ পৰিৱর্তন কৰি পৰিবেশ সুৰক্ষাৰ বাবে দায়বদ্ধ কৰিব পাৰে আৰু যিয়ে নাগৰিক সকলক পৰিবেশৰ সমস্যা সমাধানৰ বাবে আগ্ৰহী-হোৱাত অৰিহনা যোগায়।



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- পৰিবেশ সম্পৰ্কীয় শিক্ষাৰ ভিতৰত ব্যৱহাৰিক আৰু তাত্ত্বিক এই দুই ধৰণৰ জানেই আয়ত্ব কৰিব পাৰে।
- পৰিবেশ শিক্ষাৰমূল উদ্দেশ্য হ'ল- জনসাধাৰণৰ পৰিবেশ সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে মনোভাৰৰ পৰিৱৰ্তন কৰি এই সম্পৰ্কত কার্য ৰূপায়ন কৰা।
- পৰিবেশ শিক্ষা প্রদানৰ বাবে বিভিন্ন ধৰণৰ পদ্ধিতি আছে। এই পদ্ধতি সমূহৰ ভিতৰত ক্রমে— আলোচনা পদ্ধতি, প্রকল্প পদ্ধতি, সমস্যা-সমাধান পদ্ধতি আৰু ক্ষেত্র ভ্রমন পদ্ধতি।
- আলোচনা পদ্ধতি হ'ল দলীয় ভিত্তিত শিকাৰ এটি সৰু ৰূপ।
- আলোচনা পদ্ধতি ঃ চাৰি প্রকাৰৰ যেনে- শিক্ষক শিক্ষার্থীৰ মাজৰ আন্তঃক্রিয়া শিক্ষার্থী আৰু শিক্ষার্থীৰ মাজৰ আন্তঃক্রিয়া শিক্ষক আৰু শিক্ষণ সামগ্রীৰ মাজৰ আন্তঃক্রিয়া আৰু শিক্ষার্থী আৰু শিক্ষণ সামগ্রীৰ মাজৰ আন্তঃ ক্রিয়া।
- পৰিবেশ শিক্ষা শিকোৱাৰ বাবে শিক্ষকে চহৰৰ পানীৰ নাটনি, সাগৰৰ পানীৰ প্রদূষণ, পেলনীয়া সামগ্রীৰ ব্যৱস্থাপনা আদিৰ বিষয়ে আলোচনা কৰিব পাৰে।
- পৰিবেশ শিক্ষাত ব্যৱহৃত আন অটি গুৰুত্বপূর্ণ পদ্ধতি হ'ল— প্রকল্প পদ্ধতি। কোনো সমস্যা সমাধানৰ উদ্দেশ্যে ছাত্র-ছাত্রীসকলে ৰূপায়ন কৰা বিষয় কার্যকে 'প্রকল্প' বোলা হয়।
- প্রকল্প পদ্ধতিৰ কিছুমান গুৰুত্ব পূর্ণ বৈশিষ্ট হ'ল— কার্য, উদ্দেশ্য, অভিজ্ঞাতা, বাস্তৱতা, স্বাধীনতা আৰু উপযোগিতা।
- প্রকল্প প্রস্তুতৰ দায়িত্ব যদিও ছাত্র-ছাত্রী সকলৰ তথাপিও প্রকল্পৰ বিভিন্ন শিক্ষক জনৰ ভূমিকা অপৰিসীম। শিক্ষকে ছাত্র ছাত্রীক প্রাসঙ্গিক বিষয় বাচনি কৰাত সহায় কৰা প্রকল্পৰ লক্ষ্য আৰু উদ্দেশ্য নির্ধাৰনত সহায় কৰাৰ ওপৰিওসময়ে সময়ে ছাত্র ছাত্রীসকলৰ প্রগতিৰ খতিয়ান লোৱা আৰু প্রয়োজন সাপেক্ষে-সংশোধনত সহায় কৰাৰ ভূমিকা পালন কৰা।
- 'সমস্যা-সমাধান' পদ্ধতিত ছাত্র-ছাত্রীসকলে বিষয়তি পর্যবেক্ষণ, বোধগম্য,বিশ্লেষন ব্যাখ্যা আৰু সমাধান সুত্র পাবলৈ ইচ্ছা প্রকাশ কৰে আৰু যাৰ বাবে ছাত্র-ছাত্রীসকলৰ ধাৰনাটি প্রয়োগ আৰু সহজতে বুজাত সহায়ক হয়।
- এই পদ্ধতিত ছাত্র-ছাত্রীসকলক কিছুমান সমস্যা দিয়া হয় আৰু যিবোৰ তেওঁলোকে বিকল্প পদ্ধতিৰে সমাধান কৰে। পৰিবেশ শিক্ষাত ছাত্র-ছাত্রীসকলক-জল প্রদূষণ শব্দ প্রদুষণ, আদি সমস্যাৰ ওপৰত অধ্যয়ন কৰি সমাদআন সূত্র উদ্ভাৱন কৰিবলৈ দিয়া হয় আৰু

এনেদৰে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰাৰ ফলত এই সমস্যা সমূহৰ ভয়াবহতা উপলব্ধি কৰিব পাৰে।

- পৰ্যবেক্ষণ পদ্ধিতিয়ে পৰিবেশৰ বিষয়ে জনাত সহায় কৰাৰ লগতে এইবোৰৰ লগত একতা প্ৰতিষ্ঠাত সহায় কৰে। উদীয়ামান ছাত্ৰ-ছাত্ৰীসকলক পৰ্যবেক্ষণ পদ্ধতিয়ে পৰিবেশ গুৰুত্ব উপলব্ধি কৰাৰ লগতে পৰিবেশক দূৰ্যোগৰ পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি তাৰ উপায় উদ্ভাৱনত সহায় কৰে।
- ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ সচেতনতা যদি তাৎক্ষনিক আমাৰ চাৰিওঁফালৰ প্ৰাকৃতিক পৰিবেশ অথবা ভৌগলিক উপাদান আৰু ইয়াৰ মাজৰ সম্পৰ্ক পৰ্যবেক্ষণ কৰে তেনেহ'লে পৰিবেশ শিক্ষাৰ শিক্ষন অতি ফলদায়ক হৈ উঠিব।
- নিম্ন পৰ্যায়ৰ শিক্ষানুষ্ঠানত নাটকীয় শিক্ষণ পদ্ধতিত বিভিন্ন পাঠ্যক্ৰম সামৰি লোৱা হয়।
- 'নাটকীয়কৰন' এনে এক পদ্ধতি যিয়ে শিক্ষণৰ বিভিন্ন মাধ্যম সামৰি লয়। এই মাধ্যম সমূহৰ ভিতৰত প্ৰাচীন নাটকীয়পদ্ধতি যেনে— ছাত্ৰ-ছাত্ৰীসকলক আকস্মিকভআৰে কোনো বিষয়ৰ ওপৰত ৰচনা লিখিবলৈ দিয়, গল্প ক'বলৈ দিয়া অথবা খেলা-ধূলাৰ মাধ্যমেৰে জ্ঞান আহৰণ কৰা ইত্যাদি।
- ক্ষেত্ৰভ্ৰমণ প্ৰাকৃতিক পৰিবেশ প্ৰশংসা কৰাৰ ক্ষমতাৰ লগতে প্ৰাকৃতিক পৰিবেশ নিজৰ পৰ্যবেক্ষণ আৰু অভিজ্ঞতাৰ পৰা ব্যাখ্যা কৰাৰ দক্ষতা বৃদ্ধি কৰে।



২.৬ অধিক জানিবলৈ

1] Bhattacharya K, Bhattachar R and Sharma S (2012) : Environmental Education, Assam Book Depot.

2] Sharma P.D. (1990) : Ecology and Environment, Rastogi Publishers, Meerut.

3] Sharma R.A. (2010): Environmental Education, R.Lall Book Depot.

Sigh S and Dubez A (1989) : Environment Management, Allahabad University



২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আলোচনা পদ্ধতিৰ অন্তৰ্ভুক্ত আন্তঃ ক্ৰিয়া সমূহ—

শিক্ষক শিক্ষাৰ্থী আন্তঃ ক্ৰিয়া, শিক্ষাৰ্থী শিক্ষাৰ্থী আন্তঃ ক্ৰিয়া, শিক্ষক শিক্ষণ সামগ্ৰীৰ

মাজৰ আন্তঃক্রিয়া আৰু শিক্ষার্থী-শিক্ষন সামগ্রীৰ মাজৰ আন্তঃ ক্রি.া।

২ নং প্রশ্নৰ উত্তৰ ঃ সমস্যা সমাধান পদ্ধতিৰ তিনিটা বৈশিষ্ট হ'ল—

- সমস্যা সমাধান পদ্ধতি হ'ল— কোনো বিষয়ৰ সমস্যাৰ সংজ্ঞা উদ্ভাৱন চিনাক্তকৰণ আৰু অগ্রাধিকাৰ ভিত্তিত সমস্যা সমাধানৰ উপায় উদ্ভাৱন কৰা।
- সমস্যা সমাধান পদ্ধতিৰ জৰিয়তে ছাত্র-ছাতৰীসকলৰ সমস্যাৰ লগত জৰিত হৈ সমস্যা অনুধাৱন কৰিবলৈ দিয়া হয়।
- যদিও সমস্যা সমাধান পদ্ধতি এটি সমস্যাচাৰ আৰম্ভ হয় তথাপিও ধাৰাবাহিক, অর্থপূর্ণ আৰু সু-সংহত কার্যকে ইয়াৰ সমাধান সূত্রৰ উদ্ভাৱন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক্ষেত্র ভ্রমনৰ পৰিকল্পনাৰ সময়ত তলত দিয়া বিষয় সমূহৰ ওপৰত গুৰুত্ব দিয়া হয়—

- বিশেষ উদ্দেশ' নির্ধাৰণ কৰা উচিত
- উদ্দেশ্যসমূহ বাস্তৱায়িত কৰাৰ উপায় আৰু মাধ্যম সমূহ চিনাক্ত কৰা।
- তাৰিখ, সময়, ছাত্র-ছাত্রীৰ সংখ্যা সময় আৰু আর্থিক দিশ সমূহ চিনাক্ত কৰা হৈছিল।
- পৰিবহনৰ মাধ্যম আৰু সময়সূচী নির্ধাৰন কৰা উচিত।



২.৮ আৰ্হিপ্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (50টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিবেশ শিক্ষা শিক্ষণৰ ওপৰত এটি টোকা যুগুত কৰা।

প্রশ্ন ২ঃ প্রকল্প পদ্ধতি ব্যাখ্যা কৰা । ইয়াৰ মূল বৈশিষ্ট সমূহ লিখা

প্রশ্ন ৩ঃ সমস্যা সমাধান পদ্ধতিত শিক্ষকৰ ভূমিকা আলোচনা কৰা ।

প্রশ্ন ৪ঃ ক্ষেত্র ভ্রমণৰ গুৰুত্ব কি ?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পৰিবেশ শিক্ষা শিক্ষণৰ দুটা গুৰুত্বপূর্ণ পদ্ধতি ব্যাখ্যা কৰা।

প্রশ্ন ২ঃ পৰিবেশ অৱক্ষয় ৰোধত কেনেকৈ নাটকীয় কৰম পদ্ধতিয়ে সহায় কৰে? আপোনাৰ মতামত ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতবর্ষৰ পৰিৱেশীয় আন্দোলনসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পৰিৱেশীয় আন্দোলনৰ অর্থ

৩.৪ চিপ্‌কো আন্দোলন

৩.৫ এপিকো আন্দোলন

৩.৬ নীৰৱ উপত্যকাৰ আন্দোলন

৩.৭ চিলিকা বছোৱা/ৰক্ষা আন্দোলন

৩.৮ নর্মদা ৰক্ষাৰ আন্দোলন

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

৩.১১ অগ্রগতিৰ খতিয়ান

৩.১২ আর্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিৱেশীয় আন্দোলনৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বিভিন্ন পৰিৱেশীয় আন্দোলনৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- পৰিৱেশীয় সজাগতা সৃষ্টি কৰিবৰ বাবে এই আন্দোলনৰ ধাৰণাসমূহৰ উপপ্রয়োগ কৰিবলৈ সক্ষম হ'ব
- সমাজত এই আন্দোলনসমূহৰ প্রভাৱ মূল্যায়ন কৰিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

পৰিৱেশীয় আন্দোলনসমূহক সেউজীয়া নীতি বা সেউজীয়া আন্দোলন হিচাপেও জনা যায়। এই আন্দোলনসমূহ হৈছে পৰিৱেশ ৰক্ষণাবেক্ষণৰ বাবে অথবা পৰিৱেশৰ লগত জড়িত ৰাষ্ট্রীয় নীতিসমূহৰ উন্নীতকৰণৰ বাবে কৰা এক সামাজিক আন্দোলন। এই অধ্যায়টি ভাৰতবর্ষৰ পৰিৱেশীয় আন্দোলনসমূহৰ এক চমু আভাষ দিয়াৰ প্রচেষ্টা কৰা হৈছে। এই আন্দোলনসমূহৰ জ্ঞানে তোমালোকক উপলব্ধি কৰাত সহায় কৰিব যে কিদৰে জনতাৰ আন্দোলনে পৰিৱেশক ৰক্ষণাবেক্ষণ দিব পাৰে।

৩.৩ পৰিৱেশীয় আন্দোলনৰ অর্থ (Meaning of Environmental Movement)

পৰিৱেশৰ অৱস্থাৰ উন্নীতকৰণ বা পৰিৱেশৰ ৰক্ষণাবেক্ষণৰ বাবে কৰা যি কোনো সামাজিক বা ৰাজনৈতিক আন্দোলনকো পৰিৱেশীয় আন্দোলন বুলি কোৱা হয়। এই পৰিৱেশীয় আন্দোলনক সেউজীয়া আন্দোলন বা ৰক্ষণাবেক্ষণ আন্দোলন বুলিও জনা যায়। সহনীয় বিকাশ আৰু প্ৰাকৃতিক সম্পদসমূহৰ ৰক্ষণাবেক্ষণৰ হকে কৰা ই এক আন্দোলন। বিভিন্ন অনিষ্ট কৰো কাৰকৰ পৰা পৰিৱেশক ৰক্ষণাবেক্ষণ দিবলৈ এই আন্দোলনসমূহে বিভিন্ন ৰাজহুৱা নীতিৰ প্ৰয়োগ কৰে। এই আন্দোলন সমূহৰ প্ৰধান বিষয়বস্তু সমূহ হৈছে — পৰিৱেশবিদ্যা, স্বাস্থ্য আৰু মানৰ অধিকাৰ, সজাগতা, ভৱিষ্যতৰ ৰক্ষণাবেক্ষণ আদি উল্লেখনীয়। বেছি সংখ্যক পৰিৱেশীয় আন্দোলন সংগঠিত আৰু অনুষ্ঠানিক। যদিও পৰিৱেশীয় আন্দোলনসমূহ স্থানীয় ব্যক্তিৰ দ্বাৰা সূচনা কৰা হয় কিন্তু; ইয়াৰ প্ৰভাৱ বিশ্বজনীন।

৩.৪ চিপ্‌কো আন্দোলনৰ (Chipko Movement)

চিপকো আন্দোলনৰ সূচনা হৈছিল ১৯৭০ চনত উত্তৰাখণ্ড ৰাজ্যত। সময়ৰ বিস্তাৰৰ লগে লগে এই আন্দোলনৰ প্ৰভাৱ হিমালয়ৰ পাহাৰীয়া অঞ্চলসমূহলৈ প্ৰসাৰিত হৈছিল। এই আন্দোলনৰ উদ্দেশ্য আছিল অৰণ্যসমূহৰ ৰক্ষণাবেক্ষণ। পৃথিৱীৰ অন্যান্য বহুতো পৰিৱেশীয় আন্দোলনৰ সূচনাৰ মূলতে এই চিপকো আন্দোলন। এই অহিংসা বিশিষ্ট আন্দোলনটিয়ে অন্যান্য বহুতো পৰিৱেশীয় দলক পৰিৱেশৰ হ'কে কাম কৰিবলৈ উৎসাহ জগাইছিল। পৰিৱেশ ৰক্ষাৰ প্ৰতি সজাগতা সৃষ্টিত এই আন্দোলনৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ। এই আন্দোলনে সত্যগ্ৰহৰ পদ্ধতিসমূহৰ অৱলম্বন কৰিছিল, য'ত উত্তৰাখণ্ডৰ পুৰুষ আৰু মহিলাই সমতাৱে এই বিশিষ্ট ভূমিকা পালন কৰিছিল। অৰণ্যৰ প্ৰতিৰক্ষাৰ বাবে আন্দোলনত অংশগ্ৰহণ কৰো কেইগৰাকী সক্ৰিয় মহিলাৰ ভিতৰত — গৌৰা দেৱী, সুদ্দেশা দেৱী, বাছনী দেৱী, দেৱ সমুন, মীৰা ৰেন, সৰলা ৰেন, অমৃতা দেৱী উল্লেখযোগ্য। এই আন্দোলনে গছ আৰু অৰণ্য সমূহক ধ্বংসৰ পৰা ৰক্ষণাবেক্ষণ দিবলৈ যত্ন কৰিছিল। চিপ্‌কো (Chipko) এটা হিন্দী শব্দ। এই চিপ্‌কোৰ অর্থ হৈছে সাৱটি লোৱা বা আকোৱালী লোৱা কাঠ সংগ্ৰহকাৰী সকলে যেতিয়া কাঠৰ বাবে গছসমূহ কাটিবলৈ আহিছিল তেতিয়া গাওঁৰ ব্যক্তিসকলে গছসমূহক সাৱটি ধৰিছিল। লক্ষ্য আহৰণৰ উদ্দেশ্যেৰে এই আন্দোলনে শান্তিপূৰ্ণ আন্দোলনৰ বাবে গান্ধীবাদী দর্শনৰ অনুকৰণ কৰিছিল। এই আন্দোলন ১৯৭৩ চনৰ চামোলী জিলাত সৃষ্টি হৈছিল।

প্ৰথম চিপ্‌কো কার্য্যসমূহ আৰম্ভ হৈছিল ১৯৭৩ চনত আৰু উত্তৰাখণ্ডৰ হিমালয় অঞ্চলসমূহত এই আন্দোলনে জনপ্ৰিয়তা লাভ কৰিছিল। ১৯৮০ চনত এই আন্দোলনে বৃহৎ সফলতা লাভ কৰিলে। যাৰ ফলস্বৰূপে ইন্দিৰা গান্ধীৰ আদেশ অনুসৰি উত্তৰাখণ্ডৰ হিমালয়ৰ অৰণ্যসমূহত ১৫ বছৰ পর্য্যন্ত গছ কটা নিষেধ ঘোষিত হৈছিল। পিছলৈ এই নিষেধাজ্ঞা উত্তৰাঞ্চল আৰু হিমাছল প্ৰদেশতো জাৰি হৈছিল। এই আন্দোলনৰ প্ৰভাৱ ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ

ৰাজ্যসমূহতো পৰিছিল। যেনে— কর্নাটক, ৰাজস্থান, বিহাৰ আদি উল্লেখনীয়।

চিপ্‌কো আন্দোলনে জনপ্রিয়তা লাভ কৰাৰ আঁৰৰ ব্যক্তিজন হৈছে সুন্দৰলাল বাহুগুণা। এইজন পর্য্যাবৰণ ব্যক্তিয়ে চৰকাৰৰদ্বাৰা অৰণ্য আৰু হিমালয়ৰ পাহাৰসমূহৰ ওপৰত কৰা ধ্বংসমূলক কার্য্য সমূহ ৰোধ কৰিবলৈ সমগ্র জীৱন আন্দোলনৰ বাবে উৎসর্গা কৰিছিল। তেওঁ সেইসময়ৰ ভাৰতবৰ্ষৰ প্রধানমন্ত্রী শ্রীযুতা ইন্দিৰা গান্ধীক গছসমূহ কটা বন্ধ কৰিবলৈ অনুৰোধ জনাইছিল। তেওঁ তেহৰী নদীৰ ওপৰত প্রকল্পিত হোৱা হিমালয়া বান্ধৰ নির্মানৰ বিৰোধিতা কৰিছিল। ১৯৮৯ চনত এই বান্ধৰ ভয়াবহ প্রভাৱৰ বিষয়ে ৰাজনৈতিক আৰু জাতীয় মনোযোগ আকর্ষণ কৰিবলৈ তেওঁ অনশন ধর্মঘট কৰিছিল। যাৰ পৰিণতিত, চিপ্‌কো আন্দোলনৰ 'হিমালয়' ৰক্ষা আন্দোলনৰ সূচনা হৈছিল। ভাৰত চৰকাৰে এই নদীবান্ধৰ ওপৰত পুনৰবাৰ বিচাৰ কৰাৰ প্রতিশ্রুতি দিয়াৰ পিছতহে ৪৫ দিনৰ অন্তত তেওঁ ধর্মঘটৰ অন্ত পেলাইছিল। কিন্তু চৰকাৰে এই প্রতিশ্রুতিক অৱজ্ঞা কৰা হেতুকে তেওঁ পুনৰ ৭৪ দিনীয়া অনশন ধর্মঘট পালন কৰিছিল। ভাৰতৰ সেইসময়ৰ প্রধানমন্ত্রীয়ে এই বিষয়ৰ তদন্তৰ ব্যক্তিগতভাৰে কৰাৰ আশ্বাস দিয়াৰ পিছতহে তেওঁ ধর্মঘট ভঙ্গঁ কৰিছিল। পৰিৱেশবিদ জনে প্রধানমন্ত্রীক অৱগত কৰে যে হিমালয়ৰ পর্বতৰ সৌন্দর্য্য হ্রাস পায় আহিছে, যদি পৰিৱেশ ধ্বংস কৰা কার্যলীলা সমূহৰ অন্ত নহয় অহা বছৰৰ ভিতৰত, গঙ্গাঁ নদী শুকান হৈ পৰিব।

এই আন্দোলনৰ আন এজন নেতা আছিল শ্রীযুত চান্দি প্রসাদ ভট্ট। ১৯৬৪ চনত, সুন্দৰলাল বাহুগুণা আৰু চান্দি প্রসাদ ভট্ট লগ হৈ এক সমবায় মূলক অনুষ্ঠানৰ জন্ম হৈছিল। এই অনুষ্ঠান বা সংগঠনটিৰ নাম আছিল ডাচোলী গ্রাম স্বৰাজ্য সংঘ (Dasholi Gram Swarajya Sangha)। এই সংঘ বা মণ্ডলটি স্থানীয় সম্পদসমূহেৰে গাওঁ সমূহৰ বাবে ক্ষুদ্র উদ্যোগ গঢ়ি তুলিছিল। ১৯৭০ চনত যেতিয়া বাৰিষাৰ তীব্র বানপানীৰ হেতুকে উদ্যোগিক প্রতিবন্ধকে ২০০ জন ব্যক্তিৰ প্রাণ কাঢ়ি লৈছিল, তেতিয়া এই ডাচোলী গ্রাম্য স্বৰাজ্য মণ্ডলে বৃহৎ উদ্যোগ সমূহক বাধা দিছিল, এই উদ্যোগসমূহৰ বিৰুদ্ধে প্রতিবাদ কৰিছিল। গাওঁৰ ব্যক্তি সকলে অৰণ্যসমূহৰ ধ্বংসলীলা ৰোধ কৰিবলৈ গছসমূহক সাৱটি প্রতিবাদ কৰিবলৈ আৰম্ভ কৰিছিল আৰু এইদৰে চিপ্‌কো আন্দোলনে বহুল জনপ্রিয়তা লাভ কৰিছিল।

এই প্রতিবাদ উত্তৰাখণ্ডৰ বিভিন্ন জিলা যেনে — চামলী, মণ্ডল আদি সমূহত কৰা হৈছিল। কিন্তু ৰেণী গাওঁৰ অঞ্চলত ১৯৭৪ চনত এক গুৰুত্বপূর্ণ প্রতিবাদ সংঘটিত হৈছিল, য'ত ২০০০ তকৈও অধিক গছ কটাৰ ব্যৱস্থা গ্রহণ কৰা হৈছিল। গৌৰা দেৱীৰ নেতৃত্বত সেই গাওঁৰ মহিলাসকলে এই ব্যৱস্থা বর্জনৰ প্রতিবাদ কৰিছিল। এই ঘটনাৰ বাবে চৰকাৰে এক কমিটি গঠন কৰি অলকানন্দা উপত্যকা অঞ্চলৰ বনাঞ্চল ধ্বংসৰ বিষয়ো পৰীক্ষা কৰিবলৈ বাধ্য হৈছিল আৰু তাৰ পৰিণতি স্বৰূপে সেই অঞ্চলত বানিজ্যিক উদ্যোগ সমূহৰ দ্বাৰা বনাঞ্চল ধ্বংসকার্য্য ১০ বছৰৰ বাবে বন্ধ কৰিছিল। যদিও চিপকো আন্দোলন এক স্বতন্ত্র আন্দোলন, কিন্তু ই শান্তিপূর্ণ আৰু মহিলাৰ আন্দোলন হিচাপে পৰিগণিত হৈছিল। ১৯৭৮ চনত আন এজন সমাজকর্মী ধুম সিং নেগীয়ে, চেইৰী গৰৱাল জিলাত আদৱানি অৰণ্যৰ গছসমূহৰ নিলামৰ বিৰুদ্ধে অনসন

ধৰ্মঘটেৰে প্ৰতিবাদ কৰিছিল। সেই অঞ্চলৰ মহিলাসকলে প্ৰতিবাদ স্বৰূপে গছসমূহত (ভগৱত গীতাৰ শ্লোকসমূহ পঢ়ি) পৱিত্ৰ সূতা গছত বান্ধিছিল। আন কিছুমান অঞ্চলত, মহিলাসকলে পাইন গছৰ পৰা ওলোৱা আঠাসমূহ গাত লগাই প্ৰতিবাদ সাব্যস্ত কৰিছিল। ভৃণ্ডাৰ উপত্যকাৰ পুলনা গাওঁৰ, মহিলাসকলে গছকতা সামগ্ৰীসমূহ বাজেয়াপ্ত কৰিছিল আৰু সেইসমূহৰ দাবী কৰাৰ পৰিণতিত ৰচীদ প্ৰদান কৰিছিল। ১৯৭২ চনৰ পৰা ১৯৭৯ চনৰ ভিতৰত, প্ৰায় ১৫০ জন গাওঁবাসী এই চিপকো আন্দোলনত জড়িত আছিল। ইয়াৰ পৰিণতি স্বৰূপে, উত্তৰাখণ্ডত সংখ্যক বৃহৎ তথা ক্ষুদ্ৰতম প্ৰতিবাদ সাব্যস্ত কৰা হৈছিল।

চিপকো আন্দোলন আছিল বহুতো বিকেন্দ্ৰিত আৰু স্বেচ্ছাসেৱী সংগঠনৰ প্ৰচেষ্টাৰ ফল। এই আন্দোলনৰ নেতাসকলকে ধৰি মহিলাসদস্যসকলে তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ উপায়সমূহ প্ৰতিৰক্ষা কৰাৰ বাবে বিশেষ ভূমিকা পালন কৰিছিল। পুৰুষসকলেও মহিলাসকলক সমৰ্থন কৰিছিল আৰু বহুক্ষেত্ৰত কিছুমান মহিলাক এই আন্দোলনৰ নেতৃত্বও প্ৰদান কৰা হৈছিল। ১৯৭০ চনৰ সময়ছোৱাত ভাৰতৰ যি আন সমূহ ক্ষেত্ৰত পৰিৱেশ ৰক্ষাৰ আন্দোলন সংঘটিত হৈছিল, সকলো মহিলা সদস্যক ই উৎসাহ জোগাইছিল মহিলাসকলে অৰণ্য বিনাশ ৰোধ কৰিবলৈ বিভিন্ন আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এই আন্দোলনে বিভিন্ন প্ৰকল্পিত প্ৰতিবাদৰ জন্ম দিছিল। এই আন্দোলনে সেই অঞ্চলৰ সমগ্ৰ জীৱজগতক সাঙুৰি লৈছিল হিমালয় ৰক্ষাৰ আন্দোলনৰ সূচনা কৰিছিল। এই আন্দোলনৰ বিশেষ প্ৰতিবাদকাৰী ১৯৮১ ৰ পৰা ১৯৮৩ চনৰ ভিতৰত, বিষয়টোৰ গভীৰতা পোহৰলৈ আনিবলৈ ৩১০০ মাইল খোজ কাঢ়ি প্ৰতিবাদ কৰিছিল। পিছলৈ ভাগীৰথী নদীৰ ওচৰত ভেহৰী নদীবান্ধকলৈ বহুতো প্ৰতিবাদ হোৱা দেখা গৈছিল লগতে অন্যান্য কিছুমান খনন কাৰ্য্যও পৰিলক্ষিত হৈছিল। সেই অঞ্চলত এক দশ লক্ষৰো অধিক গছপুলি ৰোপন কৰা হৈছিল। ১৯৮৭ চনত জীৱিকা অধিকাৰ বটা (Right Livihood Award) চিপকো আন্দোলনক প্ৰদান কৰা হৈছিল।

৩.৫ এপি'কো আন্দোলন (Appiko Movement)

শ্বাহেয়াদী পৰ্বতশ্ৰেণীক জনপ্ৰিয়ভাৱে পশ্চিমমুখী ঘাট বুলি জনা যায়। এই ঘাট অতুযত অৰণ্যক পৰিস্থিতি তন্ত্ৰৰ ঘৃহ বুলি জনা যায়। এই তুৰত অৰণ্যসমূহ মূলত নবীকৰণযোগ্য সম্পদেৰে পৰিপূৰ্ণ। এই অৰণ্যৰ পৰিস্থিতি তন্ত্ৰ পলকা বা কোমল প্ৰকৃতিৰ পৃথিৱীৰ অন্যান্য প্ৰান্তৰ দৰে, এই অঞ্চলেও নিৰ্বনীকৰণ প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত। ই সেই অঞ্চলৰ জলবিদ্যুৎ নদীবান্ধ, জলধাৰ আৰু কৃষিৰ ওপৰত বিশেষ প্ৰভাৱ পেলায়। পশ্চিমমুখী ঘাটৰ এই নিৰ্বনীকৰনে বিভিন্ন সমস্যাৰ সৃষ্টি কৰে যেনে — শুস্কতা, জলবিভাজিকাৰ বিপৰ্য্যয় অপৰ্য্যাপ্ত শক্তি আৰু পানীৰ যোগান ইত্যাদি। এই সমস্যা সমূহে ভাৰতবৰ্ষৰ দক্ষিন অংশত বিশেষ প্ৰভাৱ পেলায় যাৰ ফলত, সেই অঞ্চলৰ সামগ্ৰিক অৰ্থনীতিক বিনষ্ট কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে ইয়াৰ সপ্তম পৰিকল্পনা তথ্যত, প্ৰাকৃতিক সম্পদ সমূহৰ উচ্চ গ্ৰাসতাক স্বীকৃতি প্ৰদান কৰিছিল। ১৯৫০ চনত, এই অৰণ্যখনে ৮১% শতাংশ

ভৌগলিক এলেকাক সাঙুৰি লৈছিল। চৰকাৰে এই জিলা খনক পিছপৰা এলেকা ঘোষণা কৰিছিল আৰু বিকাশৰ প্ৰক্ৰিয়াক সূচনা কৰিছিল। সেই অনুসৰি, এই অঞ্চলত কিছুমান উদ্যোগ যেনে— পেপাৰ মিল, প্লাইউড আৰু হাইড্ৰ'ইলেক্ট্ৰিক নদীবান্ধৰ শংখলাসমূহ স্থাপন কৰিছিল। কিন্তু এই উদ্যোগসমূহে প্ৰাকৃতিক সম্পদসমূহ অতি মাত্ৰাত শোষণ কৰিছিল আৰু নদীবান্ধসমূহে অৰণ্য আৰু কৃষি এলেকাসমূহ জলমগ্ন কৰি তুলিছিল। ১৯৮০ চনত, সেই জিলা এলেকাত ২৫% শতাংশলৈ অৰণ্যখন ডুবি গৈছিল। যাৰফলত, স্থানীয় লোকসকলক নদীবান্ধ স্থাপিত কৰিছিল। প্ৰাকৃতিক সংমিশ্ৰিত অৰণ্যসমূহে শেগুন কাঠ আৰু ইউক্যালিপটাচ গছ সমূহলৈ ৰূপান্তৰিত হৈছিল যাৰফলত পানীৰ উৎসহসমূহ শুকাই গৈছিল। পেপাৰ, প্লাইউড, শক্তিৰ বিকাশ আৰু অতুষ্ণ্য প্ৰাকৃতিক সম্পদ সমূহৰ ধ্বংসলীলাই অৰণ্যৰ পাৰিপাৰ্শ্বিকতা বহুত পৰিৱৰ্তন আনে।

এপিক আন্দোলন, পশ্চিমীয়া ঘাটসমূহ ৰক্ষণাবেক্ষণৰ বাবে সূচনা কৰা হৈছিল। পিছলৈ এই আন্দোলনৰ প্ৰভাৱ সমগ্ৰ দক্ষিণ ভাৰততে বিয়পি পৰিছিল। এই আন্দোলনৰ জনপ্ৰিয় শ্লোগানটি কানাড়া ভাষাত প্ৰচলিত হৈছিল। সেই শ্লোগানটি হৈছে উবছু (ৰক্ষণাবেক্ষণ), বেলেছু (বৃদ্ধি) আৰু বালাচু (যুক্তিযুক্ত ব্যৱহাৰ) গতিকে এই শ্লোগানৰ অৰ্থ হৈছে ৰক্ষণাবেক্ষণ দিয়াক বৃদ্ধি কৰক আৰু যুক্তিযুক্ত ব্যৱহাৰ কৰক। এই এপিক আন্দোলনৰ মূল ভেটি আছিল হিমালয়ৰ উত্তৰাখণ্ডত হোৱা জনপ্ৰিয় চিপকো আন্দোলন, যি আন্দোলনত, স্থানীয় লোকসকলে গছসমূহক কাটি, ৰক্ষা কৰিছিল। কৰ্ণাটকৰ উত্তৰা কানাড়া জিলাৰ লোকসকলে তেওঁলোকৰ বনাঞ্চল সমূহ ৰক্ষা কৰিবলৈ একে ধৰণৰ আন্দোলনৰ সূচনা কৰিছিল ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰাই যুৱ মণ্ডলীৰ প্ৰতিনিধিত্বত এই আন্দোলনৰ আনুষ্ঠানিক সূচনা হৈছিল। এই মণ্ডলীয়ে প্ৰত্যক্ষ কৰা অনুসৰি কিছুমান সহজতে উপলব্ধ এলেকাত, গছসমূহ কাটিবলৈ পূৰ্বৰপৰা সংৰক্ষণ কৰি ৰখা হয়। যাৰফলত অন্যান্য গছ সমূহৰ অনিষ্ট হৈছিল। পশ্চিমীয়া ঘাটসমূহ সংৰক্ষণ কৰিবলৈ পুৰুষ, মহিলা, শিশুকে ধৰি 'চালকানি' গাওঁৰ সকলো সদস্যই কেৰেলা অৰণ্যৰ গছসমূহ সাৱটি ধৰিছিল। কানাড়া ভাষাত, এপিক'ৰ অৰ্থ হৈছে সাৱটি ধৰা। এই আন্দোলনে ব্যক্তিসকলৰ মাজত নতুন সজাগতাৰ সৃষ্টি কৰিছিল।

এই এপিক আন্দোলনত, মানুহৰ মাজত সজাগতা বৃদ্ধিৰ বাবে বহুতো নতুন কৌশলৰ অৱলম্বন কৰা হৈছিল। সেই অঞ্চলৰ অৰণ্যসমূহত পাদ যাত্ৰা, লোক-নৃত্য, বক্তৃতা, সভা আদি অনুষ্ঠিত কৰা হৈছিল। এই আন্দোলনে সেই অঞ্চলৰ খালী বাট-পথসমূহক বনানীকৰণ প্ৰচাৰৰ প্ৰয়াস কৰিছিল।

গাওঁবাসীসকলে শস্য উৎপাদন আৰু বিকেন্দ্ৰীত নাৰ্ছাৰীসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। ১৯৮৪ পৰা ১৯৮৫ চনৰ ভিতৰত চিৰচি এলেকাৰ ব্যক্তিসকলৰদ্বাৰা ১.২ মিলিয়ন শস্য উৎপাদিত হৈছিল। এই সফলতাৰ আঁৰত বন বিভাগৰ সহযোগিতা আৰু সমৰ্থন উল্লেখযোগ্য আছিল। বনবিভাগে শস্যৰ উৎপাদনৰ বাবে প্লাষ্টিক বেগৰ যোগান ধৰিছিল। এপকি কৰ্মীসকলে তেওঁলোকৰ প্ৰয়োজন পূৰণৰ বাবেহে শস্য সমূহৰ উৎপাদন কৰিছিল।

গাওঁবাসীসকলে বন্ধ্যা মাটিৰ পূণঃ উৎপাদনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। যুৱ সমিতিয়ে

এই প্ৰক্ৰিয়াৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু সমগ্ৰ গাওঁবাসীয়ে মাটিসমূহ পৰিৱেশীয় আঘাটৰ পৰা প্ৰতিৰক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। ইয়াৰোপৰি, বনবিভাগে বহিৰাগত প্ৰজাতিসমূহৰ যান্ত্ৰিক ৰোপনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। এই ৰোপনৰ বাবে অধিক মাত্ৰাত সাৰ প্ৰয়োগ কৰা হৈছিল, অৱশ্যে এই সাৰৰ প্ৰয়োগ সেই অঞ্চলৰ মাটি আৰু গছ সমূহৰ বাবে ক্ষতিকাৰক আছিল। এপিক' আন্দোলনৰ অধীনত দুটা প্ৰধান কৌশল অৱলম্বন কৰা হৈছিল। প্ৰথম হৈছে — বন বিভাগৰ পদ্ধতি, যি আছিল গুৰুত্বপূৰ্ণ প্ৰকৃতিৰ আৰু দ্বিতীয়তে, পুণঃ উৎপাদনৰ জৰিয়তে শস্য উৎপাদনৰ বাবে কৰা গাওঁবাসীৰ প্ৰয়াস মাটিৰ সহনশীল বিকাশৰ ই এক প্ৰাকৃতিক প্ৰক্ৰিয়া।

এপিক' আন্দোলনৰ আন এক কাৰ্য্য জড়িত আছিল বিকল্প শক্তি উৎসৰ প্ৰয়োগৰদ্বাৰা পৰিতন্ত্ৰৰ যুক্তিযুক্ত ব্যৱহাৰ সুনিশ্চিত কৰা। এই বিকল্প ব্যৱস্থাৰ আন এক উপকাৰিতা আছিল হেঁচাৰ প্ৰকোপ হ্ৰাস কৰিছিল। এই আন্দোলনৰ কৰ্মীসকলে ২০০০ ইন্ধন ক্ষম আখ্যা নিৰ্মান কৰিছিল যাৰ ফলত খৰিৰ ব্যয় ৪০% শতাংশ কমি গৈছিল। গাওঁবাসীসকলৰ ফালৰ পৰা স্ফতঃস্ফৰ্ত দাবী আছিল যদিও কৰ্মীসকলে চৰকাৰী সহায়ক/বিকল্প ব্যৱস্থালৈ আশা পুহি ৰখা নাছিল। চহৰ অঞ্চলৰ বহু হোটেলোতো, খৰিৰ ব্যয় হ্ৰাস কৰিবলৈ এনেধৰণৰ 'আখা'ৰ ব্যৱস্থা কৰা হৈছিল। অৰণ্যৰ ওপৰত হেঁচাৰ প্ৰভাৱ হ্ৰাস কৰিবলৈও বহুতো গেছ প্ৰকল্প স্থাপন কৰা হৈছিল। এই এপিক' আন্দোলনে পৰিৱেশীয় বিপৰ্য্যয়ৰ প্ৰতি মানুহৰ ধাৰণা পৰিৱৰ্তন সাধন কৰাৰ প্ৰয়াস কৰিছিল।

এপিক' আন্দোলনে ব্যক্তি আন্দোলনৰ গঠনাত্মক স্তৰক প্ৰকাশিত কৰিছিল। এই স্তৰে গ্ৰাস কৰা প্ৰাকৃতিক সম্পদৰ পুন নিৰ্মাণৰ বাবে প্ৰয়াস কৰিছিল। ই মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমন্বয়পূৰ্ণ সম্পৰ্ক স্থাপনৰ জৰিয়তে সহনশীল বিকাশৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। এই আন্দোলনে প্ৰশংসনীয় সফলতা লাভ কৰিছিল ৰাজ্য চৰকাৰে সেউজীয়া গছসমূহ কটা বন্ধ কাৰৰ নিৰ্দেশ দিছিল; কেৱল মাত্ৰ স্থানীয় ৰাইজৰ প্ৰয়োজন মৰ্মে মৰা, পুৰণি গছসমূহ কটাৰ হে অনুমতি প্ৰদান কৰিছিল। এই আন্দোলনে চৰকাৰক অৰণ্য নীতিসমূহ সলনি কৰাৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱান্বিত কৰিছিল যাৰফলস্বৰূপে পশ্চিমীয়া ঘাটত, সেউজীয়া অৰণ্যসমূহ ধ্বংস কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধক কোম্পানীসমূহক অনুমোদন প্ৰদানত নিষেধাজ্ঞা প্ৰদান কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 1ঃ পৰিৱেশীয় আন্দোলন মানে কি ?

.....

.....

প্ৰশ্ন নং 2ঃ এপিক' আন্দোলনৰ যিকোনো এটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

৩.৬ নীৰৰ উপত্যকা আন্দোলন (The Silent Valley Movement)

চিৰসেউজ বৰ্ষাৰণ্যসমূহক ৰক্ষণাবেক্ষণ দিবৰ বাবে, ৰাজ্য চৰকাৰৰ বিৰুদ্ধে চলা আন্দোলনে হৈছে নীৰৰ উপত্যকা আন্দোলন। এই বৰ্ষাৰন্যখন কেৰেলা জিলাৰ পালাকাড়ত অৱস্থিত। এই বৰ্ষাৰন্য, দেশৰ অতুষ্ণ্য চিৰসেউজ অৰণ্যৰ অন্তিম বাস্তৰ বিস্তাৰন। এই নীৰৰ উপত্যকা আন্দোলনে বিশেষ জনপ্রিয়তা লাভ কৰিলে যেতিয়া কেৰেলাৰ পালাকাড় অঞ্চলত হাইড্র'ইলেকট্রিক প্রকল্প বন্ধ কৰিবৰ বাবে, বিভিন্ন বেচৰকাৰী সংগঠন, বৈজ্ঞানিক সমাজ আৰু সংৰক্ষণ কর্মীসকলে, সামাজিক সজাগতাৰ মনোভাৱেৰে নীৰৰ উপত্যকা বচাওঁক আন্দোলনৰ পাতনি মেলিছিল। প্রথমতে, অৰণ্যৰ পৰা পাতনি মেলা এলেকাত, ব্রিটিছ চৰকাৰে নদীবান্ধ এটা নির্মাণ কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। ১৯২৮ চনত কুঠি পুহজা নদীৰ পাৰত, চাইৰান্ধি নামৰ এলেকাত ইলেকট্রিচিটি উৎপদানৰ বাবে আদর্শ স্থান হিচাপে নির্বাচন কৰা হৈছিল। কিন্তু সেই সময়ত, সেই প্রকল্পটো কার্যকাৰী কৰা নহ'ল। ১৯৫১ চনত ৰাজ্য চৰকাৰে হাইড্র'ইলে কট্রিক' প্রকল্পৰ বাবে প্রথমে এক জৰীপ সম্পাদন কৰিছিল। ১৯৭৩ চনত, ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগে এই প্রকল্পক অনুমোদন জনাইছিল। এই অনুমোদনে ফলস্বৰূপে এক বিতর্কৰ সৃষ্টি কৰিছিল বিতর্কৰ বিষয় আছিল-প্রকৃতিৰ সংৰক্ষণ বনাম বিকাশৰ প্রচলন।

নীৰৰ উপত্যকাৰ পোতাশ্রয় সমূহৰ ভিতৰত ১০৪ বিধ কপৌফুল, বিভিন্ন চিকিৎসাপোযোগী গছ-লতা কাচিৎ ভাৱে ফুলা ফুল ২৩ স্তন্যপায়ী জীৱ ৩ বিধ সংকটাপন্ন জীৱ যেনে— বাঘ, সিংহ নেজীয়া আফ্রিকান আৰু নিলগীৰি বান্দৰ উল্লেখযোগ্য। কেৰেলা জিলাৰ চিৰসেউজ অতুষ্ণ্য অৰণ্য ৰক্ষা কৰাৰ বাবে ১৯৭৩ চনত, কেৰেলা শস্ত্র সাহিত্য পৰিষদ আৰু বিদ্যালয় শিক্ষকসকলৰদ্বাৰা পৰিচালিত এটি বেচৰকাৰী সংগঠনে নীৰৰ উপত্যকা আন্দোলনৰ পাতনি মেলিছিল। এই আন্দোলনৰ সামাজিক প্রধান উদ্দেশ্য আছিল হাইড্রইলেকট্রিক প্রকল্পৰ দ্বাৰা নীৰৰ উপত্যকাক ডুৰ যোৱাৰ পৰা বচোৱা। কুন্তীপুহজা নদীখন নীৰৰ উপত্যকাৰ পৰা ১৫ কি.মি. দক্ষিন পশ্চিম সোঁতত বৈ গৈছে। এই নদীৰ উৎপত্তিৰ স্থল হৈছে এই চিৰসেউজ অৰণ্যখন, ১৯৭০ চনত, কেৰেলা ৰাজ্যিক ইলেকট্রিক বোর্ডে নীৰৰ উপত্যকাৰ মাজেৰে বৈ যোৱা নদীৰ মাজত এক হাইড্রইলেকট্রিক নদীবান্ধ গঠনৰ প্রস্তাৱ গ্রহণ কৰিছিল। এই নদীবান্ধে চিৰসেউজ অৰণ্যখনৰ প্রায় ৭.৩ স্কোৱেৰ কি. মি. অঞ্চল জলমগ্ন কৰি পেলাইছিল। পৰিকল্পনা আয়োগে ২৫ কৌটি টকাৰ খৰচত এই প্রকল্পক অনুমোদন জনাইছিল।

এই নদীবান্ধৰ নির্মাণৰ ঘোষণাৰ পিছত লুপ্ত প্রায় প্রানী আফ্রিকান বান্দৰৰ প্রতি বিশেষ সজাগতাৰ সৃষ্টি হৈছিল আৰু এই সমস্যাৰ বিষয়ে ৰাইজৰ মাজত প্রচাৰ হৈছিল। ৰমুলাচ হুইটেকাৰ আছিল প্রথমজন ব্যক্তি যিজনে পিছপৰা/ভিতৰুৱা অঞ্চল সমূহত এই বিষয়টোৰ ওপৰত ৰাইজক সচেতন কৰিবলৈ প্রচাৰ চলাইছিল। ১৯৭৭ চনত কেৰেলা বন গৱেষণা সংস্থাই এই অঞ্চলৰ ওপৰত এক অধ্যায়ন সম্পাদন কৰিছিল আৰু এই অঞ্চলক জীৱমণ্ডলীয় সংৰক্ষিত অঞ্চল হিচাপে ঘোষণা কৰিছিল।

কেৰেলা শাস্ত্ৰ সাহিত্য পৰিষদে নীৰৱ উপত্যকাৰ হাইড্ৰইলেকট্ৰিক প্ৰকল্পটিৰ ওপৰত এক প্ৰযুক্তিগত অৰ্থনৈতিক আৰু সামাজিক আৰু ৰাজনৈতিক মূল্যায়ন প্ৰতিবেদন প্ৰকাশেৰে ৰাজহুৱা সজাগতা জগাই তুলিছিল। তেওঁলোকে এক প্ৰচাৰমূলক পুঠি প্ৰকাশ কৰিছিল — নীৰৱ উপত্যকা হাইড্ৰইলেকট্ৰিক প্ৰকল্প ঃ এক প্ৰযুক্তি অৰ্থনৈতিক আৰু সামাজিক, ৰাজনৈতিক মূল্যায়ন। এই আন্দোলনে দেশৰ বৌদ্ধিক সমাজক আকৰ্ষণ কৰিছিল। কেইজনমান তেনে ব্যক্তিৰ ভিতৰত কবি সুগাঠি কুমাৰী, বোম্বে প্ৰাকৃতিক ইতিহাস সমাজৰ পক্ষীবিজ্ঞানী ডº চেলীম আলী, কৃষিবিজ্ঞানী ডº এম এছ স্বামী নাথন আৰু অন্যান্যসকল ইত্যাদি। নীৰৱ উপত্যকা প্ৰতিৰক্ষাৰ বাবে সমাজৰ আকৰ্ষন লাভ কৰিবৰ বাবে, নীৰৱ উপত্যকা বচোৱা আন্দোলন আৰু সভা অনুষ্ঠিত কৰা হৈছিল।

হাইড্ৰইলেকট্ৰিক প্ৰকল্প অঞ্চলত অৰণ্যসমূহ কটাৰ প্ৰতিবাদত, কেৰেলা উচ্চ আদালত, এখন আজ্ঞালেখ নিবেদন কৰা হৈছিল। যাৰ ফলস্বৰূপে আদালতে গছসমূহ কটা বন্ধ কৰি অৰণ্য প্ৰতিৰক্ষা কৰিবলৈ আদেশ জাৰি কৰিছিল। ১৯৭৯ চনত কেৰেলা চৰকাৰে "জীৱ মণ্ডলৰ তাৰতম্য প্ৰতিৰক্ষাকাৰী আইন বলবৎ কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে, অৰণ্য এলেকাৰ পৰা হাইড্ৰইলেকট্ৰিক প্ৰকল্প বৰ্হিঃভূক্ত কৰণৰ ঘোষণা কৰিছিল। ১৯৮০ চনৰ জানুৱাৰী মাহত কেৰেলা উচ্চ ন্যায়ালয়ে গছ কটাৰ প্ৰতিৰোধৰ ওপৰত থকা নীতি প্ৰত্যাহাৰ কৰিছিল যদিও, ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে কেৰেলা চৰকাৰক প্ৰকল্পিত এলেকাত পৰৱৰ্তী কাম বন্ধ কৰিবলৈ অনুৰোধ কৰিছিল।

এই বিষয়ে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰে বহুতো কমিটি গঠন কৰিছিল, তাৰ ভিতৰত ডº এম এছ স্বামী নাথন কমিটি আৰু ডº এম জি কে মেনন কমিটিয়ে পৰিৱেশীয় প্ৰভাৱৰ বিষয়ে উল্লেখ কৰি, এই প্ৰকল্পৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰিছিল। ১৯৮২ চনত, আন এক কমিটি গঠন কৰা হৈছিল। এই কমিটিৰ সদস্যসকলৰ ভিতৰত প্ৰফেচাৰ এম জি কে মেননক অধ্যক্ষ হিচাপে লৈ মাধৱ গডগিল দিলিপ, কে বিশ্বাস আৰু অন্যান্য সকল। এই কমিটি গঠনৰ উদ্দেশ্য আছিল জীৱ মণ্ডলৰ হানি নোহোৱাকৈ কি দৰে হাইড্ৰইলেকট্ৰিক ইলেকট্ৰিক প্ৰকল্পৰ কাম সম্পাদন কৰিব পাৰি। ১৯৮৩ চনত কমিটিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল। ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীয়ে এই প্ৰতিবেদন সূক্ষ্মভাৱে অধ্যয়ন কৰি, এই প্ৰকল্পক স্থায়ী ভাৱে বন্ধ কৰিছিল। ১৯৮৪ চনৰ ১৫ নবেম্বৰ তাৰিখে, নীৰৱ উপত্যকাৰ অৰণ্যক প্ৰাকৃতিক উদ্যান হিচাপে ঘোষণা কৰিছিল আৰু এই উদ্যানৰ সীমা সমূহ সীমিত কৰিছিল আৰু পিছত ১৯৮৫ চনৰ, ৭ ডিচেম্বৰত, নীৰৱ উপত্যকা প্ৰাকৃতিক উদ্যান আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছিল। ১৯৮৬ চনৰ ১ চেপ্তেম্বৰত, অৰ্থাৎ সম্পূৰ্ণ এবছৰ পিছত, ৰাজীৱ গান্ধীয়ে এই উদ্যান মুকলি কৰিছিল। এই উদ্যানখনক নীলগিৰি জীৱমণ্ডল সংৰক্ষন এলেকা হিচাপে অভিহিত কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 3ঃ নীৰৰ উপত্যকা ক'ত অৱস্থিত?

.....

.....

প্রশ্ন নং 4ঃ নীৰৰ উপত্যকা ৰাষ্ট্রীয় উদ্যান কোনে মুকলি কৰিছিল?

.....

.....

প্রশ্ন নং 5ঃ চিপকো'ৰ অর্থ কি?

.....

.....

প্রশ্ন নং 6ঃ চিপকো' আন্দোলনত জড়িত কেইগৰাকীমান মহিলা কর্মীৰ নাম উল্লেখ কৰক।

.....

.....

৩.৭ চিলকা ৰক্ষা আন্দোলন (Chilika Bachao Andolan)

১২.০০ স্কোৱেৰ কি.মি. এলেকাৰে উৰিষ্যাৰ বংগোপাসাগৰৰ পাৰত অৱস্থিত চিল্কা এছিয়াৰ সর্ববৃহৎ লৱণীয় পানীৰ হ্রদ। পুৰী ক্ষুদ্রা আৰু গনঞ্জমকে ধৰি উৰিষ্যাৰ কেইবাখনো জিলাৰে মৎস্যকর্মী গাওঁবাসীয়ে এই হ্রদৰ ওপৰতে জীৱিকা নির্বাহ কৰে। এই হ্রদতে পৃথিৱীৰ বিভিন্ন এলেকাৰ পৰা অহা পৰিভ্রমি চৰাই সমূহ দেখিবলৈ পোৱা যায়। প্রকৃতি প্রেমী সকলৰ বাবেও এই হ্রদ বিশেষ আকর্ষনীয় কেন্দ্র। কিন্তু, যোৱা কিছু দশকৰ পৰা এই হ্রদক লৈ বহুতো কাজিয়া আৰু হিংসাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে।

চিল্কা ৰক্ষা আন্দোলন হৈছে মৎস্য কর্মীসকলৰ দ্বাৰা কৰা এক আন্দোলন, যিসকলে সংগৃহীত মিছা মাছ পালন প্রকল্পৰ অবিৰত প্রতিবাদ কৰিছিল। মিছা মাছৰ খেতি আৰু ৰপ্তানিৰ পৰিকল্পনা আছিল টাটা লোহ আৰু ষ্ট্রীল কোম্পানী আৰু উৰিষ্যা চৰকাৰৰ এক যৌথ প্রচেষ্টা। আমেৰিকা, জাপান আৰু ইউৰোপীয়ান দেশসমূহলৈ মিছা মাছ ৰপ্তানিৰ হাৰ বৃদ্ধি হোৱা হেতুকে, ভাৰতীয় উদ্যোগীসকল আৰু ৰাজনীতিবিদ সকলে বিদেশী মূদ্রাৰ সাল-সলনি বৃদ্ধিৰ বাবে এই সুবিধা হেৰুৱাব খোজা নাছিল। ১৯৮৬ চনত উৰিষ্যা চৰকাৰে ১৫ বছৰৰ বাবে চিল্কা ১৪০০ হেক্টৰ মাটিত মিছা মাছ খেতিৰ বাবে টাটা কোম্পানীৰ লগত চুক্তি কৰিছিল। এই চুক্তিৰ উদ্দেশ্য আছিল টাটা জলজ উদ্ভিদ পালনৰ সূচনা। সেই সময়ত এই প্রকল্পৰ ক্ষেত্রত চৰকাৰৰ ১০ শতাংশ ভাগ আছিল। জনতা দলে এই বিষয়ে প্রতিবাদ কৰিছিল। ১৯৮৯ চনত যেতিয়া জনতা দলে

ক্ষমতালৈ আহিছিল, তেতিয়া তেওঁ এই পালনৰ নাম সলনি কৰি চিলিকা জলজ উদ্ভিদ পালন লিমিটেড নামাকৰণ কৰাৰ ভাগা ১০ ৰ পৰা ৪৯ শতাংশলৈ বৃদ্ধি কৰিছিল। এই কোম্পানীৰ ফলাফল ৰূপান্তৰিত কৰাৰ কথা আছিল আৰু বাৰ্ষিক মুঠ আমদানি ৩০০০ লাখ হ'ব বুলি ধাৰণা কৰিছিল।

চিলিকা হ্ৰদৰ ওচৰত বসবাস কৰা মৎস্যকৰ্মীসকলৰ জীৱিকাৰ ওপৰত এই প্ৰকল্পই বাধাৰ সৃষ্টি কৰিছিল। এই প্ৰকল্পৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ অন্যান্য দলৰ সদস্য আৰু মানৰ অধিকাৰ কৰ্মীসকলেও মৎস্যকৰ্মী সকলক সমৰ্থন জনাইছিল। ৩০ কৌটি টকাৰ মুঠ আমদানিৰ লক্ষ্যৰে, উৰিষ্যা চৰকাৰৰ সহযোগত এই টাটা প্ৰকল্পই বৃহৎ মিছা মাছ সংস্কৃতি ভেটি স্থাপন কৰিছিল। ইয়াৰ ফলস্বৰূপে, প্ৰাক্তন উৰিষ্যাৰ খাজনা মন্ত্ৰী, বনকা বেহাৰী দাসে প্ৰাৰম্ভিকভাৱে চিলিকা ৰক্ষা আন্দোলনৰ সূচনা কৰিছিল। এই আন্দোলনে আলোকপাত কৰা অনুসৰি, এই প্ৰকল্পই বিভিন্ন ধৰণে চিলিকাৰে জীৱমণ্ডলক ক্ষতি সাধন কৰিব। তাৰে ভিতৰত —

- স্থানীয় মৎস্যকৰ্মীসকলক হ্ৰদৰ উপলব্ধিতা আহৰণত বাধা দিব,
- বৃহৎ পশুচনৰ এলেকাসমূহ নাইকীয়া হ'ব,
- হ্ৰদটো পদূষিত কৰাৰ লগতে জলচৰ প্ৰাণী সমূহক মৃত্যু মুখলৈ থেলি দিব।
- প্ৰজননকাৰী চৰাইসমূহ হ্ৰাস কৰিব
- ডলফিন সমূহৰ মৃত্যু হ'ব ইত্যাদি।

উৎকল বিশ্ববিদ্যালয়ৰ মৌলবাদী যুৱক সকলৰে সহায়ত চিলিকাৰ স্থানীয় লোকসকলক সংগঠিত কৰা হৈছিল। এই যুৱক সকলৰ দলক "Meet the Students" নামেৰে জনা গৈছিল। এই দলৰ সদস্য সকলে মৎস্য পালনকাৰী সকলৰ ওচৰলৈ সঘনে গৈ এই ৰপ্তানি উদ্যোগৰ প্ৰতি তেওঁলোকক সচেতন কৰি তুলিছিল। এই আন্দোলনত তেওঁলোকে চিলিকা মৎস্যজীৱি মহাসং ঘকো অন্তভূৰ্ক্ত কৰিছিল। এই মহাসংঘ ১২২ খন খাজনা গাওঁক লৈ গঠিত এক অনুষ্ঠান। এই অনুষ্ঠানে মৎস্যজীৱিসকলৰ স্বাৰ্থৰ হকে কাম কৰে। ১৯৯২ চনত, জানুৱাৰীত চিলিকা মৎস্যজীৱি মহাসংঘৰ সম্প্ৰসাৰণৰ বাবে কাৰ্য্য সম্পাদন কৰিবলৈ চিলিকা বছোৱা আন্দোলনৰ আনুষ্ঠানিকভাৱে সূচনা হৈছিল। এই আন্দোলনৰ এবছৰৰ পিছত, প্ৰতিবাদসমূহ অধিক হিংসাত্মক হৈ পৰিছিল, তেওঁলোকে প্ৰকল্পৰ সীমা আৰু মথাউৰি সমূহ ভাঙি দিয়াৰ ফলত তেওঁলোকক ওপৰত লাথি চালনা কৰা হৈছিল আৰু লগতে জেললৈও প্ৰেৰণ কৰা হৈছিল।

১৯৯৯ চনৰ ২৯ মে তাৰিখে, পাচ হেজাৰৰো অধিক মৎস্যজীৱিয়ে সকলো বে-আইনী মিছা মাছ ফাৰ্মসমূহ ধ্বংস কৰিবলৈ প্ৰয়াস কৰিছিল। আচৰিতভাৱে, পুলিচসকলে ব্যৱসায়ী সকলক সমৰ্থন জনাইছিল আৰু ৩ জন মৎস্যজীৱিক গুলীৰে প্ৰহাৰ কৰি তেওঁলোকৰ প্ৰাণ লোৱাৰ লগতে আন বহুকেইজনক আহত কৰিছিল। হ্ৰদৰ পৰা ১০০ মিটাৰ দূৰত্বত থকা সকলো ফাৰ্ম দূৰীকৰণৰ বাবে দিয়া উচ্চতম ন্যায়ালয়ৰ ৰায় লাভ কৰাৰ পিছত এই ঘটনা সংঘটিত হৈছিল। ভাৰতবৰ্ষ হৈছে জল সংৰক্ষণৰ ৰামচাৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ এক দণ্ডখতকাৰী অংগ, য'ত চিলিকা হ্ৰদক ইয়াৰ সুকীয়া জীৱমণ্ডলীয় বৈশিষ্ট্যৰ বাবে পৃথিৱীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ জল অংশ

হিচাপে পৰিচিত কৰা হৈছিল। ১৯৯২ চনৰ অক্টোবৰ মাহত, কেন্দ্রীয় চৰকাৰে টাটা প্রকল্পক পৰিৱেশীয় স্বীকৃতি প্রদান কৰাৰ বিষয়টো নাকচ কৰে। ১৯৯২ চনৰ নৱেম্বৰ মাহত, উৰিষ্যা উচ্চ ন্যায়ালয়ৰ খণ্ড বিভাগৰ এটা ৰায়ে চিলিকা হ্রদৰ জীৱমণ্ডল সংৰক্ষণ কৰাৰ পৰামর্শ প্রদান কৰে। এই চিলিকা ৰক্ষা আন্দোলন হৈছে উদ্যোগিক জলজ সংস্কৃতিৰ বিৰুদ্ধে কৰা এক অভিযানৰ অংশ। স্থানীয় মৎস্যজীৱিসকলৰ প্রতিবাদৰ বাবে, চিলিকা বিল, ২০১১ (মৎস্যপালন নিয়ন্ত্রণ) ১০ বছৰৰ বাবে পিছপৰা আছিল। এই বিলখন ২০০১ চনত গ্রহণ কৰা হৈছিল। এই বিল অনুসৰি চিলিকা হ্রদত অপৰম্পৰাগত মাছমৰা প্রক্রিয়া প্রচাৰৰ বাবে বে-আইনী মিছা মাছ খেতিয়কসকলক আইনী মর্য্যদা প্রদানৰ ব্যৱস্থা গ্রহণৰ বিষয় উল্লেখ আছিল। বর্তমানলৈকেও, এই সমস্যাৰ উপযুক্ত সমাধান ওলোৱা নাই। দুই দশক পূর্বৰ এই সমস্যাৰ ৰূপ এতিয়াও একেই আছে। স্থানীয় খেতিয়ক তথা মৎস্যজীৱিসকলে আজিও জীৱিকাৰ বাবে সংগ্রাম কৰিবলগীয়া হৈ আছে। যাৰ ফলস্বৰূপে, পৰিৱেশ প্রদূষিত হৈ আহিছে আৰু প্রতিবাদসমূহে গুৰুত্ব লাভ কৰাত ব্যর্থ হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 7ঃ চিলিকা ৰক্ষা আন্দোলন আনুষ্ঠানিকভাৱে কোনজন ব্যক্তিয়ে সূচনা কৰিছিল?

.....

.....

৩.৮ নর্মদা ৰক্ষা আন্দোলন (Narmada Bachao Andolan)

১৯৮৬ চনত, আৰম্ভ হোৱা নর্মদা ৰক্ষা আন্দোলন হৈছে সর্ববৃহৎ আৰু ক্ষমতাসম্পন্ন গণ আন্দোলন। এই আন্দোলনৰ সূত্রপাত হৈছিল নর্মদা নদীৰ ওপৰত হোৱা এক বৃহৎ নদীবান্ধ নির্মাণৰ বাবে। নর্মদা নদী হৈছে ভাৰতবর্ষৰ পশ্চিমমুখী সর্ববৃহৎ নদী। এই নদীয়ে স্থানীয় লোকৰ পৰা ভিতৰুৱা অঞ্চললৈকে ভিন্ন সংস্কৃতি আৰু পৰম্পৰা বিশিষ্ট দলৰ লোকক সমর্থন কৰি আহিছে। চর্দাৰ ডনাৰোবৰ নদীবান্ধ আৰু নর্মদা সাগৰৰ প্রস্তাৱিত পৰিকল্পনাই ২৫০,০০০ সংখ্যক লোকৰ বসতি স্থল অনিষ্ট কৰাৰ সম্ভাৱনা আছিল। সেয়েহে এই সকল লোকৰ পুনঃবসতি বাবে এক বৃহৎ কাজিয়াৰ সূত্রপাত হৈছিল।

এই নদীবান্ধটো বহুকোটি টকীয়া এক প্রকল্প, যিটোৱে ভাৰত চৰকাৰক বহু সংখ্যক খাজনা দিবলৈ সক্ষম হ'ব। ভাৰতবর্ষৰ ইতিহাসত, নর্মদা উপত্যকা উন্নয়ন পৰিকল্পনা হৈছে এক অতি গুৰুত্বপূর্ণ প্রস্তাৱিত আৰু প্রতিদ্বন্দ্বিতাপূর্ণ পৰিকল্পনা। এই প্রকল্পৰ সমর্থকসকলৰ বিশ্বাস অনুযায়ী এই প্রকল্পই ১৪০০ এম. ডব্লিউ শক্তি আৰু ৪০ মিলিয়ন লোকৰ বাবে বিশুদ্ধ খোৱা পানী উৎপাদন কৰিবলৈ সক্ষম হ'ব। কিন্তু, প্রতিবাদকাৰী সকলৰ মতে, এই প্রস্তাৱিত হাইড্র প্রকল্পই অৰণ্য আৰু কৃষি এলেকাসমূহ ধ্বংসকৰি, মানুহৰ জীৱন আৰু জীৱ বৈচিত্রতাক হানি

কৰিব। ইয়াৰোপৰি, এই প্ৰকল্পই বহু সংখ্যক লোকৰ জীৱিকা কাঢ়ি ল'ব।

এই আন্দোলনৰ নেতৃত্ব বহন কৰা এজন বিশিষ্ট নেতা হৈছে— মেধা পাটকাৰ। বৰ্তমান সময়ত, এই আন্দোলন আন্তঃৰাষ্ট্ৰীয় প্ৰতিবাদলৈ ৰূপান্তৰিত হৈছে। এই প্ৰকল্পৰ ভয়াবহতাৰ প্ৰতি, জনসাধাৰণক সচেতন কৰিবলৈ প্ৰতিবাদকাৰীয়ে বিভিন্ন পন্থাৰ অৱলম্বন কৰিছিল, যেনে— গণ মাধ্যম , অনশন, গণযাত্ৰা, ৰেলীৰ লগতে প্ৰামাণিক চলচিত্ৰৰ প্ৰদৰ্শনী ইত্যাদি উল্লেখযোগ্য। এই প্ৰতিবাদ শান্তিপূৰ্ণ হোৱাৰ সত্বেও, প্ৰতিবাদকাৰীসকলক 'পুলিচে অত্যাচাৰ, লাঠি চাৰ্জ কৰাৰ লগতে গ্ৰেপ্তাৰো কৰিছিল। এই আন্দোলনৰ এক প্ৰধান উদ্দেশ্য আছিল প্ৰকল্পটিৰ পৰা ঋণ উঠাই ল'বলৈ বিশ্ব বেংকক হেঁচা প্ৰদান কৰা।

স্বাধীনতা লাভ কৰাৰ পিছত, জৱহৰলাল নেহৰুয়ে ৰাষ্ট্ৰীয় উন্নয়নৰ বাবে এই নদীবান্ধৰ বাবে ধনাত্মক মনোভাৱ প্ৰদৰ্শন কৰিছিল। ১৯৭৮ চনত, নৰ্মদা উপত্যকা উন্নয়ন প্ৰকল্পটো, নৰ্মদা জল বিসংবাদ বিচাৰ সভাৰ দ্বাৰা অনুমোদিত হৈছিল যাৰ ফলস্বৰূপে, ৩০ টা বৃহৎ নদীবান্ধ, ১৩৫ মধ্যমীয়া নদীবান্ধ আৰু ৩০০০ টা ক্ষুদ্ৰ নদীবান্ধ নিৰ্মানে অনুমোদন লাভ কৰিছিল। এই সকলোবোৰ নদীবান্ধৰ ভিতৰত আটাইতকৈ বিংসবাদপূৰ্ণ নদীবান্ধটোৱে হৈছে গুজৰাটৰ চৰ্দাৰ সৰোবৰ প্ৰকল্প। ১৯৮৫ চনত, স্থানীয় লোকৰ সৈতে আলোচনী নকৰাকৈয়ে বিশ্ব বেংকে এই নদীবান্ধক ৪৫০ মিলিয়ন ধন প্ৰদানৰ চুক্তিৰে সমৰ্থন প্ৰদান কৰিছিল। ১৯৮৭ চনত, এই নদীবান্ধৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছিল আৰু স্থানীয় লোকসকলৰ পুনঃবাসৰ প্ৰক্ৰিয়াৰে তেওঁলোকক প্ৰীতি প্ৰদৰ্শন কৰা অন্যায় প্ৰকাশিত হৈছিল পুনঃবাসৰ বাবে স্থানীয় লোকসকলে বিভিন্ন সমস্যাৰ সন্মুখীন সন্মুখীন হ'বলগীয়া হৈছিল। যেনে — পুনঃনিৰ্মানৰ বাবে অপৰ্য্যাপ্ত মাটি, বসতিৰ অৰাজকতা, নিম্ন মানদণ্ডৰ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সুবিধা ইত্যাদি।

ইয়াৰ ফলস্বৰূপে, স্থানীয় প্ৰতিবাদকাৰী আৰু পৰিৱেশীয় কৰ্মীসকলে বেচৰকাৰী সংস্থা সমূহৰ এক সংঘ গঠন কৰিছিল। এই সংস্থাসমূহে ১৯৮৩ চনত সংঘবদ্ধ হৈ নৰ্মদা ৰক্ষা (বচোৱা) আন্দোলনৰ পাতনি মেলে। এই আন্দোলনৰ মূল নেতা আছিল মেধা পাটকাৰ। তেওঁ ১৯৮৫ চনৰ পৰাই এই নদীবান্ধৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে —

এই আন্দোলনে প্ৰত্যক্ষভাৱে নদীবান্ধ নিৰ্মাণৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল আৰু বিকাশৰ বিকল্প পদ্ধতিৰ প্ৰস্তাৱ আগবঢ়াইছিল যেনে — পানী সংগ্ৰহ বা ৰক্ষাৰ বাবে বিকেন্দ্ৰীভূত পদ্ধতি। এই আন্দোলনৰ প্ৰতিবাদকাৰীসকলে গৃহহাৰা হোৱা হাজাৰ হাজাৰ লোকৰ দায়বদ্ধতা ল'বলৈ বিশ্ব বেংকক দাবী জনাইছিল। কৰ্মীসকলে খাজনা প্ৰদানত অস্বীকাৰ কৰাৰ লগতে, সেই গাওঁসমূহৰ ভিতৰত যিকোনো চৰকাৰী কৰ্মীৰ প্ৰৱেশ নিষিদ্ধ কৰিছিল। লৰী উডাল নামৰ পৰিৱেশীয় প্ৰতিৰক্ষা নিধিৰ ব্যক্তি এজনে চৰ্দাৰ সৰোবৰ নদীবান্ধৰ নিৰিক্ষন কৰিবলৈ আমেৰিকান যুক্তৰাষ্ট্ৰৰ মহাসভা কমিটি এখনৰ সৈতে কাম কৰিছিল, য'ত মেধা পাটকাৰক ১৯৮৯ চনত এই নদীবান্ধৰ বিৰুদ্ধে সাক্ষী হিচাপে নিয়োগ কৰা হৈছিল। এই পৰিৱেশীয় প্ৰতিৰক্ষা নিবিৰ সৈতে কাম কৰাৰ উপৰিও এই আন্দোলনে আন বিভিন্ন সংগঠনৰ সৈতে কাম কৰিছিল। সেই সমূহৰ ভিতৰত— মানৰ অধিকাৰ সংগঠন, পৰিৱেশীয় সংগঠন, সংহত সংগঠন যেনে — নৰ্মদা আন্তঃৰাষ্ট্ৰীয় ক্ৰিয়া কমিটি,

পৃথিৱীৰ বন্ধু (Friends on Earth) আৰু জাপানৰ সমুদ্রপাৰৰ অর্থনৈতিক সমবায় নিধি।

১৯৮৯ চনত, আন এজন বিখ্যাত সামাজিক কর্মী আৰু নৈতিক দলপতি, বাবা আমতেয়ে মধ্যপ্রদেশত ৬০,০০০ লোককলৈ নদীবান্ধ বিৰোধী প্রতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ এবছৰ পিছত অর্থাৎ ১৯৯০ চনত হাজাৰ হাজাৰ লোকে নদীবান্ধৰ বাঢ়ি অহা পানীত ডুব যোৱাৰ ভয় দেখুৱাই বছৰানী চহৰলৈ পদযাত্রা কৰিছিল। তেওঁলোকৰ এই প্রতিবাদৰ শ্লোগান আছিল "কোনো লৰচৰ নহয়, নদীবান্ধ হ'ব নোৱাৰে"।

১৯৯০ চনৰ মে মাহত ২০০০ জন ব্যক্তিক লৈ প্রধানমন্ত্রী ভি.পি সিংহৰ নতুন দিল্লীস্থিত ভৱনৰ সন্মুখীত ৫ দিনযোৱা ধর্মঘটৰ আয়োজন কৰিছিল আৰু অৱশেষত এই নদীবান্ধ সম্পর্কে পুনৰ বিবেচনা কৰিবলৈ প্রধানমন্ত্রীক বাধ্য কৰাইছিল। ১৯৯০ চনৰ ডিচেম্বৰ মাহত, ছয়- সাতজন ব্যক্তিৰ নেতৃত্বত ৫০০০ ৰ পৰা ৬০০০ লোকে ১০০ কি.মি পদযাত্রাৰ আৰম্ভ কৰিছিল। এই পদযাত্রাত মেধা পাটকাৰৰ ভূমিকা উল্লেখনীয় আছিল। এই প্রতিবাদী লোকসকলক গুজৰাটী পুলিচে বাধা প্রদান কৰিছিল আৰু প্রতিবাদকাৰী সকলৰ সৈতে হোৱা বিৰোধ এক সপ্তাহলৈ অব্যাহত আছিল। পদযাত্রাত অংশকাৰী সকলক আহত কৰাৰ লগতে গ্রেপ্তাৰো কৰা হৈছিল আৰু বহুতো প্রতিবাদকাৰীকে ট্রাক সমূহত টানি লৈ বহু দূৰলৈ লৈ যোৱা হৈছিল।

১৯৯১ চনৰ জানুৱাৰী মাহৰ, ৭ তাৰিখে, সাঁতজনীয়া এক দলে অনির্দ্ধাৰিত অনসন আৰম্ভ কৰিছিল। এই প্রতিবাদসমূহে আমেৰিকাৰ ৱাচিংটনবাসীৰ দৃষ্টি আকর্ষন কৰিবলৈ সক্ষম হৈছিল। যাৰ পৰিণতি স্বৰূপে বিশ্ব বেংকে চর্দাৰ সৰোবৰ প্রকল্পৰ ওপৰত স্বকীয় নিৰীক্ষণ কৰাৰ মতপ্রকাশ কৰিছিল। বিশ্ববেংকৰ ইতিহাসত পোনপ্রথম বাৰৰ বাবে, সাধাৰণ মানুহৰ প্রতিবাদে বিশ্ব নীতি গ্রহণৰ ক্ষেত্রত প্রভাৱ পেলাবলৈ সক্ষম হৈছিল।

১৯৯১ চনৰ, ২৮ জানুৱাৰীত, অর্থাৎ সম্পূর্ণ ২২ দিন পিছত, অনশনকাৰীসকলে তেওঁলোকৰ অনশনৰ অন্ত পেলাইছিল। কিন্তু নর্মদা ৰক্ষা আন্দোলনৰ আন্দোলনকাৰী সকলে চর্দাৰ সৰোবৰ নদী বান্ধৰদ্বাৰা ডুব নোযোৱাকৈকে সেই গাওঁত থকাৰ দাবী জনাইছিল। ইয়াৰ প্রত্যুৎৰত ভাৰত চৰকাৰে মেধা পাটকাৰ আৰু অন্যান্য প্রতিবাদ কর্মীসকলক বাৰিষা সময়ছোৱাত গাওঁত প্রৱেশ কৰাত নিষিদ্ধ কৰিছিল আৰু গাওঁবাসীসকলক যিকোনো ধৰণৰ প্রতিবাদ গ্রহণৰ পৰা বিৰত থাকিবলৈ আদেশ দিছিল। নর্মদা ৰক্ষা আন্দোলনৰ সমর্থকসকলে এই নিষেধাজ্ঞা অৱজ্ঞা কৰিছিল, ফলস্বৰূপে বাৰিষা মাহত, বহু শতাধিক লোকক গ্রেপ্তাৰ কৰা হৈছিল। এই প্রতিবাদক বর্ষা সত্যাগ্রহ হিচাপে নামাকৰণ কৰা হৈছিল। নদীবান্ধৰ ফলত বাঢ়ি অহা পানী গাওঁবাসীৰ ঘৰত প্রৱেশ কৰা হেতুকে শতাধিক লোকে তেওঁলোকৰ গৃহস্থানৰ পৰা আতৰি যাবলৈ অস্বীকাৰ কৰিছিল। ফলস্বৰূপে পুলিচে তেওঁলোকক শাৰীৰিক বলেৰে টানি, বৈ অহা জলমগ্ন এলেকাৰ পৰা লৈ আহিছিল। এই প্রক্রিয়াৰে তেওঁলোকে প্রতিবাদ ৰোধ কৰাৰ প্রয়াস কৰিছিল।

১৯৯২ চনত, 'মানৰ অধিকাৰ অনুসন্ধানৰ প্রতিবেদন অনুসৰি প্রতিবাদৰ ফলস্বৰূপে স্বেচ্ছাছাৰী গ্রেপ্তাৰ, বে-আইনী আটক, মাৰপিট, ধর্ষণ আৰু অন্যান্য শাৰীৰিক নির্যাতনসমূহ বাঢ়ি গৈছিল। কিছুমান প্রতিবেদনে প্রকাশ কৰা অনুসৰি ভাৰতীয় আৰক্ষীয়ে বলপূর্বক পুনঃবাসনৰ

সময়ছোৱাত বহুতো লোকক গুলিয়াই হত্যা কৰিছিল। অন্যান্য বেচৰকাৰী সংস্থাসমূহে নৰ্মদা আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ কক্ষ গঠনৰ হকে কাম কৰিছিল। এই কক্ষই ৪২ টা ভিন্ন পৰিৱেশীয় আৰু পৃথিৱীৰ ১৬ খন দেশক প্ৰতিনিধিত্ব কৰা মানৱ অধিকাৰ বেচৰকাৰী সংস্থাৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল।

মোৱছ আয়োগ অৰ্থাৎ বিশ্ব বেংকৰ স্বাধীন প্ৰাণীবিক্ষণে ১৯৯২ চনৰ জুন মাহত ইয়াৰ প্ৰতিবেদন বহিগত কৰে। এই প্ৰতিবেদনে বেংকৰ নিজস্ব নীতি উলংঘা কৰাৰ কথা প্ৰকাশ কৰি, পুনঃবাসন অনুষ্ঠান আৰু পৰিৱেশীয় মূল্যায়নৰ ক্ষেত্ৰত প্ৰচণ্ড পৰিৱৰ্তন সাধন কৰিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত, পৰিৱেশ কৰ্মীসকলে বিশ্ব বেংকৰ সভাপতি, লেৱিথ প্ৰেইনলৈ এখন মুকলি চিঠি লিখিছিল, যিখন লণ্ডনৰ ফাইনেনচিয়েল টাইমছ'ত (Financial Times) সম্পূৰ্ণ এটা প্ৰস্তাৱ বিজ্ঞাপন ঘোষণা হিচাপে প্ৰকাশিত হৈছিল। এই বিজ্ঞাপনে সতৰ্ক কৰি দিছিল যে যদি বেংকে চৰ্দাৰ সৰোবৰ নদীবান্ধৰ নিধি প্ৰদানৰ সিদ্ধান্তটো প্ৰত্যাখ্যান নকৰে, তেতিয়া বেংকৰ পৰা লোৱা চৰকাৰী নিধিৰ প্ৰক্ৰিয়াটো বন্ধ কৰিবলৈ বেচৰকাৰী সংস্থাসমূহে আন এক অভিযানৰ সূচনা কৰিব। এই সিদ্ধান্তক ২৫০ টা বিভিন্ন বেচৰকাৰী সংস্থা আৰু ৩৭ খন দেশৰ সন্মিলনীয়ে অনুমোদন জনাইছিল। একেধৰণৰ প্ৰতিবাদী কাৰ্য্যসূচী ৱাচিংটনটো কৰ্মী সকলে সাব্যস্ত কৰিছিল আৰু এই প্ৰতিবাদৰ বিষয়ে "নিউয়োৰ্ক টাইমছ"ত প্ৰকাশিত হৈছিল। ১৯৯৩ চনৰ ফেব্ৰুৱাৰী মাহত নৰ্মদা উপত্যকাত, জনতাৰ গণভোটে (Peoples Referendrum) বলপূৰ্বক পুনঃবাসৰ বিৰুদ্ধে, ২২,৫০০ পৰিয়ালক সংগঠিত কৰে।

নদীবান্ধৰ সেই স্থানত নৰ্মদা ৰক্ষা আন্দোলনে উন্নীত শুকান কৃষি ব্যৱসায়ৰ প্ৰযুক্তিবিদ্যাৰ ওপৰত ভিত্তি কৰি, শক্তি আৰু জলকৌশলৰ দাবী জনাইছিল। এই দাবীৰ আঁৰৰ আন ভিত্তিসমূহ আছিল জল বিভাজকৰ বিকাশ, ক্ষুদ্ৰ নদীবান্ধ, জলসৰবৰাহ আৰু খোৱা পানীৰ আঁচনি আৰু নদীবান্ধসমূহৰ উন্নত সক্ষমতা আৰু প্ৰয়োগ। আন্দোলন আৰু উচ্চতম ন্যায়ালয়ৰ মধ্যৱৰ্ত্তীতাৰ জৰিয়তে, দীৰ্ঘদিনীয়া এই সংগ্ৰাম শেষত, বিজয় লাভ কৰিছিল কিয়নো নৰ্মদা উপত্যকাত এই নদীবান্ধৰ নিৰ্মাণ কাৰ্য্য বন্ধ হৈছিল। এই আন্দোলনে, বৃহৎ ৰাশি প্ৰদান কৰা বিশ্ব বেংকক বাধ্য কৰাবলৈ সক্ষম হৈছিল। পৰিৱেশীয় বশ্যতা প্ৰতিবেদন অনুসৰি পৰিৱেশৰ লগত চতুৰালি কৰা লোকসকলক পোহৰলৈ আনিছিল, লগতে পুনঃবাসৰ ক্ষেত্ৰত সংঘটিত দুৰ্নীতিসমূহ ন্যায়িক অনুসন্ধানলৈ গৈছিল। এই নদীবান্ধ এলেকাত ২ লাখতকৈও অধিক লোকে বাস কৰিছিল যি সকলৰ অধিক সংখ্যকৰে জীৱিকা আছিল কৃষি আৰু উদ্যান পালন। ইয়াৰ উপৰিও এলেকাৰ বহু সংখ্যক মাটিত , মন্দিৰ, মছজিদ, গছ, বিদ্যালয়, গৃহ ইত্যাদিয়ে আৱৰি আছিল। নদীবান্ধৰ দ্বাৰা সৃষ্টি হ'ব পৰা বৃহৎ সংখ্যক লোকৰ জীৱন ধ্বংস আৰু স্থানচ্যুতিৰ বিৰুদ্ধে এই আন্দোলনে বিভিন্ন অৱলম্বন গ্ৰহণেৰে পৰিচালনা কৰাত সক্ষম হোৱাৰ লগতে ন্যায়িক আৰু বিধায়িনী দিশত অভিযান সাব্যস্ত কৰাত বিশেষ পাৱদৰ্শিতা প্ৰদান কৰিছিল। ইয়াৰোপৰি এই আন্দোলনে সেই অঞ্চলৰ বিশেষভাৱে প্ৰভাৱিত লোক সকলৰ অধিকাৰৰ বাবে যথেষ্ট সংগ্ৰাম কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ নর্মদা ৰক্ষা আন্দোলনত কোনে নেতৃত্ব বহন কৰিছিল ?

.....

.....



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জনতাৰ মাজত পৰিৱেশীয় সচেতনা সৃষ্টিক ৰাঠোঁ যথেষ্ট প্রয়োজনীয়। পৰিৱেশৰ প্রতিৰক্ষা অবিহনে মানৱ জাতি জীয়াই থকাটো অসম্ভৱ। বিভিন্ন পৰিৱেশ কর্মীৰ সকলে সূচনা কৰা বিভিন্ন পৰিৱেশীয় আন্দোনৰ মূল উদ্দেশ্য আছিল আমাৰ প্রকৃতিৰ আৰু আমাৰ ভৱিষ্যতৰ সংৰক্ষণ।
- আমি এই অধ্যায়ত বিভিন্ন আন্দোলনৰ বিষয়ে আলোচনা কৰিলোহক। সকলো আন্দোলনৰে নিজস্ব কিছুমান বৈশিষ্ট্য আৰু উদ্দেশ্য আছে পৰিৱেশ সংৰক্ষনৰ বাবে পৰিৱেশ কর্মী সকলে বিভিন্ন পদ্ধতি অৱলম্বনেৰে উদ্দেশ্য আহৰণৰ প্রয়াস কৰিছিল।
- আন্দোলনসমূহে গ্রহণ কৰা পদক্ষেপ সমূহে আমাক আমাৰ চাৰিওফালে আঁৱৰি থকা পৰিৱেশ ৰক্ষণাবেক্ষণ দিবলৈ আৰু অন্যায়ৰ বিৰুদ্ধে প্রতিবাদী শব্দ ব্যৱহাৰ কৰাৰ ধাৰণা প্রদান কৰে। পৰিৱেশৰ স্বার্থ ৰক্ষাৰ বাবে কিদৰে বিভিন্ন শান্তিপূর্ণ কর্ম আঁচনি গ্রহণ কৰিব পাৰি তাৰ জ্ঞান প্রদান কৰে।
- এই আন্দোলনসমূহৰ প্রভাৱ সমূহৰ বিষয়ে অধ্যয়ন কৰাটো অতি জৰুৰী দেখিবলৈ পোৱা গৈছে যে কোনো আন্দোলন সহজ নাছিল। লক্ষ্য আহৰণৰ বাবে কর্মী সকলে চৰম পর্য্যায়ৰ সংগ্রামত লিপ্ত হ'বলগীয়া হৈছিল। কিন্তু তেওঁলোকৰ দৃঢ়তাই তেওঁলোকৰ পবিত্র উদ্দেশ্য আহৰনত সফলতা প্রদান কৰিছিল।



৩.১০ অধিক জানিবলৈ

1] Bhattacharya K, Bhattacharya R and Sharma S (2012): Environmental Education, Assam Book Depot.

2] Sharma P.D (1990): Ecology and Environment, Rastogi Publishers, Meerut.

3] Sharma R.A(2010) : Environmental Education, R.Lall Book Depot.

4] Sigh S and Dubey A (1989): Environment Management, Allahbad University.



৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশৰ পৰিস্থিতিৰ উন্নীতকৰণৰ বাবে আৰু ৰক্ষণাবেক্ষণৰ বাবে কৰা যিকোনো সামাজিক আৰু ৰাজনৈতিক আন্দোলনকে পৰিৱেশীয় আন্দোলন বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পশ্চিমীয়া ঘাট অৱস্থিত অতুষ্ণ্য অৰণ্যসমূহ প্ৰতিৰক্ষা কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নীৰৱ উপত্যকা, কেৰেলাৰ পালাকাড় জিলাত অৱস্থিত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজীৱ গান্ধী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ চিপক'ৰ অৰ্থ হৈছে সাৱটি ধৰা বা আকোৱালী লোৱা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গৌৰা দেৱী, সুদেশ্বা দেৱী, বাছনি দেৱী, সুমন, মীৰা বেহন, সৰলা বেহন আৰু অমৃতা দেৱী।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উৰিষ্যাৰ প্ৰাক্তন খাজনা মন্ত্ৰী বনকা বেহাৰী দাসে প্ৰাৰম্ভিক ভাৱে চিলিকা ৰক্ষা আন্দোলনৰ সূচনা কৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মেধা পাটকৰ।



৩.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ চিপক' আন্দোলন কেতিয়া সূত্ৰপাত হৈছিল?

প্ৰশ্ন ২ ঃ এপিক' আন্দোলনৰ বিভিন্ন উদ্দেশ্যসমূহ কি?

প্ৰশ্ন ৩ ঃ নঃ বঃ আঃ (NBA) ৰ সম্পূৰ্ণ শব্দ কি?

প্ৰশ্ন ৪ ঃ বাহুগুনা কোন আছিল?

প্ৰশ্ন ৫ ঃ চিলিকাত কোনটো কোম্পানীয়ে মিছা মাছৰ ফেক্টৰী স্থাপন কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ কেইজনমান জনপ্ৰিয় পৰিৱেশীয় কৰ্মীৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ নীৰৱ উপত্যকা ৰক্ষা আন্দোলনৰ প্ৰধান বিষয়বস্তু কি আছিল?

প্ৰশ্ন ৩ ঃ নৰ্মদা ৰক্ষা আন্দোলনৰ কেইটামান পদ্ধতিৰ বিষয়ে উল্লেখ কৰক।

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ চিপক' আন্দোলনৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ এপিক' আন্দোলনৰ প্ৰধান অৱলম্বন সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ নিম্নোক্ত আন্দোলনসমূহৰ কাৰণ আৰু পৰিণতিসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰক।

(ক) নৰ্মদা বচোৱা আন্দোলন (নঃ বঃ আ)

(খ) চিলিকা বচোৱা আন্দোলন

(গ) নীৰৱ উপত্যকা প্ৰতিৰক্ষা আন্দোলন।

*** ***** ***

অধ্যায় ৪ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষাত গণ মাধ্যমৰ ভূমিকা (ROLE OF MEDIA IN ENVIRONMENTAL EDUCATION)

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 নির্দেশনামূলক বা শিক্ষণমূলক প্রচাৰ মাধ্যমৰ ধাৰণা (Concept of Instructional Media)

4.4 আলোচনী

4.5 আলোচনা চক্র (seminar) / আলোচনা

- 4.5.1 আলোচনা চক্র আয়োজন কৰাৰ পর্যায় বা ক্রম
- 4.5.2 আলোচনা চক্রৰ সুবিধা

4.6 কর্মশালা (Workshop)

- 4.6.1 কর্মশালাৰ ক্রিয়া- কলাপ
- 4.6.2 কর্মশালা আয়োজন কৰাৰ নিয়ম
- 4.6.3 কর্মশালাৰ সুবিধা

4.7 প্রদর্শনী

4.8 আর্হি

4.9 দৃশ্য-শ্রব্য আহিলা

- 4.9.1 শিক্ষামূলক ৰেডিঅ'
- 4.9.2 শিক্ষামূলক টেলিভিছ্ন
- 4.9.3 শিক্ষামূলক কথাছবি

4.10 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.11 অধিক জানিবলৈ

4.12 অগ্রগতিৰ খতিয়ান

4.13 আর্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- নির্দেশনামূলক বা শিক্ষামূলক প্রচাৰ মাধ্যমৰ ধাৰণাটো আলোচনা কৰিব পাৰিব
- পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা প্রসাৰৰ মাধ্যম হিচাপে আলোচনী এখনক কেনেদৰে ব্যৱহাৰ কৰিব পৰা যায় সেয়া ব্যাখ্যা কৰিব পাৰিব

- আলোচনা চক্ৰ আৰু কৰ্মশালা আয়োজন কৰাৰ পদ্ধতি সম্পৰ্কে অৱগত হ'ব
- শিক্ষণ উদ্দেশ্যত প্ৰদৰ্শনী আৰু আৰ্হি কেনেদৰে ব্যৱহাৰ কৰা হয় সেয়া বৰ্ণনা কৰিব পাৰিব
- পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত দৃশ্য-শ্ৰব্য আহিলাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

অধ্যায় 1 -ত আমি পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণা, নীতি, সুবিধা আৰু শিক্ষণ পদ্ধতি সম্পৰ্কে অধ্যয়ন কৰিলোঁ। আপোনালোকে নিশ্চয় ধৰিব পাৰিছে যে পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ মূল উদ্দেশ্য কেৱল পাৰিপাৰ্শ্বিকতা সম্পৰ্কে অধ্যয়ন কৰাই নহয়; ইয়াৰ উদ্দেশ্যই পাৰিপাৰ্শ্বিকতাৰ সৈতে জড়িত সমস্যাবোৰ সম্পৰ্কত সচেতনতা বঢ়াই তোলা কার্যকো সামৰি লয়। অর্থাৎ, পাৰিপাৰ্শ্বিকতাৰ সৈতে জড়িত সমস্যাবোৰৰ বিষয়ে সজাগতা সৃষ্টি কৰা কার্য-কলাপবোৰ শিক্ষাৰ বিভিন্ন ৰূপৰ সৈতে সংলগ্ন কৰা উচিত। সেয়েহে শ্ৰেণীকোঠা আৰু সাধাৰণ মানুহৰ মাজত তথ্যৰ প্ৰসাৰ কৰিবলৈ শিক্ষাৰ মাধ্যম হিচাপে প্ৰচাৰ মাধ্যমৰ সহায় ল'ব পাৰোঁ। এই কার্যই শৈক্ষিক কার্যসূচীবোৰক অধিক সুফলদায়ক আৰু অর্থবহ কৰি তুলিব। এই অধ্যায়টিত পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ শিক্ষণ- শিকন প্ৰক্ৰিয়াটো ফলপ্ৰসূ কৰিবলৈ বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হ'ব।

৪.৩ নির্দেশনামূলক / শিক্ষণমূলক প্ৰচাৰ মাধ্যমৰ ধাৰণা

নির্দেশনামূলক /শিক্ষণমূলক প্ৰচাৰ মাধ্যমৰ প্ৰয়োগ হ'ল শিক্ষণ- শিকন প্ৰক্ৰিয়াৰ এক অপৰিহার্য অংগ। ই শিক্ষণ- শিকন প্ৰক্ৰিয়াৰ কার্যকুশলতা আৰু ফলপ্ৰসূতা বৃদ্ধিত অৰিহণা যোগায়। প্ৰচাৰ মাধ্যমবোৰ হ'ল পৰিপূৰক আহিলা। শিক্ষকসকলে ইয়াৰ জৰিয়তে শিক্ষার্থীৰ একাধিক সংবেদী মাধ্যম সক্ৰিয় কৰি তুলি ধাৰণা স্পষ্ট কৰা, নির্ভুলতাৰ প্ৰতিষ্ঠা আৰু সমন্বয় সাধন কৰা, টীকা-টিপ্পনী আৰু প্ৰশংসা কৰা আদি কার্য কৰিব পাৰে। এনে মাধ্যমৰ ব্যৱহাৰে জ্ঞান বৃদ্ধি কৰে, আগ্ৰহ জন্মায় আৰু শিশুৰ কল্পনাশক্তিক সমৃদ্ধ কৰে। ভিন ভিন প্ৰচাৰ মাধ্যমে ভিন ভিন কার্য সম্পাদন কৰে। প্ৰচাৰ মাধ্যমক মূলতঃ দুটা ভাগত ভগাব পাৰিঃ

(i) ছপা মাধ্যম আৰু

(ii) অনা-ছপা অথবা আধুনিক বৈদ্যুতিক মাধ্যম

কিতাপ, বাতৰি-কাকত, আলোচনী আদি ছপা মাধ্যমৰ অন্তর্গত। গণ শিক্ষা আঁচনিৰ (mass education scheme) মুখ্য মাধ্যম হ'ল ছপা মাধ্যম। ছপা মাধ্যমৰ প্ৰধান সুবিধাটো হ'ল ইয়াক বিভিন্ন শিক্ষাগ্ৰহণ পৰিৱেশত খাপ খুৱাই ল'ব পাৰি। ইয়াৰ উপৰি ই এটা কমখৰছী মাধ্যম আৰু শৈক্ষিক উদ্দেশ্যত ছপা মাধ্যমক পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰা হৈ আহিছে। এই

মাধ্যমটোৰ সবাতোকৈ ডাঙৰ অসুবিধাটো হ'ল ই সাক্ষৰতাৰ দক্ষতা দাবী কৰে।

আনহাতে, অনা-ছপা (non- print) মাধ্যমত ৰেডিঅ' , টেলিভিছন, কম্পিউটাৰ, কথাছবি আদিৰ দৰে বিভিন্ন দৃশ্য-শ্রব্য আহিলাক সামৰি লোৱা হয়। বর্তমান গণপ্রচাৰ মাধ্যমৰ জৰিয়তে দিয়া শিক্ষা বহুখিনি বৈদ্যুতিক মাধ্যমৰ ওপৰত নির্ভৰশীল। এই মাধ্যমে বিভিন্ন ধৰণৰ শিক্ষাগ্রহণ উদ্দেশ্য পূৰণ কৰে। এই মাধ্যমে শিক্ষার্থীৰ ব্যক্তিগত প্রয়োজন পূৰণ কৰি শিক্ষকৰ বোজা কম কৰিব পাৰে।

ছপা আৰু অনা-ছপা মাধ্যমৰ উপৰি আলোচনা চক্র, কর্মশালা, আলোচনা চক্র (symposia) ইত্যাদিকো শিক্ষা আৰু প্রচাৰ মাধ্যম বুলি গণ্য কৰা হয়। শিক্ষকে প্রায়েই এই মাধ্যমবোৰৰ সহায় লয়। অধ্যায়টিৰ পৰৱর্তী শিতানবোৰত পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা অধিক ফলপ্রসূভাৱে প্রদান কৰিবলৈ ব্যৱহাৰ কৰিব পৰা দুটামান প্রচাৰ মাধ্যমৰ বিষয়ে আলোচনা কৰিম।

৪.৪ আলোচনী (MAGAZINE)

এই কথা আমি সকলোৱে জানো যে বাতৰি- কাকতে পৃথিৱীৰ সংবাদ আনি মানুহৰ হাতত তুলি দিয়ে। সাধাৰণ লোকক প্রভাৱিত কৰাৰ আৰু জনমত গঢ়ি তোলাৰ ই এক প্রভাৱশালী মাধ্যম। বাতৰি-কাকতৰ লগতে জনপ্রিয় আলোচনীবোৰেও পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাক লৈ সাধাৰণ লোকৰ জ্ঞানৰ দিগন্ত ব্যাপ্ত কৰিবলৈ শিক্ষাৰ মাধ্যম হিচাপে কাম কৰিব পাৰে।

আলোচনী হ'ল বাতৰি-কাকত আৰু কিতাপৰ মাজৰ ৰূপ। আলোচনী নির্দিষ্ট সময়ৰ মূৰে মূৰে ধাৰাবাহিকভাৱে, যেনে- সাপ্তাহিক, পোন্ধৰদিনীয়া, মাহেকীয়া, বার্ষিক ইত্যাদি প্রকাশিত হয়। আলোচনী বাতৰি- কাকততকৈ অলপ বেলেগ। বাতৰি-কাকতৰ দৈনিক ঘটনাৱলীৰ সংবাদ পৰিৱেশনকাৰী বৈশিষ্ট্যটো আলোচনীৰ নাথাকে। আলোচনীৰ মূল উদ্দেশ্য হ'ল নির্বাচিত বাতৰি আৰু আগ্রহজড়িত বিষয়ৰ ওপৰত মতামত তথা নিৱন্ধ প্রকাশৰ জৰিয়তে তথ্য প্রদান কৰা, নির্দেশনা আগবঢ়োৱা আৰু পাঠকৰ মনোৰঞ্জন কৰা। এখন সাধাৰণ আলোচনীত পৰিপার্শ্বিকতা, শিক্ষা, অর্থনীতি, ধর্ম, সামাজিক তথা সাংস্কৃতিক বিষয়ৰ সৈতে জড়িত প্রবন্ধ-পাতি নিয়মীয়াকৈ প্রকাশিত হয়। এই সকলোবোৰে সাধাৰণ লোকক, বিশেষকৈ শিক্ষার্থীসকলৰ ওপৰত গভীৰ শৈক্ষিক প্রভাৱ পেলায়।

পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ দৃষ্টিৰে পাৰিপার্শ্বিকতাৰ সমস্যা, বন্যপ্রাণীৰ সংৰক্ষণ, পাৰিপার্শ্বিকৰ প্রদূষণ আৰু অৱনতি, বনাঞ্চল ধ্বংস আৰু বনানিকৰণ আদি বিষয়ৰ ওপৰত ধাৰাবাহিক প্রবন্ধ প্রকাশ কৰা আলোচনী এখনে জনগণৰ মাজত সজাগতাৰ সৃষ্টি কৰিব পাৰে। অর্থাৎ, এখন জনপ্রিয় আলোচনীয়ে সাধাৰণ জনতাক শিক্ষিত কৰি তোলাৰ মহান দায়িত্ব পালন কৰে।

এখন বিদ্যালয় অথবা মহাবিদ্যালয় আলোচনীয়েও সেই বিদ্যালয় অথবা মহাবিদ্যালয়খনৰ সামাজিক জীৱনৰ এক গুৰুত্বপূর্ণ অংগৰ ভূমিকা পালন কৰে। ই এক সাহিত্যিক

পৰিৱেশৰ সৃষ্টি কৰি ছাত্ৰ সম্প্ৰদায়ক লিখাৰ অভ্যাস গঢ় দিবলৈ অনুপ্ৰাণিত কৰাৰ লগতে তেওঁলোকৰ লিখাৰ দক্ষতা বিকশিত কৰে। এনে আলোচনীবোৰ সু-পৰিকল্পিত ভাৱে যুগুতাই লৈ শিক্ষকৰ তত্ত্বাৱধানত ছপাব লাগে। তেতিয়াহে এনে ধৰণৰ আলোচনীবোৰে তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহেৰে সৈতে ফলপ্ৰসূ শিক্ষণ আহিলাত পৰিণত হ'ব-

- এনে আলোচনীয়ে শিক্ষাৰ্থীসকল বাস কৰা সমাজখনৰ ঐতিহ্য আৰু পৰম্পৰাৰ লগতে বাহিৰৰ পৃথিৱীখনৰ সংবাদ প্ৰকাশ কৰি শিক্ষাৰ্থীসকলক জ্ঞানসমৃদ্ধ কৰিব পাৰে,
- পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বাৰ্তা বিয়পাব পাৰে,
- শিক্ষাৰ্থীৰ মাজত নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্য গঢ় দিব পাৰে,
- অৱসৰৰ সময় সঠিকভাৱে খৰছ কৰাৰ পন্থা দেখুৱাব পাৰে,
- ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বুজাপৰা বিকশাই তোলে,
- সমালোচনাত্মক চিন্তা আৰু যুক্তি প্ৰয়োগৰ শক্তি বিকশাই তোলাত সহায় কৰা জটিল উত্তৰযুক্ত প্ৰশ্ন (puzzles) আৰু সাঁথৰ (riddles) আদিৰ সৈতে ল'ৰা-ছোৱালীক পৰিচয় কৰাই দি এনে আলোচনীবোৰে মনোৰঞ্জনৰ উৎস হিচাপে কাম কৰে।

অৰ্থাৎ, আলোচনী হ'ল বাৰে বাৰে পঢ়িব পৰা, অইনৰ সৈতে ভগাই ল'ব পৰা নাইবা ভৱিষ্যত উল্লেখৰ বাবে সাঁচি ৰাখিব পৰা এটা অতি গুৰুত্বপূৰ্ণ মাধ্যম।

৪.৫ আলোচনা (SEMINAR)

আলোচনা বা অধ্যয়ন চক্ৰবোৰ হ'ল শিক্ষণৰ পদ্ধতি আৰু মাধ্যম। পৰম্পৰাগত বক্তৃতা পদ্ধতিত এটা অ-প্ৰত্যক্ষ (un-directional) পদ্ধতিৰে শিক্ষকৰ পৰা শিক্ষাৰ্থীলৈ আন্তঃক্ৰিয়া প্ৰবহিত হয়। কিন্তু এখন অধ্যয়ন চক্ৰত দলৰ প্ৰতিগৰাকী সদস্যই, শিক্ষকেই হওক অথবা শিক্ষাৰ্থীয়েই হওক, পৰস্পৰৰ সৈতে ভাৱ বিনিময় কৰাৰ সুযোগ পায়। এখন অধ্যয়ন চক্ৰত ভাগ লোৱা সকলো অংশগ্ৰহণকাৰীৰ মাজত স্পষ্ট মৌলিক ভাৱ বিনিময় হোৱাটো বাধ্যতামূলক। শিক্ষক এগৰাকীৰ দক্ষতাৰ ওপৰত বক্তৃতা এটা ভালনে বেয়া হয় সেয়া নিৰ্ভৰশীল। একেদৰে, এখন আলোচনা চক্ৰ আয়োজন কৰাৰ আঁৰত থকা উদ্দেশ্যত সফলতা লাভ কৰিবলৈ আলোচনা চক্ৰ পতাত আগভাগ লোৱা শিক্ষকগৰাকী সাংগঠনিক দক্ষতা আৰু পৰিচালনাৰ ভিত্তিত আলোচনা চক্ৰখনৰ আন্তঃক্ৰিয়াশীল কালছোৱা দক্ষ পাৱদৰ্শিতাৰে সফলভাৱে সম্পন্ন কৰাটো প্ৰয়োজনীয়।

৪.৫.১ আলোচনা চক্ৰ আয়োজন কৰাৰ পৰ্যায় বা ক্ৰম

- বিষয় বস্তু চিনাক্তকৰণঃ সাধাৰণতে আলোচনা চক্ৰ এখনৰ আয়োজন কৰাৰ সময়ত আগতীয়াকৈ আলোচনাৰ বিষয়বস্তু আৰু উদ্দেশ্য ঘোষণা কৰা হয়। তেতিয়া আলোচনা চক্ৰত ভাগ ল'ব খোজাসকলে প্ৰস্তুতি চলাব পাৰে। বিষয়বস্তুকেন্দ্ৰিক ভাৱ- চিন্তা সজাই লোৱা, তথ্য সংগ্ৰহ কৰা আদি কাম হ'ল

প্ৰস্তুতিৰ অংশ। উদাহৰণ স্বৰূপে ধৰা হ'ল পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা সম্পৰ্কে এখন আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে। আলোচনা চক্ৰৰ বিষয়বস্তু হ'ল- "পাৰিপাৰ্শ্বিকতা সন্দৰ্ভত সজাগতা সৃষ্টি কৰাত পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ভূমিকা।" আলোচনা চক্ৰত আলোচিত হ'ব লগীয়া উপ-বিষয় কেইটা তলত দিয়া ধৰণে ভগাই লোৱা হ'ল-

- পাৰিপাৰ্শ্বিকৰ অৱনতি
- জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ
- গোলকীয় উষ্ণতা বৃদ্ধি
- জলবায়ু পৰিবৰ্তন
- বিষুৱীয় বনাঞ্চলৰ ধ্বংস ইত্যাদি

➢ অংশগ্ৰহণকাৰীক অনুপ্ৰাণিত কৰাঃ কৰ্তৃপক্ষই অংশগ্ৰহণকাৰীসকলক আলোচনা চক্ৰৰ বিষয়বস্তু কেন্দ্ৰিক লিখিত কাকত প্ৰস্তুত কৰিবলৈ অনুৰোধ জনাব পাৰে। এই কাকতসমূহ অধ্যয়ন চক্ৰ আৰম্ভ হোৱাৰ বহু আগতে কৰ্তৃপক্ষৰ হাতত পৰাৰ ব্যৱস্থা কৰিব লাগে। আন অৰ্থত কৰ্তৃপক্ষই অংশগ্ৰহণকাৰীসকলক আলোচনা চক্ৰখনৰ সৈতে সৰ্বতোপ্ৰকাৰে জড়িত কৰাৰ চেষ্টা কৰিব লাগে আৰু আচল আলোচনা আৰম্ভ হোৱাৰ আগতে বিষয়বস্তুটো সম্পৰ্কে ভবা তথা অনুভৱ কৰাৰ সুযোগ দিব লাগে। এনে জড়িতকৰণ আৰু অনুপ্ৰেৰণাদায়ক কাৰ্যৰ ফলত অংশগ্ৰহণকাৰীয়ে কোনো ভয়-শংকা নথকাকৈ নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰিব পাৰিব।

যদি শিক্ষাৰ্থীৰ কাৰণে বিদ্যালয় অথবা শ্ৰেণীকোঠা কেন্দ্ৰিক আলোচনা চক্ৰৰ আয়োজন কৰা হয় তেন্তে লিখিত কাকত পৰিৱেশন বাধ্যতামূলক কৰিব লাগে। যদি ছাত্ৰ-ছাত্ৰীসকলে লিখিত কাকত কেনেকৈ প্ৰস্তুত কৰে নাজানে তেন্তে শিক্ষকে তেওঁলোকক সহায় কৰা উচিত।

➢ জাননী ঃ আলোচনা চক্ৰ অনুষ্ঠিত হ'বলগীয়া তাৰিখ, সময় আৰু স্থানৰ আগতীয়া জাননী জাৰি কৰিলে অংশগ্ৰহণকাৰীসকলে লিখিত কাকত প্ৰস্তুত কৰাৰ সময় পোৱাৰ লগতে আলোচনা চক্ৰখনত ভাগ ল'বলৈ মনোবৈজ্ঞানিকভাৱেও সাজু হ'ব পাৰে। জাননীয়ে অংশগ্ৰহণকাৰী সকলক প্ৰয়োজনীয় গৃহকাৰ্য কৰাত আৰু সম্পূৰ্ণ প্ৰস্তুতিৰে অধ্যয়ন চক্ৰত ভাগ লোৱাত সহায় কৰে। ইয়াৰ ফলত উপস্থাপনৰ মান উন্নত হোৱাৰ লগতে অংশগ্ৰহণৰ মানো উন্নত হয়।

➢ প্ৰকাশিত বিৱৰণৰ (write-ups) বিতৰণ ঃ আলোচনা চক্ৰৰ লগত জড়িত বিষয়বস্তু আৰু উপ-বিষয়সমূহৰ প্ৰকাশিত বিৱৰণ আগতীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা কৰিলে অংশগ্ৰহণকাৰীসকলে অধ্যয়নৰ বাবে পৰ্যাপ্ত সময় পাব। অংশগ্ৰহণকাৰীয়ে প্ৰকাশিত বিৱৰণ-সূচীক লৈ স্বতন্ত্ৰভাৱে চিন্তা কৰি নিজৰ

প্রতিক্রিয়া, সন্দেহ দূৰ কৰাৰ (যদি কিবা আছে) বাবে প্রশ্ন আদি সজাই ল'ব পাৰিব নাইবা বিষয়টোত ব্যুৎপত্তি থকা কাৰোবাৰ সৈতে আলোচনা কৰিব পাৰিব। ইয়াৰ ফলত অধ্যয়ন চক্রখনত অংশগ্রহণৰ মান উন্নত হয়।

৪.৫.২ পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ মাধ্যম হিচাপে আলোচনা চক্রৰ সুবিধা

প্রয়োগ, বিশ্লেষণ, তাত্বিক দ্বন্দ, মূল্যায়ন, সমস্যা সমাধান আৰু সিদ্ধান্ত গ্রহণৰ দৰে উচ্চ বোধসম্পন্ন দক্ষতাবোৰৰ বিকাশৰ বাবে আলোচনা চক্রবোৰ প্রয়োজনীয় আৰু যথোপযুক্ত মাধ্যম। ইয়াৰ সুবিধাসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি-

- এখন সাধাৰণ আলোচনা চক্র হ'ল শিক্ষাৰ বিভিন্ন ক্ষেত্র আৰু পাৰিপার্শ্বিকতাৰ বিভিন্ন দিশৰ সৈতে জড়িত বহুতো বিশেষজ্ঞ একত্রিত হোৱাৰ সুযোগ। এনে আলোচনা চক্রবোৰৰ পৰা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ সমাধান কৰাৰ পদ্ধতি বাহিৰ কৰাতো সহায়কাৰীৰ ভূমিকা ল'ব পাৰে।
- আলোচনা চক্রবোৰত শিক্ষার্থীয়ে নিজৰ চিন্তাবোৰ শৈক্ষিক পৰিৱেশ এটাত স্পষ্ট, সংক্ষিপ্ত আৰু যুক্তিযুক্ত ভাৱে উপস্থাপন কৰিবলৈ শিকে। ই এক ফলপ্রসূ পন্থা আৰু স্থানীয় তথা আঞ্চলিক পর্যায়ত পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ দায়িত্ব গ্রহণত গভীৰ প্রভাৱ পেলাব পাৰে।
- আলোচনা চক্রত অংশগ্রহণ কৰাসকলে সৰু সৰু গোটত কেনেদৰে কাম কৰে সেয়া শিকাৰ সুযোগ পায় আৰু পাৰিপার্শ্বিকতা কেনেকৈ ৰক্ষা কৰিব পাৰি সেই বিষয়ে মানুহক সজাগ কৰিব পাৰে।
- শিক্ষক আৰু শিক্ষার্থীৰ বাবে আয়োজিত বিদ্যালয় পর্যায়ৰ আলোচনা চক্র এখনে পাৰিপার্শ্বিকতা ৰক্ষা কৰাত কেনেদৰে দায়িত্বশীল ভূমিকা ল'ব পাৰি, কেনেদৰে স্বাস্থ্যকৰ অভ্যাস অনুসৰণ কৰিব পাৰি, প্রদূষণ নিয়ন্ত্রণ কৰিব পাৰি, পানী বচাব পাৰি, পেলনীয়া বস্তু পুনৰ ব্যৱহাৰোপযোগী কৰিব পাৰি, পৰিমিতভাৱে প্রাকৃতিক সম্পদ ব্যৱহাৰ কৰিব পাৰি সেই সম্পর্কে কুমলীয়া মনবোৰ প্রভাৱিত কৰাত অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 1ঃ প্রচাৰ মাধ্যম মানে কি?

.....

.....

প্রশ্ন নং 2ঃ আপুনি জনা প্রচাৰ মাধ্যমৰ প্রকাৰ কেইটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং 3ঃ বাতৰি-কাকত আৰু আলোচনীৰ মাজৰ পাৰ্থক্য কি?

.....

প্ৰশ্ন নং 4ঃ বিদ্যালয় আলোচনী এখনে কোনবোৰ কাম সম্পাদন কৰিব পাৰে?

.....

.....

প্ৰশ্ন নং 5ঃ এখন অধ্যয়ন চক্ৰ আয়োজন কৰাৰ পৰ্যায়বোৰ / ক্ৰমবোৰ কি কি?

.....

.....

প্ৰশ্ন নং 6ঃ বিদ্যালয় পৰ্যায়ৰ অধ্যয়ন চক্ৰ এখনে কেনেধৰণৰ সমস্যাৰ ওপৰত আলোকপাত কৰা উচিত?

.....

.....

৪.৬ কৰ্মশালা

কৰ্মশালা হ'ল শিক্ষাগ্ৰহণৰ এক আন্তঃক্ৰিয়াশীল ৰূপ। ইয়াত সাধাৰণতে কোনো এটা বিশেষ কৰ্মসংহতিৰ (set of task) অংশ হিচাপে শিক্ষাৰ্থীসকলে দলৱদ্ধভাৱে কাম কৰে। কৰ্মশালাৰ ইংৰাজী প্ৰতিশব্দ 'Workshop' অভিযান্ত্ৰিক ক্ষেত্ৰৰ পৰা ধাৰলৈ লোৱা হৈছে। কৰ্মশালাত অংশগ্ৰহণকাৰী সকলে কিছুমান কাম হাতে-কামে কৰি কিবা এটা ফলাফল লাভ কৰাৰ চেষ্টা কৰে।

উচ্চ শিক্ষা গ্ৰহণৰ এটা প্ৰধান কৌশল হিচাপে কৰ্মশালাক ব্যৱহাৰ কৰা হয়। সৰু সৰু গোটত বিভক্ত হৈ আৰু ব্যক্তিগত অন্বেষণৰ জৰিয়তে শিক্ষাৰ্থীৰ মনত জ্ঞান সৃজন অথবা গঠন (formulating or constructing) কৰিবলৈ তেওঁলোকৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ ওপৰত কৰ্মশালাৰ জৰিয়তে শিক্ষণ পদ্ধতিটো যথেষ্টখিনি নিৰ্ভৰশীল। পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাদান কৰিবলৈ কৰ্মশালা পদ্ধতিটো অতি উপযোগী। পাৰিপাৰ্শ্বিক প্ৰদূষণ নিয়ন্ত্ৰণ, বৃক্ষৰোপণ, মানুহ আৰু পাৰিপাৰ্শ্বিকৰ সম্পৰ্ক উন্নত কৰিবলৈ সজাগতা অভিযান, সাম্প্ৰতিক পাৰিপাৰ্শ্বিক অৱস্থাৰ মূল্যাংকন আদি বিষয়ৰ ওপৰত কৰ্মশালাৰ আয়োজন কৰিব পৰা যায়।

প্ৰতিখন কৰ্মশালাই কিছুমান নিৰ্দিষ্ট উদ্দেশ্য পূৰণৰ অৰ্থে আয়োজন কৰা হয়। এই উদ্দেশ্যবোৰ আমাৰ বোধশক্তি বা চেতনা (cognitive) আৰু মনোসঞ্চালন (psychomotor) দিশৰ সৈতে জড়িত। বোধশক্তি বা চেতনা জড়িত উদ্দেশ্যৰ সহায়ত তাত্বিক দিশৰ জ্ঞান বঢ়োৱাৰ প্ৰয়াস কৰা হয়। মনোসঞ্চালন উদ্দেশ্যবোৰ স্বতন্ত্ৰভাৱে কোনো কাম কৰিবলৈ প্ৰয়োজন হোৱা দক্ষতা বৃদ্ধি আৰু বিভিন্ন কৌশল-দৃষ্টিভংগীৰে বিষয় এটা চালি-জাৰি চোৱাৰ প্ৰশিক্ষণ আদিৰ দৰে ব্যৱহাৰিক দিশৰ সৈতে জড়িত।

৪.৬.১ কৰ্মশালাৰ ক্ৰিয়া-কলাপ

- কৰ্মশালা পদ্ধতি ব্যৱহাৰ কৰি কোনো এটা সমস্যাৰ সমাধান বিচৰা, অন্বেষণ কৰা আৰু চিনাক্ত কৰা হয়। কৰ্মশালাৰ জৰিয়তে কোনো অৱস্থাৰ বিস্তৃত অধ্যয়ন, ইয়াৰ প্ৰেক্ষাপট আৰু সামাজিক প্ৰয়োগ ফল বিচাৰ কৰিব পৰা যায়।
- বিভিন্ন ক্ষেত্ৰৰ নতুন কৰ্ম-অনুশীলন আৰু উদ্ভাৱনবোৰৰ বিষয়ে কৰ্মশালাৰ জৰিয়তে সজাগতাৰ সৃষ্টি কৰা আৰু প্ৰশিক্ষণ দিয়া হয়।
- কৰ্মশালাই বিশেষ বৃত্তিগত, বৃত্তি প্ৰশিক্ষণ সম্বন্ধীয় অথবা সমূহীয়া সেৱামূলক কাম-কাজবোৰ যুগুত কৰাৰ সুযোগ আগবঢ়ায়।

৪.৬.২ কৰ্মশালা আয়োজন কৰাৰ নিয়ম

কৰ্মশালা আয়োজন কৰাৰ নিয়মবোৰক দুটা ভাগত ভগাব পাৰি-প্ৰাক্-সক্ৰিয় (pre-active) আৰু সক্ৰিয় (active) নিয়ম। দুয়োটা ভাগৰে নিয়মবোৰ তলত উল্লেখ কৰা হ'ল-

<u>প্ৰাগ্-সক্ৰিয় অৱস্থাৰ কাম- কাজ</u>

- লক্ষ্য নিৰ্ধাৰণ কৰক ঃ প্ৰতিখন কৰ্মশালাৰে একোটা লক্ষ্য থাকিব লাগে। স্পষ্ট লক্ষ্য নথকাকৈ মানুহ গোট খুওৱাটো অৰ্থহীন কথা।
- লক্ষ্য গোট বাছি লওক (target group) ঃ লক্ষ্য গোট সম্পৰ্কীয় সিদ্ধান্তটো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ কৰ্মশালাখনৰ উদ্দেশ্যৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক আছে। কৰ্মশালাত ভাগ লোৱাসকলে কৰ্মশালাৰ আলোচনা আৰু কাম-কাজলৈ সক্ৰিয় অৱদান আগবঢ়াব বুলি আশা কৰা হয়।
- আলোচনাৰ বিষয় ঃ আলোচনাৰ মূল বিষয়বোৰৰ এখন তালিকা প্ৰস্তুত কৰি লোৱা উচিত। এই বিষয়বোৰ পাছত বহলাই আলোচনা কৰা উচিত। প্ৰতিটো কৰ্ম-অনুশীলনৰ বাবে নিৰ্দিষ্ট সময় বান্ধি লোৱা উচিত।
- এটা অনুগামী কাৰ্য পৰিকল্পনা (follow-up plan) যুগুত কৰক ঃ কৰ্মশালা এখন স ফল হ'লনে নাই সেয়া গম পোৱাৰ একমাত্ৰ উপায় হ'ল এটা ফলপ্ৰসূ অনুগামী কাৰ্য পৰিকল্পনা ৰূপায়ণ কৰা।

<u>সক্ৰিয় পৰ্যায়ৰ কাম-কাজ</u>

- প্ৰথম পৰ্যায়ত অংশগ্ৰহণকাৰীসকলৰ আগত কৰ্মশালাৰ বিষয়বস্তু উত্থাপন কৰা হয়। এগৰাকী সমল ব্যক্তি নাইবা বিশেষজ্ঞই বিষয়বস্তুটোৰ তাত্বিক আৰু ব্যৱহাৰিক দিশবোৰ বুজাই দিয়ে। তাৰপাছত অংশগ্ৰহণকাৰীসকলে খোকোজা থকা দিশবোৰ প্ৰশ্ন-উত্তৰৰ জৰিয়তে খৰছি মাৰি বুজাৰ সুযোগ পায়।

- দ্বিতীয় পর্যায়ত অংশগ্রহণকাৰীসকলক সৰু সৰু দলত ভাগ কৰা হয়। বিষয়বস্তু আৰু প্রসংগৰ আধাৰত দলবোৰ গঠন কৰা হয়। কি কাম কৰিব লাগিব এগৰাকী বিশেষজ্ঞই বুজাই দিয়ে। প্রতিটো দলেই নিজাববীয়াকৈ কামবোৰ কৰিব লাগিব আৰু নির্দিষ্ট সময়ৰ ভিতৰত শেষ কৰিব লাগিব।
- কর্মশালাৰ সামৰণিত প্রতিটো দলৰ প্রতিনিধিয়ে ফলাফলবোৰ উপস্থাপন কৰিব। সকলোবোৰ দলৰ উপস্থাপন শেষ হোৱাৰ পাছত অংশগ্রহণকাৰীসকলে ফলাফলবোৰ আলোচনা কৰিব। অংশগ্রহণকাৰী সকলক মতামত আৰু পৰামর্শ আগৰঢ়োৱাৰ সুযোগ দিয়া যাব। একেবাৰে শেষত প্রয়োজনীয় কথা যোগ কৰি অথবা অদৰকাৰী কথা বাদ দি কর্মশালাৰ প্রতিবেদন প্রস্তুত কৰা হ'ব।

৪.৬.৩ কর্মশালাৰ সুবিধা

- উচ্চ বোধশক্তি আৰু মনোক্রিয়াশীল উদ্দেশ্য সাধন কৰিবলৈ কর্মশালা পদ্ধতি ব্যৱহাৰ কৰিব পৰা যায়।
- কর্মশালা পদ্ধতিয়ে আপেক্ষিকভাৱে বিমূর্ত ধাৰণাবোৰৰ অন্বেষণ অথবা ধাৰণাবোৰ সম্পর্কত ব্যুৎপত্তি লাভ কৰাত শিক্ষার্থীক সহায় কৰে।
- শিক্ষাৰ বিভিন্ন অনুশীলনৰ বিষয়ে জ্ঞান আৰু দখল বিকশাই তোলাৰ বাবে কর্মশালা পদ্ধতি সুফলদায়কভাৱে প্রয়োগ কৰিব পৰা যায়।
- এগৰাকী শিক্ষকৰ ব্যক্তিগত সামর্থৰ বিকাশ ঘটাবলৈ দৰকাৰ হোৱা সুবিধা আৰু পৰিৱেশো কর্মশালাই গঢ়ি দিব পাৰে।
- কর্মশালা পদ্ধতিয়ে সহযোগিতা আৰু দলৱদ্ধভাৱে কাম কৰাৰ মানসিকতা বিকশাই তোলে।
- কর্মশালাই অংশগ্রহণৰ মনোভাৱ, ক্ষুদ্র গোটত কৰা কার্য-কলাপ আৰু সমস্যা সমাধান আদি দিশৰ ওপৰত আলোকপাত কৰে। অভিজ্ঞতাৰ 'সক্রিয়' প্রকৃতিৰ বাবে এই কামবোৰে বৃহৎ সংখ্যক শিক্ষার্থীক অংশগ্রহণ কৰা আৰু শিক্ষাৰ বাবে অনুপ্রাণিত কৰে।

৪.৭ প্রদর্শনী

প্রদর্শনী এখনত সুপৰিকল্পিতভাৱে বিভিন্ন বস্তু আৰু দ্রব্যসম্ভাৰ মুকলিকৈ দেখুওৱা হয়। বিদ্যালয়ত আয়োজন কৰা প্রদর্শণীবোৰৰ জৰিয়তে সাধাৰণতে অভিভাৱক সাধাৰণদর্শক আৰু ছাত্র-ছাত্রীক কিবা বিশেষ কথা বুজোৱাৰ পৰিকল্পনা কৰা হয়।

প্রদর্শনীৰ জৰিয়তে পাৰিপাৰ্শ্বিকতাৰ সৈতে জড়িত বিষয় আৰু সমস্যাবোৰৰ ওপৰত আলোকপাত কৰিব পৰা যায়। কথাবোৰ স্থিৰচিত্র, ব্যাখ্যামূলক চিত্র, তালিকা, মানচিত্র, আৰ্হি,

ৰেখাচিত্ৰ আদিৰ সহায়ত প্ৰদৰ্শিত কৰা হয়। এখন সুপৰিকল্পিত প্ৰদৰ্শনীয়ে পাৰিপাৰ্শ্বিকৰ উন্নয়ন আৰু সুৰক্ষাত মানুহৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিতকাৰী অনুপ্ৰেৰণাৰ উৎস হিচাপে কাম কৰিব পাৰে।

বিদ্যালয়বোৰত প্ৰদৰ্শনী আয়োজন কৰাৰ নিয়মটোক বাৰ্ষিক উৎসৱৰ ৰূপ দিব পৰা যায়। বিদ্যালয়বোৰে শিক্ষাবৰ্ষৰ আৰম্ভণিতে এখন প্ৰদৰ্শনী পতাৰ কথাটো পৃষ্ঠপোষকতা কৰা উচিত। সম্ভাব্য প্ৰদৰ্শনীৰ বাবে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক দিহা-পৰামৰ্শ দিয়া আৰু নেতৃত্ব বহন কৰা উচিত। প্ৰদৰ্শিত হ'বলগীয়া বস্তুবোৰ বিষয় অনুসৰি সজাই লোৱা আৰু অৰ্থবহভাৱে লেবেল লগোৱা কাম দুটা অতি গুৰুত্বপূৰ্ণ।

প্ৰদৰ্শনীৰ বিষয়বস্তু সজাওতে তলৰ কথাবোৰ মনত ৰখা উচিত-

- একেটা কোঠাতে সংখ্যাধিক প্ৰদৰ্শন সামগ্ৰী ৰাখিব নালাগে।
- প্ৰদৰ্শিত বস্তুবোৰ ভালদৰে পোহৰ পৰা স্থানত ৰাখিব লাগে।
- প্ৰদৰ্শনীখনৰ বিষয়বস্তু একেটাই হ'লে ভাল।
- লেবেলবোৰ চমু আৰু সহজে বুজি পোৱা হ'ব লাগে।
- প্ৰদৰ্শিত বস্তুবোৰৰ ব্যাখ্যা যিমান পাৰি সিমান চমুকৈ দিবলৈ চেষ্টা কৰিব লাগে।
- ৰঙীন আৰু গতিশীল প্ৰদৰ্শিত সামগ্ৰীয়ে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে।

প্ৰদৰ্শনীৰ গুৰুত্ব তলত দিয়া ধৰণৰ (Sampath, 1987) ঃ

(i) প্ৰদৰ্শনী হ'ল গণসংযোগৰ এটা ফলপ্ৰসূ মাধ্যম। ই বৃহৎ সংখ্যক লোকক নিৰ্দেশনা দিব পাৰে।

(ii) প্ৰদৰ্শনীত ভাগ লোৱাসকলৰ আত্ম- সক্ৰিয়তাৰ (self-activity) বিকাশ ঘটে। বিশেষ প্ৰতিভাবোৰে আত্মপ্ৰকাশ কৰে আৰু সৃজনশীলতা বাঢ়ে।

(iii) বিভিন্ন কাৰ্য-কলাপ আৰু প্ৰক্ৰিয়াৰ ফলাফলবোৰ ছাত্ৰ-ছাত্ৰীয়ে খুব ভালদৰে বুজি পায়।

(iv) প্ৰদৰ্শিত বস্তুৰ বিষয়ে ব্যাখ্যা কৰা ছাত্ৰ-ছাত্ৰীসকলে অভিব্যক্তি প্ৰকাশৰ কলা আয়ত্ব কৰে আৰু নিজৰ মনৰ ভাৱ দক্ষতাৰে প্ৰকাশ কৰিব পৰা হয়।

(v) দলীয়ভাৱে কাম কৰাৰ মানসিকতাক অনুপ্ৰাণিত কৰা হয়। কাৰণ প্ৰদৰ্শনী এখন পৰিচালনা কৰাতো হ'ল এক সহযোগিতামূলক প্ৰয়াস।

(vi) প্ৰদৰ্শনী এখনে বৃত্তিগত প্ৰমূল্য, নান্দনিক প্ৰমূল্য, সাংস্কৃতিক প্ৰমূল্য, শৃংখলাবদ্ধতাৰ প্ৰমূল্য আৰু নীতিগত প্ৰমূল্যৰ দৰে প্ৰমূল্যসমূহৰ বিভিন্ন মাত্ৰাত বিকাশ ঘটে।

(vii) ছাত্ৰ-ছাত্ৰীয়ে প্ৰদৰ্শনীৰ বাবে প্ৰস্তুত কৰা সামগ্ৰীবোৰৰ বিষয়ে অভিভাৱক আৰু দৰ্শকে ধাৰণা কৰিব পাৰে আৰু প্ৰদৰ্শনীবোৰে অভিভাৱক আৰু বিদ্যালয়ৰ মাজৰ সম্পৰ্ক উন্নত কৰে।

৪.৮ আৰ্হি

আৰ্হি হ'ল বাস্তৱ সামগ্ৰীৰ পৰিপূৰক। আৰ্হিক শিক্ষণ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হয়। বিভিন্ন কাৰণত বাস্তৱ সামগ্ৰী শ্ৰেণীকোঠালৈ অনাতো সম্ভৱপৰ নহ'বও পাৰে। শিক্ষার্থীক দেখুৱাব খোজা বাস্তৱ সামগ্ৰী এপদ যথেষ্ট ডাঙৰ নাইবা অতি সৰু হ'ব পাৰে।

আৰ্হিবোৰ হ'ল মূল সামগ্ৰীৰ অনুৰূপ অথবা প্ৰতিলিপি। আৰ্হিবোৰ হ'ল বাস্তৱ বস্তুৰ ত্ৰিমাত্ৰিক উপস্থাপন। আৰ্হিবোৰ হ'ল সংগ্ৰথিত (concrete) সামগ্ৰী। বাস্তৱ সামগ্ৰীৰ গঠন নাইবা কাৰ্য-কলাপ আদিক আৰ্হিৰ সহায়ত পৰিস্কাৰকৈ ব্যাখ্যা কৰা হয়। আৰ্হিবোৰ সক্ৰিয় অথবা স্থিৰ হ'ব পাৰে। সক্ৰিয় আৰ্হি এটাই অতি সোনকালে আমাৰ দৃষ্টি আকৰ্ষণ কৰে। ই শিক্ষা গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰণা যোগাৱাৰ কাম কৰিব পাৰে।

বিভিন্ন আৰ্হি প্ৰস্তুত কৰি কোনো প্ৰকল্প- কাৰ্যৰ (project work) বাবে একোটা বিষয় সজাই ল'ব পাৰি। সৰু ল'ৰা-ছোৱালীৰ মনত সৃজনশীল কাম-কাজৰ প্ৰতি আগ্ৰহ জগাই তোলাটো এটা প্ৰয়োজনীয় কাম। আৰ্হি প্ৰস্তুত কৰিবৰ বাবে ডাঠ কাগজৰ টুকুৰা, প্লাষ্টিক, বোকা মাটি, থাৰ্ম'ক'ল, প্লাষ্টাৰ অৱ পেৰিছ, কাঠ, ধাতু আদি সামগ্ৰী ব্যৱহাৰ কৰা হয়।

শিক্ষণৰ সময়ত আৰ্হিৰ ব্যৱহাৰ কৰি যথেষ্ট সুফল পোৱা যায়। আৰ্হিয়ে তলত উদ্দেশ্য সমূহ সাধন কৰে-

- আৰ্হিয়ে বাস্তৱক সৰল কৰি তোলে। আৰ্হিবোৰ ত্ৰিমাত্ৰিক হোৱা বাবে আৰ্হিয়ে শিক্ষার্থীৰ মনত আগ্ৰহৰ মাত্ৰ বৃদ্ধি কৰে।
- আৰ্হিয়ে বাস্তৱ বস্তু এটাৰ গঠন আৰু কাৰ্য-কলাপ স্পষ্টৰূপত ব্যাখ্যা কৰাত সহায় কৰে।
- আৰ্হিয়ে বৃহৎ আকাৰৰ বস্তু এটাক নিৰীক্ষণসাধ্য ৰূপলৈ সলনি কৰে।
- কোনো বৃহৎ ঔদ্যোগিক গোট নাইবা বৃহৎ যন্ত্ৰৰ সৈতে জড়িত ধাৰণাবোৰ আৰ্হিৰ সহায়ত শুদ্ধ ৰূপত জানিব পৰা যায়।
- এটা গতিশীল আৰ্হিয়ে অতি সহজে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব পাৰে আৰু আগ্ৰহ বৃদ্ধি কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীৰ এই বৰ্দ্ধিত আগ্ৰহ আৰু মনোযোগক উপযুক্তভাৱে শিক্ষণ প্ৰক্ৰিয়াত ব্যৱহাৰ কৰিব লাগে।
- আৰ্হি প্ৰস্তুত কৰা কামে ছাত্ৰ-ছাত্ৰীৰ সৃজন ক্ষমতাৰ বিকাশ ঘটায়। কোনো এটা বিষয়ক লৈ ছাত্ৰ এজনে নিজে তৈয়াৰ কৰা আৰ্হি এটাৰ পৰা ছাত্ৰজনে শিক্ষকে তৈয়াৰ কৰা আৰ্হি এটাতকৈ বহু বেছি কথা শিকিব পাৰিব। কাৰণ আৰ্হি নিজ হাতেৰে প্ৰস্তুত কৰা কাৰ্যত প্ৰত্যক্ষ অভিজ্ঞতাৰ কথা সাঙোৰ খাই আছে।

পাৰিৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়ৰ পৰিৱেশতেই ছাত্ৰ-ছাত্ৰীক বিভিন্ন আৰ্হি প্ৰস্তুত কৰাৰ বিভিন্ন প্ৰকল্পৰ কাম দিব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে বনস্পতি সংগ্ৰহালয়, ঘৰচীয়া আৰু বনৰীয়া জন্তু, পৰ্বত, বৈ যোৱা নদী আদিৰ আৰ্হি প্ৰস্তুত কৰিব পাৰে। এইদৰেই পাৰিপাৰ্শ্বিকৰ সৈতে জড়িত বিভিন্ন সামগ্ৰীৰ আৰ্হি প্ৰস্তুত কৰিবলৈ দি শিক্ষকে ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সম্পৰ্কে

সজাগ কৰি তোলাৰ লগতে পৰিৱেশৰ অৱস্থা উন্নত কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 7ঃ কর্মশালা মানে কি?

.....

.....

প্রশ্ন নং 8 ঃ প্রাক্-সক্রিয় পর্যায়ত কর্মশালা এখনৰ আয়োজকে কৰিবলগীয়া প্রয়োজনীয় কামবোৰৰ বিষয়ে উল্লেখ কৰক।

.....

.....

প্রশ্ন নং 9ঃ প্রদর্শনী এখনৰ বাবে প্রদর্শন সামগ্রীবোৰ কেনেদৰে সজোৱা উচিত লিখক।

.....

.....

প্রশ্ন 10. প্রদর্শনীৰ জৰিয়তে বিকাশ ঘটিব পৰা পাঁচ প্রকাৰৰ প্রমূল্যৰ বিষয়ে লিখক।

.....

.....

প্রশ্নঃ 11 শিক্ষণ প্রক্রিয়াত আৰ্হিয়ে কেনেকৈ সুফল প্রদান কৰিব পাৰে?

.....

.....

৪.৯ দৃশ্য-শ্রব্য আহিলা

দৃশ্য-শ্রব্য আহিলা অথবা প্রযুক্তিগত মাধ্যম হ'ল দেখা আৰু শুনাৰ সুবিধা থকা নির্দেশনামূলক যন্ত্র। যিবোৰ কথা শিকাতো জৰুৰী তেনে কথাবোৰৰ আৰু শিক্ষার্থীৰ মাজত থকা অসুবিধাবোৰ আঁতৰাই শিক্ষা গ্রহণ প্রক্রিয়াটো উজু কৰি তোলাই হ'ল প্রযুক্তিগত মাধ্যমেৰে শিক্ষাদান কৰাৰ মূল লক্ষ্য। ই শিক্ষাগ্রহণৰ ত্রিকোণ প্রক্রিয়াটো সম্পন্ন কৰাত সহায় কৰে। অনুপ্রেৰণা, সন্দেহ বা প্রশ্নৰ স্পষ্টীকৰণ আৰু উদ্দীপনাই এই ত্রিকোণ প্রক্রিয়াটো গঠন কৰে। দৃশ্য-শ্রব্য আহিলাবোৰে তথ্যভিত্তিক শিক্ষা, অৱধাৰণশীলতা আৰু স্মৰণ, চিন্তা আৰু যুক্তিবাদিতা, কার্য-কলাপ, আগ্রহ, কল্পনা আৰু ধাৰণাৰ উন্নত আত্মীকৰণত উল্লেখযোগ্য সহায় আগবঢ়ায় (Aggarwal,2005)। পৰিৱেশ সম্পর্কীয় শিক্ষা অধিক ফলপ্রসূভাৱে গ্রহণত সহায় কৰিব পৰা কেইটামান দৃশ্য-শ্রব্য মাধ্যমৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

৪.৯.১ শিক্ষামূলক ৰেডিঅ'

ৰোডিঅ'ৰ উদ্ভাৱন ঘটাৰে পৰা আজিলৈকে যোগাযোগ ক্ষেত্ৰখনত ই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰেডিঅ'ই কেৱল শব্দবা ধ্বনি প্ৰচাৰ কৰে যদিও এই কথাবোৰৰ প্ৰমূল্য জগাই তুলিব পৰা, কল্পনা শক্তিক অনুপ্ৰাণিত কৰিব পৰা তথা জ্ঞান আৰু বোধশক্তি বঢ়াব পৰা ক্ষমতা থাকে। ৰেডিঅ' হ'ল গণসংযোগৰ এটা শক্তিশালী মাধ্যম। পৃথিৱীৰ যিকোনো অঞ্চলৰ পৰা আন এক অঞ্চললৈ, লাগিলে তেনে অঞ্চল আওহতীয়াই নহওক কিয় ৰেডিঅ'ৰ সহায়ত তথ্য প্ৰেৰণ কৰা সম্ভৱ।

বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালীক শিক্ষামূলক নিৰ্দেশনা দিয়াতো ৰেডিঅ'ই এক প্ৰধান ভূমিকা পালন কৰে। বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰচাৰিত অনুষ্ঠানবোৰক শিক্ষামূলক প্ৰচাৰণ বোলে। এনে অনুষ্ঠানবোৰ বিশেষকৈ শৈক্ষিক প্ৰতিষ্ঠানৰ সুবিধা হোৱাকৈ নিৰ্দিষ্ট পাঠদান সময়ৰ ভিতৰত নিৰ্দিষ্ট বাৰত প্ৰস্তুত কৰা হয়। বিধানসন্মত পাঠ্যসূচীৰ আধাৰত পাঠ্যক্ৰম ভিত্তিক বিষয়ৰ ওপৰত এনে অনুষ্ঠানবোৰ যুগুত কৰা হয়। শিক্ষামূলক অনুষ্ঠান প্ৰচাৰে শিক্ষকক তেওঁৰ শ্ৰেণীকোঠাকেন্দ্ৰিক নিৰ্দেশনাবোৰৰ পৰিপূৰক হিচাপে যথেষ্টখিনি সহায় কৰে। কিন্তু প্ৰক্ৰিয়াটোৰ পৰা অধিক সুফল লাভ কৰিবলৈ শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট ৰেডিঅ' অনুষ্ঠান শুনিবলৈ সাজু কৰাৰ লাগিব। অনুষ্ঠানবোৰৰ পৰা লাভ কৰা শিক্ষা সুদৃঢ় কৰিবলৈ শিক্ষকে একোটা উপযুক্ত অনুগামী কাৰ্য পৰিকল্পনাও যুগুত কৰিব লাগে।

ৰেডিঅ' অনুষ্ঠানৰ যোগেদি পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰদান কৰিব পাৰি। ৰেডিঅ'ৰ মাধ্যমেৰে প্ৰচাৰ কৰিবলৈ কোনো অনুষ্ঠান যুগুত কৰাৰ সময়ত তলত দিয়া কথাবোৰ মানি চলিব লাগেঃ

- কোনো এক নিৰ্দিষ্ট বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিধানসন্মতভাৱে যুগুত কৰা পাঠ্যসূচীৰ পৰা বিষয়বস্তু বাছি লোৱাৰ কামটো বিশেষজ্ঞৰ হতুৱাই কৰোৱা উচিত।
- পাঠৰ উদ্দেশ্য স্পষ্টকৈ উল্লেখ কৰা উচিত।
- ছাত্ৰ-ছাত্ৰীসকলে যাতে শুনিয়েই পাঠটোত সন্নিৱিষ্ট আটাইবোৰ ধাৰণা সহজে বুজি পায় ৰেডিঅ' অনুষ্ঠানটো বিশেষজ্ঞসকলে তেনেধৰণে প্ৰস্তুত কৰা উচিত।
- পাঠৰ উপস্থাপন আকৰ্ষণীয় হোৱা উচিত।
- পাৰি পাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ পাঠসমূহ প্ৰশ্ন আৰু উত্তৰৰ ৰূপত সহজে উপস্থাপন কৰিব পৰা যায়। এনে অনুষ্ঠানত কোনো বিষয়ৰ বিশেষজ্ঞ আৰু ছাত্ৰ-ছাত্ৰীসকলে মিলিত হৈ আলোচনাত ভাগ ল'ব পাৰে।
- ৰেডিঅ' প্ৰচাৰৰ বাবে বাণীৰদ্ধ কৰা অনুষ্ঠান এটা সংগ্ৰহালয়ত সংৰক্ষণ কৰি থ'ব আৰু প্ৰয়োজনসাপেক্ষে পুনৰ প্ৰচাৰ কৰিব পৰা যায়।

সুবিধাসমূহ

- ৰেডিঅ' এটা জনপ্রিয় মাধ্যম। অন্য মাধ্যমতকৈ ই কমখৰচী। দেশৰ প্রতিটো কোণতে ৰেডিঅ' কিনিবলৈ পোৱা যায়।
- ৰেডিঅ'ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বিকাশত সহায় কৰে।
- প্রাপ্তবয়স্ক শিক্ষাৰ মাধ্যম হিচাপেও সমগ্র দেশতে ৰেডিঅ'ই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰেডিঅ' অনুষ্ঠানৰ যোগেদি দেশৰ গ্রামাঞ্চলৰ বহুতো নিৰক্ষৰ প্রাপ্তবয়স্ক লোকক সাক্ষৰ কৰি তোলা হৈছে।
- স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা, কৃষি, পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা সম্পর্কে সজাগতা বৃদ্ধি কৰিবলৈ ৰেডিঅ' অনুষ্ঠানবোৰ অতি উপযোগী।
- স্থানীয় প্রয়োজন আৰু শ্রোতাৰ সামাজিক পটভূমি অনুসৰি ৰেডিঅ' অনুষ্ঠানবোৰ স্থানীয় ভাষাত প্রস্তুত কৰিব পাৰি।
- ৰেডিঅ' অনুষ্ঠানবোৰ অন্য কাম কৰি থকা সময়তো শুনিব পাৰি। দূৰণিবটীয়া শিক্ষার্থীসকলে যিকোনো পৰিস্থিতিতে মন কৰিলে ৰেডিঅ' অনুষ্ঠানবোৰ শুনিব পাৰে।
- ৰেডিঅ' প্রযুক্তি তুলনামূলকভাৱে কমখৰছী। বৈদ্যুতিক মাধ্যমৰ তুলনাত ৰেডিঅ' অনুষ্ঠানবোৰ প্রস্তুত কৰা পদ্ধতি সৰল।
- ৰেডিঅ' অনুষ্ঠানবোৰ প্রয়োজনসাপেক্ষে পুনৰ প্রচাৰ কৰিব পাৰি।

সীমাৱদ্ধতা

- ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰাটো হ'ল এটা একমুখী সংযোগ। শ্রোতাৰ শ্রৱণ বোধৰ (sense of hearing) ওপৰত ৰেডিঅ' অনুষ্ঠানৰ শৈক্ষিক মূল্য নির্ভৰশীল।
- অনুষ্ঠান প্রচাৰক আৰু শ্রোতাৰ মাজত মুখামুখি সম্পর্ক নথকা হেতুকে শিক্ষার্থীসকলে বুজি নোপোৱা ধাৰণাবোৰ তাৎক্ষণিকভাৱে স্পষ্ট কৰি ল'ব নোৱাৰে।
- সকলো প্রকাৰৰ বিষয়ৰ অনুষ্ঠান প্রচাৰৰ বাবে ৰেডিঅ' সিমান ফলপ্রসূ মাধ্যম নহয়। যেনে- প্রদর্শনমূলক আৰু ব্যাখ্যামূলক চিত্রাংকন সম্বলিত বিষয়বোৰ ৰেডিঅ'ৰ যোগেদি সুফলদায়কভাৱে প্রচাৰিত কৰিব পৰা নাযায়।
- শিক্ষামূলক ৰেডিঅ' অনুষ্ঠানবোৰ প্রচাৰ কৰাৰ সময় শিক্ষার্থীৰ বাবে উপযুক্ত-নহ'বও পাৰে। অনুষ্ঠান প্রচাৰৰ সময় অনুসৰি নিজৰ কাম-কাজ মিলাই লোৱাতো শিক্ষার্থীৰ বাবে অসুবিধাজনক হ'ব পাৰে।
- ভাৰতৰ দৰে দেশত শিক্ষাবিদসকলে ভিন্ন শ্রেণীৰ শ্রোতা, যেনে- নিৰক্ষৰ, আধাতে পঢ়িবলৈ এৰা, নিবনুৱা ইত্যাদিৰ বাবে অনুষ্ঠান পৰিকল্পনা কৰিব লাগে। সেয়েহে উমৈহতীয়া সুবিধা হোৱাকৈ ৰেডিঅ' অনুষ্ঠান যুগুত কৰাটো এটা কঠিন কাম।

৪.৯.২ শিক্ষামূলক টেলিভিছন

টেলিভিছন হ'ল গণসংযোগৰ এটা প্ৰধান মাধ্যম। ৰেডিঅ' অনুষ্ঠান আমি কেৱল শুনিবহে পাৰো। কিন্তু টেলিভিছন অনুষ্ঠানবোৰ শুনাৰ লগতে দেখাও পোৱা যায়। এই দৰ্শনসাধ্য বিশেষত্বৰ বাবে টেলিভিছন অধিক গতিশীল আৰু অৰ্থবহ মাধ্যমত পৰিণত হৈছে। টেলিভিছনে পৃথিৱীৰ মানুহৰ জীৱনলৈ বৈপ্লাৱিক পৰিৱৰ্তন আনিছে। পৃথিৱীৰ বিপুলসংখ্যক মানুহৰ বাবে টেলিভিছন হ'ল তথ্য আৰু মনোৰঞ্জনৰ এটা প্ৰধান উৎস। ঘৰ আৰু বিদ্যালয়ৰ পাছত সৰু ল'ৰা-ছোৱালীৰ শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত গভীৰ প্ৰভাৱ পেলোৱা মাধ্যমটোৱেই হ'ল টেলিভিছন।

শিক্ষামূলক টেলিভিছন (Educational Television/ETV) হ'ল এটা পদ্ধতি যাৰ মাধ্যমেৰে কোনো এজেন্সীয়ে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষামূলক অনুষ্ঠান প্ৰস্তুত আৰু সম্প্ৰচাৰ কৰে। শিক্ষামূলক টেলিভিছনৰ ভিতৰত নিৰ্দেশনামূলক টেলিভিছন আৰু অ-ব্যৱসায়িক টেলিভিছন অনুষ্ঠানবোৰক সামৰি লোৱা হয়। নিৰ্দেশনামূলক টেলিভিছন অনুষ্ঠান বুলিলে আনুষ্ঠানিক নিৰ্দেশনা সম্বলিত সংগঠিত অনুষ্ঠান আৰু শিক্ষাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখা অনুষ্ঠানবোৰৰ কথা বুজোৱা হয়।

শিক্ষামূলক টেলিভিছনৰ সুবিধাসমূহ

- জনসাধাৰণক শিক্ষিত কৰি তুলিবলৈ টেলিভিছন হ'ল সবাতোকৈ সম্ভাৱনাপূৰ্ণ আহিলা। বৈচিত্ৰ্যময় ভৌগলিক পৰিৱেশেৰে ভাৰত এখন বিশাল দেশ। অনবৰতে জনসংখ্যা বৃদ্ধি হৈ থকা এই দেশৰ বহুতো অঞ্চল আওহতীয়া আৰু দুৰ্গম। দেশৰ শৈক্ষিক গাঁথনিটো উন্নত কৰি তোলাত গণসংযোগৰ মাধ্যম হিচাপে টেলিভিছনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- টেলিভিছনে শিক্ষকৰ ওপৰত থকা নিৰ্ভৰশীলতা কম কৰে। শিক্ষাৰ্থীয়ে নিজৰ প্ৰয়াসেৰে টেলিভিছনৰ সহায়ত শিকিব পাৰে। এই ক্ষেত্ৰত শিক্ষাৰ্থীক শিক্ষকৰ পৰা ন্যূনতম সহায়ৰ প্ৰয়োজন হয়।
- শিক্ষামূলক টেলিভিছনে সমগ্ৰ দেশতে সমান শৈক্ষিক সুবিধাৰ সৃষ্টি কৰে। দেশৰ গ্ৰামাঞ্চল আৰু অনগ্ৰসৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলেও এনে টেলিভিছনৰ জৰিয়তে নগৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সমানেই গুণমানসম্পন্ন শিক্ষা লাভ কৰে।
- যদি বৃহৎ পৰিসৰত টেলিভিছন ব্যৱহাৰ কৰা হয় তেন্তে সমগ্ৰ দেশতে ন্যূনতম খৰছৰ শিক্ষাৰ প্ৰসাৰ কৰিব পৰা যাব।
- এটা টেলিভিছন অনুষ্ঠানৰ জৰিয়তে পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা সুন্দৰকৈ উপস্থাপন কৰিব পাৰি। সাধাৰণ মানুহৰ মাজত পাৰিপাৰ্শ্বিকতা সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰাতো টেলিভিছন ব্যৱহাৰ কৰিব পৰা যায়।
- বিদ্যালয়ৰ পাঠদান নথকা সময়ত শিক্ষকসকলক আন্তঃ সেৱা প্ৰশিক্ষণ (in-

service training) দিয়াৰ কামতো শিক্ষামূলক টেলিভিছন ব্যৱহাৰ কৰিব পাৰি। শিক্ষকসকলৰ দক্ষতা উন্নত কৰিবলৈ NCERT এ প্ৰতি সপ্তাহতে অনুষ্ঠান সম্প্ৰচাৰ কৰে।

- টেলিভিছনে বিষয় আৰু ঘটনাৰ পোনপটীয়া প্ৰদৰ্শনৰ সুবিধা আগবঢ়ায়। ভূমিকম্প, চুনামী, আগ্নেয়গিৰিৰ উদগীৰণ আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আদি ঘটাৰ পাছতেই টেলিভিছনৰ সহায়ত শ্ৰেণীকোঠাত দেখুৱাব পৰা যায়।
- টেলিভিছনে সময় আৰু চেষ্টা ৰাহি কৰে। টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰ কৰিবলৈ আন্ধাৰ কোঠা (dark room), প্ৰ'জেক্শ্যন সুঁজুলি আদিৰ দৰে বিশেষ শ্ৰেণীকোঠা প্ৰস্তুতিৰ প্ৰয়োজন নহয়।

সীমাৱদ্ধতা

- টেলিভিছন হ'ল শিক্ষকে কৰিব পৰা এটা একমুখী সংযোগ স্থাপন প্ৰক্ৰিয়া। ইয়াত আন্তঃক্ৰিয়া অথবা আলোচনাৰ সুবিধা নাই। সেয়েহে টেলিভিছন অনুষ্ঠান চোৱাৰ পাছত শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া, প্ৰশ্ন অথবা সন্দেহ তৎক্ষণাত জনাৰ কোনো উপায় নাই।
- যদি একে সময়তে বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীক শিকাব পৰা নাযায় তেন্তে টেলিভিছনৰ দ্বাৰা শিক্ষণ পদ্ধতিত সাধাৰণ শ্ৰেণীকোঠা শিক্ষণ প্ৰক্ৰিয়াতকৈ ব্যয় যথেষ্ট অধিক হয়।
- এটা টেলিভিছন পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত মতপাৰ্থক্যক বিবেচনা কৰা নহয়।
- টেলিভিছনৰ সহায়ত দিয়া নিৰ্দেশনাবোৰ শিক্ষাৰ্থীকেন্দ্ৰিক নহয় আৰু পাঠবোৰ নমনীয় নহয়।
- সমৰূপী পাঠ্যসূচীৰ অনুপস্থিতি, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অনুপস্থিতি, উপযুক্ত সময় আদিৰ অভাৱ বাবে টেলিভিছনৰ জৰিয়তে পাঠদান প্ৰক্ৰিয়াটো শ্ৰেণীকোঠাত কৰা পাঠদানৰ দৰে শিক্ষণৰ অপৰিহাৰ্য অংগৰূপে গঢ়ি তুলিব পৰা হোৱা নাই।

৪.৯.৩ শিক্ষামূলক টেলিভিছন

কথাছবি হ'ল সংযোগৰ এটা বহুমুখী মাধ্যম। ই ঘটনাক বাস্তৱ ৰূপত উপস্থাপন কৰে। শিক্ষামূলক কথাছবিয়ে সৰু ল'ৰা-ছোৱালীৰ মনত গভীৰ প্ৰভাৱ পেলাব পাৰে। সেয়েহে কথাছবিক ধাৰণা, মনোভাৱ, বৈজ্ঞানিক জ্ঞান আৰু অভিজ্ঞতা আদিক শিক্ষাৰ্থীৰ ওচৰলৈ কঢ়িয়াই নিয়া মাধ্যম হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়োটা শিক্ষাৰ বাবেই কথাছবি হ'ল এটা অতি সুফলদায়ক মাধ্যম।

কথাছবিয়ে আমাৰ আগত শিকন পৰিস্থিতিবোৰক (learning situations) বাস্তৱ আৰু সঁচা যেন ৰূপত উপস্থাপন কৰে। প্ৰদূষণৰ বিভিন্ন উৎস আৰু প্ৰদূষণৰ

পৰিমাণ কেনেদৰে কম কৰিব পাৰি সেই বিষয়ে ধাৰণা দিবলৈ পাৰিপাৰ্শ্বিকতাৰ প্ৰদূষণ সম্পৰ্কে কথাছবি নিৰ্মাণ কৰিব পৰা যায়। উদ্ভিদ আৰু জীৱ-জন্তুৰ নিজ নিজ পৰিৱেশৰ সৈতে থকা আন্তঃসম্পৰ্ক, পাৰিপাৰ্শ্বিকৰ অৱনতি, বিপদসংকুল পৰিৱেশ, প্ৰাকৃতিক দুৰ্যোগ আদিৰ দৰে পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত কথাছবি নিৰ্মাণ কৰি মানুহক শিক্ষিত কৰি তোলাৰ কামত ব্যৱহাৰ কৰিব পাৰি।

শিক্ষামূলক কথাছবিয়ে শিক্ষণ প্ৰক্ৰিয়াক অনুপ্ৰাণিত কৰে। কাৰণ সৰু ল'ৰা-ছোৱালীয়ে কথাছবিৰ প্ৰতি যথেষ্ট আগ্ৰহ দেখুৱায়। ইয়াৰ জৰিয়তে সৰু ল'ৰা-ছোৱালীক পৰ্বত, মহাসাগৰ, মৰুভূমি আদিৰ বিষয়ে সঠিক ধাৰণা দিব পৰা যায়। শ্ৰেণীকোঠা অথবা প্ৰেক্ষাগৃহত এনেবোৰ ধাৰণা মূৰ্ত হৈ উঠিলে সৰু ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হয়।

কিছুমান নিৰ্দিষ্ট শৈক্ষিক উদ্দেশ্যত উপনীত হবলৈ বিশেষ পৰিকল্পনা অনুসৰি শিক্ষামূলক কথাছবিবোৰ নিৰ্মাণ কৰা হয়। শিক্ষাদানৰ উদ্দেশ্যৰে নিৰ্দিষ্ট বিষয়ক লৈও এনে কথাছবি প্ৰস্তুত কৰা হয়। এনে কথাছবিবোৰ পটভূমিমূলক অথবা পোনপটীয়া শিক্ষণ কথাছবি হ'ব পাৰে। এনে কথাছবিবোৰে কোনো দক্ষতা অথবা মনোভাৱৰ পৃষ্ঠপোষকতা কৰাত আৰু কোনো বিশেষ কাৰণ, তথ্য, পৰিঘটনা অথবা তত্ব উপস্থাপন কৰাত সহায় কৰে।

কথাছবিক প্ৰচাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাত শিক্ষকৰ ভূমিকা ঃ

- এগৰাকী শিক্ষকে কথাছবি বাছনি কৰিব পাৰেঃ এগৰাকী শিক্ষকে নিজৰ শিক্ষণ উদ্দেশ্যত সহায়ক হোৱাকৈ কথাছবি বাছনি কৰিব পাৰে। তেওঁ শিকাই থকা অন্য শিকন অভিজ্ঞতাবোৰৰ সৈতে কথাছবিৰ বিষয়বস্তুৰ সংহতি থাকিব লাগিব। ইয়াৰ বাবে তেওঁ সহজলভ্য হৈ থকা শ্ৰেষ্ঠ কথাছবিখন বাছি উলিয়াব লাগিব আৰু কথাছবিখনৰ বিষয়বস্তুৰ সৈতে পৰিচিত হ'ব লাগিব।
- কথাছবিখন প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব পাৰে ঃ শিক্ষকে কথাছবিখন প্ৰদৰ্শনৰ আগতে ছাত্ৰ-ছাত্ৰীৰ বহাৰ সু-ব্যৱস্থা, পোহৰৰ সু- ব্যৱস্থা, বতাহ চলাচলৰ সু-ব্যৱস্থা কৰাৰ লগতে প্ৰজেক্টৰ পৰীক্ষা কৰা আৰু পৰীক্ষামূলকভাৱে কথাছবিখন চলাই চোৱা আদি কাম কৰিব লাগে।
- কথাছবিখনৰ প্ৰাক্-পৰীক্ষণ ঃ কথাছবিখনৰ সৈতে জড়িত নিৰ্দেশনা হাতপুথি নাইবা নিৰ্দেশনা পুথিখন শিক্ষকে ভালদৰে পঢ়ি চাব লাগে। কথাছবিৰ প্ৰদৰ্শন আৰম্ভ হোৱাৰ আগতে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পটভূমি সম্পৰ্কীয় প্ৰয়োজনীয় তথ্য জনাই তেওঁলোকক সাজু কৰিব পাৰিব।
- কথাছবিৰ উপস্থাপনঃ শ্ৰেণীকোঠাৰ শিক্ষণৰ সৈতে সংহতি সাধন কৰি উপযুক্ত মূহুৰ্তত কথাছবিখনৰ প্ৰদৰ্শন আৰম্ভ কৰিব লাগে। প্ৰয়োজনসাপেক্ষে কথাবোৰ পুনৰ বুজাবলৈ প্ৰদৰ্শনী মাজতে বন্ধও কৰি দিব পাৰি। কথাছবি শেষ হোৱাৰ পাছত এটাচমু সামৰণিৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে ভাৰ বিনিময় কৰিব পৰা যায়।

- মূল্যাংকন আৰু প্ৰতিক্ৰিয়াঃ কথাছবিৰ প্ৰদৰ্শন শেষ হোৱাৰ লগে লগে তাৎক্ষণিক মূল্যাংকন আৰু মৌখিক অথবা লিখিত প্ৰতিক্ৰিয়া সংগ্ৰহ কৰিব লাগে। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰা তথ্যত থকা ভুল ধাৰণা অথবা ত্ৰুটিবোৰ (যদি কিবা থাকে) তৎক্ষণাত শুধৰাব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 12ঃ দৃশ্য-শ্ৰব্য আহিলাবোৰ হ'ল..... আৰু ..... যন্ত্ৰ।

প্ৰশ্ন নং 13ঃ ..... ক্ষেত্ৰখনত ৰেডিঅ'ই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

.....

.....

প্ৰশ্ন নং 14ঃ ৰেডিঅ' অনুষ্ঠান প্ৰচাৰ হ'ল এটা..... সংযোগ।

.....

.....

প্ৰশ্ন নং 15ঃ ৰেডিঅ' অনুষ্ঠান প্ৰচাৰৰ পাঁচটা সুবিধা লিখক।

.....

.....

প্ৰশ্ন নং 16ঃ শিক্ষামূলক টেলিভিছন কি?

.....

.....

প্ৰশ্ন নং 17ঃ শিক্ষামূলক টেলিভিছনৰ সীমাবদ্ধতাবোৰ তালিকা এখন প্ৰস্তুত কৰক।

.....

.....

প্ৰশ্ন নং 18ঃ কথাছবি হ'ল সংযোগৰ এটা.....মাধ্যম।

.....

.....



৪.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ বিষয়ে আলোচনা কৰা হ'ল।
- শিক্ষণ- শিকন প্ৰক্ৰিয়াৰ এটা প্ৰয়োজনীয় উপাদান হ'ল প্ৰচাৰ মাধ্যম।

- প্রচাৰ মাধ্যম মূলতঃ দুই প্রকাৰৰ- ছপা আৰু অনা-ছপা মাধ্যম। ইয়াৰ উপৰি অধ্যয়ন চক্র আৰু কর্মশালাৰ দৰে আন কিছুমান প্রচাৰ মাধ্যমো আছে।
- আলোচনী হ'ল এটা ছপা মাধ্যম। সাধাৰণ লোকক প্রভাৱিত কৰিব পৰা ই এক অতি ফলপ্রসূ মাধ্যম।
- এখন আলোচনীত পাৰিপার্শ্বিকতা বিষয়ক শিক্ষা, সামাজিক আৰু সাংস্কৃতিক বিষয়ৰ সৈতে জড়িত প্রৱলন্ধ-পাতি নিয়মীয়াকৈ প্রকাশিত হৈ থাকে।
- এখন বিদ্যালয় অথবা মহাবিদ্যালয় আলোচনীয়ে একোটা সাহিত্যকেন্দ্রিক পৰিৱেশ আৰু ছাত্র-ছাত্রীৰ মাজত লিখাৰ অভ্যাস গঢ়ি তোলে।
- এখন অধ্যয়ন চক্র হ'ল শিক্ষণৰ পদ্ধতি আৰু শিক্ষণৰ মাধ্যম। অধ্যয়ন চক্র এখনত ভাগ লোৱা প্রতিগৰাকী সদস্যই পৰস্পৰৰ সৈতে মত বিনিময় কৰাৰ সুযোগ পায়। অধ্যায়ন চক্র আয়োজন কৰাৰ সময়ত প্রথমে বিষয়বস্তু চিনাক্ত কৰিব লাগে, অংশগ্রহণ কৰিবলৈ আৰু অন্যৰ সৈতে সম বিনিময় কৰিবলৈ মানুহক অনুপ্রাণিত কৰিব লাগে। প্রয়োগ, বিশ্লেষণ আৰু তাত্ত্বিক দ্বন্দৰ দৰে উচ্চ বোধসম্পন্ন দক্ষতাবোৰ বিকাশৰ বাবে অধ্যয়ন চক্রবোৰ প্রয়োজনীয়।
- কর্মশালা হ'ল শিক্ষাগ্রহণৰ এক আন্তঃক্রিয়াশীল ৰূপ। শিক্ষার্থীৰি মনত জ্ঞান স্রজন অথবা গঠন কৰিবলৈ সৰু সৰু গোটত বিভক্ত হৈ আৰু ব্যক্তিগত অন্বেষণৰ জৰিয়তে অংশগ্রহণ কৰাৰ মানসিকতা গঢ়াত কর্মশালাই গুৰুত্ব আৰোপ কৰে।
- প্রদর্শনী এখনত সুপৰিকল্পিতভাৱে বিভিন্ন বস্তু আৰু দ্রব্যসম্ভাৰ মুকলিকৈ দেখুওৱা হয়। প্রদর্শনীৰ জৰিয়তে পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰৰ ওপৰত আলোকপাত কৰিব পাৰি। এখন সুপৰিকল্পিত প্রদর্শনীয়ে পাৰিপার্শ্বিকৰ উন্নয়ন আৰু সুৰক্ষাত মানুহৰ সক্রিয় অংশগ্রহণ সুনিশ্চিতকাৰী অনুপ্রেৰণাৰ উৎস হিচাপে কাম কৰিব পাৰে।
- আর্হি হ'ল বাস্তৱ বস্তুৰ ত্রিমাত্রিক উপস্থাপন। বাস্তৱ সামগ্রীৰ গঠন নাইবা কার্য্য কলাপ আদিক পৰিস্কাৰকৈ ব্যাখ্যা কৰিবলৈ আর্হি অতি উপযোগী। আর্হিয়ে বাস্তৱক সৰল কৰি তোলে আৰু আমাৰ মনত আগ্রহৰ মাত্রা বৃদ্ধি কৰে। শুদ্ধ ধাৰণাৰ জন্ম দিবলৈ আর্হিৰ ব্যৱহাৰ উপযোগী। আর্হি প্রস্তুত কৰা কামে শিক্ষার্থীৰি সৃজনশীলতাৰ বিকাশ ঘটায়।
- দৃশ্য-শ্রব্য আহিলাবোৰ হ'ল শুনিব আৰু চাব পৰা নির্দেশনামূলক যন্ত্র। ই শিক্ষাগ্রহণৰ ত্রিকোণ প্রক্রিয়াটো, যেনে-অনুপ্রেৰণা, সন্দেহ বা প্রশ্নৰ স্পষ্টীকৰণ আৰু উদ্দীপনা, সম্পন্ন কৰাত সহায় কৰে।
- বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ মাজত নির্দেশনাৰ মাধ্যমেৰে শিক্ষাৰ প্রচাৰ কৰাত ৰেডিঅ'ই এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- বিদ্যালয়ৰ শিক্ষার্থীৰি বাবে প্রচাৰিত অনুষ্ঠানবোৰ বিধানসম্মত পাঠ্যসূচীৰ আধাৰত পাঠ্যক্রমভিত্তিক বিষয়ৰ ওপৰত যুগুত কৰিব লাগে। ৰেডিঅ'ই আনুষ্ঠানিক আৰু

অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বিকাশত অৰিহণা যোগায়।

- শিক্ষামূলক টেলিভিছনে বিভিন্ন বিষয়ৰ শিক্ষণ বিষয়সূচী উপস্থাপন কৰে। জনগণক শিক্ষিত কৰি তুলিবলৈ টেলিভিছন হ'ল সবাতোকৈ সম্ভাৱনাপূৰ্ণ আহিলা। দেশৰ গ্ৰাম্যাঞ্চল আৰু অনগ্ৰসৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলেও টেলিভিছনৰ জৰিয়তে নগৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সমানেই গুণমানসম্পন্ন শিক্ষা লাভ কৰে।
- কথাছবি হ'ল সংযোগৰ এটা বহুমুখী মাধ্যম। ই ঘটনাক বাস্তৱ ৰূপত উপস্থাপন কৰে। শিক্ষামূলক কথাছবিয়ে শিক্ষণ প্ৰক্ৰিয়াক অনুপ্ৰাণিত কৰে। কিছুমান নিৰ্দিষ্ট শৈক্ষিক উদ্দেশ্যত উপনীত হ'বলৈ বিশেষ পৰিকল্পনা অনুসৰি এনে কথাছবিবোৰ নিৰ্মাণ কৰা হয়।
- এগৰাকী শিক্ষকে নিজৰ শিক্ষণ উদ্দেশ্যত সহায়ক হোৱাকৈ কথাছবি বাছনি কৰিব পাৰে।



৪.১১ অধিক জানিবলৈ

1) Aggarwal,J.C. (2005). Essentials of Educational Technology: Teaching Learning. New Delhi. Vikas Publishing House.

2) Sampath, K et at. (1987). Introduction to Educational Technology, New Delhi: Sterling Publishers.

3) Shrivastava, K.K. (2004). Environmental Education: Principles Concepts and Management. New Delhi: Kanishka Publishing and Distributors.



৪.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰচাৰ মাধ্যমবোৰ হ'ল পৰিপূৰক আহিলা। ইয়াৰ জৰিয়তে শিক্ষকসকলে শিক্ষাৰ্থীৰি একাধিক সংবেদী মাধ্যম সক্ৰিয়া কৰি তোলে যাতে তেওঁলোকৰ আগ্ৰহ বৃদ্ধি পায়, ধাৰণা স্পষ্ট হয় আৰু কল্পনাশক্তি সমৃদ্ধ হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ছপা মাধ্যম আৰু অনা-ছপা মাধ্যম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাতৰি-কাকতে দৈনিক ঘটা ঘটনাবোৰৰ সংবাদ পৰিৱেশন কৰে। কিন্তু আলোচনী এখনৰ প্ৰধান উদ্দেশ্য হ'ল পাঠকক বিভিন্ন বিষয়ৰ ওপৰত লিখা নিৰ্বাচিত বাতৰি আৰু প্ৰৱন্ধৰ জৰিয়তে তথ্য প্ৰদান কৰা, নিৰ্দেশনা দিয়া আৰু মনোৰঞ্জন কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিক আৰু আধ্যাত্মিক প্ৰমূল্য গঢ় দিয়া, পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ

বার্তা প্রচাৰ কৰা, ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় বুজাপৰা বিকশাই তোলা আৰু মনোৰঞ্জনৰ উৎস হিচাপে কাম কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিষয়বস্তু চিনাক্ত কৰা, জাননী জাৰি কৰা, অংশগ্রহণকাৰীক অনুপ্রেৰণা যোগোৱা আৰু অধ্যয়ন চক্র চলি থাকোতে প্রকাশিত বিৱৰণ বিতৰণ কৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ স্বাস্থ্য সজাগতা, বৃক্ষৰোপণ, বাগিছা পতা, জৈৱ-বৈচিত্র্যৰ সংৰক্ষণ ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ কর্মশালা হ'ল শিক্ষা গ্রহণৰ আন্তঃক্রিয়াশীল ৰূপ। ইয়াত শিক্ষার্থীয়ে দলত বিভক্ত হৈ কোনো নির্দিষ্ট কার্য সমাধা কৰে।

৮ নং প্রশ্নৰ উত্তৰ ঃ লক্ষ্য নির্ধাৰণ কৰা, লক্ষ্য গোট বাছি লোৱা, আলোচনাৰ বিষয় বাছি লোৱা, এটা অনুগামী কার্য পৰিকল্পনা যুগুত কৰা।

৯ নং প্রশ্নৰ উত্তৰ ঃ একোটা কোঠাতে সংখ্যধিক প্রদর্শন সামগ্রী ৰাখিব নালাগে, প্রদর্শিত বস্তুবোৰ ভালদৰে পোহৰ পৰা স্থানত ৰাখিব লাগে, প্রদর্শনীৰ বিষয়বস্তু মাত্র এটা হ'ব লাগে আৰু লেবেলবোৰ চমু তথা সহজে বুজি পোৱা হ'ব লাগে।

১০ নং প্রশ্নৰ উত্তৰ ঃ প্রদর্শনীবোৰ হ'ল সংযোগৰ এটা ফলপ্রসূ মাধ্যম। ই সৃজনশীলতাৰ বিকাশ ঘটায়, শিক্ষার্থীয়ে অভিব্যক্তি প্রকাশৰ কলা শিকে, দলীয়ভাৱে কাম কৰাৰ মানসিকতাক উৎসাহিত কৰে আৰু প্রমূল্যবোধৰ জন্ম দিয়ে।

১১ নং প্রশ্নৰ উত্তৰ ঃ আর্হিয়ে বাস্তৱক সৰল কৰি তোলে, আগ্রহ বঢ়ায়, শুদ্ধ ধাৰণা গঠন কৰে আৰু আর্হি প্রস্তুতকৰণৰ ফলত সৃজনশীলতাৰ বিকাশ ঘটে।

১২ নং প্রশ্নৰ উত্তৰ ঃ দেখা, শুনা ।

১৩ নং প্রশ্নৰ উত্তৰ ঃ সংযোগ

১৪ নং প্রশ্নৰ উত্তৰ ঃ একমুখী

১৫ নং প্রশ্নৰ উত্তৰ ঃ ৰেডিঅ' অনুষ্ঠান প্রস্তুত কৰাটো এটা কমখৰছী প্রক্রিয়া, ই আনুষ্ঠানিক আৰু অনানুষ্ঠানিক দুয়ো ধৰণৰ শিক্ষাৰ বাবে উপযুক্ত, মানুহৰ মাজত সজাগতা বিয়পায়, স্থানীয় ভাষাত অনুষ্ঠান প্রস্তুত কৰিব পাৰি আৰু অনুষ্ঠানবোৰৰ প্রয়োজন সাপেক্ষে পুনৰ প্রচাৰ কৰিব পাৰি।

১৬ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষামূলক টেলিভিছন হ'ল এনে এটা পদ্ধতি যাৰ মাধ্যমেৰে কোনো এজেন্সীয়ে বিভিন্ন বিষয়ৰ ওপৰত শিক্ষামূলক অনুষ্ঠান প্রস্তুত আৰু সম্প্রচাৰ কৰে।

১৭ নং প্রশ্নৰ উত্তৰ ঃ ই দৰাচলতে এটা একমুখী সংযোগ, শিক্ষণ ব্যয় অধিক, ব্যক্তিগত মতপার্থক্যৰ বিষয়ে বিবেচনা কৰা নহয়, পাঠবোৰ নমনীয় নহয় ইত্যাদি।

১৮ নং প্রশ্নৰ উত্তৰ ঃ বহুমুখী।



৪.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (5 0টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্ৰচাৰ মাধ্যম বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ সামাজিক মাধ্যমৰ (Social media) প্ৰয়োজনীয়তা মানে কি?

প্ৰশ্ন ৩ঃ সামাজিক সচেতনতা বৃদ্ধিৰ বাবে অধ্যয়ন চক্ৰৰ আয়োজন কৰাটো কিয় প্ৰয়োজনীয়?

প্ৰশ্ন ৪ঃ শিক্ষামূলক টেলিভিছন মানে কি?

প্ৰশ্ন ৫ঃ শৈক্ষিক উদ্দেশ্যৰ বাবে ৰেডিঅ' কিয় প্ৰয়োজনীয়?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ গণ-সজাগতা সৃষ্টিৰ মাধ্যম হিচাপে শিক্ষামূলক টেলিভিছনৰ সুবিধা আৰু সীমাৱদ্ধতাবোৰ কি কি?

প্ৰশ্ন ২ঃ প্ৰদৰ্শনী আয়োজন কৰাৰ পৰ্যায়ক্ৰমিক কাম-কাজবোৰ কেনেধৰণৰ? আলোচনা কৰক।

প্ৰশ্ন ৩ঃ এখন সমাজৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত শিক্ষামূ লক কথাছবিয়ে কিয় সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে?

প্ৰশ্ন ৪ঃ ফলপ্ৰসূ শিক্ষণৰ বাবে আৰ্হিৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অধ্যয়ন চক্ৰ মানে কি? অধ্যায়ন চক্ৰ এখন আয়োজন কৰাৰ কৰ্মপৰ্যায়সমূহ চমুকৈ উল্লেখ কৰক। প্ৰচাৰ মাধ্যম হিচাপে অধ্যয়ন চক্ৰ এখনৰ সুবিধাবোৰ কি কি?

প্ৰশ্ন ২ঃ কৰ্মশালাৰ কাম-কাজবোৰ কি? পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰচাৰৰ বাবে কৰ্মশালা উপযুক্ত মাধ্যম হয়নে?

প্ৰশ্ন ৩ঃ শ্ৰব্য অনুষ্ঠান এটা প্ৰস্তুত কৰাৰ কৰ্মপৰ্যায়সমূহ বা প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰক। ৰেডিঅ' অনুষ্ঠান প্ৰচাৰৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ জনগণক শিক্ষিত কৰি তোলাৰ মাধ্যম হিচাপে টেলিভিছনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ শিক্ষাৰ বিভিন্ন পর্যায়ত পৰিৱেশ শিক্ষাৰ কার্যসূচীসমূহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ বিদ্যালয়ত আনুষ্ঠানিক পৰিৱেশ শিক্ষা

৫.৪ প্রাথমিক পর্যায়ৰ শিক্ষাৰ বাবে পৰিৱেশ শিক্ষা

- ৫.৪.১ প্রাথমিক পর্যায়ৰ শিক্ষাত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ
- ৫.৪.২ প্রাথমিক পর্যায়ৰ শিক্ষাত পৰিৱেশ শিক্ষাৰ গুৰুত্ব

৫.৫ ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয়ত পৰিৱেশ শিক্ষাৰ কার্যসূচী

- ৫.৫.১ মাধ্যমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ
- ৫.৫.২ উচ্চতৰ মাধ্যমিক পর্যায়ত বিশেষ গুৰুত্ব প্রদান কৰা পৰিৱেশ শিক্ষাৰ বিভিন্ন দিশবোৰ
- ৫.৫.৩ ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয়ৰ পর্যায়ত পৰিৱেশ শিক্ষা ফলদায়ক কৰিব পাৰি

৫.৬ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষাৰ কার্যসূচীবোৰ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰিৱেশ শিক্ষা সম্বন্ধে আনুষ্ঠানিক বিদ্যালয়ৰ পর্যায়বোৰ ব্যাখ্যা কৰিব পাৰিব
- প্রাথমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ চিনাক্ত কৰিব পাৰিব
- প্রাথমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষাৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ চিনাক্ত কৰিব পাৰিব
- মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষাৰ বিভিন্ন দিশবোৰৰ প্রতি দৃষ্টি আকর্ষণ কৰিব পাৰিব, আৰু
- উচ্চ শিক্ষাৰ শিক্ষার্থীসকলৰ লগতে ৰাজহুৱা পর্যায়তো উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে কেনেদৰে পৰিৱেশ শিক্ষা প্রদানত অৱদান আগবঢ়াই আহিছে সেই সম্বন্ধে আলোচনা কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টিৰ প্ৰথম চাৰিটা অংশ (I, II, III আৰু IV) অধ্যয়নৰ পিছত আপোনালোকে আমাক চৌপাশৰ পাৰিপাৰ্শ্বিক অৱস্থাক সুৰক্ষা প্ৰদানৰ বাবে যে পৰিৱেশ শিক্ষা অপৰিহাৰ্য সেয়া উপলব্ধি কৰিবলৈ সক্ষম হৈ উঠিব। আপোনালোকে এই ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিব যে আনুষ্ঠানিক শিক্ষা প্ৰক্ৰিয়াৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ পর্যায়ে পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত এক মজবুত ভেটি সংৰচনা কৰিছে। এই প্ৰসংগত ১৯৮৬ চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে কয় যে মানুহৰ মাজত পৰিৱেশৰ প্ৰতি সচেতনতা সৃষ্টি কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। শিশুৰ পৰা আৰম্ভ কৰি সমাজৰ বিভিন্ন স্তৰ আৰু সকলো বয়সৰ ব্যক্তিয়ে পৰিৱেশৰ প্ৰতি সচেতন দৃষ্টিভংগী পোষণ কৰা উচিত। পৰিৱেশ সচেতনতাক বিদ্যালয় আৰু মহাবিদ্যালয় পর্যায়ৰ শিক্ষাদানত নিশ্চিত ৰূপে অন্তর্ভুক্ত কৰিব লাগে। সমগ্ৰ শৈক্ষিক প্ৰক্ৰিয়াৰ লগতে এই দিশটো চামিল কৰিব লাগে।

এই অধ্যায়টিত আমি আনুষ্ঠানিক শিক্ষাৰ বিভিন্ন পর্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ আৰু লগতে পাঠ্যক্ৰমত অন্তর্ভুক্ত কৰিব পৰা পৰিৱেশ শিক্ষাৰ বিভিন্ন কার্যসূচীৰ সম্পর্কে আলোচনা কৰা হ'ব।

৫.৩ বিদ্যালয়ত আনুষ্ঠানিক পৰিৱেশ শিক্ষা

পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত চাৰিটা প্ৰমুখ্য সম্বন্ধিত আৰু আন সম্পর্কিত উপাদান হ'ল সজাগতা, বাস্তৱ জীৱনৰ পৰিস্থিতি, সংৰক্ষন আৰু বহনক্ষম উন্নয়ন। তলত এই চাৰিওটা উপাদান সম্পর্কে চমু আলোচনা আগবঢ়োৱা হ'ল —

- **সজাগতা ঃ** সজাগতাই ব্যক্তিক পৰিৱেশৰ বৈষয়িক, জৈৱিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ প্ৰতি সংবেদনশীল হোৱাটোকে বুজায়। আমাৰ চৌপাশৰ পাৰিপাৰ্শ্বিক অৱস্থাটো জীৱন প্ৰক্ৰিয়াৰ সমর্থন প্ৰণালী হিচাপে কাম কৰি আছে আৰু সমর্থন প্ৰনালীৰ লগত ছয়টা উপাদান বিশেষভাৱে জড়িত হৈ আছে — সেয়া হ'ল বায়ু, ভূমি, পানী, উদ্ভিদ, প্ৰানী আৰু সূর্য্যৰ ৰশ্মি। এই উপাদানসমূহৰ মাজত এক গতিশীল সম্পর্ক বিৰাজমান। জীৱন সমর্থন প্ৰনালীৰ লগত জড়িত এই উপাদানসমূহৰ মাজৰ গতিশীল সম্পর্ক অক্ষুন্ন ৰখাৰ বাবে পৰিৱেশৰ শ্ৰেষ্ঠ জীৱ হিচাপে মানুহে মূখ্য দায়িত্ব বহন কৰিব লাগে।
- **বাস্তৱ জীৱনৰ পৰিস্থিতি ঃ** বাস্তৱ জীৱনৰ পৰিস্থিতি মানুহৰ জীৱন সংলগ্ন, যিবোৰ ঠাই ভিত্তিক আৰু সেই অনুযায়ী অঞ্চল ভেদে সমস্যাবোৰ আৰু প্ৰাধান্যতা বেলেগ বেলেগ।
- **সংৰক্ষন ঃ** সংৰক্ষনৰ দ্বাৰা উপলব্ধ প্ৰাকৃতিক সম্পদসমূহ বর্তমানৰ প্ৰজন্ম আৰু ভৱিষ্যতৰ প্ৰজন্মই দূৰদর্শিতাৰে সদব্যৱহাৰ কৰাটোকে বুজোৱা হয়।
- **বহনক্ষম উন্নয়ন ঃ** ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজনবোৰৰ প্ৰতি চিন্তাশীল দৃষ্টিভংগী গ্ৰহন কৰি বর্তমান প্ৰজন্মৰ প্ৰয়োজনসমূহ পূৰণ কৰা প্ৰক্ৰিয়াটোকে বহনক্ষম উন্নয়ন বোলে।

সম্পদসমূহৰ সীমিত পর্যাপ্ততাৰ প্রতি লক্ষ্য ৰাখি বৌদ্ধিকভাৱে আৰু দূৰদর্শিতাৰে তাৰ ব্যৱহাৰৰ চেষ্টা কৰিব লাগে।

আনুষ্ঠানিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম ৰাষ্ট্রীয় পাঠ্যক্রম প্রস্তুতি (2005) (National Curriculum Framework 2005) আৰু ৰাষ্ট্রীয় শৈক্ষিক গৱেষনা আৰু প্রশিক্ষণ পৰিষদ (National Council of Educational Research and Training) এই দুই ৰাষ্ট্রীয় নীতিৰ দ্বাৰা প্রভাৱিত, ইয়াৰোপৰি 2010 চনৰ ডিচেম্বৰ মাহত সকলো পাঠ্যক্রমক পৰিৱেশ কেন্দ্রীক কৰি তোলাৰ বাবে এম.চি.মেহতাৰ দ্বাৰা গঠিত 1991 চনৰ আবেদনৰ প্রতি উচ্চতম ন্যায়ালয়ে নির্দেশনা জাৰি কৰে। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা অনুমোদিত আনুষ্ঠানিক শিক্ষা প্রক্রিয়াত পৰিৱেশ শিক্ষাৰ ধাৰণা সুন্দৰভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্রত NCERT ৰ দ্বাৰা নিশ্চিত কৰা শপতনামাই এক বলিষ্ঠ ভূমিকা গ্রহণ কৰে, যিয়ে পৰিৱেশ শিক্ষাৰ ক্ষেত্রত ইনফিউজন্ পদ্ধতিৰ (Infusion Approach) পোষকতা কৰে। ইয়ে প্রথম শ্রেণীৰ পৰা দ্বাদশ শ্রেণীলৈকে সকলোবোৰ বিষয়তে পৰিৱেশীয় দৃষ্টিভংগীৰ প্রয়োজনৰ কথা বুজায়। ২০১০ চনৰ ডিচেম্বৰ মাহত উচ্চতম ন্যায়ালয়ে NCERT ৰ শপতনামাৰ গ্রহণযোগ্যতা ঘোষনা কৰাৰ লগতে ভাৰতবর্ষত পৰিৱেশ শিক্ষা বাস্তৱ মূখী কৰি তোলাৰ পদ্ধতিবোৰ দেখুৱাই। ৰাষ্ট্রীয় পাঠ্যক্রম প্রস্তুতি (National Curriculum Framework 2005) ৰ ভিত্তিত বিদ্যালয়ত পৰিৱেশ শিক্ষা প্রদান কৰাৰ বাবে NCERT য়ে তলত দিয়া পদ্ধতিবোৰৰ পৰামর্শ আগবঢ়ায় —

শ্রেণী	প্রেৰণ কৰাৰ মাধ্যম
প্রথমৰ পৰা দ্বিতীয়	ক্রিয়াকলাপৰ দ্বাৰা
তৃতীয়ৰ পৰা পঞ্চম	পৰিৱেশ অধ্যয়ন
ষষ্ঠৰ পৰা দশম	ইনফিউজন আৰ্হি
একাদশৰ পৰা দ্বাদশ	প্রকল্প ভিত্তিক অধ্যয়ন

বিগত দুটা দশক ধৰি ৰাষ্ট্রীয় শৈক্ষিক, গৱেষনা আৰু প্রশিক্ষন পৰিষদে কেৱল মাত্র পাঠ্যক্রম আৰু শিক্ষকসকলৰ বাবে পৰিৱেশৰ বিষয় সম্বলিত হাতপুথি প্রণয়নতে সীমাবদ্ধ থকা নাই, সমান্তৰালভাৱে পাঠ্যপুথি প্রস্তুতিৰ ক্ষেত্রত কেতবোৰ নির্ধাৰিত নির্দেশনাৱলীও ৰূপায়ন কৰি উলিয়াইছে।

ৰাষ্ট্রীয় পাঠ্যক্রম প্রস্তুতি (National Curriculum Framework 2005) অনুসৰি পৰিৱেশ শিক্ষাৰ প্রাসংগিকতা বিবেচনা কৰি পাঠ্যক্রমৰ অন্তর্ভুক্তি বিষয়সমূহে যুৱ-প্রজন্মৰ শিক্ষার্থীসকলৰ মাজত পৰিৱেশ আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহৰ সামগ্রীক দিশৰ প্রতি সচেতন আৰু সংবেদনশীল কৰি তোলাৰ পোষকতা কৰে। এনে পদক্ষেপে নিশ্চিতভাৱে প্রাকৃতিক, সামাজিক আৰু সামগ্রিকভাৱে পাৰিপার্শ্বিক অৱস্থাৰ লগত জড়িত সমস্যাসমূহৰ ওপৰত আৱশ্যকীয় জ্ঞান আয়ত্বকৰণৰ মাধ্যমেৰে পৃথিৱীৰ ভৱিষ্যত সংৰক্ষক সকলক উপযুক্ত ধৰনে দক্ষ কৰি গঢ়ি তুলিব যাতে উক্ত সমস্যাবোৰ ধনাত্মক আৰু বহনক্ষম উপায়েৰে সমাধান কৰিব পৰা যায়।

৫.৪ প্রাথমিক পর্যায়ৰ শিক্ষাৰ বাবে পৰিৱেশ শিক্ষা

প্রাথমিক শিক্ষা সমগ্র আনুষ্ঠানিক শিক্ষা প্রক্রিয়াৰ বাবে বুনিয়াদ বা ভেটি স্বৰূপ। সামগ্রিক আনুষ্ঠানিক শিক্ষা প্রক্রিয়াৰ সফলতা বহুলাংশে প্রাথমিক পর্যায়ৰ শিক্ষাৰ ওপৰত ভিত্তি কৰে। এই প্রাথমিক পর্যায়ত শিক্ষার্থীসকলৰ মাজত পৰিৱেশ সম্বন্ধে মৌলিক চিন্তাৰ বিকাশ ঘটাব পাৰি। ইয়াৰোপৰি তেওঁলোকে বসবাস কৰি থকা পাৰিপার্শ্বিক অৱস্থাৰ প্রধান উপাদানসমূহ যেনে মাটি, বায়ু, পানী ইত্যাদি পাঠ্যক্রমত অন্তর্ভুক্ত কৰি শিক্ষার্থীসকলক এই সম্পর্কীয় দিশত গভীৰ জ্ঞান প্রদান কৰিব পাৰি। ইয়ে শিক্ষার্থীসকলক প্রকৃতি আৰু মানুহৰ মাজত থকা গভীৰ যোগসূত্র অনুধাৱন কৰা প্রক্রিয়া সহজ কৰি তুলিব। শিশুসকলক তেওঁলোকৰ পৰিয়ালৰ পৰিৱেশৰ লগতে স্থানীয় পৰিৱেশ আৰু তাৰ লগত নিজৰ পাৰস্পৰিক সম্পর্কৰ গুৰুত্ব বুজি উঠিবৰ বাবে এই পর্যায়ৰ শিক্ষা ব্যৱস্থাত পর্যাপ্ত সুবিধা প্রদানৰ প্রয়োজন। এই পর্য্যায়ৰ শিক্ষার্থীসকলক জনসংখ্যা বিস্ফোৰণ আৰু প্রদূষনৰ সমস্যা সম্পর্কেও জনাত সহায় কৰিব পাৰি। জনসংখ্যাৰ আয়নত আৰু পৰিৱেশৰ মাজৰ সম্পর্ক আৰু লগতে জীৱনৰ গুনগত মানদণ্ডৰ নির্ণায়কসমূহৰ বিষয়ে বিতংভাৱে জনোৱাৰ বাবে বিশেষ পদক্ষেপবোৰ গ্রহণ কৰিব পৰা যায়। প্রাথমিক শিক্ষাৰ পাঠ্যক্রমত জীৱনৰ অস্তিত্ব বর্তাই ৰখাৰ বাবে প্রয়োজনীয় সকলোবোৰ বিষয় অন্তর্ভুক্ত কৰিব লাগে যাতে শিক্ষার্থীসকলে তেওঁলোকৰ নিজৰ পাৰিপার্শ্বিক অৱস্থাটোৰ গুৰুত্বসম্পর্কে ভাল ভাৱে উপলব্ধি কৰিব পাৰে।

প্রধানত প্রাথমিক পর্যায়ত শিক্ষার্থীসকলক পৰিৱেশৰ প্রতি সংবেদনশীল কৰি তোলাৰ ওপৰত গুৰুত্ব দিব লাগে। এই ক্ষেত্রত ৭৫% ছাত্র-ছাত্রীসকলৰ মাজৰ পৰিৱেশীয় সজাগতা সৃষ্টি কৰাৰ বাবে ২০% বাস্তৱ জীৱনৰ পৰিস্থিতিৰ ওপৰত ৫% আৰু পৰিৱেশৰ সংৰক্ষনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। আকৌ শিক্ষণীয় কৌশল হিচাপে এই পর্য্যায়ত দৃশ্য শ্রাব্য সজুঁলি আৰু ক্ষেত্র পৰিদর্শন বিশেষভাৱে গুৰুত্বপূর্ণ।

৫.৪.১ প্রাথমিক শিক্ষাৰ পর্য্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ

২০০৫ চনৰ ৰাষ্ট্রীয় পাঠ্যক্রম প্রস্তুতি য়ে প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষা প্রদানৰ বেলিকা নিম্ন প্রদত্ত উদ্দেশ্যবোৰৰ কথা উল্লেখ কৰে —

- শিশুসকলক প্রাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত থকা পাৰস্পৰিক সম্পর্ক বুজি উঠিব পৰা ধৰণে প্রশিক্ষণ প্রদান কৰা।
- জীৱনৰ বিভিন্ন দিশ যেনে — শাৰীৰিক, জৈৱিক, সামাজিক, সাংস্কৃতিক আদিৰ প্রতি বিমূর্ত ধাৰণাৰ পৰিৱর্তে পর্যবেক্ষণ আৰু উদাহৰণৰ মাধ্যমত বাস্তৱ ভিত্তিক ধাৰণাৰ বিকাশ ঘটোৱা।
- পৰিয়ালৰ পৰা আৰম্ভ কৰি বৃহত্তৰ সমাজৰ ঘটনাৰাজিৰ প্রতি কৌতূহলী কৰি তোলাৰ বাবে শিশুসকলৰ মাজত সংজ্ঞানাত্মক ক্ষমতা আৰু সম্পদশীলতা সৃষ্টি কৰা।

- প্রাকৃতিক পৰিৱেশৰ লগত সম্পর্ক সন্দর্ভত শিশুৰ কৌতূহ'ল আৰু সৃষ্টিশীলতাক সজীৱ কৰি ৰখা।
- পৰিৱেশৰ বিভিন্ন দিশৰ প্রতি শিশুসকলৰ মাজত সজাগতা সৃষ্টি কৰা।
- পর্যবেক্ষণ, শ্রেণীকৰণ, অনুমাণ ইত্যাদিৰ মাধ্যমেৰে সংজ্ঞানাত্মক আৰু মনোসঞ্চালনাঅক দক্ষতা অর্জনৰ বাবে শিশুসকলক অনুসন্ধান মূলক আৰু হাতে কামে কৰা বাখ্যা বিলাকত জড়িত কৰোৱা।
- পৰৱর্তী পর্য্যায়ত প্রযুক্তিবিদ্যা আৰু পৰিমাণগত দক্ষতাৰ বিকাশৰ বাবে নক্সা, নির্মাণ সাম্ভাব্য অৱধাৰণ আৰু পৰিমাপণ আদিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা।
- সমতা আৰু ন্যায় সম্বন্ধিত প্রমূল্যৰ লগতে লিংগভিত্তিক উৎপীড়ন, নিষ্পেষণ আৰু মানৱীয় মর্যদাৰ প্রতি সন্মান সূচক দৃষ্টিভংগী ইত্যাদি বিভিন্ন দিশবোৰ পৰিচিতি দাঙি ধৰা।

৫.৪.২ প্রাথমিক শিক্ষাৰ পর্যায়ত পৰিৱেশ শিক্ষাৰ গুৰুত্ব

পৰিৱেশৰ প্রতি শিশুৰ মনৰ কৌতূহ'ল চৰিতার্থ কৰিবৰ বাবে প্রাথমিক শিক্ষাই বিভিন্ন পৰিৱেশীয় সমস্যাসমূহ সমাধানৰ সন্দর্ভত যথেষ্টখিনি সম্ভাৱনীয়তা বহন কৰে। যদিহে শিশুসকলক পৰিৱেশৰ যথার্থ জ্ঞানেৰে শিক্ষিত কৰিব পৰা যায়, তেতিয়াহ'লে তেওঁলোকে নিশ্চিতভাৱে প্রকৃতিৰ প্রতি সন্মান প্রদর্শন কৰিব আৰু পৰিৱেশ সংৰক্ষণৰ মাধ্যমেৰে ইয়াৰ গুণমাণ উন্নীতকৰনত বিশেষ ভূমিকা গ্রহন কৰিব।

শিশুসকলৰ মাজত নৈতিকতাৰ ভেঁটি মজবুত কৰিবলৈ মানৱ জীৱনৰ আগতীয়া বাল্য কালছোৱাক সোণালী সময় বুলিব পাৰি। আজিৰ শিশুৰ দূৰদর্শী আৰু দায়িত্বশীল সিদ্ধান্তই ভৱিষ্যতৰ স্বাস্থ্যকৰ পৰিৱেশ ৰচনা কৰাত বিশেষভাৱে সহায়কাৰী হৈ উঠিব। শিশুসকলক এনেধৰণৰ দায়িত্বশীল দিশবোৰৰ প্রতি প্রস্তুত কৰি তোলাৰ বাবে বাল্যকালত এক উপযুক্ত পৰিৱেশ শিক্ষাৰ যথেষ্ট প্রয়োজন।

প্রাথমিক স্তৰত পৰিৱেশীয় সচেতনতাক এই কাৰণেই ইমান গুৰুত্ব আৰোপ কৰা হৈছে যে প্রাথমিক শিক্ষাত এক উল্লেখযোগ্য জনসংখ্যাৰ অনুপাত প্রান্তিক পর্যায়তে আছে।

ওপৰত আলোচিত দিশসমূহৰ উপৰিও পৰিৱেশ শিক্ষাৰ অন্তৰালত কেতবোৰ বিস্তৃত লক্ষ্য আছে। সেয়েহে পৰিৱেশ শিক্ষাৰ প্রয়োজনীয়তাৰ মূল দিশবোৰ এনেধৰনে উল্লেখ কৰিব পাৰি —

- শিশুসকলৰ বৌদ্ধিক বিকাশ আৰু সমস্যা সমাধান কৌশলৰ সম্প্রসাৰণ কৰা।
- শিশুসকলৰ মাজত আশ্চর্যতা, কল্পনা প্রৱণতা আৰু সৃষ্টিশীলতাক সজীৱ কৰি ৰখা।

- শাৰীৰিক বিকাশত গুৰুত্ব আৰোপ কৰা।
- সৌন্দর্যাত্মক চেতনাবোধ, আত্মীয়তাবোধ ইত্যাদি অক্ষুন্ন ৰখা।
- প্রতিজন শিশুৰ মনতে বাল্যকালৰ পৰাই পৰিৱেশৰ প্রতি সদর্থক মনোভাৱ তৈয়াৰ কৰা।
- বিদ্যালয়ৰ মাধ্যমেৰে পৰিৱেশ সম্বন্ধিত জ্ঞান বোধন ক্ষমতা আদি বিকশিত কৰাৰ সুযোগ হেৰুৱাব নালাগে।
- পৰিৱেশ আৰু মানুহৰ মাজত থকা আন্তঃনির্ভৰশীলতা আৰু আন্তঃসম্পর্ক বুজি পোৱাত সহায় কৰা।

আমাৰ দৈনন্দিন জীৱনত লোৱা বিভিন্ন ধৰণৰ সিদ্ধান্তবোৰে পৰিৱেশৰ ওপৰত বাৰুকৈয়ে প্রভাৱ পেলায়। উদাহৰণস্বৰূপে আমি কেনেকুৱা সামগ্রী কিনিব লাগে, কোনবোৰ সামগ্রী পৰিৱেশ হিতৈষী আৰু সামগ্রীবোৰ কেনেদৰে ব্যৱহাৰ কৰিব লাগে। জীৱনৰ প্রাৰম্ভিক পর্যায়ৰ পৰাই ল'ৰা-ছোৱালীক এই কথা শিকাব লাগে, পৰিৱেশে আমাৰ জীৱন প্রক্রিয়াৰ ওপৰত কিদৰে ব্যাপক প্রভাৱ পেলায় ঠিক একেদৰে আমাৰ জীৱন ধাৰনৰ শৈলীয়েও পৰিৱেশৰ ওপৰত অনুৰূপ প্রভাৱ পেলায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 1ঃ প্রাথমিক শিক্ষাৰ পর্যায়ত ল'ৰা-ছোৱালী সকলৰ মাজত পৰিৱেশ সজাগতা সৃষ্টি কৰাৰ ক্ষেত্রত কিমান শতাংশ গুৰুত্ব আৰোপ কৰিব লাগে?

.....

.....

প্রশ্ন নং 2ঃ প্রাথমিক শিক্ষাৰ পর্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য লিখক।

.....

.....

প্রশ্ন নং 3ঃ প্রাথমিক পর্য্যায়ত কিয় পৰিৱেশ শিক্ষা শিকোৱাৰ প্রয়োজন?

.....

.....

প্রশ্ন নং 4ঃ পৰিৱেশ শিক্ষাৰ লগত জড়িত চাৰিটা প্রধান আন্তঃসম্পর্কীয় উপাদান হ'ল ....., ... , ... আৰু .....।

(খালী ঠাই পূৰ কৰক)

৫.৫ ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয়ৰ পর্যায়ত পৰিৱেশ শিক্ষাৰ কার্যসূচী

ছাত্র-ছাত্রীসকলে নিজকে দেশত একো একোজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্রত মাধ্যমিক শিক্ষাৰ গুৰুত্ব অপৰিসীম। এই মাধ্যমিক শিক্ষাৰ পর্যায়তে ভৰিষ্যত সমাজ জীৱনৰ বাবে যুৱ প্রজন্মক শক্তিশালী ৰূপত গঢ়ি তুলিব পৰা যায়। মাধ্যমিক শিক্ষা হ'ল মূলতঃ প্রাথমিক আৰু উচ্চ শিক্ষাৰ মাজৰ সেঁতু স্বৰূপে, সেয়েহে মাধ্যমিক শিক্ষাৰ পর্যায়ত পৰিৱেশ সম্বন্ধিত সকলোবোৰ লাগতিয়াল বিষয় পাঠ্যক্রমত অন্তর্ভুক্ত কৰিব লাগে। নিম্ন মাধ্যমিক পর্যায়ৰ পৰাই ছাত্র-ছাত্রীসকলক বাস্তৱ জীৱনৰ পৰিস্থিতি, সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন ইত্যাদি সন্দর্ভত জ্ঞানৰ পৰিধি বিস্তৃত কৰিব লাগে। নিম্ন মাধ্যমিক পৰিৱেশ শিক্ষাৰ উদ্দেশ্য ব্যস্ত জীৱনৰ অভিজ্ঞতা, সজাগতা আৰু সমস্যা চিনাক্তকৰন কৰা ধৰণৰ হ'ব লাগে। সাধাৰণ বিজ্ঞানৰ লগতে প্রাথমিক পর্যায়ত অন্তর্ভুক্ত বিষয়বোৰ ইয়াত বিশদভাৱে ব্যৱহৃত হ'ব লাগে। শিক্ষাদান, ব্যৱহাৰিক কর্ম আৰু ক্ষেত্র পৰিদর্শন এই পর্যায়ৰ শিক্ষাত সু-সংগঠিত কৰিব লাগে।

উচ্চতৰ মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশৰ জ্ঞান আয়ত্বকৰন পৰিৱেশ সংৰক্ষণ, সমস্যাবোৰ চিনাক্তকৰণ আৰু কর্ম কুশলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। পাঠ্যক্রমৰ বিষয়বস্তুবোৰ বিজ্ঞান ভিত্তিক ক্রিয়া জড়িত বিধৰ হ'ব লাগে। উপযুক্ত শিক্ষাদান কৌশল, ক্ষেত্রভিত্তিক কর্ম আদি বিশেষভাৱে বিবেচনাযোগ্য।

৫.৫.১ মাধ্যমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ উদ্দেশ্যবোৰ

- দৈনন্দিন জীৱনত বিজ্ঞানৰ প্রাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।
- ছাত্র-ছাত্রীসকলৰ মনত বৈজ্ঞানিক চেতনাৰ উন্মেষ ঘটোৱা।
- বিজ্ঞানৰ নীতি আৰু অনুশীলনৰ ওপৰত ভিত্তি কৰি এক অনুকূল পাৰিপার্শ্বিক বাতাবৰণ তৈয়াৰ কৰা।
- বিভিন্ন প্রাকৃতিক ঘটনাৰাজিৰ সৈতে ছাত্র-ছাত্রীসকলক পৰিচয় কৰাই দিয়া।
- বিজ্ঞানৰ বিভিন্ন বিষয়বোৰত নিয়োজিত পদ্ধতিবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা ধৰণৰ দৃষ্টিভংগীৰ বিকাশ ঘটোৱা।

৫.৫.২ উচ্চতৰ মাধ্যমিক পর্যায়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা পৰিৱেশ শিক্ষাৰ দিশসমূহ

- **জনসংখ্যা ঃ** জনসংখ্যা বৃদ্ধি আৰু অপৰিকল্পিত জনসংখ্যাৰ বর্ধিত সমস্যাসমূহ।
- **আইন ঃ** ভূমি ব্যৱহাৰ; ভূমি উদ্ধাৰ আৰু ভূমি সংৰক্ষণ।
- **সম্পদসমূহ ঃ** সম্পদৰ ব্যৱহাৰ; সংৰক্ষণ আৰু পুনঃব্যৱহাৰ।
- **খাদ্য আৰু পৰিপুষ্টি ঃ** খাদ্য উৎপাদন, খাদ্য ভেজাল আৰু সংৰক্ষণ; সুষম আহাৰ ইত্যাদি।

- **সংৰক্ষন ঃ** বন্যপ্রানী, গছ-গছনি, মাটি, পানী আৰু অন্যান্য অ-নৱীকৰনযোগ্য প্রাকৃতিক সম্পদ আৰু ইয়াৰ সৌন্দর্য্য সংৰক্ষণৰ কাৰণবোৰ।
- **প্রদূষন ঃ** জল, বায়ু, মাটি আৰু শব্দ প্রদূষনৰ লগতে অন্যান্য কীটনাশক দ্রব্য; ৰাসায়নিক সাৰ আৰু পেলনীয়া সামগ্রীৰ দ্বাৰা হোৱা প্রদূষন।
- **স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞান ঃ** ব্যক্তি, পৰিয়াল, দেশ আৰু সামাজিক স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞান আৰু স্বাস্থ্যৰক্ষাৰ বিপদসংকূলতা ইত্যাদি।
- **মানুহ আৰু প্রকৃতি ঃ** বায়ুমণ্ডল, পৰিৱেশৰ গুণগত মান আৰু ভৱিষ্যতৰ পৃথিৱীৰ অন্যান্য দিশবোৰ।

৫.৫.৩ ভাৰতবর্ষৰ মাধ্যমিক বিদ্যালয় পর্যায়ত কিদৰে পৰিৱেশ শিক্ষা ফলদায়ক কৰিব পাৰি

মাধ্যমিক বিদ্যালয় পর্য্যায়ত পৰিৱেশ শিক্ষা প্রাসংগিক আৰু কার্য্যকৰী কৰি তোলাৰ বাবে পাঠ্যক্রমত পৰিৱেশীয় বিষয়বোৰৰ অন্তর্ভুক্ত কৰাৰ বাবে তলত উল্লেখ কৰা পদক্ষেপবোৰ বিশেষভাৱে প্রয়োজনীয় —

- **শিকিবলগীয়া ধাৰণাৰ সংখ্যা হ্রাসকৰণ ঃ** প্রতিটো অধ্যয়নৰ গোটত তিনিটাতকৈ অধিক ধাৰণা অন্তর্ভুক্ত কৰিব নালাগে। ইয়াৰ অর্থ এয়াই ছাত্র-ছাত্রীসকলক সচেষ্ট ৰূপত পৰিৱেশ শিক্ষাৰ ধাৰণাসমূহ আয়ত্ব কৰোৱা আৰু একে সময়তে শিকাৰ সীমা মূল্যায়ন কৰিব লাগিব যাতে অধিক শিকিবলৈ আগ্রহী শিক্ষার্থীসকলৰ পথৰুদ্ধ হৈ নাযায়। উল্লেখযোগ্য যে যদিহে শিকোৱাৰ পদ্ধতি অধিক মনোগ্রাহী হয়, তেতিয়া হ'লে শিক্ষার্থীসকলে আমি ভবাতকৈও অধিক কথা শিকিব পাৰিব।
- **শিকিবলগীয়া বিষয়বিলাকৰ ক্ষেত্রত ধাৰণা** আৰু তথ্যৰ মাজত থকা প্রভেদ **সুস্পষ্ট কৰি তোলা ঃ** ধাৰণা আৰু তথ্য এই শব্দ দুটা প্রায়েই মিশ্রিত ৰূপত ব্যৱহৃত হোৱা দেখা যায়। পাঠ্যপুথি লিখোতা সকলৰ দ্বাৰা বিস্তৃত বিৱৰন সংযোজনৰ দ্বাৰা শিক্ষকসকলৰ বাবে শিক্ষাদান এক জটিল কাম হিচাপে পৰিগনিত কৰাব পাৰি।
- **বিষয় আৰু ধাৰণাৰ পুনৰাবৃত্তি পৰিহাৰ কৰন ঃ** সাধাৰনতে ষষ্ঠ আৰু সপ্তম পৰিৱেশ শিক্ষাৰ পাঠ্যক্রমত থকা মাটি, পানী, বায়ু ইত্যাদি ধাৰণাবোৰ পৰৱর্তী পর্যায়বোৰতো একেধৰনে উত্থাপন কৰা দেখা যায়। একেদৰে সপ্তম আৰু অষ্টম শ্রেণীৰ আৰম্ভ কৰা পৰিস্থিতি তন্ত্র আৰু বনাঞ্চলৰ ধাৰণাবোৰ নৱম শ্রেণীত আকৌ পুনৰাবৃত্তি কৰা হয়। এই একে ধৰণৰ বিষয়বোৰ আকৌ বিজ্ঞান আৰু ভূগোলতো সমান্তৰালভাৱে পঢ়ি যাবলগীয়া হয়। ফলস্বৰূপে শিক্ষার্থীসকলৰ মনত বিৰক্তিকৰ ভাবৰ সৃষ্টি হয়।

- **পাঠ্যক্রমৰ উপস্থাপন শৈলী আৰু বিশদ বিৱৰণৰ পৰিৱর্তন কৰি ইয়াৰ শিক্ষণ ফলাফলৰ দিশেৰে অধিক স্পষ্ট কৰি তুলিব লাগে ঃ** কেৱল মাত্র ক্রিয়াত্মক দিশত পৰামর্শদান সীমাবদ্ধ নকৰি শিক্ষণ ফলপ্রাপ্তিৰ বাবেও পৰামর্শ আগবঢ়াব লাগে। পাঠ্যক্রমত শব্দৰ তালিকা দক্ষতা আদিক বিশেষ গুৰুত্ব হিচাপে বিবেচনা কৰিব লাগে যাতে ইয়াৰ সহায়ত শিক্ষার্থীসকলে প্রতিটো স্তৰতে পাণ্ডিত্য অর্জন কৰিব পাৰে। শিক্ষার্থীসকলৰ বিশেষ পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি শিক্ষকৰ বাবে কার্যকলাপ, উদাহৰণ প্রদান আদিৰ সিদ্ধান্ত ভালদৰে ল'ব লাগে।
- **পাঠ্যক্রমৰ প্রস্তুতিত শিক্ষকসকলৰ ব্যাপক অংশগ্রহন ঃ** পাঠ্যক্রমৰ প্রস্তুতিৰ বাবে এক বিকেন্দ্রীকৰণ প্রক্রিয়াৰ সূচনা হ'ব লাগে। পাঠ্যক্রমৰ ৰচনাৰ কালছোৱাত অধিক শিক্ষকৰ অংশগ্রহনৰ বাবে এয়াই হ'ল উপযুক্ত সময়। পৰিৱর্তিত সময়ৰ দাবী অনুযায়ী শিশুসকলৰ সামর্থসমূহৰ বিবেচনাৰে উপযুক্ত পাঠ্যক্রম প্রনয়ণৰ দিশত শিক্ষকসকলৰ স্পষ্ট ধাৰণা থাকে। শিক্ষাৰ বিভিন্ন দপ্তৰ আৰু প্রশাসনিক বিষয়া সকলোতকৈ তৃণমূল পর্যায়ত জড়িত এই শিক্ষকসকলক অধিক প্রাধান্যতা প্রদান কৰা উচিত।
- **প্রতিটো শ্রেণীতে বিষয়ৰ সংখ্যা পৰিৱর্তন কৰা ঃ** কেৱল অধ্যয়নৰ একোটা বিষয় পৰিৱর্তন সামগ্রিকভাৱে বিষয়ৰ সংখ্যা পৰিৱর্তনৰ দিশত সম্ভৱত প্রথম পদক্ষেপ। সমসাময়িকভাৱে ইয়াৰ লগতে প্রতিটো শ্রেণীতে অধ্যয়নৰ বিষয়বোৰকো পৰিৱর্তন কৰিব পাৰি। কেতবোৰ নির্দিষ্ট পর্যায়লৈকে পৰিৱেশ শিক্ষাই বিজ্ঞান আৰু সমাজ অধ্যয়নৰ বিকল্প হিচাপে সহায় কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 5ঃ উচ্চতৰ মাধ্যমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ প্রদানে কিহৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে?

.....

.....

প্রশ্ন নং 6ঃ শিক্ষাৰ মাধ্যমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য লিখক

.....

.....

প্রশ্ন নং 7ঃ উচ্চতৰ মাধ্যমিক পর্যায়ত গুৰুত্ব আৰোপ কৰা পৰিৱেশ শিক্ষাৰ দুটা দিশ লিখক।

.....

.....

প্রশ্ন নং ৪ঃ ভাৰতবর্ষৰ মাধ্যমিক শিক্ষাৰ পর্যায়ত পৰিৱেশ শিক্ষা ফলদায়ক কৰাৰ যিকোনো দুটা পদক্ষেপৰ বিষয়ে লিখক।

.....

.....

৫.৬ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষাৰ কার্য্যসূচী

উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে মানুহৰ দৈনন্দিন জীৱন যাত্রাক প্রভাৱিত কৰিব পৰা ধৰণ সংবাদৰ প্রসাৰন আৰু সামাজিক মনোভাৱ গঠনৰ লগত গভীৰভাৱে সম্পর্কিত হৈ আছে। উচ্চ শিক্ষা বুলিলে সাধাৰণতে মহাবিদ্যালয়, বিশ্ববিদ্যালয়, গৱেষনা আৰু প্রশিক্ষন কেন্দ্র, নিয়োগকর্তা, ছাত্র সংগঠনবোৰৰ ঘোষনা ভিত্তিক সংস্থা, চৰকাৰী আৰু কার্যকৰী সংগঠন আদিকে সামৰি লয়। এই অনুষ্ঠানবোৰে বিষয়ভিত্তিক আৰু আঞ্চলিক পৰিধিৰ পৰা উর্দ্ধত আন্তর্জাতিক দৃষ্টিভংগীৰ মাধ্যমেৰে প্রগতিশীল হোৱাৰ কথা চিন্তা কৰে। ভৱিষ্যত প্রজন্মৰ বাবে সোণালী ইতিহাস ৰচনা কৰিব পৰা ধৰণৰ নেতৃস্থানীয় ব্যক্তিৰ সৃষ্টিত বিশেষভাৱে মনোনিৱেশ কৰে। এই খিনিতে বিশেষভাৱে উল্লেখযোগ্য যে ভাৰতবর্ষৰ উচ্চতম ন্যায়ালয়ে ১৯৯১ চনতে স্নাতক পর্য্যায়ৰ বাবে পৰিৱেশ শিক্ষাক এক বাধ্যতামূলক অধ্যয়নৰ বিষয় হিচাপে বলবৎ কৰাৰ বাবে ৰায়দান কৰে। সেইমর্মে বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grants Commission) ২০০৪ চনত সংশ্লিষ্ট সকলোবোৰ ইঞ্জিনিয়াৰিং বিভাগৰ শাখাকে পৰিৱেশ শিক্ষা বাধ্যতামূলকভাৱে শিকোৱাৰ নির্দেশনা জাৰি কৰে।

মহামান্য উচ্চতম ন্যায়ালয়ে বিশ্ববিদ্যালয় অনুদান আয়োগক পৰিৱেশ শিক্ষাদানৰ লক্ষ্য বাস্তৱায়নৰ বাবে মহাবিদ্যালয়ৰ শিক্ষাৰ প্রতিটো পর্যায়তে পৰিৱেশৰ ওপৰত এক বুনিয়াদী পাঠ্যক্রম আৰম্ভ কৰিবলৈ নির্দেশনা প্রদান কৰে। পৰিনতি স্বৰূপে বিশ্ববিদ্যালয় অনুদান আয়োগে সমগ্র দেশত মহাবিদ্যালয় সমূহত ছয়মহীয়া এক বাধ্যতামূলক পৰিৱেশ শিক্ষাৰ বুনিয়াদী বিষয় কার্যকৰী কৰে। এই ক্ষেত্রত সকলোবোৰ দিশ সুন্দৰভাৱে তদাৰক কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে এখন বিশেষজ্ঞৰ কমিটি গঠন কৰে। পৰৱর্তী পর্যায়ত উচ্চ শিক্ষাৰ সকলোবোৰ শাখাৰ বাবে স্নাতক পর্যায় শিক্ষার্থীসকলৰ উপযোগী হোৱাকৈ পৰিৱেশ শিক্ষাৰ পাঠ্যক্রম প্রস্তুত কৰা হৈছিল। মুঠৰ ওপৰত সমাজ জীৱনত দায়িত্বশীল নাগৰিক, প্রভাৱশালী সমূহ বা দল শিক্ষক আৰু নীতি প্রণেতা হোৱাৰ উদ্দেশ্যৰে পৰিৱেশ শিকাৰ পৰিধি বিস্তৃত কৰাৰ বাবে উচ্চ শিক্ষাৰ কার্যসূচীসমূহে যৎপৰোনাস্তি চেষ্টা কৰি আহিছে।

গোলকীয় পর্যায়ত ১৯৯০ চনত অনুষ্ঠিত Talloires ঘোষণা ফান্সৰ Talloires লৈ ২২ খন নেতৃস্থানীয় বিশ্ববিদ্যালয়ক আমন্ত্রন কৰে য'ত সাম্প্রতিক পৰিৱেশীয় অৱস্থা আৰু বহনক্ষম পৰিৱেশ উন্নয়নৰ বাবে বিশ্ববিদ্যালয়ৰ বলিষ্ঠ ভূমিকাৰ বিষয়ে আলোকপাত কৰা হয়। এই ঘোষণাপত্রই পৰিৱেশীয় প্রত্যাহ্বানবোৰ ভাঙি ধৰাৰ লগতে পৰিৱেশবিদৰ অভাৱ আৰু জনস্বাস্থ্যৰ ওপৰত পৰিৱেশৰ প্রভাৱ সম্পর্কে শিক্ষাৰ লগত জড়িত ব্যক্তিসকলৰ মাজত থকা বুজাপৰাৰ

অভাৱৰ কথাক আলোকপাত কৰে। ইয়াৰোপৰি এই সমগ্ৰ দিশত বিশ্ববিদ্যালয়ৰ ভূমিকা সম্বন্ধীয় দিশৰ ওপৰতো জো�ৰ দিয়ে। Talloires ঘোষণা য়ে শিক্ষা, গৱেষণা, নির্দেশনা আৰু সেৱাৰ মাধ্যমেৰে পৰিৱেশীয় সমস্যাসমূহৰ স্বীকৃতি দান কৰে।

উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে পৰিৱেশ অৱনতিৰ মূল কাৰনসমূহ বুজি উঠাত সহায় কৰাৰ লগতে বহনক্ষম উন্নয়নৰ দিশত প্রয়োজনীয় পদক্ষেপ গ্রহনৰ বাবে অভিপ্রেত কৰে। উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰে সংহতি আৰু মানৱীয় চেতনাক প্রতিনিধিত্ব কৰাৰ লগতে অসমতাৰ বাবে জগৱীয়া কাৰকবোৰৰ বিষয়েও শিকায়। উচ্চ শিক্ষাৰ অনুষ্ঠান হিচাপে মহাবিদ্যালয় বিশ্ববিদ্যালয় আৰু পেছাগত শিক্ষাৰ সকলোবোৰ বিষয়তে বিভিন্ন পৰিৱেশীয় ধাৰণাবোৰ অন্তর্ভুক্ত কৰাৰ লগতে গৱেষণা শিক্ষার্থীসকলকো এই সম্বন্ধীয় জ্ঞান প্রদান কৰা হয়। পৰিৱেশ শিক্ষাৰ বিভিন্ন পাঠ্যক্রমত বিশ্বায়ন, পৰিৱেশীয় মূল্যবোধ, পৰিৱেশীয় লিপি, সামাজিক ন্যায়, জনসংখ্যা বৃদ্ধি, মহিলা আৰু উন্নয়ন, নগৰীয়া পৰিস্থিতি তন্ত্র ইত্যাদি বিভিন্ন সমসাময়িক দিশবোৰ অন্তর্ভুক্ত কৰা হয়।

এই খিনিতে উল্লেখযোগ্য যে বিশ্ববিদ্যালয়বোৰে পাঠ্যক্রম আৰু সম্পদৰ বিকাশ, প্রশিক্ষণ, গৱেষনা, যন্ত্র-পাতি, সা-সজুঁলি, বিভিন্ন বিকাশমূলক কার্যাৱলী আদিত বিশেষভাৱে সচেষ্ট হোৱাৰ প্রয়োজনীয়তা আছে। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে পৰিৱর্তিত পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি পৰিৱেশৰ সংৰক্ষন আৰু উন্নীত কৰণৰ হেতু দৃঢ় পদক্ষেপ গ্রহণৰ বাবে গণ ভিত্তিক কার্য পৰিকল্পনা তৈয়াৰ কৰিব লাগে। ইয়াৰোপৰি উত্তৰ প্রজন্মৰ নিৰাপদ ভৱিষ্যতৰ বাবে পৰিৱেশৰ হকে কাম কৰিব পৰা জণ-শক্তি, প্রশিক্ষণ, পাঠ্যক্রম উন্নয়ন, গৱেষণা, তথ্যজনিত শিক্ষা, নীতিৰ সংশোধন ইত্যাদি বিভিন্ন দিশবোৰ অধিক গুৰুত্ব সহকাৰে বিবেচনা কৰিব লাগে। বিশ্ববিদ্যালয়বোৰে পৰিৱেশ সম্পর্কিত প্রকল্প, সহায়কাৰী গৱেষণামূলক কার্য, পেছাদাৰী সংস্থা আৰু উদ্যোগৰ সৈতে বিভিন্ন পৰিৱেশীয় কার্যকলাপবোৰত সম্মিলিত ভাৱে অংশগ্রহণ আদিৰ ওপৰত বিশেষভাৱে মনোনিৱেশ কৰিব লাগে।

আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ বাবে পাঠ্যক্রম ৰচনা কৰি থকা সময়ত সমান্তৰালভাৱে পৰিৱেশ শিক্ষাৰ ওপৰত শিক্ষক সকলৰ প্রশিক্ষণৰ ক্ষেত্রত বিশ্ববিদ্যালয়সমূহে বিশেষভাৱে মনোনিৱেশ কৰিব লাগে। ইয়াৰোপৰি সাধাৰণ শিক্ষাৰ পাঠ্যক্রমতো পৰিৱেশ শিক্ষাৰ বিষয়বোৰে বিশেষ স্থান লাভ কৰাটো প্রয়োজনীয়। বিশ্ববিদ্যালয়বোৰে পৰিৱেশ সুৰক্ষা আৰু সংস্থা আৰু তৃতীয় শিক্ষা প্রতিষ্ঠানৰ মাজত নেটৱর্ক আৰু অংশীদাৰিত্বৰ ওপৰতো মনোনিৱেশ কৰিব লাগে। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে মূলত প্রগতিশীল পথেৰে অগ্রসৰ হোৱাৰ বাবে চেষ্টা অব্যাহত ৰাখিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ..... চনত Talloires ঘোষনাপত্র গঠন কৰা হৈছিল (খালী ঠাই পূৰ কৰক)।

.....

.....

প্রশ্ন নং 10ঃ কোনে ইঞ্জিনিয়াৰিং বিষয়ৰ সকলো শাখাতে পৰিৱেশ শিক্ষা বাধ্যতামূলক কৰাৰ বাবে নির্দেশনা আগবঢ়াইছিল ?

.....

.....

প্রশ্ন নং 11ঃ পৰিৱেশৰ ওপৰত স্নাতকোত্তৰ শিক্ষাত বিভিন্ন বিশ্ববিদ্যালয়সমূহে আগবঢ়োৱা যিকোনো এখন আঁচনিৰ বিষয়ে লিখক।

.....

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জীৱনব্যাপী শিক্ষা গ্রহণ কৰা প্রক্রিয়াৰ মাধ্যমেৰে মানুহক বহনক্ষম উন্নয়নৰ দিশত সক্রিয়ভাৱে জড়িত কৰাৰ বাবে পৰিৱেশ শিক্ষাৰ কার্যসূচীবোৰ অপৰিহার্য্য। ইয়ে ছাত্র-ছাত্রীসকলক বহনক্ষম উন্নয়নৰ লগতে এক সন্তুলিত জীৱন অতিবাহিত কৰাৰ বাবে প্রয়োজনীয় সংবাদ আৰু দক্ষতা প্রদান কৰে।
- ৰাষ্ট্রীয় পাঠ্যক্রম প্রস্তুত 2005 অনুসৰি পৰিৱেশ শিক্ষাৰ প্রাসংগিকতা বিবেচনা কৰি পাঠ্যক্রমত অন্তর্ভুক্ত বিষয়সমূহে যুৱ প্রজন্মৰ শিক্ষার্থীসকলৰ মাজত পৰিৱেশ আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহৰ সামগ্রিক দিশৰ প্রতি সচেতন আৰু সংবেদনশীল কৰি তোলাৰ পোষকতা কৰে। এনে পদক্ষেপে নিশ্চিত ভাৱে, প্রাকৃতিক, সামাজিক আৰু সামগ্রিকভাৱে পাৰিপার্শ্বিক অৱস্থাৰ লগত জড়িত সমস্যাসমূহৰ ওপৰত আৱশ্যকীয় জ্ঞান আয়ত্বকৰণৰ মাধ্যমেৰে পৃথিৱীৰ ভৱিষ্যত সংৰক্ষকসকলক কার্যক্ষম কৰি গঢ়ি তুলিব যাতে উক্ত সমস্যাবোৰ ধনাত্মক আৰু বহনক্ষম উপায়েৰে সমাধান কৰিব পৰা যায়।
- প্রাথমিক শিক্ষা সমগ্র আনুষ্ঠানিক শিক্ষা প্রক্রিয়াৰ বাবে বুনিয়াদ বা ভেঁটি স্বৰূপ। সমগ্র আনুষ্ঠানিক শিক্ষা প্রক্রিয়াৰ সফলতাৰ বহুলাংশে প্রাথমিক পর্যায়ৰ শিক্ষাৰ ওপৰত নির্ভৰ কৰে। প্রাথমিক পর্যায়ৰ শিক্ষা প্রক্রিয়াত শিক্ষার্থীসকলৰ মাজত পৰিৱেশ সম্বন্ধীয় মৌলিক চিন্তাৰ বিকাশ ঘটাব পাৰি। ইয়াৰোপৰি তেওঁলোকে বসবাস কৰি থকা পাৰিপার্শ্বিক অৱস্থাৰ প্রধান উপাদানসমূহ যেনে— মাটি, পানী, বায়ু ইত্যাদি পাঠ্যক্রমত অন্তর্ভুক্ত কৰি শিক্ষার্থীসকলক এই সম্বন্ধীয় প্রাথমিক জ্ঞান প্রদান কৰিব লাগে। ইয়ে শিক্ষার্থীসকলক প্রকৃতি আৰু মানুহৰ মাজত থকা গভীৰ যোগসূত্র অনুধাৱন কৰা প্রক্রিয়া সহজ কৰি তুলিব।

- পৰিৱেশ শিক্ষা ছাত্র-ছাত্রীসকলে তেওঁলোকৰ পৰিয়াল, বিদ্যালয় আৰু স্থানীয় পৰিৱেশৰ পৰা লাভ কৰা বিবিধ অভিজ্ঞতাৰ মাধ্যমেৰে আৰম্ভ হোৱা উচিত। প্রাথমিক বিদ্যালয়সমূহে বাধ্যবাধকতা বিহীনভাৱে অনানুষ্ঠানিক উপায়েৰে শিক্ষার্থীসকলৰ মাজত নৈতিক মূল্যবোধ বিকশাই তোলাৰ বাবে কেতবোৰ পদক্ষেপ গ্রহণ কৰিব লাগে।
- সাধাৰণতে প্রাথমিক পর্যায়ত শিক্ষার্থীসকলক পৰিৱেশৰ প্রতি সংবেদনশীল কৰি তোলাৰ ওপৰত গুৰুত্ব দিব লাগে। এই ক্ষেত্রত ৭৫% পৰিৱেশীয় সজাগতা সৃষ্টি কৰাৰ বাবে ২০% বাস্তৱ জীৱনৰ পৰিস্থিতিৰ ওপৰত আৰু ৫% পৰিৱেশৰ সংৰক্ষনৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। শিক্ষাদান কৌশল হিচাপে এই পর্যায়ত দৃশ্য-শ্রাব্য সজুঁলি আৰু ক্ষেত্র পৰিদর্শন অন্তর্ভুক্ত কৰি লয়।
- মাধ্যমিক শিক্ষা পর্যায়ৰ পৰাই ছাত্র-ছাত্রীসকলক বাস্তৱ জীৱনৰ পৰিস্থিতি, সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন ইত্যাদি সন্দর্ভত জ্ঞানৰ পৰিধি বিস্তৃত কৰিব লাগে। নিম্ন মাধ্যমিক পৰিৱেশ শিক্ষাৰ উদ্দেশ্য ব্যস্ত জীৱনৰ অভিজ্ঞতা, সজাগতা আৰু সমস্যা চিনাক্তকৰণ কৰা ধৰণৰ হ'ব লাগে। এই পর্যায়ত শিক্ষাদান, ব্যৱহাৰিক কার্য আৰু ক্ষেত্র পৰিদর্শন সু-সংগঠিত কৰিব লাগে।
- উচ্চতৰ মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশৰ জ্ঞান আয়ত্বকৰণ, পৰিৱেশ সংৰক্ষণ, সমস্যাবোৰ চিনাক্তকৰণ আৰু কর্ম কুশলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। পাঠ্যক্রমৰ বিষয়বস্তুবোৰ বিজ্ঞান ভিত্তিক আৰু ক্রিয়া জড়িত বিধৰ হ'ব লাগে। এই পর্যায়ৰ শিক্ষাত উপযুক্ত শিক্ষাদানত ক্ষেত্রভিত্তিক কর্ম বিশেষভাৱে বিবেচনাযোগ্য।
- আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ বাবে পাঠ্যক্রম ৰচনা কৰি থকা সময়ত সমান্তৰালভাৱে পৰিৱেশ শিক্ষাৰ ওপৰত শিক্ষকসকলৰ প্রশিক্ষণৰ ক্ষেত্রত বিশ্ববিদ্যালয়সমূহে বিশেষভাৱে মনোনিৱেশ কৰিব লাগে। ইয়াৰোপৰি সাধাৰণ শিক্ষাৰ পাঠ্যক্রমতো পৰিৱেশ শিক্ষাৰ বিষয়বোৰে বিশেষ স্থান লাভ কৰাটো প্রয়োজনীয়।



৫.৮ অধিক জানিবলৈ

1] Bhattacharya K, Bhattacharya R and Sharma S (2012): Environmental Education, Assam Book Depot.

2] Sharma P.D (1990): Ecology and Environment, Rastogi Publishers, Meerut.

3] Sharma R.A(2010) : Environmental Education, R.Lall Book Depot.

4] Sigh S and Dubey A (1989): Environment Management, Allahbad University.



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ পর্যায়ত শিক্ষার্থীসকলৰ মাজত পৰিৱেশীয় সজাগতা সৃষ্টিৰ চেষ্টা কৰিব লাগে আৰু পৰিৱেশ শিক্ষাৰ সমগ্র কার্যাৱলীৰ ভিতৰত ৭৫% পৰিৱেশীয় সজাগতা সৃষ্টিৰ লগত জড়িত।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য হ'ল —

- শিশুসকলক প্রাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত থকা পাৰস্পৰিক সম্পর্ক বুজি উঠিব পৰা ধৰণে প্রশিক্ষণ প্রদান কৰা।
- জীৱনৰ বিভিন্ন দিশ যেনে — শাৰীৰিক, জৈৱিক, সামাজিক, সাংস্কৃতিক আদিৰ প্রতি বিমূর্ত ধাৰণাৰ পৰিৱর্তে পর্যবেক্ষণ আৰু উদাহৰণৰ মাধ্যমত বাস্তৱ ভিত্তিক ধাৰণাৰ বিকাশ ঘটোৱা।

৩ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশৰ প্রতি শিশুৰ মনৰ কৌতূহল চৰিতার্থ কৰিবৰ বাবে প্রাথমিক শিক্ষাই বিভিন্ন পৰিৱেশীয় সমস্যাসমূহ সমাধানৰ সন্দর্ভত যথেষ্টখিনি সম্ভাৱনীয়তা বহন কৰে। যদিহে শিশুসকলক পৰিৱেশৰ যথার্থ জ্ঞানেৰে শিক্ষিতক ৰিব পৰা যায় তেতিয়াহ'লে তেওঁলোকে নিশ্চিতভাৱে প্রকৃতিৰ প্রতি সন্মান প্রদর্শন কৰিব আৰু পৰিৱেশ সংৰক্ষণৰ মাধ্যমেৰে ইয়াৰ গুনমাণ উন্নীতকৰনত বিশেষ ভূমিকা গ্রহণ কৰিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ শিক্ষাৰ লগত জড়িত হৈ থকা চাৰিটা প্রধান আন্তঃসম্পর্কিত উপাদান হ'ল — সজাগতা,বাস্তৱ জীৱনৰ পৰিস্থিতি, সংৰক্ষণ আৰু বহনক্ষম উন্নয়ন।

৫ নং প্রশ্নৰ উত্তৰ ঃ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পর্যায়ত পৰিৱেশৰ জ্ঞান আয়ত্বকৰণ, সংৰক্ষণ, সমস্যাবোৰ চিনাক্তকৰণ আৰু কর্ম কুশলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লা ে গ । পাঠ্যক্রমৰ বিষয়বস্তুবোৰ বিজ্ঞানভিত্তিক আৰু ক্রিয়াজড়িত বিধৰ হ'ব লাগে। এই পর্যায়ত শিক্ষাত উপযুক্ত শিক্ষাদান ক্ষেত্রভিত্তিক কর্ম বিশেষভাৱে বিবেচনাযোগ্য।

৬ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক পর্য্যায়ত পৰিৱেশ শিক্ষাৰ দুটা উদ্দেশ্য হ'ল —

- দৈনন্দিন জীৱন প্রক্রিয়াৰ সৈতে বিজ্ঞানৰ প্রাসংগিকতাৰ ওপৰত জোৰ দিয়া।
- বিজ্ঞানৰ নীতি আৰু অনুশীলনৰ ওপৰত ভিত্তি কৰি এক অনুকূল পাৰিপার্শ্বিক বাতাবৰণ তৈয়াৰ কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ উচ্চতৰ মাধ্যমিক পর্য্যায়ত গুৰুত্ব দিবলগীয়া পৰিৱেশ শিক্ষাৰ দুটা দিশ হ'ল

(ক) **জনসংখ্যা ঃ** জনসংখ্যা বৃদ্ধি আৰু অপৰিকল্পিত জনসংখ্যাৰ বর্ধিত সমস্যাসমূহ।

(খ) **আইন ঃ** ভূমি ব্যৱহাৰ; ভূমি উদ্ধাৰ আৰু ভূমি সংৰক্ষণ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক বিদ্যালয় পর্যায়ত পৰিৱেশ শিক্ষা প্ৰাসংগিক আৰু কার্যকৰী কৰি তোলাৰ বাবে পাঠ্যক্ৰমত পৰিৱেশীয় বিষয়বোৰৰ অন্তর্ভুক্ত কৰাৰ বাবে তলত উল্লেখ কৰা পদক্ষেপবোৰ বিশেষভাৱে প্ৰয়োজনীয় —

(ক) শিকিবলগীয়া ধাৰণাৰ সংখ্যা হ্ৰাসকৰণ ঃ প্ৰতিটো অধ্যয়নৰ গোটত তিনিটাতকৈ অধিক ধাৰণা অন্তর্ভুক্ত কৰিব নালাগে। ইয়াৰ অর্থ এয়াই ছাত্ৰ-ছাত্ৰীসকলক সচেষ্ট ৰূপত পৰিৱেশ শিক্ষাৰ ধাৰণাসমূহ আয়ত্ব কৰোৱা আৰু একে সময়তে শিকাৰ সীমা মূল্যায়ন কৰিব লাগিব যাতে অধিক শিকিবলৈ আগ্ৰহী শিক্ষার্থীসকলৰ পথৰুদ্ধ হৈ নাযায়। উল্লেখযোগ্য যে যদিহে শিকোৱাৰ পদ্ধতি অধিক মনোগ্ৰাহী হয়, তেতিয়া হ'লে শিক্ষার্থীসকলে আমি ভবাতকৈও অধিক কথা শিকিব পাৰিব।

(খ) শিকিবলগীয়া বিষয়বিলাকৰ ক্ষেত্ৰত ধাৰণা আৰু তথ্যৰ মাজত থকা প্ৰভেদ সুস্পষ্ট কৰি তোলা ঃ ধাৰণা আৰু তথ্য এই শব্দ দুটা প্ৰায়েই মিশ্ৰিত ৰূপত ব্যৱহৃত হোৱা দেখা যায়। পাঠ্যপুথি লিখোতা সকলৰ দ্বাৰা বিস্তৃত বিৱৰন সংযোজনৰ দ্বাৰা শিক্ষকসকলৰ বাবে শিক্ষাদান এক জটিল কাম হিচাপে পৰিগণিত কৰাব পাৰি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯০ চনত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০৪ চনত বিশ্ববিদ্যালয় অনুদান আয়োগে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশীয় পৰিকল্পনা আৰু সম্পদ উন্নয়ন।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ বহনক্ষম উন্নয়নৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক পর্যায়ত পৰিৱেশ শিক্ষা প্ৰদানৰ উপায় কি হোৱা উচিত?

প্ৰশ্ন ৩ ঃ UGC ৰ সম্পূর্ণ ৰূপটো কি?

প্ৰশ্ন ৪ ঃ Talloires ঘোষণা ক'ত অনুষ্ঠিত হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰাথমিক পর্যায়ত পৰিৱেশ শিক্ষাৰ চাৰিটা উদ্দেশ্য লিখক।

প্ৰশ্ন ২ ঃ প্ৰাথমিক পর্যায়ত পৰিৱেশ শিক্ষা কিয় প্ৰয়োজনীয়?

প্ৰশ্ন ৩ ঃ বিদ্যালয়ৰ বিভিন্ন শ্ৰেণীত পৰিৱেশ শিক্ষা ৰূপায়নৰ দিশত NCERT য়ে পৰামর্শ আগবঢ়োৱা পদ্ধতিসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ উচ্চতৰ মাধ্যমিক পর্যায়ত গুৰুত্ব প্ৰদান কৰা পৰিৱেশ শিক্ষাৰ চাৰিটা দিশৰ বিষয়ে লিখক।

প্রশ্ন ৫ ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষা সূচনা কৰাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে কি ভূমিকা গ্রহন কৰিছে?

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ বিদ্যালয় পর্যায়ত আনুষ্ঠানিক পৰিৱেশ শিক্ষাৰ কার্যসূচীবোৰৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ প্রাথমিক পর্যায়ত কেনেদৰে পৰিৱেশ শিক্ষা ৰূপায়ন কৰিব পাৰি?

প্রশ্ন ৩ ঃ ভাৰতবর্ষত মাধ্যমিক শিক্ষা কার্যকৰী কৰিব পৰা উপায়সমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত পৰিৱেশ শিক্ষাৰ কার্যসূচীসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ পৰিৱেশ অৱনতি ঃ ইয়াৰ কাৰণ আৰু প্ৰতিৰোধ

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 পৰিৱেশ অৱনতিৰ ধাৰণা
6.3.1 পৰিৱেশ অৱনতিৰ প্ৰকাৰ
6.3.2 পৰিৱেশ অৱনতিৰ কাৰণ
6.3.3 পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ
6.3.4 পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা
6.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.5 অধিক জানিবলৈ
6.6 অগ্ৰগতিৰ খতিয়ান
6.7 আহিঁ প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিৱেশ অৱনতিৰ অৰ্থৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- পৰিৱেশ অৱনতিৰ বিভিন্ন প্ৰকাৰসমূহৰ চিনাক্ত কৰিব পাৰিব
- পৰিৱেশ অৱনতি ৰোধ কৰা উপায়ৰ বিষয়ে পদক্ষেপ গ্ৰহণ কৰিব পাৰিব
- পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকাৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টি য়ে আপোনাক পৰিৱেশ অৱনতিৰ কাৰণ, প্ৰকাৰ, প্ৰতিৰোধৰ সৈতে পৰিচয় কৰোৱাৰ লগতে পৰিৱেশ অৱনতি সম্পৰ্কে আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা সম্পৰ্কেও অৱগত কৰাব। জনসাধাৰণৰ মাজত পৰিবেশ সম্পৰ্কীয় সজাগতা সৃষ্টি কৰাৰ আগতে পোন প্ৰথমতে পৰিৱেশ অৱনতিত অৰিহণা যোগোৱা কাৰক সমূহ বিচাৰি উলিওৱাটো প্ৰয়োজনীয়। ইতিহাসৰ কালৰ পৰা ক'বলৈ গলে, যোৱাটো দশক বা তাৰ আগৰ পৰাই পৰিৱেশ অৱনতিত অৰিহণা যোগোৱা মানৱীয় কাৰ্য কলাপসমূহ দৃষ্টিগোচৰভাৱে বৃদ্ধি পাইছে। বৰ্তমান সময়ত, আমাৰ পৰিৱেশৰ প্ৰতিটো ক্ষেত্ৰই বিলুপ্তপ্ৰায় হৈ পৰিছে। আমি সেৱন কৰা বায়ু, আমি ব্যৱহাৰ

কৰা খোৱাপানী আৰু আমি শস্য উৎপাদনৰ বাবে ব্যৱহাৰ কৰা ভূমি এই সকলোবোৰেই প্ৰদূষিত হৈ পৰিছে আৰু যিয়ে এক বৃহৎ পৰিৱেশ অৱনতিৰ সৃষ্টি কৰিছে। এই পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ আৰু ইতিমধ্যে সংঘটিত হোৱা পৰিৱেশ ক্ষতিসমূহৰ মেৰামতি কৰিবলৈ, লগতে কেতবোৰ ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্যৰ সলনি আন দ্ৰবব্যৰ ব্যৱহাৰত মনযোগ দিবলৈ বৰ্তমান সময়ত সমগ্ৰ বিশ্বই প্ৰযুক্তিবিদ্যা আৰু সম্পদৰ সঠিক ব্যৱহাৰত গুৰুত্ব দিছে, যাতে ইয়াৰ দ্বাৰা আমি আমাৰ পৰিৱেশ সুৰক্ষিত কৰাৰ লগতে সংৰক্ষিতও কৰিব পাৰো।

৬.৩ পৰিৱেশ অৱনতিৰ ধাৰণা

পৰিৱেশ অৱনতি হ'ল এক বহুল বিস্তাৰিত শব্দ যিটোৱে স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্ৰত প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু মানৱীয় কাৰ্য-কলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত অৱক্ষয় আৰু নিম্নগামীতাক বুজায়। পৰিৱেশ প্ৰদূষণ হ'ল অৱক্ষয়ৰ এক প্ৰকাৰ যাৰ অৰ্থ হ'ল মানৱীয় কাৰ্যকলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত মানদণ্ডৰ এক সামগ্ৰিক নিম্নগামীতা। বৰ্দ্ধিত জনসংখ্যাই পিছলৈ পৰিৱেশৰ অৱক্ষয়ক অধিক জটিল কৰি তোলে। উদ্যোগিক ভাৱে বিকশিত চহৰসমূহৰ বৰ্দ্ধিত জনসংখ্যাই বায়ু, পানী আৰু শব্দ প্ৰদূষণত অৱিহণা যোগাইছে। ই বৰ্তমান এনেকুৱা এক অৱস্থাৰ সৃষ্টি কৰিছে য'ত বায়ু সেৱনৰ বাবে, পানী খাবৰ বাবে আৰু লগতে শস্য উৎপাদনৰ বাবে ভূমি অনুপযুক্ত হৈ পৰিছে।

এনেদৰে, প্ৰদূষণৰ লগে লগে বৰ্তমান সময়ৰ জনসংখ্যা বিস্ফোৰণ আৰু উদ্যোগিক খণ্ডৰ বৃদ্ধিয়ে প্ৰাকৃতিক সম্পদ ধ্বংস কৰিছে আৰু ইয়ে এক বৃহৎ পৰিমাণৰ পৰিৱেশ অৱক্ষয়ৰ সৃষ্টি কৰিছে। বিশেষকৈ বিশ্বৰ উন্নয়নশীল দেশসমূহত এই প্ৰদূষণ হ'ল মানৱ সৃষ্ট এক সমস্যা। পৰিৱেশৰ অৱক্ষয় মানৱীয় কাৰ্যকলাপৰ লগে লগে প্ৰাকৃতিক দুৰ্য্যোগৰ ফলতো সৃষ্টি হ'ব পাৰে।



জানি থোৱা ভাল

পৰিৱেশ অৱনতি আৰু পৰিৱেশ প্ৰদূষণ এই দুয়োটা শব্দই বেছিভাগ মানুহেই সালসলনি কৰি ব্যৱহাৰ কৰে যদিও দুয়োটাৰে ধাৰণা আৰু অৰ্থ সম্পূৰ্ণ পৃথক। পৰিৱেশ প্ৰদূষণ আৰু পৰিৱেশ অৱনতি দুয়োটাই পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতাকে বুজায়, যদিও ইয়াৰ দুটা দিশ আছে- পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতা আৰু পৰিৱেশৰ গুণগত অৱক্ষয়। পৰিৱেশ প্ৰদূষণ হ'ল স্থানীয় ক্ষেত্ৰত মানৱীয় কাৰ্যকলাপৰ দ্বাৰা সম্পদৰ শোষণ। আনহাতে, পৰিৱেশ অৱনতিৰ অৰ্থ হ'ল স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্ৰত প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু মানৱীয় কাৰ্যকলাপৰ দ্বাৰা পৰিৱেশৰ গুণগত মানদণ্ডৰ অৱক্ষয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং1 ঃ পৰিৱেশ অৱনতিৰ ধাৰণাটো 50 টা শব্দৰ ভিতৰত লিখক।

.....

.....

প্ৰশ্ন নং 2 ঃ পৰিৱেশ প্ৰদূষণ আৰু পৰিৱেশ অৱনতিৰ মাজৰ পাথৰ্ক্য লিখক ।

.....

.....

৬.৩.১ পৰিৱেশ অৱনতিৰ প্ৰকাৰ

পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতাৰ বাবে দায়ী কাৰক সমূহৰ ওপৰত ভিত্তি কৰি পৰিৱেশ অৱনতিক দুটা প্ৰধান ভাগত ভগাব পাৰি। সেয়া হ'ল-

(ক) দুৰ্য্যোগ আৰু ঘটনা।

(খ) পৰিৱেশ প্ৰদূষণ।

পৰিৱেশ দুৰ্য্যোগ হ'ল প্ৰাকৃতিক প্ৰক্ৰিয়া আৰু মানৱীয় সেইসমূহ কাৰ্য্য কলাপ যিবোৰে এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বা বাহিৰত এক মহনীয় পৰিধি পাৰ কৰাৰ লগতে পৰিৱেশৰ সৈতে সামঞ্জ্যতাক কঠিন কৰি তোলে আৰু মানৱ জীৱন আৰু সম্পত্তিৰো ক্ষতিসাধন কৰে।

পৰিৱেশ প্ৰদূষণ হ'ল পৰিৱেশৰ জৈৱিক, ৰাসায়নিক আৰু দৈহিক বৈশিষ্ট্য সমূহৰ (বায়ু পানী, মাটি) ক্ষেত্ৰত সংঘটিত হোৱা যিকোনো এক অবাঞ্ছনীয় পৰিৱৰ্ত্তন, যিবোৰে জীৱন আৰু সম্পতিৰ ক্ষেত্ৰত বৃহৎ পৰিমাণে ক্ষতি কৰিব পাৰে। প্ৰদূষণৰ তিনিটা প্ৰধান প্ৰকাৰ হ'ল- বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, মাটি প্ৰদূষণ।

৬.৩.২ পৰিৱেশ প্ৰদূষণৰ কাৰণ

আমি জানো যে পৰিৱেশ আৰু জৈৱবৈচিত্ৰ্যৰ পৰিৱৰ্তনৰ কাৰণসমূহ হ'ল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানৱ জীৱনত সৃষ্টি কৰা পৰিৱৰ্তনৰ ফল। আৰ্থ-সামাজিক, বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ফলত পৰিৱেশ অৱক্ষয়ৰ ক্ষেত্ৰত গভীৰ সমস্যাই দেখা দিছে। মুঠতে, পৰিৱেশ অৱক্ষয়ৰ কাৰণসমূহ দুটা ভাগত ভগাব পাৰি-দৈহিক বা প্ৰাকৃতিক আৰু মানৱীয় কাৰ্য-কলাপ।

দৈহিক আৰু প্ৰাকৃতিক ঃ পৰিৱেশ অৱনতি কেতবোৰ প্ৰাকৃতিক পৰিঘটনাৰ ফলত সৃষ্টি হয়। তাৰে কিছুমান হ'ল-

- **ভূমি অৱক্ষয় ঃ** ভূমিৰ ক্ষতি বা ভূমিৰ গাঁথনিৰ ক্ষেত্ৰত দেখা দিয়া পৰিৱৰ্তনক সাধাৰণতে ভূমি অৱক্ষয় বুলি ক'ব পাৰি। ভূমি অৱক্ষয়ে গছ গছনিৰ ক্ষতিক বুজায় যিয়ে নিৰ্বনানীকৰণ(deforestation) , চৰণীয়া ঠাইৰ অভাৱ, মৰুভূমিৰ প্ৰসাৰণ আৰু বানপানী, দুৰ্ভিক্ষ্য আদিৰ দৰে পৰিস্থিতিৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও ই ভূমি সম্প্ৰসাৰণ, ভূমি প্ৰবাহ আৰু ভূমিস্খলনৰো সৃষ্টি কৰে।
- **ভূমিকম্প ঃ** ভূমিকম্প হ'ল এক প্ৰকাৰৰ কম্পন যিটো শিলৰ মাজেৰে কিছুমান কম্পনীয়টোৰ অহাযোৱাৰ ফলত সৃষ্টি হয়। ভূমিকম্পৰ ফলত মানুহৰ জীৱন, সম্পত্তি আৰু জৈৱ বৈচিত্ৰ্যৰ ওপৰত সৃষ্টি কৰা ক্ষয় ক্ষতিৰ পৰিমাণ অতিশয় বেছি হয়। ভূমিকম্পই ভূমিস্খলন, নদীৰ গতি পৰিৱৰ্তন, গছগছনি আৰু জীৱ-জন্তুৰ জীৱনৰ ক্ষতি, নদীবান্ধ ধ্বংস আৰু পৃথিৱীৰ পৃষ্ঠ ভূমিতো ক্ষয় ক্ষতিৰ সৃষ্টি কৰে।
- **আগ্নেয়গিৰি ঃ** আগ্নেয়গিৰিৰ বিস্ফোৰণ হ'ল এক প্ৰকাৰৰ পৰিৱেশজনিত দুৰ্য্যোগ, যিয়ে গছ-গছনি আৰু জীৱ-জন্তুৰ জীৱনৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণৰ ক্ষতি সাধন কৰে। ইয়াৰ লগতে ই ইয়াৰ কাষত বসবাস কৰা মানুহৰ জীৱনলৈও এক প্ৰধান দুৰ্য্যোগ আনিব পাৰে। আগ্নেয়গিৰিৰ পৰা বাহিৰ হোৱা বৃহৎ পৰিমাণৰ ধোৱাঁ আৰু বিষাক্ত গেছে পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ, বিশ্বায়নিক ক্ষেত্ৰত জলবায়ুৰ ওপৰত গভীৰ প্ৰভাৱ পেলাব পাৰে।
- **বানপানী, অনাবৃষ্টি আৰু দুৰ্ভিক্ষ ঃ** বানপানী আৰু অনাবৃষ্টি হ'ল বৰষুণৰ সৈতে জড়িত প্ৰাকৃতিক দুৰ্য্যোগ। বানপানী আৰু অনাবৃষ্টিৰ দৰে দুৰ্য্যোগে এটা অঞ্চলৰ সমগ্ৰ পৰিৱেশ গাঁথনিৰ ক্ষেত্ৰত গভীৰ সমস্যাৰ সৃষ্টি কৰে। বানপানীয়ে ভূমি খহনীয়া লগতে এখন নদীৰ তড়িৎ গতি আৰু পৰিবহণকাৰী গতিবিধিৰ ওপৰতো প্ৰভাৱ পেলায়। অনাবৃষ্টিও হ'ল এক প্ৰকাৰৰ প্ৰাকৃতিক দুৰ্যোগ যিয়ে এটা অঞ্চলৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত প্ৰভাৱ পেলায়। সাধাৰণতে, যিবোৰ অঞ্চলত বৰষুণৰ পৰিমাণ কম হোৱাৰ ফলত কৃষিকৰ্মত সমস্যাৰ সৃষ্টি হয়, তেনেবোৰ অঞ্চলক অনাবৃষ্টি প্ৰৱণ অঞ্চল বুলি কোৱা হয়। অনাবৃষ্টি অৱস্থাৰ বৃদ্ধিৰ ফলত দুৰ্ভিক্ষৰ সৃষ্টি হয় আৰু যিয়ে মানুহ, জীৱ-জন্তু আৰু পৰিৱেশৰ ওপৰত ক্ষতিসাধন কৰে।
- **মৰুভূমিকৰণ ঃ** মৰুভূমিকৰণ হ'ল এটা প্ৰক্ৰিয়া যাৰ সহায়ত উৰ্বৰ আৰু অ-মৰুভূমিকৃত অঞ্চলসমূহ অনুৰ্বৰ, শুকান আৰু মৰুভূমি সদৃশ অঞ্চললৈ পৰিণত হয়। মৰুভূমিকৰণে সিঞ্চিত বা উৰ্বৰ শস্যভূমিসমূহক মৰুভূমি সদৃশ অৱস্থালৈ পৰিণত কৰে য'ত কৃষিভূমিৰ উৎপাদন গুৰুত্বপূৰ্ণভাৱে হ্ৰাস পায়। এনেদৰে শুকান বা মৰুভূমিয়ে জৈৱ-বৈচিত্ৰ্যৰ ক্ষতিৰ লগতে পৰিৱেশৰ ওপৰতো বৃহৎ ক্ষতিসাধণ কৰে ।
- **উষ্ণবলয়ী ঘূৰ্ণীবতাহ, ধুমুহা আৰু বা-মাৰলী ঃ** উষ্ণৱলয়ী ঘূৰ্ণীবতাহ হ'ল

সবাতোকৈ শক্তিশালী আৰু ধ্বংসকাৰী ঘূৰ্ণীবতাহসমূহৰ এক প্ৰকাৰ। ই জীৱন আৰু সম্পত্তি ধ্বংস কৰাৰ লগে লগে অৰণ্য আৰু জীৱজন্তুৰো ক্ষতিসাধন কৰে। পৰিৱেশ আৰু বায়ুমণ্ডলীয় অৱস্থাসমূহ পৰিৱৰ্তন ঘটাৰ ক্ষেত্ৰত ইয়ে প্ৰধানতঃ দায়ী। ধুমুহা হ'ল শক্তিশালী বায়ুমণ্ডলীয় অৱস্থাৰ দ্বাৰা সৃষ্ট এক প্ৰকাৰৰ প্ৰৱল পৰিৱেশজনিত অৱস্থা। ধুমুহাৰ সৈতে বিজুলী আৰু বৰষুণ অহাৰ উপৰিও কেতিয়াবা কেতিয়াবা মেঘৰ বিস্ফোৰণো ঘটে। বা-মাৰলী হ'ল এক প্ৰৱলবেগী ঘূৰ্ণীবতাহ য'ত বতাহ এক সৰ্বোচ্চ বেগত পাকঘূৰণী খাই ঘুৰে। বা-মাৰলীয়ে প্ৰতি ঘণ্টাত 400 কিঃ মিঃ বেগত ঘূৰিব পাৰে আৰু এনেকুৱা অৱস্থাত ই এক চুঙাৰ আকৃতি লয়। এই চুঙা আকৃতিৰ মেঘৰ শেষ অংশটো পৃথিৱীৰ মাটিৰ সৈতে সংলগ্নিত হৈ থাকে আৰু তেনে অৱস্থাত ই মাটিত থকা সকলোবোৰ বস্তুকো এফালৰ পৰা ধ্বংস কৰি যায়।

মানৱীয় কাৰ্যকলাপৰ ফলত পাৰিৱেশ অৱনতিঃ

মানুহে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে পৰিৱেশৰ ওপৰত শোষণ চলায় আৰু এনেদৰে সমগ্ৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ক্ষেত্ৰতে এক অস্থিৰ অৱস্থাৰ সৃষ্টি কৰে। এনেদৰে, যিবোৰ মানৱীয় কাৰ্যকলাপে পৰিৱেশ অৱনতিত অৰিহণা যোগায় তাৰে কিছুমান তলত উল্লেখ কৰা হ'ল-

- **জনসংখ্যা বৃদ্ধি ঃ** পৰিৱেশ পৰিৱৰ্তনৰ মূল কাৰণ হ'ল জনসংখ্যা বিস্ফোৰণ। মানৱীয় জনসংখ্যাৰ দ্ৰুত বৃদ্ধি আৰু খনিজ তেলৰ ব্যৱহাৰৰ সঘন বৃদ্ধিৰ লগতে নিৰ্বানীকৰণৰ বৃদ্ধিৰ হাৰে সেউজ-গৃহ গেছ, যেনে- কাৰ্বন ডাই অক্সাইড আদিৰ বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰিছে। বৰ্দ্ধিত জনসংখ্যাই মানুহৰ স্বাস্থ্য আৰু জীৱনৰ গুণগত মানদণ্ডৰ ওপৰতো প্ৰভাৱ পেলায়।
- **উদ্যোগীকৰণ ঃ** উদ্যোগীকৰণে দ্ৰুত নিৰ্বনানীকৰণ, অবৈধ খনন আৰু প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰিছে। ই জৈৱ-বৈচিত্ৰ্য ক্ষেত্ৰসমূহ যেনে- অ'জন স্তৰ (Ozone layer), উষ্ণবলয়ী অৰণ্য(tropical forest) আদিৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিছে আৰু অনেক প্ৰজাতিৰ বনৰীয়া চৰাই আৰু গছ গছনি বিলুপ্ত হোৱাৰ বাবেও বৰঙণিযোগাইছে। উদ্যোগীকৰণে কেতবোৰ প্ৰদূষকৰো উৎপত্তি ঘটাইছে, যেনে- গেছ, ধোঁৱা, তেল, প্লাষ্টিক আৱৰ্জনা আৰু এচিড জাতীয় পদাৰ্থ যিয়ে পৰিৱেশৰ অৱনতি ঘটায়।
- **নগৰীকৰণ ঃ** উদ্যোগীকৰণে পৃথিৱীৰ সকলোতে চহৰ গঢ়ি উঠাৰ বাবে উৎসাহিত কৰে। উদ্যোগসমূহ সাধাৰণতে চহৰ অঞ্চলতহে স্থাপন কৰা হয় আৰু কৰ্মৰ সন্ধানত গাঁও অঞ্চলৰ মানুহবোৰৰ চহৰলৈ প্ৰব্ৰজন ঘটে। ইয়াৰ ফলত চহৰত বস্তি অঞ্চলৰ হাৰ বৃদ্ধি পায় আৰু উচ্চ উৎপাদনকাৰী কৃষি ভূমিৰ ঠাইত নগৰৰ ৰাস্তা-ঘাট, ঘৰ আৰু উদ্যোগৰ সংখ্যা বৃদ্ধি হয়। পৰিৱেশিক ক্ষেত্ৰত, নগৰ

কেন্দ্ৰসমূহৰ পৰাই পৃথিৱীৰ প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পায় আৰু সেউজগৃহ গেছসমূহ বাহিৰ হয়। সেয়েহে অপৰিকল্পিত নগৰীকৰণে মানৱ স্বাস্থ্য আৰু পৰিবেশৰ গুণগত মানদণ্ডৰ অৱনতি ঘটোৱাৰ লগতে বহু দেশৰ সামাজিক, অৰ্থনৈতিক আৰু জৈৱবৈচিত্ৰ্যক অস্থিৰতাৰো প্ৰধান কাৰণ হৈ পৰে।

- **নিৰ্বনানীকৰণ ঃ** নিৰ্বনানীকৰণ হ'ল পৰিৱেশ দুৰ্য্যোগসমূহৰ প্ৰধান কাৰণ। এই দুৰ্য্যোগসমূহৰ ভিতৰত হ'ল পৰিৱেশত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱা আৰু যিয়ে সেউজ বৃদ্ধিৰ লগতে ভূমি অৱক্ষয়, জলবায়ুৰ পৰিৱৰ্তন, বানপানী, অনাবৃষ্টি ইত্যাদিতো প্ৰভাৱ পেলায়। ইয়াৰ উপৰিও ইয়াৰ ফলত বন্যপ্ৰাণীৰ বাসস্থান হ্ৰাস পোৱাৰ লগতে ঔষধি গুণযুক্ত গছ-গছনি সমূহ আৰু আন মূল্যৱান গছ-গছনিও বিলুপ্ত হৈছে।
- **খনন কাৰ্য্য ঃ** পৰিৱেশ অৱনতিৰ বাবে দায়ী আন এক কাৰক হ'ল বৃহৎ পৰিসৰত হোৱা খনন কাৰ্য্য । খননে প্ৰাকৃতিক গছ গছনি আৰু বন্য জীৱ-জন্তুৰ ধ্বংস সাধন কৰে আৰু যিটোৱে জৈৱ-বৈচিত্ৰত সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ উপৰিও ই কৰ্মীসকলৰ লগতে কাষৰীয়া আবাসী-সকলৰ মাজতো শ্বাস প্ৰশ্বাস সম্বন্ধীয় সমস্যাৰ সৃষ্টি কৰিব পাৰে।
- **কীটনাশকৰ ব্যৱস্থাৰ ঃ** ৰাসায়নিক সাৰ আৰু কীটনাশকৰ অতিমাত্ৰা ব্যৱস্থাৰ ফলত পৰিৱেশৰ যথেষ্ট অৱনতি ঘটিছে আৰু আনহাতে মানুহৰ স্বাস্থ্যৰ প্ৰতিওঁ ভাবুকিৰ সৃষ্টি কৰিছে। এই উচ্চ ৰাসায়নিক কীটনাশকসমূহে কেৱল অন্য জীৱজন্তুৰ জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টিয়ে নকৰে, ইয়াৰ লগে লগে খাদ্যচক্ৰৰ সহায়ত শেষত মানৱ জীৱনলৈও ভাবুকি আনিব পাৰে।

৬.৩.৩ পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ

পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ কৰাটো এজন ব্যক্তিৰ সবাতোকৈ প্ৰধান কৰ্তব্য হোৱা উচিত। কেতবোৰ প্ৰাকৃতিক পৰিঘটনা, যেনে- ভূমিকম্প, ভূমি অৱক্ষয়, অনাবৃষ্টি, বানপানী আৰু ভূমি-স্খলনে পৰিৱেশ অৱনতিৰ সৃষ্টি কৰে। বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, ভূমি প্ৰদূষণ আৰু শব্দ প্ৰদূষণ ইত্যাদি ৰোধ কৰিবলৈ জৰুৰীভাৱে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা উচিত।

- **বায়ু প্ৰদূষণ ঃ** বায়ু প্ৰদূষণ ৰোধ কৰাটো অতি প্ৰয়োজনীয়। বায়ু প্ৰদূষণ যিমান পাৰি কমাবলৈ ব্যৱস্থা গ্ৰহণ কৰা উচিত। বায়ু প্ৰদূষণ কমাবৰ বাবে গ্ৰহণ কৰিব পৰা কেতবোৰ ব্যৱস্থা হ'ল-
  - চহৰ আৰু নগৰ অঞ্চলত গাড়ী মটৰৰ পৰা হোৱা প্ৰদূষণ হ'ল এক সাধাৰণ বৈশিষ্ট্য। গাড়ী মটৰৰ সঠিক আৰু নিয়মীয়া চোৱাচিতা কৰাটো অতি

প্ৰয়োজনীয়। জনসাধাৰণৰ মাজত একেখন বাহনতে কেৰাজনৰো গমনৰ (car pool) ধাৰণা পৰিচিত কৰাৰ লগতে গাড়ীৰ মালিকসকলে ইয়াক মানি চলিব লাগে।

- ❍ উদ্যোগসমূহত নিম্ন ছালফাৰযুক্ত কয়লা ব্যৱহাৰ কৰ্ত্তি লাগে।
- ❍ ব্যৱসায়িক সাৰৰ সলনি জৈৱিক সাৰ ব্যৱহাৰ কৰা উচিত।
- ❍ অপৰম্পৰাগত শক্তি উৎসসমূহ ব্যৱহাৰ কৰিব লাগে।
- ❍ বৃক্ষৰোপণ পৰিমাণ বৃদ্ধি কৰাৰ লগতে বিদ্যুতৰ ব্যৱহাৰ কম কৰিব লাগে।

➢ **পানী প্ৰদূষণ** ঃ বায়ু প্ৰদূষণ নিয়ন্ত্ৰণতকৈ পানী প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো কিছুদূৰ সহজ। পানী প্ৰদূষণক কেইবাটাও প্ৰতিকাৰমূলক ব্যৱস্থাৰ সহায়ত নিয়ন্ত্ৰণ আৰু নিৰ্মূল কৰিব পাৰি। সেই সমূহ হ'ল-

- ❍ পেলনীয়া পানী আৰু বৰষূণৰ পানী বৈ যাব পৰাকে পৃথক নদৰ্মাৰ ব্যৱস্থা থাকিব লাগে।
- ❍ সংযোগী কৰ্তৃপক্ষই পানী নিয়ন্ত্ৰণ আইন মানি চলিব লাগে।
- ❍ খেতি-বাতিৰ বাবে দৰকাৰী ৰাসায়নিক পদাৰ্থসমূহ যেনে- কীট নাশক আৰু সাৰ আদি এক নিয়মিত আৰু বিচাৰপূৰ্ণভাৱে কৃষিকাৰ্যত ব্যৱহাৰ কৰিব লাগে।
- ❍ কৃষিকাৰ্যত সাৰৰ ব্যৱহাৰৰ লগতে নাইট্ৰ'জেনযুক্ত শস্যৰো ৰোপন কৰিব লাগে।
- ❍ প্ৰদূষিত পানী সৌৰশক্তি ব্যৱহাৰ কৰিও শোধন কৰিব পাৰি।
- ❍ পানী পৰিশোধন ব্যৱস্থা ব্যৱহাৰ কৰি পানীত উপস্থিত থকা প্ৰদূষকসমূহ আঁতৰ কৰিব লাগে।

➢ **ভূমি প্ৰদূষণ ঃ** জীৱিত প্ৰাণীসমূহৰ জীৱন ধাৰণ আৰু বৃদ্ধি প্ৰধানত নিৰ্ভৰ কৰে ভূমি আৰু মাটিৰ সমানতাৰ ওপৰত। ভূমি প্ৰদূষণ পৰীক্ষণ কৰিবলৈ আৰু ভূমিৰ গুণগত মানদণ্ড উন্নত কৰিবলৈ তলত উল্লেখিত ব্যৱস্থা-সমূহ গ্ৰহণ কৰিব পাৰি-

- ❍ ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত কৃষকসকলক প্ৰশিক্ষণ প্ৰদান কৰা উচিত।
- ❍ জৈৱিক সামগ্ৰীসমূহৰ পৰা বায়ু গেছ উৎপাদন কৰিব লাগে।
- ❍ অকৰ্তৃত্বশীলভাৱে পাহাৰ অঞ্চলৰ খনন কাৰ্যৰ দ্বাৰা সৃষ্টি হোৱা ভূমি অৱক্ষয় ৰোধ কৰিবলৈ দৰকাৰী আইন প্ৰণয়ণ কৰিব পাৰে।
- ❍ কীটনাশক হিচাপে ডি. ডি. টি. ৰ ব্যৱহাৰ বন্ধ কৰিব লাগে।
- ❍ উদ্যোগিক পানী সামগ্ৰী আৰু চহৰ অঞ্চলৰ আৱৰ্জনাসমূহ সঠিকভাৱে পেলোৱাৰ ব্যৱস্থা কৰিব লাগে।

➢ **শব্দ প্ৰদূষণ ঃ** শব্দ প্ৰদূষণ হৈছে আন এক প্ৰদূষণৰ প্ৰকাৰ যিয়ে শাৰীৰিক আৰু

মানসিক ক্ষতি সাধন কৰিব পাৰে। শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে তলৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰি-

- শব্দ প্ৰদূষণৰ ক্ষেত্ৰত আইনীব্যৱস্থা গ্ৰহণ কৰিবলৈ ইয়াক বায়ু প্ৰদূষণ আইনৰ অধীনস্থ কৰা হৈছে।
- ৰাষ্ট্ৰীয় ঘাইপথ, বাট-পথ আৰু হুলস্থুলীয়া ঠাইৰ ওচৰত অধিক পৰিমাণৰ গছ ৰোপণ কৰিব লাগে যিয়ে শব্দ প্ৰদূষণ প্ৰতিৰোধ কৰাত সহায় কৰিব।
- আৱাসিক অঞ্চল আৰু উদ্যোগসমূহত শব্দ নিয়ন্ত্ৰণকাৰী সৰঞ্জাম ব্যৱহাৰ কৰা উচিত।
- হস্পিতাল, বিদ্যালয়ৰ আদিৰ কাষত হুলস্থুলীয়া আৰু গধুৰ যান বাহনৰ অনুমতি প্ৰদান কৰা অনুচিত।
- সা-সৰঞ্জামসমূহত সঠিকভাৱে তেলৰ ব্যৱহাৰ কৰিব লাগে।

➢ **গোটা আৱৰ্জনাৰ প্ৰদূষণ** (Solid Waste Pollution)ঃ উদ্যোগিক সামগ্ৰীৰ ক্ৰমাগত ব্যৱহাৰ আৰু জনসাধাৰণৰ উচ্চ জীৱন ধাৰণৰ প্ৰণালীয়ে বৰ্তমান সময়ত গোটা আৱৰ্জনাৰ প্ৰদূষণ সমস্যাটো সৃষ্টি কৰিছে। চহৰ অঞ্চলত সৃষ্টি হোৱা এই গোটা আৱৰ্জনাৰ সমস্যা তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণৰ জৰিয়তে কিছু দূৰলৈ সমাধান কৰিব পাৰি-

- জৈৱিক আৱৰ্জনাসমূহ বায-গেছলৈ ৰূপান্তৰিত কৰিব পাৰি।
- ব্যৱহৃত সামগ্ৰীসমূহ পুনঃ সংশোধনী প্ৰক্ৰিয়াৰ জৰিয়তে দৰকাৰী সামগ্ৰীত পৰিণত কৰা উচিত।
- সামগ্ৰীসমূহ ঠাইতে পুৰি পেলোৱা উচিত।
- চহৰৰ জলাশয় আৰু নিম্ন ভূমি অঞ্চলসমূহ পূৰ কৰিবলৈ এই আৱৰ্জনাসমূহ ব্যৱহাৰ কৰিব পাৰি।

➢ **ৰেডিঅ'-সক্ৰিয় বা নিউক্লিয়াৰ প্ৰদূষণ** ঃ কেতবোৰ বিষাক্ত নিউক্লিয়াৰ অৱশিষ্টৰ বিকিৰণৰ ফলত পৰিৱেশত থকা আন জীৱিত প্ৰাণীসমূহৰ ওপৰত এক ক্ষতিকাৰক প্ৰভাৱ পৰে। এই ৰেডিঅ' সক্ৰিয় পদাৰ্থসমূহ মানৱ সৃষ্ট উৎসৰ পৰা সৃষ্টি হয়, যেনে- নিউক্লিয়াৰ যুদ্ধ, নিউক্লিয়াৰ শক্তি উৎস, এক্স-ৰে ইত্যাদি। আন্তৰ্জাতিক সংগঠনসমূহে সম্পন্ন কৰা নিউক্লিয়াৰ শক্তি পৰীক্ষা আৰু বিস্ফোৰণসমূহ এইক্ষেত্ৰত বন্ধ কৰা উচিত। এই উদ্দেশ্যে, 1962 চনত নিউক্লিয়াৰ শক্তি আইন প্ৰণয়ণ কৰা হৈছিল। নিউক্লিয়াৰ প্ৰদূষণ বন্ধ কৰিবলৈ কেইবাটাও কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সেই সমূহ হ'ল-

- যুদ্ধ আৰু ধ্বংসৰ পৰিৱৰ্তে নিউক্লিয়াৰ শক্তিক শান্তি আৰু অৰ্থনৈতিক উন্নতিৰ বাবে ব্যৱহাৰ কৰা উচিত।
- পৰীক্ষাগাৰৰ পেলনীয়া সামগ্ৰীসমূহ য'ত ৰেডিঅ'-সক্ৰিয় পদাৰ্থ নিহিত

থাকে সেইসমূহ ভালদৰে পেলাব লাগে।

- নিউক্লিয়াৰ শক্তি পৰীক্ষাৰ ক্ষেত্ৰসমূহ সাৱধানতাৰে বাচিব লাগে।
- নিউক্লিয়াৰ প্ৰদূষণ আৰু ইয়াৰ সম্ভাৱনীয় বিপদৰ বাবে বিশ্বক্ষেত্ৰত সজাগতাৰ সৃষ্টি কৰিব লাগে।

➢ **পৰিৱেশ অৱনতিৰ জৈৱিক বা প্ৰাকৃতিক কাৰক সমূহ ঃ** পৰিৱেশ অৱনতিৰ কেতবোৰ জৈৱিক বা প্ৰাকৃতিক কাৰণো দেখা যায়, যেনে- ভূমিকম্প, বানপানী ইত্যাদি। ভূমিকম্প হ'ল এক প্ৰাকৃতিক দুৰ্য্যোগ যিয়ে মানুহৰ জীৱন আৰু সম্পত্তিৰ যথেষ্ট ক্ষতিসাধন কৰে। ভূমিকম্প প্ৰৱন অঞ্চলসমূহত ভূমিকম্প প্ৰতিৰোধী ঘৰ বনাই জীৱন আৰু সম্পত্তিৰ ওপৰত হোৱা এই ক্ষতি প্ৰতিৰোধ কৰিব পাৰি। অসম যিহেতু ভূমিকম্প প্ৰৱণ অঞ্চল হয় সেয়েহে ইয়াত অসম আৰ্হিৰ ঘৰ সমূহ উপযোগী।

ভূমিস্খলন প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰাটো কঠিন কাম। ভূমিস্খলন ৰোধ কৰাৰ প্ৰথমটো স্তৰ হ'ল নিৰ্বনানীকৰণ বন্ধ কৰা। ইয়াক কমাবলৈ এঢলীয়া ঠাইসমূহত নদৰ্মাৰ ব্যৱস্থা কৰিব লাগে যাতে বাহিৰ অংশৰ পানীসমূহ নামি আহিব পাৰে নাইবা এঢলীয়া ঠাইসমূহত শিলৰ গাঁথনি দিও ইয়াক প্ৰতিৰোধ কৰিব পাৰি।

বানপানী যিহেতু এক প্ৰাকৃতিক পৰিঘটনা সেয়েহে ইয়াৰ পৰা সম্পূৰ্ণভাৱে হাত সাৰিব নোৱাৰি। কিন্তু প্ৰযুক্তিবিদ্যা কৌশল, সংকেতবাণী আৰু আন চৰকাৰী নিয়ন্ত্ৰণকাৰী ব্যৱস্থাসমূহৰ সহায়ত বানপানী কমাব পাৰি।

➢ **মানৱীয় কাৰ্যকলাপ ঃ** জনসংখ্যাৰ দ্ৰুত বৃদ্ধি, উদ্যোগিক প্ৰসাৰণ, অবাঞ্চনীয় নগৰীকৰণ, কৃষিক্ষেত্ৰৰ বিকাশ, নিৰ্বনানীকৰণ ইত্যাদিয়ে ক্ৰমশঃ প্ৰাকৃতিক দুৰ্য্যোগৰ হাৰ বৃদ্ধি কৰিছে। পৰিৱেশৰ গুণগত মানদণ্ড মানি চলিবলৈ এক সুপৰিকল্পিত পৰিৱেশ, সংৰক্ষণযুক্ত আঁচনি, জনসাধাৰণৰ অংশগ্ৰহণ, পৰিৱেশৰ অৱস্থাৰ মূল্যায়ন আৰু পৰিৱেশ সংৰক্ষণ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ। এই পাৰিপাৰ্শ্বিক দুৰ্য্যোগসমূহ আঁতৰ কৰিবলৈ অতিৰিক্ত আঁচনি আৰু পৰিকল্পনাৰ প্ৰয়োজন।

শিক্ষা পৰিচালনা আঁচনিয়ে পৰিৱেশৰ গুণগত মানদণ্ড ধৰি ৰাখিবলৈ এনেদৰে চেষ্টা চলায়-

- পৰিৱেশীয় প্ৰভাৱৰ প্ৰতিৰোধ আৰু সুৰক্ষা।
- দুৰ্ঘটনা আৰু দুৰ্য্যোগৰ সৈতে যুঁজিবলৈ আকস্মিক পৰিকল্পনাৰ প্ৰস্তুতি।
- আঁচনিসমূহৰ পুনঃ সংস্থাপনৰ বাবে পৰিকল্পনা।
- প্ৰয়োজনীয় সুৰক্ষা আঁচনি ৰূপায়ণৰ বাবে চোৱা-চিতা আৰু কাৰ্যকৰী ব্যৱস্থাৰ প্ৰয়োজন।

পৰিৱেশ অৱনতিৰ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেয়া হ'ল এনেধৰণৰ ঃ

- শিক্ষাই বিভিন্ন মাধ্যমৰ সহায়েৰে দুৰ্য্যোগ আৰু দুৰ্ঘটনাসমূহৰ আকস্মিক উৎপত্তি সম্পৰ্কে আগতীয়াকৈ জনসাধাৰণক অৱগত কৰাব লাগে যাতে সকলোৱে মানসিক প্ৰস্তুত থকাৰ লগতে নিজৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।
- শিক্ষাই প্ৰশাসন আৰু আঁচনি প্ৰস্তুত কৰোতাসকলক মানচিত্ৰ প্ৰদান কৰি দুৰ্য্যোগৰ সময়ত পৰিস্থিতি চম্ভালিবলৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে।
- দুৰ্য্যোগ কমাবলৈ তাৎক্ষনিক সাহাৰ্যৰ বাবে শিক্ষাই কৌশল আৰু ব্যৱস্থাসমূহৰ ব্যাখ্যা কৰিব লাগে।
- প্ৰাকৃতিক দুৰ্য্যোগে সৃষ্টি কৰা ক্ষয় ক্ষতিৰ পৰিমাণ কমাবৰ বাবে সুৰক্ষিত ব্যৱস্থাৰ সহায়ত কেনেদৰে ঘৰ সাজিব পাৰি সেই সম্পৰ্কে শিক্ষাই ব্যক্তিক সহায় কৰিব পাৰে।



জানি থোৱা ভাল

- পৰিৱেশ অৱনতিক দুটা ভাগত ভগাব পাৰি সেইসমূহ হ'ল দুৰ্য্যোগ আৰু পৰিৱেশ প্ৰদূষণ।
- মানুহে প্ৰাকৃতিক সম্পদসমূহ যেনেপেট্ৰ'লিয়ামজাত সামগ্ৰীৰ সু-বিবেচনাপূৰ্ণ ব্যৱহাৰ আৰু সৰু দল গঠন কৰি পৰিবহণৰ বাবে 'কাৰ পুল' পদ্ধতি ব্যৱহাৰ কৰিব পাৰে।
- যদি সম্ভৱ হয় পানীৰ পুনঃ ব্যৱহাৰ কৰা উচিত। উদাহৰণস্বৰূপে, ৰান্ধনি ঘৰৰ পেলনীয়া পানী ৰান্ধনি ঘৰৰ বাবে লগা বাগিচাত(Kitchen garden) ব্যৱহাৰ কৰিব পাৰি।
- পৰিৱেশ অৱনতি প্ৰতিৰোধ কৰিবলৈ জনসংখ্যা বৃদ্ধিৰ পৰিমাণ কমাব লাগে।
- পৰিৱেশৰ গুণগত মানদণ্ড বজাই ৰাখিবলৈ পৰিৱেশ সংৰক্ষণ আঁচনি, জনসাধাৰণৰ অংশগ্ৰহণ, পৰিৱেশজনিত অৱস্থা আৰু পৰিৱেশ সংৰক্ষণৰ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 3 ঃ বিভিন্ন প্ৰকাৰৰ পৰিৱেশ অৱনতি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং 4 ঃ পৰিৱেশ অৱনতিৰ কাৰণ সংক্ষেপে উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং 5 ঃ বায়ু প্ৰদূষণ ৰোধ কৰিবলৈ চাৰিটা উপায় লিখক।

.....

.....

প্ৰশ্ন নং 6 ঃ ভূমি প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ কি ব্যৱস্থা ল'ব পাৰি?

.....

.....



চিন্তা চৰ্চা কৰক 6.1

"অত্যাধিক জনসংখ্যা আৰু পৰিৱেশ অৱনতি আন্তঃ-সম্পৰ্কযুক্ত।" ব্যাখ্যা কৰক।

.....

.....

৬.৩.৪ পৰিৱেশ সজাগতা আৰু মনোভাৱ পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা

আধুনিক সমাজত শিক্ষাক সামাজিক পৰিৱৰ্তন, সামাজিক নিয়ন্ত্ৰণ আৰু বিকাশৰ এক শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিব পাৰি। পৰিৱেশ প্ৰদূষণ হিচাপে পৰিৱেশ অৱনতিৰ সমস্যাটো হৈছে প্ৰধানতঃ মানৱ সৃষ্ট এক সমস্যা। সেয়েহে, পৰিৱেশৰ প্ৰতি এক দায়িত্বশীল মনোভাৱ প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত জনসাধাৰণক শিক্ষিত কৰিবলৈ শিক্ষা ব্যৱহাৰ অতি দৰকাৰ। এই ক্ষেত্ৰত ল'ব পৰা কিছুমান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল-

- পৰিৱেশ সজাগতাৰ সৃষ্টি, পৰিৱেশৰ সমস্যাৰ প্ৰতি দায়বদ্ধতাৰ সৃষ্টি, মূল্যবোধ আৰু দৃষ্টিভঙ্গীৰ গঠন আদি হ'ল পৰিৱেশৰ দিশে দায়িত্বশীল মনোভাৱ গঠন কৰাৰ ক্ষেত্ৰত শিক্ষাই ল'ব পৰা কিছুমান প্ৰাৰম্ভিক খোজ।
- শিক্ষাই সাধাৰণ নাগৰিকৰ মাজত দুৰ্য্যোগ সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে প্ৰশাসক আৰু আঁচনি প্ৰস্তুত কৰোতাসকলক সমস্যা জড়িত অঞ্চলৰ মানচিত্ৰ প্ৰদান কৰি দুৰ্য্যোগৰ সময়ত পৰিস্থিতি চম্ভালিবলৈ প্ৰশিক্ষণ প্ৰদান কৰা উচিত।
- সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ মাজত পৰিৱেশ সম্পৰ্কে আনুষ্ঠানিক আৰু অনানুষ্ঠনিক শিক্ষাৰ মাজেৰে সজাগতা প্ৰদান কৰা উচিত। ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ শিক্ষা সৰুৰে পৰা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।
- শিক্ষাৰ সকলো বিভাগৰ মাজতে পৰিৱেশ সম্পৰ্কীয় শিক্ষাৰ বহুল প্ৰচাৰ কৰিব লাগে।

- পৰিৱেশ শিক্ষা প্ৰদান কৰিবলৈ আন্তঃবিষয় আৰু বহু বিষয়ক দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগে। বহু বিষয়ক শিক্ষা পদ্ধতিত দৰকাৰী পৰিৱেশৰ ধাৰণাসমূহ প্ৰচলিত শিক্ষা বিষয় সমূহত অন্তৰ্ভুক্তি কৰিব লাগে। এই দৃষ্টিভঙ্গী সমূহে জ্ঞানৰ লগতে কৌশল, ধাৰণা আৰু প্ৰতিজ্ঞা পালনৰ শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণত, আৰু দায়িত্বশীল হোৱাত সহায় কৰাৰ লগতে গঠনমূলক কাম কাজৰ প্ৰতি উৎসাহিত কৰে।
- বায়ু, পানী, ভূমি প্ৰদূষণ আৰু শক্তি ক্ষেত্ৰৰ অভাৱৰ কাৰণে হোৱা পৰিৱেশ অৱনতিসমূহৰ মূল কাৰণ হ'ল মানৱীয় জনসংখ্যা বিস্ফোৰণ। সেয়েহে বৰ্দ্ধিত জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰতি সংগতি ৰাখিহে পৰিৱেশ শিক্ষাৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিব লাগে।
- পৰিৱেশ শিক্ষা হ'ল জনসাধাৰণৰ মাজত জন সজাগতা সৃষ্টি কৰাৰ বাবে এক পৰিকল্পনা। এইক্ষেত্ৰত চেমিনাৰ, দলীয় আলোচনা, শিক্ষণ দল ইত্যাদি স্থানীয়, আঞ্চলিক, ৰাষ্ট্ৰীয় পৰ্যায়ৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো অনুষ্ঠিত হ'ব লাগে।

শিক্ষা হ'ল এনে এক মাধ্যম যাৰ সহায়ত মানুহে তেওঁলোকৰ সম্পূৰ্ণ সম্ভাৱনীয়তা প্ৰকাশ কৰিব পাৰে। দায়িত্ব আৰু কৰ্তব্যশীলতাৰ প্ৰতি নিজৰ ব্যৱহাৰ আৰু দৃষ্টিভংগী পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত শিক্ষা হ'ল সবাতোকৈ জৰুৰী। আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষা দুয়োটাই এইক্ষেত্ৰত অতি প্ৰয়োজনীয় যাতে ইয়াৰ দ্বাৰা এজন ব্যক্তিয়ে পৰিৱেশৰ প্ৰতি নিজৰ দায়বদ্ধতা বুজি পোৱাৰ লগতে এক বহনক্ষম ক্ষমতা বিকাশৰ (Sustainable development)প্ৰতি নিজৰ চিন্তাশক্তি প্ৰকাশ কৰিব পাৰে। আনকি বহনক্ষম ক্ষমতাৰ বিকাশ আৰু সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ বাবে প্ৰয়োজনীয় পৰিৱেশ সজাগতাৰ ধাৰণা আৰু মূল্যবোধ কৌশল আদি দৰকাৰী বিষযসমূহ আয়ত্ব কৰাত শিক্ষাই প্ৰধান ভূমিকা পালন কৰে।



জানি থোৱা ভাল

শিক্ষাই সকলো স্তৰতে জনসাধাৰণৰ মাজত দায়িত্বশীল পৰিৱেশ সজাগতা সৃষ্টি কৰাৰ দৰকাৰ। পৰিৱেশৰ প্ৰতি সঠিক দৃষ্টিভঙ্গী আৰু সজাগতা গ্ৰহণ কৰাৰ ক্ষেত্ৰত শিক্ষাই কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব পাৰে-

- পৰিৱেশ শিক্ষা সকলো শিক্ষানুষ্ঠানতে প্ৰচলিত কৰিব লাগে।
- আন্তঃ বিষয় দৃষ্টিভঙ্গী দৰকাৰী।
- সকলো প্ৰকাৰৰ জ্ঞানৰ সৈতে পৰিৱেশ বিষয়টো সংযোগ ঘটাব লাগে।
- জনসংখ্যা শিক্ষাৰ পৰিচয় ঘটাব লাগে।
- জন সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 7 ঃ জনসাধাৰণৰ মাজত পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টি কৰাত শিক্ষাৰ ভূমিকা সম্বন্ধে লিখক। এই ভূমিকা সম্বন্ধে আলোচনা কৰিবলৈ প্ৰত্যেকটো উপায়ৰ বিষয়ে তিনি বা চাৰি শাৰীত ব্যাখ্যা কৰক।

.....

.....



৬.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিৱেশ অৱনতি বুলিলে পৰিৱেশৰ সম্পদসমূহৰ অত্যাধিক শোষণ বা অত্যাধিক নিৰ্ভৰশীলতাৰ ফলত পৰিৱেশৰ ক্ৰমবৰ্দ্ধমান অৱনতি বা ক্ষতিক বুজায়।
- পাৰিৱেশৰ অৱনতি মানৱীয় কাৰ্যকলাপৰ লগতে প্ৰাকৃতিক দুৰ্য্যোগৰ ফলতো সৃষ্টি হ'ব পাৰে।
- পৰিৱেশ প্ৰদূষণৰ অৰ্থ হ'ল স্থানীয় ক্ষেত্ৰত মানৱীয় কাৰ্যকলাপ আৰু সম্পদৰ শোষণৰ ফলত পৰিৱেশৰ গুণগত মানদণ্ডৰ অৱনতি।
- পৰিৱেশ অৱনতিক দুটা ভাগত ভগাব পাৰি- দুৰ্য্যোগ বা ঘটনা আৰু পৰিৱেশ প্ৰদূষণ।
- বিভিন্ন কাৰকৰ ফলত পৰিৱেশৰ অৱনতি ঘটিব পাৰে, যেনেঃ- বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, ভূমি প্ৰদূষণ, জনসংখ্যা বিস্ফোৰণ, নগৰীকৰণ ইত্যাদি।
- পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ পৰিৱেশৰ গুণগত মানদণ্ড এক সঠিক পৰিৱেশ আঁচনি, জনসাধাৰণৰ অংশ গ্ৰহণ, পৰিৱেশ সংৰক্ষণৰ বিধেয়ক আৰু প্ৰশাসনৰ দৰকাৰ।
- শিক্ষাই ইয়াৰ সকলো আনুষ্ঠানিক ৰূপতে জনসাধাৰণৰ মাজত দায়িত্বপূৰ্ণ পৰিৱেশ সজাগতা আৰু দৃষ্টিভংগী পৰিৱৰ্তন কৰাৰ দৰকাৰ।
- প্ৰাকৃতিক দুৰ্য্যোগ আৰু দুৰ্ঘটনাৰ প্ৰভাৱ কম কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষা এক বহল পৰিসৰৰ হ'ব লাগে আৰু প্ৰত্যেকজন ব্যক্তিকে শিক্ষাৰ বাৰে সাঙুৰি ল'ব লাগে।



৬.৫ অধিক জানিবলৈ

1) Mohapatra, Damodar: Environmental Education,Kalyani Publishers, New Delhi - 2002

2) Reddy K.P. &Reddy D.N.: Environmental education, Neelkamal Publication Pvt. Ltd. Hyderabad(2003)

3) Sharma, R.A : Environmental Education, R. Lall Book depot Meerut(2005)

৬.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতিৰ অৰ্থ হ'ল মানৱীয় কাৰ্যকলাপৰ দ্বাৰা পৰিৱেশৰ প্ৰাথমিক উপাদান সমূহৰ ক্ষেত্ৰত সংঘটিত হোৱা কিছুমান প্ৰতিকূল পৰিৱৰ্তনৰ ফলত পৰিৱেশৰ সামগ্ৰিক গুণগত মানদণ্ডৰ এক অৱনতি আৰু এই পৰিৱৰ্তনসমূহ এনেকুৱা এক অৱস্থালৈ সংঘটিত হৈছে যে ই কেৱল সমগ্ৰ জৈৱিক সম্প্ৰদায়কে নহয় বিশেষকৈ মানৱ জাতিকো প্ৰভাৱিত কৰিছে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ প্ৰদূষণৰ অৰ্থ হ'ল মানৱীয় কাৰ্যকলাপৰ দ্বাৰা স্থানীয় ক্ষেত্ৰত পৰিৱেশৰ গুণগত মানদণ্ডৰ নিম্নগামীতা। আনহাতে, পৰিৱেশ অৱনতিৰ অৰ্থ হ'ল মানৱীয় কাৰ্যকলাপ আৰু প্ৰাকৃতিক প্ৰক্ৰিয়াৰ দ্বাৰা স্থানীয়, আঞ্চলিক আৰু বিশ্বক্ষেত্ৰত পৰিৱেশৰ গুণগত মানৰ অৱনতি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতিৰ দুটা প্ৰধান ভাগ হ'ল- দুৰ্য্যোগ আৰু দুৰ্ঘটনা, পৰিৱেশ প্ৰদূষণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ অৱনতি কেতবোৰ প্ৰাকৃতিক পৰিঘটনাৰ দ্বাৰা সংঘটিত হয়। যেনে- ভূমি অৱক্ষয়, ভূমিকম্প, আগ্নেয়গিৰি, বানপানী, অনাবৃষ্টি আৰু দুৰ্ভিক্ষ ইত্যাদি। ইয়াৰ উপৰিও কেতবোৰ মানৱীয় কাৰ্যকলাপৰ ফলতো পৰিৱেশ অৱনতিৰ সৃষ্টি হয়, যেনে- অত্যাধিক জনসংখ্যা, উদ্যোগীকৰণ, নগৰীকৰণ নিৰ্বনানীকৰণ, খনন কাৰ্য্য, কীটনাশকৰ ব্যৱহাৰ ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পৰা চাৰিটা উপায় হ'ল-

- নগৰ আৰু চহৰ অঞ্চলত যিহেতু গাড়ী মটৰৰ পৰা হোৱা প্ৰদূষণৰ মাত্ৰা বেছি সেয়েহে গাড়ী মটৰৰ সঠিক আৰু নিয়মীয়া পৰীক্ষণ কৰোৱা উচিত। ইয়াৰ লগতে 'কাৰ পুল' ৰ ধাৰণা ব্যৱহাৰ কৰিব লাগে।
- উদ্যোগসমূহত নিম্ন ছালফাৰযুক্ত কয়লাৰ ব্যৱহাৰ।
- ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰৰ ব্যৱহাৰ।
- অপৰম্পৰাগত শক্তি উৎসৰ ব্যৱহাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি প্ৰদূষণ পৰীক্ষা কৰিবলৈ আৰু ভূমি প্ৰদূষণৰ গুণগত মান উন্নত কৰিবলৈ তলত উল্লেখ কৰা ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰি-

- ৰাসায়নিক সাৰৰ উচিত ব্যৱহাৰৰ ক্ষেত্ৰত কৃষক সকলক প্ৰশিক্ষণ দিয়া উচিত।

- জৈৱিক আৰৰ্জনা সামগ্ৰীসমূহৰ পৰা বায়-গেছ প্ৰস্তুত কৰা উচিত।
- অকৰ্তৃত্বশীলভাৱে পাহাৰ অঞ্চল ধ্বংসৰ ফলত হোৱা ভূমি অৱক্ষয়ক আইনৰ সহায়ত ৰোধ কৰিব লাগে।
- কীটনাশক হিচাপে ডি. ডি. টি ৰ ব্যৱহাৰত বাধা আৰোপ কৰিব লাগে।
- চহৰ অঞ্চলৰ উদ্যোগিক আৰৰ্জনা আৰু পেলনীয়া সামগ্ৰীসমূহ সঠিকভাৱে পেলোৱাৰ ব্যৱস্থা কৰিব লাগে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজৰ সকলো শ্ৰেণীৰ মাজত আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ মাজেৰে পৰিৱেশ সম্পৰ্কে সজাগতা প্ৰদান কৰিব লাগে। সকলো ক্ষেত্ৰৰ বিষয়ৰ সৈতে পৰিৱেশ সম্পৰ্কীয় বিষয়ৰ সংযোগ ঘটাব লাগে। পৰিৱেশ শিক্ষাৰ পাঠ্যক্ৰম বৰ্দ্ধিত জনসংখ্যাৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰিব লাগে। পৰিৱেশ শিক্ষা হ'ল জনসাধাৰণৰ মাজত জন সজাগতা সৃষ্টি কৰাৰ এক পৰিকল্পনা। এই উদ্দেশ্যে চেমিনাৰ, দলীয় আলোচনা, শিক্ষা দল ইত্যাদি স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্ৰীয় স্তৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় স্তৰতো অনুষ্ঠিত কৰিব লাগে।



৬.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (50 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পৰিৱেশ অৱনতি বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ পৰিৱেশ প্ৰদূষণ বুলিলে কি বুজে?

প্ৰশ্ন ৩ঃ প্ৰদূষণৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

প্ৰশ্ন ৪ঃ আমি কেনেদৰে পৰিৱেশৰ গুণগত মানদণ্ড ধৰি ৰাখিব পাৰো?

(খ) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পৰিৱেশ অৱনতিৰ প্ৰকাৰসমূহ কি কি? প্ৰতিটো প্ৰকাৰ সংক্ষেপে আলোচনা কৰক।

প্ৰশ্ন ২ঃ পৰিৱেশ অৱনতি কেনেদৰে পৰিৱেশ প্ৰদূষণতকৈ পৃথক?

প্ৰশ্ন ৩ঃ পানী প্ৰদূষণ প্ৰতিৰোধ কৰিবলৈ উপায়সমূহ লিখক।

প্ৰশ্ন ৪ঃ মাটিৰ গুণাগুণ উন্নত কৰিবলৈ বিভিন্ন উপায়সমূহ উল্লেখ কৰক।

প্ৰশ্ন ৫ঃ পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ শিক্ষাৰ ভূমিকা উল্লেখ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পৰিৱেশ অৱনতি ৰোধ কৰিবলৈ কি কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি? আলোচনা কৰক।

প্ৰশ্ন ২ঃ পৰিৱেশ অৱনতিৰ বিভিন্ন কাৰণসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ জনসাধাৰণৰ মাজত পৰিৱেশ সম্পৰ্কে সজাগতা সৃষ্টি কৰাত শিক্ষাৰ ভূমিকা কি হোৱা উচিত? আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ পাৰিপাৰ্শ্বিক প্ৰদূষণ

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য

7.2 পৰিচয়

7.3 পাৰিপাৰ্শ্বিক প্ৰদূষণৰ অৰ্থ

7.4 পাৰিপাৰ্শ্বিক প্ৰদূষণৰ প্ৰকাৰ

- 7.4.1 বায়ু প্ৰদূষণ
- 7.4.2 জল প্ৰদূষণ
- 7.4.3 ভূমি প্ৰদূষণ
- 7.4.4 গোটা পেলনীয়া সামগ্ৰীৰ প্ৰদূষণ
- 7.4.5 শব্দ প্ৰদূষণ
- 7.4.6 ৰেডিঅ' সক্ৰিয় প্ৰদূষণ

7.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

7.6 অধিক জানিবলৈ

7.7 অগ্ৰগতিৰ খতিয়ান

7.8 আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পাৰিপাৰ্শ্বিক প্ৰদূষণৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব
- পাৰিপাৰ্শ্বিক প্ৰদূষণৰ উৎসৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে জানিব পাৰিব
- পাৰিপাৰ্শ্বিক প্ৰদূষণৰ বিভিন্ন প্ৰকাৰ শ্ৰেণীভুক্ত কৰিবলৈ সমৰ্থ হ'ব
- বিভিন্ন প্ৰকাৰৰ পাৰিপাৰ্শ্বিক প্ৰদূষণৰ প্ৰতিকূল প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব
- বিভিন্ন প্ৰকাৰৰ পাৰিপাৰ্শ্বিক প্ৰদূষণ কিদৰে প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ কৰিব পাৰি সেই সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

বৰ্তমান সময়ত পৃথিৱীখনে পাৰিপাৰ্শ্বিক প্ৰদূষণৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, যি প্ৰতিবছৰে বাঢ়ি গৈ আছে আৰু পৃথিৱীখনক বিনাশৰ মুখলৈ ঠেলি দিছে। আমি ইয়াত পাৰিপাৰ্শ্বিক প্ৰদূষণৰ অৰ্থ আৰু বিভিন্ন প্ৰকাৰ সম্পৰ্কে আলোচনা কৰিম। তদুপৰি ইয়াৰ বিভিন্ন কাৰণ, প্ৰকাৰ আৰু প্ৰদূষণৰ বিভিন্ন প্ৰতিকূল প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম। আগলৈ আমি পাৰিপাৰ্শ্বিক প্ৰদূষণ কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি বা নিয়ন্ত্ৰণ কৰিব পাৰি তাকো আলোচনা কৰিম।

৭.৩ পাৰিপাৰ্শ্বিক প্ৰদূষণৰ অৰ্থ

মানুহৰ দমন কৰা আচৰণে মানুহ আৰু পৰিৱেশৰ মাজত থকা প্ৰাকৃতিক সম্পৰ্ক ক্ষুণ্ণ কৰিছে। মানুহৰ আদূৰদৰ্শিতা আৰু নিজৰ উপযোগিতা বাবে প্ৰকৃতিক জধেমধে ব্যৱহাৰ কৰাৰ ফলত পৰিৱেশৰ জীৱিত আৰু নিৰ্জীৱ উপাদানৰ মাজত জৈৱিক ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্ৰত ব্যাঘাত জন্মিছে। মানুহৰ অদূৰদৰ্শিতাৰ বাবে কেৱল মানুহৰ জীৱন নিৰ্বাহৰ ক্ষেত্ৰতেই ভাবুকিৰ সৃষ্টি কৰা নহয়, ই অন্য জীৱিত প্ৰাণীৰ ক্ষেত্ৰতো ভাবুকিৰ সৃষ্টি কৰিছে।

এইটো কোৱা নিষ্প্ৰয়োজন যে স্বাভাৱিক আৰু স্বাস্থ্যকৰ জীৱনৰ বাবে সকলো জীৱ-জন্তু, মানৱ, গছ-গছনি, পশুধন, সূক্ষ্ম জীৱ আৰু বন্য জীৱনৰ বাবে সুস্থ পৰিৱেশৰ আৱশ্যক। প্ৰদূষণযুক্ত পৰিৱেশৰ এক বিশেষ গাঁথনিক প্ৰক্ৰিয়া থাকে। যেতিয়া ক্ষতিকাৰক পদাৰ্থ এই প্ৰক্ৰিয়াৰ সৈতে মিলিত হৈ প্ৰক্ৰিয়াটোৰ পৰিবৰ্তন ঘটায় তেতিয়া পৰিবেশক প্ৰদূষিত পৰিৱেশ বুলি কোৱা হয় আৰু যি পদাৰ্থই ইয়াক প্ৰদূষিত কৰে তাক প্ৰদূষক বুলি কোৱা হয়। সেয়ে কব পাৰি যে পৰিৱেশত থকা যিকোনো উপাদানৰ (বায়ু, জল, ভূমি) ভৌতিক, ৰাসায়নিক বা জৈৱিকভাৱে হোৱা অনাকাংক্ষিত পৰিবৰ্তনেই হ'ল পাৰিপাৰ্শ্বিক প্ৰদূষণ যিয়ে জীৱন তথা সম্পত্তিৰ ক্ষেত্ৰত বিভিন্ন ধৰণে ক্ষতিকাৰক প্ৰভাৱ পেলায়। পৰিৱেশ (সুৰক্ষা অধিনিয়ম) 1986 মতে। পৰিৱেশ প্ৰদূষক হ'ল পৰিৱেশত উপলব্দ যিকোনো পাৰিপাৰ্শ্বিক প্ৰদূষক।

পাৰিপাৰ্শ্বিক প্ৰদূষণ আধুনিক বিষয় নহয় যদিও বৰ্তমান সময়ত এই প্ৰদূষণ সাধাৰণতে মানুহৰ কাৰ্যকলাপক বাবে হয়। এইটো কথাত সকলোৱে সহমত প্ৰকাশ কৰিব যে নগৰীয়া উদ্যোগিক তথা প্ৰদ্যেগিক বিপ্লৱ, প্ৰাকৃতিক সম্পদৰ দ্ৰুতভাৱে ধ্বংস, সম্পদ আৰু শক্তি বিনিময়ৰ হাৰ বৃদ্ধি, ঔদ্যেগিক আৱৰ্জনা বৃদ্ধি, নগৰীয়া নিষ্কাশন, উপভোক্তাৰ সামগ্ৰী আদিয়ে নিঃসন্দেহে প্ৰদূষণ সৃষ্টি কৰিছে।

পাৰিপাৰ্শ্বিক প্ৰদূষণৰ সমস্যাটো বিশ্বজুৰি হৈছে আৰু ই সকলো দেশকে আকৃতি, উন্নয়নৰ স্তৰ বা আদৰ্শৰ কথা গ্ৰাহ্য নকৰাকৈ প্ৰভাৱান্বিত কৰিছে। উদাহৰণস্বৰূপে— যদি বিশ্বৰ কোনো এটা প্ৰান্তত পাৰমাণৱিক পৰীক্ষা কৰা হয় তেন্ত তাৰ পৰা নিৰ্গত তেজস্ক্ৰিয় পদাৰ্থবোৰ বতাহে বিশ্বৰ অন্য এটা প্ৰান্তলৈ উৰুৱাই নিব পাৰে । এনে পৰীক্ষণৰ ফলত এখন দেশৰ দূৰবৰ্তী শক্তি প্ৰকল্পৰ পৰা নিৰ্গত এনে তেজস্ক্ৰিয় পদাৰ্থবোৰ দায়িত্বহীনভাৱে আন এখন দেশত নিস্পত্তি কৰিলে এখন ডাঙৰ যুদ্ধৰ আৱম্ভণি ঘটাব পাৰে।

৭.৪ পাৰিপাৰ্শ্বিক প্ৰদূষণৰ প্ৰকাৰ

পাৰিপাৰ্শ্বিক প্ৰদূষণক ভাগ কৰাটো এক কঠিন কাম কিয়নো প্ৰদূষণ আৰু প্ৰদূষক চলাচল যি মাধ্যম সেয়া আন্তঃসংযোগী আৰু আন্তঃসম্পৰ্কীয়। তৎসত্বেও প্ৰদূষিত সামগ্ৰীৰ ওপৰত ভিত্তি কৰি প্ৰদূষণক বিভিন্ন প্ৰকাৰে ভাগ কৰিব পাৰি। এনে দৃষ্টিকোণৰ পৰা প্ৰদূষণক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি -

পাৰিপাৰ্শ্বিক প্ৰদূষণ

বায়ু প্ৰদূষণ জল প্ৰদূষণ ভূমি প্ৰদূষণ গোটা প্ৰদূষণ শব্দ প্ৰদূষণ তেজস্ক্ৰিয় প্ৰদূষণ

তলত এই বিষয়ে আলোচনা কৰো আহক ঃ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পাৰিপাৰ্শ্বিক প্ৰদূষণ বুলিলে কি বুজে ?

.....

.....

প্ৰশ্ন নং ২ ঃ পাৰিপাৰ্শ্বিক প্ৰদূষণৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে লিখক।

.....

.....

৭.৪.১ বায়ু প্ৰদূষণ

বায়ু প্ৰদূষণৰ সমস্যা প্ৰাগঐতিহাসিক কালৰ পৰা দেখা যায় যেতিয়া মানুহে ৰন্ধন কাৰ্যৰ বাবে, গৰম কৰিবলৈ, গুহাত পোহৰৰ ব্যৱস্থা কৰিবলৈ জুইৰ আৱিস্কাৰ কৰিছিল। বায়ু প্ৰদূষণ হ'ল বায়ুমণ্ডলৰ এক অৱস্থা য'ত কিছুমান বিশেষ পদাৰ্থ (সাধাৰণতে অধিক মাত্ৰত) পোৱা যায় যিয়ে মানুহ আৰু পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। এই পদাৰ্থ হ'ল--গেছ, অনুকণা, তেজস্ক্ৰিয় পদাৰ্থ ইত্যাদি।

বায়ু প্ৰদূষণৰ উৎস ঃ

বায়ু প্ৰদূষণৰ মূল উৎস দুটা সেয়া হ'ল—

- **প্ৰাকৃতিক উৎস ঃ** ইয়াৰ অন্তগত হ'ল আগ্নেগিৰিৰ উদ্গৰণ, বালি তথা ধূলিৰ উৰণ, সাগৰীয় নিমখৰ সিঁচৰতি জৈৱিক পচন, উদ্ভিদ জগতৰ বনজুই ইত্যাদি।
- **মানৱ সৃষ্টি উৎস ঃ** ইয়াৰ অন্তৰ্গত হ'ল— তাপ-বিদ্যুৎ প্ৰকল্প, ঔদ্যোগিক গোট, যানবাহনৰ ধোৱা নিৰ্গমন, জীৱাশ্ম ইন্ধনৰ দহন, কৃষিজাত কাম কাজ ইত্যাদি এইবোৰৰ উপৰিও বিভিন্ন ধৰণৰ প্ৰদূষক বিভিন্ন উৎসৰপৰা নিৰ্গত হৈ বায়ুত মিহলি হ'ল। তাৰে কিছুসংখ্যক হ'ল
- **কাৰ্বন যৌথ ঃ** এইবোৰ সাধাৰণতে কাৰ্বন-ডাই-অক্সাইড আৰু কাৰ্বন মনোক্সাইড--যিবোৰ জীৱাশ্ম ইন্ধন দহন কৰাৰ পিছত তথা যানবাহনৰ পৰা নিৰ্গত হয়।
- চালফাৰ যৌথ ঃ এইবোৰৰ ভিতৰত SO_2, H_2S আৰু চালফিউৰক এচিড, যি সাধাৰণতে জীৱাশ্ম ইন্ধন (কয়লা আদি), শক্তি উৎপাদন প্ৰকল্প (তাপ বিদ্যুৎ প্ৰকল্প), ঔদ্যোগক গোট (শোধনাগাৰ) ৰ পৰা নিৰ্গত হয়।
- **নাইট্ৰজেন অক্সাইড ঃ** এইবোৰৰ ভিতৰত মুখ্যত নাইট্ৰজেন মনক্সাইড,নাইজেন

অক্সাইড, নাইট্ৰিক এছিড— যিবোৰ যানবাহন,শক্তি প্ৰকল্প তথা উদ্যোগৰপৰা নির্গত হয়।

- **অ'জন ঃ** ইয়াৰ স্তৰ মানুহৰ কার্যকলাপৰ বাবে বৃদ্ধি হব পাৰে।
- **হাইড্ৰকার্বন ঃ** এইবোৰৰ ভিতৰত মূখ্যত বেনযীন (আলকাতাৰাৰ পৰা উৎপন্ন এবিধ বর্ণহীন তৰল পদার্থ), বেনযী পাইৰেন্স আদি— যিবোৰ যান-যানবাহন তথা উদ্যোগৰপৰা নির্গত হয়।
- **ফ্লৰোকার্বন ঃ** এইবোৰ সাধাৰণতে উদ্যোগ, কীট-নাশক দ্রব্য, বাতানুকূল যন্ত্র, ডিওড্রেণ্টৰ পৰা নির্গত হয়।
- **ধাতু ঃ** এইবোৰৰ ভিতৰত সীহ, নিকেল, আর্চেনিক, বেৰিলিয়াম, টিন, ভানাডিয়াম, টিটেনিয়াম, কেডমিয়াম (এবিধ কোমল বগা ধাতু) আদি কঠিন বা জুলীয়া টোপাল বা গেছীয় ৰূপত বায়ুত উপলদ্ধ হয়। এইবোৰ সাধাৰণতে ধাতু নিষ্কাশনৰ প্রক্রিয়া, যানবাহন, সাগৰীয় স্প্রে আদিৰ পৰা উৎপন্ন হয়।

বায়ু প্রদূষণৰ প্রকাৰ ঃ

বায়ু প্রদূষণৰ দুটা দিশৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হৈছে। সেয়া হ'ল --

- প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত
- প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত
- প্রদূষকৰ বিভিন্ন প্রকাৰৰ ভিত্তিত বায়ু প্রদূষণক দুটা উপভাগত ভগাব পাৰি এনেদৰে—
- গেছীয় প্রদূষণ
- কণাযুক্ত বায়ু প্রদূষণ

  আনহাতে প্রদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত বায়ু প্রদূষণক চাৰিটা উপভাগত ভাগ কৰিব পাৰি এনেদৰে—

  - যান বাহনৰপৰা বায়ু প্রদূষণ
  - ঔদ্যোগিক বায়ু প্রদূষণ
  - তাপ বিদ্যুৎ প্রকল্পৰ প্রদূষণ
  - পাৰমাণৱিক প্রদূষণ

বায়ু প্রদূষণৰ প্রতিকূল-বিৰূপ প্রভাৱ ঃ

বায়ু প্রদূষণে মানুহৰ শৰীৰত বিভিন্ন গুৰুতৰ -জটিল ৰোগ ব্যাধিৰ সৃষ্টি কৰে।

- বায়ু প্রদূষণে কৃষিজাত শস্য আৰু উদ্ভিদ জগতৰ ক্ষতি সাধন কৰে।
- বায়ুৰ পৰা সৃষ্টি হোৱা ফ্লৰাইড আৰু আর্চেনিক প্রদূষণে কৃষিকার্যত ব্যৱহৃত পশুধনৰ ক্ষতি কৰে ।
- বায়ু প্রদূষকবোৰ বৰষুণৰ সৈতে মিহলি হৈ ক্ষতিকাৰক এচিড সৃষ্টি কৰি হ্রদৰ পনী প্রদূষিত কৰে । ইয়ে জলজীৱন বিশেষকৈ মাছৰ ক্ষতি কৰে।

- মানৱ সৃষ্টি বিভিন্ন সম্পদ যেনে-বিখ্যাত অট্টালিকা, স্মৃতি সৌধ আৰু কলা সংগ্ৰহ আদি বায়ু প্ৰদূষণত ক্ষতিগ্ৰস্ত হয়।
- বায়ু প্ৰদূষণে আঞ্চলিক, মহাদেশীয় অথবা গোলকীয় ভিত্তিত বতৰা, জলবায়ু প্ৰভাৱান্বিত কৰে।
- বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ বৃদ্ধি পৃথিৱীৰ উত্তাপ বৃদ্ধিৰ কাৰক। ইয়াক "সেউজ গৃহৰ প্ৰভাৱ" বুলি জনা যায়।
- ই পাইলটৰ দৃষ্টিনিক্ষেপৰ ক্ষেত্ৰত বাধা প্ৰদান কৰে যি জাহাজ দুৰ্ঘটনাৰ কাৰক হৈ পৰে।

বায়ু প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ ঃ

বায়ু প্ৰদূষণ বহুলাংশে কমাব পাৰি তলত দিয়া উপায়েৰে ঃ

- ৰাজহুৱা পৰিবহন ব্যৱস্থাৰ ব্যৱহাৰ, চাইকেল ব্যৱহাৰ কৰি
- ইঞ্জিনৰ সময়তে নিৰীক্ষণ কৰি, অধিক প্ৰদূষিত পুৰণি গাড় সলনি কৰি, বৈদ্যুতিক আহিলাত অনুঘটন লগাই যানবাহনৰ প্ৰদূষণ ৰোধ কৰিব পাৰি।
- কম প্ৰদূষিত ইন্ধন যেনে হাইড্ৰেজেন গেছ ব্যৱহাৰ কৰি
- অপৰম্পৰাগত উৎস যেনে সৌৰ শক্তি, বতাহ ব্যৱহাৰ কৰি
- জৈৱিক ফিল্টাৰ আৰু জৈৱ বুৰুজ ব্যৱহাৰ কৰি
- সঠিক ৰূপত পাৰিপাৰ্শ্বিক প্ৰভাৱ নিৰ্ধাৰণৰ অধ্যয়ন কৰাৰ পিছত উদ্যোগ স্থাপন কৰি
- উদ্যোগবোৰত কম ছালফাৰযুক্ত কয়লা ব্যৱহাৰ কৰি।

৭.৪.২ জল প্ৰদূষণ

পানীৰ ভৌতিক, ৰাসায়নিক বা জৈৱিক বৈশিষ্ট্য লুপ্ত হৈ প্ৰাকৃতিক অৱস্থাত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিলে তাক জল প্ৰদূষণ বুলি অভিহীত কৰা হয়।

জল প্ৰদূষণৰ মূখ্য উৎস দুটা। সেয়া হ'ল--

- **প্ৰাকৃতিক উৎস ঃ** জল প্ৰদূষক হ'ল— গৰাখহনীয়া, আগ্নেয়গিৰিৰ উদ্‌গীৰণ, ভূমিস্খলন, উপকূল আৰু পাহাৰৰ স্খলন গছ-গছনি আৰু জীৱ জন্তুৰ পচন ইত্যাদি।
- **মানৱ সৃষ্টি উৎস ঃ** জল প্ৰদূষক হ'ল— উদ্যোগ, শক্তি প্ৰকল্প, ভূগৰ্ভত থকা কয়লা খনি, মহানগৰীকৰণ, কৃষিজাত পথাৰৰ ভূপৃষ্ঠা স্খলন, সাংস্কৃতিক কাৰ্যসূচী (ধাৰ্মিক মেলা আৰু তীৰ্থযাত্ৰা) ইত্যাদি।

ভূপৃষ্ঠৰ জল প্ৰদূষণৰ মুখ্য উৎস হ'ল—

- নগৰ আৰু চহৰত সৃষ্টি হোৱা বৰ্জিত পদাৰ্থ আৰু অন্যান্য পেলনীয়া সামগ্ৰী নলা-নৰ্মদাত প্ৰবাহিত হোৱা।

- উদ্যোগবোৰত বিশেষকৈ ৰাসায়নিক উদ্যোগবোৰত সৃষ্টি হোৱা অৱশিষ্ট ৰাসায়নিক সামগ্ৰীৰ নিষ্কাশন
- কৃষি কাৰ্যত ব্যৱহৃত ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ
- সাগৰত তেল খনন আৰু প্ৰেৰণ কৰোতে পানীত তেল নিসৰণ হোৱা
- তাপ বিদ্যুৎ প্ৰকল্প আৰু পাৰমাণৱিক শক্তি প্ৰকল্পক পৰা সৃষ্টি পেলনীয়া সামগ্ৰী

ভূগৰ্ভৰ পানী কম পৰিমাণে প্ৰদূষিত কিয়নো যি ঠাইৰে পানী বৈ যায় তাত ভূমিৰ আৱৰণ থাকে যিয়ে পানী দূষিত হোৱা বিভিন্ন কাৰকক বাধা দিয়ে। তৎস্বত্বেও ভূগৰ্ভৰ পানী দূষিত হোৱাৰ বিভিন্ন উৎস পোৱা যায়। মল শোধন টেংকি, উদ্যোগ (বস্ত্ৰ, ৰাসায়নিক, চৰ্ম),গভীৰ নলীনাদ বহুৱা, খনন কাৰ্য ইত্যাদি প্ৰধানকৈ ভূগৰ্ভ প্ৰদূষণৰ মূখ্য কাৰক যি অপূৰণীয় ক্ষতিসাধন কৰে। আৰ্চেনিক, ফ্লৰাইড, নাইট্ৰেট আদিৰে ভূগৰ্ভৰ পানী প্ৰদূষিত হ'লে মানৱৰ গুৰুতৰ ক্ষতি হয়। জল প্ৰদূষণৰ প্ৰকাকঃ উৎসৰ বিভিন্ন ভাগ আৰু জল ভাণ্ডাৰৰ ভিত্তিত জল প্ৰদূষণক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি--

- নদীৰ জল প্ৰদূষণ
- হ্ৰদৰ জল প্ৰদূষণ
- সাগৰৰ জল প্ৰদূষণ
- ভূ-পৃষ্ঠৰ জল প্ৰদূষণ
- ভূ গৰ্ভৰ জল প্ৰদূষণ

প্ৰদূষণৰ উৎসৰ ওপৰত ভিত্তি কৰি জল প্ৰদূষণ এনেদৰে ভাগ কৰিব পাৰি---

- উদ্যোগিক পেলনীয়া সামগ্ৰীৰ জল প্ৰদূষণ
- গোটা পেলনীয়া সামগ্ৰীৰ জল প্ৰদূষণ
- নলা নদমাৰ প্ৰবাহিত জল প্ৰদূষণ
- গাৰ্হস্থ্য জল প্ৰদূষণ

জল প্ৰদূষণ ক্ষতিকাৰক পৰিণাম ঃ

জল প্ৰদূষণৰ কিছুসংখ্যক গুৰুত্বপূৰ্ণ প্ৰভাৱ সম্পৰ্কে তলত উল্লেখ কৰা হ'লঃ-

- মানুহৰ সোঁচৰা ব্যাধি হ'ল জল প্ৰদূষণৰ মূখ্য প্ৰভাৱ। বিশেকৈ উন্নয়ণশীল দেশত য'ত অনাময় ব্যৱস্থা নাথাকে বা ব্যৱহাৰৰ উপযোগী নহয়, তেনে দেশত ইয়াৰ প্ৰভাৱ বেছি দেখা যায়।
- মানৱ দৃষ্টি নাইট্ৰজেন, ফছফৰাছ আৰু অন্যান্য পোষক আদি নিষ্কাশনৰ ফলত উপকূলীয় অঞ্চলত বিপদজনক ভাৱে শেলুৱৈ গজাত সহায়ক হয়। এই অতিৰিক্ত শেলুৱৈ স্থানীয় পৰিবেশৰ বাবে ক্ষতিকাৰক, যিয়ে অক্সিজেন শুহি লয় আৰু জল জীৱনৰ প্ৰাণীক মৃত্যু মুখলৈ ঠেলি দিয়ে। পোষক প্ৰদূষণে মাছৰ বিভিন্ন ৰোগৰ সৃষ্টি কৰে।
- তেল নিসৰণ অথবা ৰাসায়নিকে জল-জীৱন জৈৱিক প্ৰক্ৰিয়া তথা সামুদ্ৰিক

জীৱকূলৰ প্ৰকৃতি সালনি কৰিব পাৰে। বছৰ বছৰ ধৰি সামুদ্ৰিক পৰিৱেশত খাৰুৱা তেলৰ যৌগৰ অৱস্থিতিয়ে জল জীৱন বিষাক্ত কৰি তুলিছে বুলি প্ৰমাণ পোৱা গৈছে।

- ৰৱষুণৰ পানীয়ে কীটনাশক দ্ৰব্য বোৱাই আনি অন্য পানীৰসৈতে মিলিত হয়। কেতিয়াবা অপকাৰী কীট পতংগ নিয়ন্ত্ৰণৰ বাবে পোনপটীয়াভাৱে পানীত কীটনাশক দ্ৰব্য ছটিওৱা হয়। কীট নাশক দ্ৰব্য শস্যৰ সুৰক্ষাৰবাবে ব্যৱহাৰ কৰা হয়। যেতিয়া এই কীটনাশক দ্ৰব্যবোৰ পানীত উটি যায়, তেতিয়া ই আমাৰ স্বাস্থ্যত গুৰুতৰ প্ৰভাৱ পেলায়।
- খনন কাৰ্যত ব্যৱহৃত বিপদজনক ৰাসায়নিক পদাৰ্থ নদী অথবা হ্ৰদলৈ উটি যায় যিয়ে পানীত সাংঘাতিক প্ৰভাৱ পেলায়। যেতিয়া ৰৱষুণ বা ভূপৃষ্ঠৰ পানী শিল বা ভূমিক ওপৰেৰে বৈ যায় তেতিয়া ই প্ৰকৃতিক ভাৱে চালফাৰৰ সৈতে লগ হৈ ছালফিউৰিক এছিড সৃষ্টি কৰে।
- হ্ৰদ আৰু নদীৰ পৰা পানী বোৱাই আনি কল কাৰখানাৰ মেচিন বা যন্ত্ৰপাতি ঠাণ্ডা কৰি ৰখা হয়। এই পানীখিনি উষ্মহৈ আকৌ উভতি পানীৰ উৎসতেই পৰে। এনে উষ্ণ পানীৰ ফলত মাছ বা অন্যান্য প্ৰাণী যি এক নিৰ্দিষ্ট তাপমানত জীয়াই থাকে মৃত্যু মুখত পৰিব পাৰে। তদুপৰি এনে উষ্ণতাই মাছ, ভেকুলীৰ কণীবোৰ ঘোলা কৰিব পাৰে। উষ্ণ পানীয়ে পানীত থকা অক্সিজেন হ্ৰাস কৰে, যাৰ ফলত জলজ প্ৰাণীবোৰ সহজে বেমাৰত আকান্ত হয়।
- খোৱা পানীত অতিৰিক্তভাৱে ফ্লৰাইড থাকিলে দাঁত আৰু হাড়ৰ বেমাৰ হব পাৰে যাক ফ্লৰোচিচ বুলি কোৱা হয়।

জল প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ ঃ

জল প্ৰদূষণ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে ল'বলগীয়া সাৱধানতাবোৰ তলত উল্লেখ কৰা হ'ল ঃ

- কৃষিকাৰ্যত ৰাসায়নিক সাৰৰ প্ৰয়োগ হ্ৰাস কৰা আৰু বিচক্ষণতাৰে ব্যৱহাৰ কৰা। হেলনীয়া ভূমিত এইবোৰ ব্যৱহাৰ কৰিব নালাগে।
- সাৰৰ পৰিপূৰক হিচাপে নাইট্ৰজেন থকাৰ গছ ব্যৱহাৰ কৰা।
- কীট নাশক দ্ৰব্যৰ ওপৰত নিৰ্ভৰশীল হোৱাতকৈ অপকাৰী কীট নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা।
- সাৰ উটি যোৱাটো ৰোধ কৰক। সেয়া নলাত উটি যোৱাৰ ব্যৱস্থা কৰক। খেতি পথাৰবোৰত পৰিপোষকপূৰ্ণ পানীক সাৰ হিচাপে ব্যৱহাৰ কৰক।
- নৰ্মদাৰ পানী আৰু ৰৱষুণ পানী বৈ যোৱাৰ বাবে পৃথক ব্যৱস্থা কৰক যাতে নৰ্মদাৰ পানী ৰৱষুণৰ পানীৰ ফলত উপচি নপৰে।
- বৰ্জিত পানী নিষ্কাশন কৰাৰ আগতে বীজানুমুক্ত কৰি লব লাগে যাতে ই জলজ

প্ৰাণীৰ ৰোগ সৃষ্টি কৰিব নোৱাৰে।

- উদ্যোগৰ পৰা নিষ্কাশন কৰাৰ আগতে বৰ্জিত পানীখিনি ভালদৰে পৰিশোধন কৰি লব লাগে।

৭.৪.৩ ভূমি প্ৰদূষণ

ভূমি দূষিত হোৱাকেই ভূমি প্ৰদূষণ বুলি কোৱা হয়। এয়া সাধাৰণতে এচিদ বৰষুণ, প্ৰদূষিত পানী, সাৰ, নিৰ্ৱনানীকৰণ, জাৱৰৰ দম আদিৰ বাবে হয় যি শস্য নষ্ট কৰে। যেতিয়া ৰাসায়নিক পদাৰ্থ নিগৰি ভূমিত মিহলি হয় বা ভূগৰ্ভীয় সঞ্চিত ভাণ্ডাৰৰ পৰা নিৰ্গত দূষক পদাৰ্থ ভূমিত মিহলি হয় তেতিয়া ভূমি প্ৰদূষিত হৈ পৰে।

ভূমি প্ৰদূষণৰ কাৰণ

ভূমি প্ৰদূষণ বিভিন্ন কাৰণত হয়। তলত কিছুসংখ্যক উল্লেখ কৰা হ'ল ঃ

- **ঔদ্যোগিক কাৰ্যকলাপ ঃ** প্ৰায় সংখ্যক উদ্যোগেই পৃথিৱীৰ পৰা আহৰিত খনিজ পদাৰ্থৰ ওপৰত নিৰ্ভৰশীল। ফলত ঔদ্যোগিক বৰ্জিত সামগ্ৰীখিনি ধীৰ গতিৰে বহু সময় ধৰি ভূপৃষ্ঠত মিহলি হয় আৰু ভূমি ব্যৱহাৰৰ অনুপযোগী হৈ পৰে।
- **কৃষি সম্পৰ্কীয় কাৰ্যকলাপ ঃ** প্ৰযুক্তিবিদ্যাই আমাক আধুনিক কীটনাশক দ্ৰব্য আৰু সাৰ উপলব্ধ কৰোৱাৰ বাবে খেতি পথাৰত সাংঘাতিক ৰূপত ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ হবলৈ ধৰে। এই ৰাসায়নিকপদাৰ্থবোৰ প্ৰাকৃতিকভাৱে উৎপাদন কৰা নহয় আৰু ই সহজে মিলি নাযায়। ফলত পানীত মিহলাই এইবোৰ ব্যৱহাৰ কৰাৰ পিছত ই মাটিৰ ভিতৰলৈ বিৰিঙি সোমায় আৰু লাহে লাহে মাটিৰ উৰ্ৱৰতা শক্তি হ্ৰাস কৰে।

বৰ্জিত সামগ্ৰী পেলোৱা ঃ

প্ৰত্যেক ব্যক্তিয়ে মল-মূত্ৰৰ দ্বাৰা এক নিদিষ্ট পৰিমানৰ ব্যক্তিগত বৰ্জিত পদাৰ্থ সৃষ্টি কৰে। ইয়াৰে কিছুসংখ্যক চেপ্তিক টেংকিত যায় আনহাতে বহুলাংশ ডাইপাৰ হিচাপে মাটিত পোনপটিয়াকৈ পেলোৱা হয়। তদুপৰি চেপ্তিক টেংকিৰ পানীও মাটিত পৰে গৈ, যিয়ে মাটি আৰু পানী দূষিত কৰি তোলে। আমাৰ শৰীৰটো যিহেতু নানা দূষিত পদাৰ্থ আৰু ৰসায়নেৰে ভৰপূৰ সেয়ে এইবোৰে মাটিত মিহলি হৈ ভূমি প্ৰদূষণ কৰে।

- **দুৰ্ঘটনা ক্ৰমে তেল নিসৰণ ঃ** কেতিয়াবা ৰাসায়নিক পদাৰ্থ সঞ্চয় আৰু পৰিবহণ কৰোতে তেল নিসৰণ হয়। এয়া সাধাৰণতে বেছিকৈ ইন্ধন ষ্টেচনত দেখা যায়। ইন্ধনত থকা ৰাসায়নিক পদাৰ্থই ভূমিৰ গুণাগুণ হ্ৰাস কৰে আৰু ই শস্য উৎপাদনৰ বাবে অনুপযোগী হৈ পৰে ।
- **এচিড বৰষুণ ঃ** প্ৰদূষক মিশ্ৰিত বায়ু বৰষুণৰসৈতে মিলিত হৈ ভূমিত পৰিলে এচিড বৰষুণ হয়। এনে প্ৰদূষিত পানীয়ে ভূমিত থকা কিছুমান গুৰুত্বপূৰ্ণ তত্ত্ব উটুৱাই নিয়ে যাৰ ফলত ভূমিৰ গঠন প্ৰক্ৰিয়াৰ পৰিবৰ্তন হয়।

ভূমিৰ বাবেই আমি এই পৃথিৱীত জীৱন নিৰ্বাহ কৰিব পাৰিছো, অথচ ভূমি প্ৰদূষণে আমাৰ স্বাস্থ্যত গুৰুতৰ প্ৰভাৱ পেলাইছে। যিবোৰ গছ-গছনি, শস্য প্ৰদূষিত ভূমিত উৎপন্ন হয় সেইবোৰে প্ৰদূষণ শোষণ কৰে আৰু এইবোৰ আমাৰ শৰীৰলৈ খাদ্যৰ মাধ্যমেৰে প্ৰৱেশ কৰে। এইটো এটা কাৰণ হ'ল হঠাতে অলাপ সময়ৰহবাবে অথবা দীঘলীয়া সময়ৰবাবে ৰোগ বৃদ্ধি হোৱা।

- ভূমি প্ৰদূষণৰ অধিক প্ৰসাৰে জৈৱিক ভাৰসাম্যতাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। ভালেসংখ্যক গছ -গছনি ভূমিৰ কম সময়ক ভিতৰত অভিজ্ঞতা বিক্ৰিয়াৰবাবে ভালদৰে বাঢ়িব নোৱাৰে। তদুপৰি ভেঁকুৰ আৰু জীৱাণুৱে মাটি কঠিন টান হৈ থকা শক্তিৰ অৱনতি ঘটায় যাৰ বাবে ভূমি স্খলন হয়।
- বিষাক্ত ৰাসায়নিক পদাৰ্থবোৰ মাটিৰ লগত মিহলি হৈ মাটিৰ উৰ্বৰতা শক্তি হ্ৰাস কৰে যাৰ ফলত শস্য উৎপাদন কমি যায়। এই বিষাক্ত ভূমিত যি শাক-পাছলি, ফলমূল উৎপন্ন হয় তাৰ গুণগত মান কমি যায়। বিষাক্ত ৰাসায়নিক পদাৰ্থবোৰ ফল মূল আৰু শাক-পাছলিত নিহিত হৈ থাকে আৰু যিয়ে গ্ৰহণ কৰে তেওঁৰ স্বাস্থ্যৰ সমস্যাৰ সৃষ্টি হয়।
- বিষাক্ত পদাৰ্থ আৰু ইন্ধন গেছ ভূমিৰপৰা নিৰ্গমন হৈ পৰিৱেশ প্ৰদূষিত কৰে আৰু ইয়ে কিছুসংখ্যক মানুহৰ স্বাস্থ্যৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলায়। তদুপৰি দুৰ্গন্ধই মানুহক অস্বস্তিত পেলায়।
- ভূমিত থকা কিছুমান প্ৰাণীৰ মৃত্যুয়েও ভূমিৰ গঠন প্ৰণালীত পৰিবৰ্তন সাধন কৰে। ইয়ে অন্য কিছুমান প্ৰাণীক খাদ্যৰ সন্ধানত অন্য ঠাইলৈ যাৱলৈ বাধ্য কৰায়।

ভূমি প্ৰদূষণৰ নিয়ন্ত্ৰণ ঃ

ভূমি প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে লব লগায়া সাবধানতা তলত উল্লেখ কৰা হ'ল-

- ভূমি প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে সঠিক মাপকাঠিৰ পদক্ষেপ লোৱা উচিত।
- ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ ব্যহাৰ বিচক্ষণতাৰে কৰক।
- DDT ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰতিবন্ধক লগোৱা উচিত।
- একত্ৰিতভাৱে কীট- পতংগ নিয়ন্ত্ৰণ কৰক।
- জৈৱিক প্ৰক্ৰিয়াৰে কৃষি কাৰ্য কৰাৰ বাবে উৎসাহিত কৰক।
- ঔদ্যোগিক আৰু নগৰীয়া বৰ্জিত পদাৰ্থবোৰ সঠিক ভাৱে নিষ্পত্তি কৰক।
- শস্য নিয়ন্ত্ৰণ তথা ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰক।
- ভূমিৰ বাবে অপকাৰী ৰাসায়নিক সাক তথা কীটনাশক দ্ৰব্যৰ অধিক প্ৰায়োগৰ হানিকাৰকতা সম্পৰ্কে কৃষিসকলক দিহা পৰামৰ্শ দিয়া উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ বায়ু প্ৰদূষণৰ বিভিন্ন ভাগ সম্পৰ্কে লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ ভূমি প্ৰদূষণৰ দুটা কাৰণৰ বিষয়ে লিখক।

.....

.....

৭.৪.৪ গোটা পেলনীয়া সামগ্ৰীৰ প্ৰদূষণ

সকলো গোট আৰু অৰ্দ্ধ গোটা বৰ্জিত সামগ্ৰী মানৰ তথা জীৱ জন্তুই সৃষ্টি কৰে। যিবোৰ অলাগতিয়াল সামগ্ৰী বা ব্যৱহাৰৰ অনুপযোগী সামগ্ৰী পেলাই দিয়া হয়, তাকে গোটা বৰ্জিত সামগ্ৰী বুলি কোৱা হয়। বায়ু আৰু জল প্ৰদূষণৰ পিছতেই গোটা বৰ্জিত সামগ্ৰীক তৃতীয় প্ৰদূষণ হিচাপে অভিহিত কৰা হৈছে। গোটা বৰ্জিত সামগ্ৰীৰ ভিতৰত অন্তভূৰ্ক্ত হ'ল— আৱৰ্জনা, ছাঁই, অৱশিষ্ট, মৃত জীৱ-জন্তু, তেজস্ক্ৰিয় পেলনীয়া আদি। ভাৰতবৰ্ষৰ নগৰ অঞ্চলত গোটা বৰ্জিত সামগ্ৰী দ্ৰুত গতিত বৃদ্ধি পাইছে।

গোটা বৰ্জিত সামগ্ৰীৰ উৎস ঃ

গোটা বৰ্জিত সামগ্ৰী প্ৰদূষণৰ বিভিন্ন উৎসবোৰ হ'ল—

- **গৃহৰ পেলনীয়া সামগ্ৰী ঃ** মানুহে গৃহ কাৰ্যত ব্যৱহাৰ কৰাৰ পিছত ওলোৱা জাৱৰ জোথৰ, ছাই আদি।
- **ঔদ্যোগিক পেলনীয়া সামগ্ৰী ঃ** এনে পেলনীয়া সামগ্ৰী সাধাৰণতে ঔদ্যোগিক কাম-কাজ নিৰ্মাণ আৰু ধ্বংসৰ পেলনীয়া সামগ্ৰী, যন্ত্ৰপাতি তথা সা-সৰঞ্জামৰ পেলনীয়া, খননৰ পেলনীয়া সামগ্ৰীৰ পৰা উৎপন্ন হয়।
- **কৃষিজাত পেলনীয়া সামগ্ৰী ঃ** কৃষিজাত পেলনীয়া সামগ্ৰীৰ ভিতৰত কৃষিজাত অৱশিষ্ট, হাঁহ, কুকুৰা, দুগ্ধজাত সামগ্ৰী আদি। তদুপৰি কীটনাশক দ্ৰব্যৰ পেকেট, ৰাসায়নিক সাৰৰ পেকেট, ভূমিৰ পৰিপোষক আদি আধুনিক কৃষিকাৰ্যত ব্যৱহৃত হয় যিয়ে প্ৰদূষণ সৃষ্টি কৰে।
- **বাণিজ্যিক পেলনীয়া সামগ্ৰী ঃ** ৰাজহুৱা স্থান যেনে— কাৰ্যালয়, বজাৰ, ৰেষ্টুৰেণ্ট, ৰাস্তা-ঘাট আদিৰ পৰা বাণিজ্যিক পেলনীয়া সামগ্ৰী উৎপন্ন হয়। ইয়াৰ ভিতৰত অট্টালিকাৰ পেলনীয়া সামগ্ৰী, আৱৰ্জনা, বিপদসংকুল জাৱৰ-জোথৰ, ছাই আদি।

গোটা বৰ্জিত সামগ্ৰীৰ বিভিন্ন প্ৰকাৰ ঃ

- **জৈৱ প্ৰক্ৰিয়াৰে পৰিৱেশত বিলীন হোৱা বৰ্জিত সামগ্ৰী ঃ** এনে বৰ্জিত সামগ্ৰী ক্ষতি নকৰাকৈ জৈৱিক প্ৰক্ৰিয়াৰে বিলীন নহয়। উদাহৰণস্বৰূপে— প্লাষ্টিক,

পলিথিন বেগ, কাঁচৰ টুকুৰা ইত্যাদি।

- **দূষিত বৰ্জিত সামগ্ৰী ঃ** এনে সামগ্ৰীয়ে জীৱৰ স্বাস্থ্য তথা পৰিৱেশৰ প্ৰতি তাৎক্ষণিকভাৱে বা এক নিৰ্দিষ্ট সময়ৰ পিছত ভাবুকিৰ সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে— কীটনাশক দ্ৰব্য, গধুৰ ধাতু পাৰা আৰু ছালফাৰ ছাই অক্সাইড ইত্যাদি।
- **অদূষিত বৰ্জিত সামগ্ৰী ঃ** এনে সামগ্ৰীয়ে জীৱ তথা পৰিৱেশৰ বাবে হানিকাৰক নহয়। এনে বৰ্জিত সামগ্ৰী সাধাৰণতে গৃহৰ পৰা সৃষ্টি হয়। যি সহজে বিলীন হয়। উদাহৰণস্বৰূপে— কাগজ, ফটা কাপোৰ, বোৰ্ড ইত্যাদি।
- **জৈৱ মেডিকেল বৰ্জিত সামগ্ৰী ঃ** হস্পিতাল, স্বাস্থ্য কেন্দ্ৰ, দন্ত্য চিকিৎসা মহাবিদ্যালয়, গৱেষণাগাৰ আদিৰ পৰা এনে বৰ্জিত সামগ্ৰী সৃষ্টি হয়। উদাহৰণস্বৰূপে— জৈৱিক সামগ্ৰী চিৰিঞ্জৰ ব্যৱহাৰ ইত্যাদি।

গোটা পেলনীয়া সামগ্ৰীৰ ক্ষতিকাৰক প্ৰভাৱ ঃ

- গোটা পেলনীয়া সামগ্ৰী অসাৱধানতাৱে ব্যৱহাৰ কৰিলে স্বাস্থ্য তথা পৰিৱেশৰ ক্ষতি হ'ব পাৰে।
- গোটা পেলনীয়া সামগ্ৰী উপযুক্তভাৱে নিষ্পত্তি নকৰিলে শস্যত, যোগান ধৰা পানীৰ জৰিয়তে শস্য বিষাক্ত হৈ মানুহ তথা জীৱ-জন্তুৰ মৃত্যু ঘটাব পাৰে।
- অনিয়ন্ত্ৰিত নগৰীয়া পেলনীয়া সামগ্ৰীৰ দমবোৰে পৰিৱেশৰ সৌন্দৰ্য নাশ কৰে।
- অনিয়ন্ত্ৰিত আৱৰ্জনাৰ দমবোৰ পুৰিলে বায়ু প্ৰদূষণ হয়।
- গোটা পেলনীয়া সামগ্ৰী জল প্ৰদূষণৰো মুখ্য কাৰক।

গোটা পেলনীয়া সামগ্ৰী প্ৰদূষণৰ নিয়ন্ত্ৰণ ঃ

গোটা পেলনীয়া সামগ্ৰী প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো অতীৰ প্ৰয়োজন হৈ পৰিছে। ইয়াৰ বাবে কিছুমান পদ্ধতি অৱলম্বন কৰিব লাগিব— (1) পুনচক্ৰণ (2) পেলনীয়া সামগ্ৰীৰ দহন আৰু তাপ শক্তিৰ বাবে ব্যৱহাৰ (3) বিদ্যুৎ উৎপন্ন (4) সাৰ আৰু জৈৱ গেছৰ বাবে জৈৱিক পেলনীয়া সামগ্ৰীৰ ব্যৱহাৰ।

ডাঙৰ নগৰ তথা চহৰত গোটা পেলনীয়া সামগ্ৰীবোৰ কাবাড়ীৱালা বা বেপাৰীয়ে কিনি নিয়ে। চহৰ বা নগৰত কোনো সামগ্ৰীকে পেলনীয়া সামগ্ৰী হিচাপে নিষ্পত্তি কৰিব লগা নহয়।

৭.৪.৫ শব্দ প্ৰদূষণ

শব্দ প্ৰদূষণ সাধাৰণতে এখন ঠাইত আমনিদায়ক বা অতিৰিক্ত মাত্ৰাৰ শব্দৰ পৰা হয়। উচ্চ মাত্ৰাৰ শব্দই মানৱ সমাজত যোগাযোগৰ ক্ষেত্ৰত ব্যাঘ্যাত জন্মায়। চহৰীকৰণৰ ফলত চহৰৰ সকলোবোৰ ঠাইতে শব্দৰ মাত্ৰা বাঢ়ি গৈ আছে।

শব্দ প্ৰদূষণৰ উৎস ঃ

শব্দ প্ৰদূষণৰ বিভিন্ন উৎসবোৰ হ'ল—

- **গাৰ্হস্থ্য উৎস ঃ** খাদ্য মিশ্ৰণ আহিলা, গ্ৰাইণ্ডাৰ, ভেকুৱাম ক্লিনাৰ, কাপোৰ ধোৱা মেচিন, ডায়াৰ, বাতানুকূল যন্ত্ৰ, চুলি চিধা আৰু কেকোৰা কৰা আহিলা, কুলাৰ, দূৰদৰ্শন, আই পত্ৰ, ইয়াৰ ফোন, লাউদ স্পীকাৰ, চুবুৰীয়াৰ কুকুৰৰ ভুকভুকনি।
- **সামাজিক ঘটনা ঃ** উপাসনা কৰা স্থান, ডিস্কো, পাটি, বজাৰ য'ত মানুহে লাউদ স্পীকাৰ ব্যৱহাৰ কৰি বস্তু বিক্ৰী কৰে। যদিও এনে ঘটনা সঘনে নহয়, এইবোৰক শব্দ প্ৰদূষণতকৈ আপদ বুলিহে ক'ব পাৰি।
- **ব্যৱসায়িক তথা ঔদ্যোগিক কাৰ্যকলাপ ঃ** চপাশাল, পণ্য উৎপাদন কৰা উদ্যোগ আৰু নিৰ্মাণ ঠাই।
- **পৰিবহন ঃ** ৰাস্তাত ট্ৰেফিকৰ শব্দ, উৰাজাহাজৰ শব্দ, ৰে'লপথৰ শব্দ।

শব্দ প্ৰদূষণৰ কাৰণ ঃ

শব্দ প্ৰদূষণৰ বিভিন্ন কাৰণবোৰ হ'ল—

- দুৰ্বল নগৰীয়া আঁচনি
- যান বাহনৰ শব্দ
- বাদ্য যন্ত্ৰৰ শব্দ
- গাড়ীৰ এলাৰ্ম
- কাৰ্যালয়ৰ আহিলা
- কা�ৰখানাৰ যন্ত্ৰপাতি
- নিৰ্মাণ কাৰ্য
- জন্তুৰ চিঞৰ
- উপকৰণ
- শ্ৰৱণ যন্ত্ৰ
- লাউদ স্পীকাৰ
- মানৱ সৃষ্টি কোলাহল

শব্দ প্ৰদূষণৰ প্ৰভাৱ ঃ

- **মানৱৰ সৈতে যোগাযোগত ব্যাঘাত ঃ** কোলাহলপূৰ্ণ ঠাইত যোগাযোগ বাৰে বাৰে প্ৰভাৱান্বিত হয়।
- **শ্ৰৱণ শক্তিৰ ক্ষতি ঃ** কোলাহ'লে অস্থায়ী বা স্থায়ীভাৱে শ্ৰৱণ শক্তি হ্ৰাস কৰিব পাৰে। ই শব্দৰ প্ৰাৱল্যতা তথা সময়ৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰে। যেতিয়া শব্দৰ মাত্ৰা 90 ডেচিবলতকৈ অধিক তৰংগ হৈ কেই মিনিটমানতকৈ বেছি সময় থাকে তেতিয়া শ্ৰৱণ সংবেদনশীলতা হ্ৰাস পায়।

- **শাৰীৰিক আৰু মানসিক পৰিৱৰ্তন ঃ** অবিৰতভাৱে কোলাহল হৈ থাকিলে আমাৰ শৰীৰৰ বিভিন্ন প্ৰক্ৰিয়াত প্ৰভাৱ পেলাব পাৰে। ইউত্তেজনা, নিদ্ৰাহীনতা, গেষ্ট্ৰিক, হজম শক্তি হ্ৰাস, পৰিপাক আলচাৰ, ৰক্তচাপৰ পৰিৱৰ্তন, আচৰণৰ পৰিৱৰ্তন, আবেগৰ পৰিৱৰ্তন আদি ঘটায়।

জীৱ-জন্তুৰ ওপৰত প্ৰভাৱ ঃ

জীৱ-জন্তু দুখজনকভাৱে শব্দ প্ৰদূষণৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেইবোৰ হ'ল—

- স্নায়ুতন্ত্ৰৰ ক্ষতি হয়।
- চিকাৰ ধৰিব নোৱাৰা হয়।
- গতিপথ নিৰ্ণয়ত সমস্যাৰ সৃষ্টি হয়।
- জীৱ-জন্তু ভয়ংকৰ আৰু আক্ৰমণাত্মক হৈ পৰে।
- ৰাসায়নিক পৰিৱৰ্তন হয়।
- বসবাসৰ উপযোগী ঠাইৰ নাটনি হয়।
- কিছুমান প্ৰজাতিৰ মৃত্যু হয়।
- বংশানুগত আৰু বিকাশমূলক সমস্যাৰ সৃষ্টি হয়।

শব্দ প্ৰদূষণৰ নিয়ন্ত্ৰণ ঃ

শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ আৰু হ্ৰাস কৰাৰ পদ্ধতি তলত উল্লেখ কৰা হ'ল—

- **উৎসৰ নিয়ন্ত্ৰণ ঃ** শব্দ নিয়ন্ত্ৰণৰ বাবে বিভিন্ন আহিলা উদ্ভাৱন কৰিব লাগে।
- **অনাতাঁৰ সম্প্ৰচাৰ নিয়ন্ত্ৰণ ঃ** কোঠাৰ বেৰবোৰত শব্দ প্ৰতিৰোধক লগাব লাগে।
- **ব্যক্তি বা শ্ৰমিকক সু�ৰক্ষা প্ৰদান ঃ** উদ্যোগৰ শ্ৰমিকক কাণত প্লাগ বা আৱৰণ লগাব দিব লাগে।
- **আইনৰ জৰিয়তে ঃ** আইনৰ দ্বাৰা বিভিন্ন সামাজিক অনুষ্ঠানবোৰত শব্দৰ মাত্ৰা নিম্নতম কৰিব লাগে। অনাৱশ্যক হৰ্ণ বজোৱা বন্ধ কৰিব লাগে। বিশেষকৈ যান-জঁট হোৱা ঠাইবোৰত।
- **বৃক্ষৰোপণ ঃ** বহল পাতৰ বৃক্ষ বেছিকৈ ৰোপণ কৰিব লাগে।

৭.৪.৬ ৰেডিঅ' সক্ৰিয় প্ৰদূষণ

ৰেডিঅ'সক্ৰিয় প্ৰদূষণ অন্য প্ৰদূষণৰ দৰেই। যেতিয়া কিছুমান অলাগতিয়াল পদাৰ্থ পৰিশোত মিহলি হয় তেতিয়া তেজস্ক্ৰিয় প্ৰদূষণ হোৱা বুলি কয়। এই ক্ষেত্ৰত অলাগতিয়াল পদাৰ্থ হ'ল ৰেডিঅ' সক্ৰিয় পদাৰ্থ। ইয়াক ৰেডিঅ' সক্ৰিয প্ৰদূষণ বুলিবও পাৰি।

ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ কাৰণ ঃ

ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ বিভিন্ন কাৰণ আছে। সেয়া হ'ল—

- **পাৰমাণৰিক অস্ত্ৰ নিৰ্মাণ ঃ** এনে অস্ত্ৰ নিৰ্মাণত তেজস্ক্ৰিয় সামগ্ৰী ব্যৱহাৰ কৰা

হয় যিয়ে স্বাস্থ্যলৈ গুৰুতৰ ভাবুকি আনে যদিও ই ক্ষুদ্ৰ পৰিমাণৰ প্ৰদূষণ সৃষ্টি কৰে।

- **পাৰমাণৱিক অস্ত্ৰৰ প্ৰতিবন্ধকতা ঃ** পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণতকৈ প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত অধিক মাত্ৰাত ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ সৃষ্টি কৰে। অৱশ্যে এই পেলনীয়া সামগ্ৰীবোৰ (আলফা মৌল) বৰ্তমান সময়তো কম ক্ষতিকাৰক আৰু যদিহে নাখায় ই বিপদজনক নহয়।
- **ৰেডিঅ' সক্ৰিয় আকৰৰ খনন ঃ** খনন কাৰ্যত তেজস্ক্ৰিয় আকৰবোৰ গুৰি তথা বিভিন্ন প্ৰক্ৰিয়াৰে ভঙা হয় আৰু ই ৰেডিঅ' সক্ৰিয় পেলনীয়া সামগ্ৰী সৃষ্টি কৰে, য'ৰ পৰা আলফা মৌল নিৰ্গত হয়।
- **কয়লাৰ ছাই ঃ** এইটো আশ্চৰ্যকৰ কথা যে কয়লাৰ ছাই খুবেই বিপদজনক হ'ব পাৰে। কিছুমান কয়লাত সচৰাচৰতকৈ অতি বেছি ৰেডিঅ' সক্ৰিয় পদাৰ্থ থাকে যাক 'চাৰ্টি কয়লা' নামে জনা যায়, সেইবোৰ দহন কৰিলে তাৰ ছাইবোৰ অতি মাত্ৰাত ৰেডিঅ' সক্ৰিয় হৈ পৰে। কিয়নো ৰেডিঅ' সক্ৰিয় পদাৰ্থবোৰ ভালদৰে পোৰা নাযায়।
- **মেডিকেলৰ পেলনীয়া সামগ্ৰী ঃ** ৰোগৰ চিকিৎসা বা ৰোগ নিৰ্ধাৰণৰ বাবে ভালেসংখ্যক ৰেডিঅ' সক্ৰিয় পৰমাণু ঔষধত ব্যৱহাৰ কৰা হয়। এইবোৰ কম সময়ৰ ভিতৰত পচিবলৈ পেলাই দিয়া হয়। যাতে সেইবোৰ সাধাৰণ পেলনীয়া সামগ্ৰীৰ দৰে নিষ্পত্তি কৰিব পৰা যায়।
- **পাৰমাণৱিক শক্তি প্ৰকল্প ঃ** পাৰমাণৱিক শক্তি প্ৰকল্পই নিম্নতম তেজস্ক্ৰিয় প্ৰদূষণ সৃষ্টি কৰে কিয়নো সুৰক্ষাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা হয়।

ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ বিভিন্ন প্ৰকাৰ ঃ

- **নিৰৱাচ্ছিন্ন প্ৰদূষণ ঃ** এনেধৰণৰ প্ৰদূষণ হয় ইৰেনিয়াম খনি, পৰমাণু বিকাৰক, পৰীক্ষাগাৰ আদিত য'ত মানুহে অবিৰতভাৱে ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ মাজত কাম কৰি থাকে। তেওঁলোকে এনে প্ৰদূষণৰ পৰা হাত সাৰিবলৈ সুৰক্ষিত বস্ত্ৰ পৰিধান কৰিব লাগে।
- **দুৰ্ঘটনা ক্ৰমে প্ৰদূষণ ঃ** এনেধৰণৰ প্ৰদূষণ দুৰ্ঘটনা ক্ৰমে যন্ত্ৰপাতি বিকল হ'লে, ৰেডিঅ' সক্ৰিয় পদাৰ্থ নিৰ্গত হ'লে, অসুৰক্ষিত যন্ত্ৰপাতিৰ ব্যৱহাৰ ইত্যাদিৰ ফলত হয়।
- **সময়ে সময়ে প্ৰদূষণ ঃ** এনে প্ৰদূষণ সাধাৰণতে সুকীয়াকৈ কৰা পাৰমাণৱিক পৰীক্ষণৰ পৰা উদ্ভৱ হয়।

ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ প্ৰভাৱ ঃ

যেতিয়া বিভিন্ন জীৱিত প্ৰাণীৰ মাজেৰে বিকিৰণ পাৰ হৈ যায় তেতিয়া কিছুমান সমস্যাই দেখা যায়।

- বিকিৰণে জীৱকোষৰ অনুকণাবোৰ ভাঙি মুক্ত মৌললৈ পৰিৱৰ্তন কৰে যিয়ে পৰমাণু DNA অণুকো ভাঙি পেলায়।
- বিকিৰণে অস্থি মজ্জাক প্ৰভাৱান্বিত কৰি শ্বেতৰক্তৰ সৃষ্টি কৰে।
- বিকিৰণে ছাল পোৰে যিয়ে চৰ্ম কেন্সাৰ সৃষ্টি কৰিব পাৰে।
- বিকিৰণে গৰ্ভৱতী মহিলাৰ ভ্ৰূণ নষ্ট কৰিব পাৰে।

ৰেডিঅ' সক্ৰিয় প্ৰদূষণৰ নিয়ন্ত্ৰণ ঃ

ৰেডিঅ' সক্ৰিয় প্ৰদূষণ তলত দিয়া ধৰণে নিয়ন্ত্ৰিত কৰিব পাৰি।

- মানৱ সৃষ্ট তেজস্ক্ৰিয় প্ৰদূষণ উৎসতেই গুৰুত্ব সহকাৰে পৰীক্ষণ কৰিব লাগে।
- দূৰ্ঘটনাক্ৰমে নিসৰণ হোৱা বন্ধ কৰিব।
- পাৰমাণৱিক বিকিৰণ নিয়ন্ত্ৰণ কৰিব লাগে।
- পাৰমাণৱিক পৰীক্ষণ নিষিদ্ধ কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গোটা পেলনীয়া সামগ্ৰীৰ উৎস কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ ৰেডিঅ' সক্ৰিয় প্ৰদূষণ কেনেদৰে নিয়ন্ত্ৰণ কৰিব পাৰি?

.....

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰদূষণ হ'ল এক প্ৰক্ৰিয়া য'ত বায়ু, জল, ভূমিক বিষাক্ত বা ভয়ানকভাৱে লেতেৰা কৰা হয় আৰু মানৱৰ ব্যৱহাৰৰ বাবে অনুপযুক্ত হৈ পৰে।
- পাৰিপাৰ্শ্বিক প্ৰদূষণক ভাগ কৰাটো এক কঠিন কাম কিয়নো প্ৰদূষক আৰু প্ৰদূষক চলাচলৰ যি মাধ্যম সেয়া আন্তঃসংযোগী আৰু আন্তঃসম্পৰ্কীয়।
- সাধাৰণ অৰ্থত বায়ু প্ৰদূষণ হ'ল এনে এক বাতাবৰণ য'ত সাধাৰণ স্তৰতকৈ অধিক মাত্ৰাত পদাৰ্থ পোৱা যায়। যিয়ে ক্ষতিকাৰক প্ৰভাৱ পেলায়।
- দূষিত পদাৰ্থৰে জল প্ৰদূষিত হয়। মানুহৰ কাৰ্যকলাপৰ বাবে নদী, হ্ৰদ, সাগৰ, ভূগৰ্ভৰ পানী দূষিত হয়। এই দূষিত পানীয়ে পানীত বসবাস কৰা জীৱ আৰু গছ-গছনিৰ ক্ষতি কৰে।

- ভূমি প্ৰদূষণ যাক ভূমি বিষাক্ত হোৱা বুলিবও পাৰি। এয়া এচিদ বৰষুণ, প্ৰদূষিত পানী, ৰাসায়নিক সাৰ, নিৰ্বনানীকৰণ, গোটা জাৱৰ আদিৰ বাবে হয় যিয়ে শস্য নষ্ট কৰে।
- সকলো গোটা আৰু অৰ্দ্ধগোটা বৰ্জিত সামগ্ৰী মানৱ তথা জীৱ-জন্তুই সৃষ্টি কৰে। যিবোৰ অলাগতিয়াল বা ব্যৱহাৰৰ অনুপযোগী সামগ্ৰী পেলাই দিয়া হয়, তাকে গোটা বৰ্জিত সামগ্ৰী বুলি কোৱা হয়। বায়ু আৰু জল প্ৰদূষণৰ পিছতেই গোটা বৰ্জিত সামগ্ৰীক তৃতীয় প্ৰদূষণ হিচাপে অভিহিত কৰা হৈছে।
- শব্দ প্ৰদূষণ সাধাৰণতে এখন ঠাইত আমনিদায়ক বা অতিৰিক্ত মাত্ৰাৰ শব্দৰ পৰা হয়। উচ্চ মাত্ৰাৰ শব্দই মানৱ সমাজত যোগাযোগৰ ক্ষেত্ৰত ব্যাঘাত জন্মায়।
- ৰেডিঅ' সক্ৰিয় প্ৰদূষণ অন্য প্ৰদূষণৰ দৰেই। যেতিয়া কিছুমান অলাগতিয়াল পদাৰ্থ পৰিৱেশত মিহলি হয়। তেতিয়া তেজস্ক্ৰিয় প্ৰদূষণ হোৱা বুলি কয়। এই ক্ষেত্ৰত অলাগতিয়াল পদাৰ্থ হ'ল তেজস্ক্ৰিয় পদাৰ্থ।



৭.৬ অধিক জানিবলৈ

1] Akhtar, Parveen R. (2014). Environmental and Population Education. Guwahati: Assam Book Depot.

2] Gupta, K. R. (2010). Environmental Education in India. New Delhi: Atlantic Publishers and Distributors (P) Ltd.

3] Kaushik, A. and Kaushik, C.P. (2004). Perspectives in Environmental Studies. New Delhi: New Age International (P) Limited, Publishers.

4] Krishnamacharyulu, V. (2004). Environmental Education. Hyderabad: Neelkamal Publications Pvt. Ltd.

5] Pandey, V. C. (2005). Environmental Education. New Delhi: Isha Book Publishers.

6] Sharma, R. A. (2005). Environmental Education. Meerut: Surya Publication.



৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশত থকা যিকোনো উপাদানৰ (বায়ু, জল, ভূমি) ভৌতিক, ৰাসায়নিক বা জৈৱিকভাৱে হোৱা অনাকাংক্ষিত পৰিৱৰ্তনেই হ'ল পাৰিপাৰ্শ্বিক প্ৰদূষণ যিয়ে জীৱন

তথা সম্পত্তিৰ ক্ষেত্ৰত ক্ষতিকাৰক প্ৰভাৱ পেলায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন প্ৰকাৰৰ পাৰিপাৰ্শ্বিক প্ৰদূষণ হ'ল— বায়ু প্ৰদূষণ, জল প্ৰদূষণ, ভূমি প্ৰদূষণ, গোটা বৰ্জিত সামগ্ৰীৰ প্ৰদূষণ, শব্দ প্ৰদূষণ আৰু তেজস্ক্ৰিয় প্ৰদূষণ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বায়ু প্ৰদূষণক দুটা দিশৰ ওপৰত ভিত্তি কৰি ভাগ কৰা হৈছে। সেয়া হ'ল—

- প্ৰদূষকৰ বিভিন্ন প্ৰকাৰৰ ভিত্তিত।
- প্ৰদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত।

প্ৰদূষকৰ বিভিন্ন প্ৰকাৰৰ ভিত্তিত বায়ু প্ৰদূষণক দুটা উপভাগত ভগাব পাৰি এনেদৰে—

- গেছীয় প্ৰদূষণ।
- কণাযুক্ত বায়ু প্ৰদূষণ।

আনহাতে প্ৰদূষকৰ বিভিন্ন উৎসৰ ভিত্তিত বায়ু প্ৰদূষণক চাৰিটা উপভাগত ভগাব পাৰি এনেদৰে—

- স্বচালিত বাহনৰ বায়ু প্ৰদূষণ।
- ঔদ্যোগিক বায়ু প্ৰদূষণ।
- তাপ বিদ্যুৎ প্ৰকল্পৰ প্ৰদূষণ।
- পাৰমাণৱিক প্ৰদূষণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভূমি প্ৰদূষণৰ দুটা কাৰণ হ'ল—

- **ঔদ্যোগিক কাৰ্যকলাপ ঃ** প্ৰায় সংখ্যক উদ্যোগেই পৃথিৱীৰ পৰা আহৰিত খনিজ পদাৰ্থৰ ওপৰত নিৰ্ভৰশীল। ফলত ঔদ্যোগিক বৰ্জিত সামগ্ৰীখিনি ধীৰ গতিৰে বহু সময় ধৰি ভূপৃষ্ঠত মিহলি হয় আৰু ভূমি ব্যৱহাৰৰ অনুপযোগী হৈ পৰে।
- **এচিড বৰষুণ ঃ** প্ৰদূষক মিশ্ৰিত বায়ু বৰষুণৰ সৈতে মিহলি হৈ ভূমিত পৰিলে এচিড বৰষুণ হয়। এনে প্ৰদূষিত পানীয়ে ভূমিত থকা কিছুমান গুৰুত্বপূৰ্ণ তত্ব উটুৱাই নিয়ে। যাৰ ফলত ভূমিৰ গঠন প্ৰক্ৰিয়াৰ পৰিৱৰ্তন হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ গোটা বৰ্জিত সামগ্ৰীৰ বিভিন্ন উৎস হ'ল—

- **গৃহৰ পেলনীয়া সামগ্ৰী ঃ** মানুহে গৃহ কাৰ্যত ব্যৱহাৰ কৰাৰ পিছত ওলোৱা জাৱৰ জোখৰ, ছাই আদি।
- **ঔদ্যোগিক পেলনীয়া সামগ্ৰী ঃ** এনে পেলনীয়া সামগ্ৰী সাধাৰণতে ঔদ্যোগিক কাম-কাজ— নিৰ্মাণ আৰু ধ্বংসৰ পেলনীয়া সামগ্ৰী, যন্ত্ৰপাতি তথা সা-সৰঞ্জামৰ পেলনীয়া, খননৰ পেলনীয়া সামগ্ৰীৰ পৰা উৎপন্ন হয়।
- **কৃষিজাত পেলনীয়া সামগ্ৰী ঃ** কৃষিজাত পেলনীয়া সামগ্ৰীৰ ভিতৰত কৃষিজাত অৱশিষ্ট, হাঁহ-কুকুৰা, দুগ্ধজাত সামগ্ৰী আদি। তদুপৰি কীটনাশক দ্ৰব্যৰ পেকেট, ৰাসায়নিক সাৰৰ পেকেট, ভূমিৰ পৰিপোষক আদি আধুনিক কৃষিকাৰ্যত ব্যৱহৃত হয় যিয়ে প্ৰদূষণ সৃষ্টি কৰে।

- **বাণিজ্যিক পেলনীয়া সামগ্ৰী ঃ** ৰাজহুৱা স্থান যেনে— কাৰ্যালয়, বজাৰ, ৰেষ্টুৰেণ্ট,ৰাস্তা-ঘাট আদিৰ পৰা বাণিজ্যিক পেলনীয়া সামগ্ৰী উৎপন্ন হয়। ইয়াৰ ভিতৰত বিল্ডিঙৰ পেলনীয়া সামগ্ৰী, আৱৰ্জনা, বিপদশংকুল জাবৰ জোথৰ, ছাঁই আদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰেডিঅ' সক্ৰিয় প্ৰদূষণ তলত দিয়া ধৰণে নিয়ন্ত্ৰণ কৰিব পাৰি—

- মানৱ সৃষ্ট ৰেডিঅ' সক্ৰিয় প্ৰদূষণে উৎসতেই গুৰুত্ব সহকাৰে পৰীক্ষণ কৰিব লাগে।
- দুৰ্ঘটনাক্ৰমে নিসৰণ হোৱা বন্ধ কৰিবলৈ পাৰমাণৱিক বিকিৰণ নিয়ন্ত্ৰণ কৰিব লাগে।
- পাৰমাণৱিক পৰীক্ষণ নিষিদ্ধ কৰিব লাগে।



৭.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ পাৰিপাৰ্শ্বিক প্ৰদূষণ মানে কি?

প্ৰশ্ন ২ ঃ বায়ু প্ৰদূষণ কি?

প্ৰশ্ন ৩ ঃ শব্দ প্ৰদূষণৰ দুটা কাৰণ লিখক।

প্ৰশ্ন ৪ ঃ দূষিত পেলনীয়া সামগ্ৰী মানে কি?

(খ) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তেজস্ক্ৰিয় প্ৰদূষণৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ ভূমি প্ৰদূষণৰ মুখ্য উৎস কি কি?

প্ৰশ্ন ৩ ঃ মানৱৰ ক্ষেত্ৰত শব্দ প্ৰদূষণৰ প্ৰভাৱ সম্পৰ্কে লিখক।

প্ৰশ্ন ৪ ঃ জল প্ৰদূষণৰ উৎস কি কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বায়ু প্ৰদূষণৰ ক্ষতিকাৰক প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখক। বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বিভিন্ন উপায় সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ গোটা পেলনীয়া সামগ্ৰীৰ ক্ষতিকাৰক প্ৰভাৱ কি কি? গোটা পেলনীয়া সামগ্ৰী কিদৰে নিয়ন্ত্ৰণ কৰিব পাৰি?

প্ৰশ্ন ৩ ঃ আপোনাৰ অঞ্চলত কেনেধৰণৰ পাৰিপাৰ্শ্বিক প্ৰদূষণ দেখিবলৈ পোৱা যায়? আপোনাৰ অঞ্চলত হোৱা প্ৰদূষণৰ কাৰণবোৰ চিনাক্ত কৰক আৰু ইয়াৰ প্ৰতিৰোধৰ উপায়ৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৮ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা

8.3.1 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত আইন সম্বন্ধীয় আৰু সাংবিধানিক নিৰাপত্তামূলক ব্যৱস্থা

8.3.2 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাত ব্যক্তি আৰু সমাজৰ ভূমিকা

8.4 বহনক্ষম উন্নয়নৰ ধাৰণা

8.4.1 বহনক্ষম উন্নয়নৰ বৈশিষ্ট্যসমূহ

8.4.2 বহনক্ষম উন্নয়নৰ বাবে শিক্ষা

8.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.6 অধিক জানিবলৈ

8.7 অগ্রগতিৰ খতিয়ান

8.8 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা ধাৰণাটোৰ অর্থ অনুধাৱন কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাত ব্যক্তি তথা সমাজৰ ভূমিকা কেনে হোৱা উচিত সেই সম্পর্কে আলোচনা কৰিব পাৰ্ব্বি
- পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত আইন সম্বন্ধীয় আৰু সাংবিধানিক নিৰাপত্তামূলক ব্যৱস্থাসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বহনক্ষম উন্নয়ন মানে কি সেই বিষয়ে অৱগত হ'ব
- বহনক্ষম উন্নয়নত শিক্ষাৰ ভূমিকা উপলব্ধি কৰিব পাৰিব

৮.২ পৰিচয়

পৃথিৱীৰ সকলো প্রাণীৰ মাতৃস্বৰূপ হ'ল প্রকৃতি। ভৱিষ্যতৰ পৰিণামৰ কথা এবাৰো চিন্তা নকৰি পৃথিৱীৰ জনবসতিৰ বৃদ্ধি আৰু প্রাকৃতিক উৎসৰ ওপৰত কৰা নিষ্পেষণে সম্প্রতি প্রকৃতিৰ নিদাৰুণ অৱনতি ঘটাইছে। মানুহে উপলব্ধি কৰা উচিত যে জৈৱিক ভিন্নতা 'প্রকৃতিৰ দান'; ইয়াক ধ্বংস নকৰি প্রতিপালনৰ কৰি উপভোগ কৰা উচিত। প্রতিখন ৰাষ্ট্রই ইয়াৰ প্রতি

উমৈহতীয়াভাৱে দায়িত্বশীল হোৱা উচিত। মানুহে জীৱ বৈচিত্র্যক প্রকৃতিৰ অমূল্য দান হিচাপে গ্রহণ কৰা উচিত। প্রাকৃতিক ভাৰসম্য বজাই ৰাখিও ইয়াৰ বহনক্ষম, ব্যৱহাৰ কৰিব পাৰি। সেয়েহে বর্তমান সময়ত পাৰিস্থিতিতান্ত্রিক আৰু প্রাকৃতিক ভাৰসাম্যৰ বাবে পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সঠিক উপায় গ্রহণ কৰাটো অতি প্রয়োজনীয় হৈ পৰিছে। এই অধ্যায়টিয়ে আমাক পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত ব্যক্তিৰ আৰু সমাজৰ ভূমিকা, বহনক্ষম উন্নয়নৰ ধাৰণা আৰু বহনক্ষম উন্নয়নত শিক্ষাৰ ভূমিকা ইত্যাদিৰ বিষয়ে ধাৰণা প্রদান কৰিব।

৮.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা

পৰিৱর্তনৰ স্পৃহা আৰু জীৱন ধাৰণাৰ মান উন্নয়নৰ বাবে মানৱ সমাজে আঁকোৱালী লোৱা দ্রুত আধুনিকীকৰণে পৰিৱেশৰ বৃহৎ পৰিমাণে অৱনতি ঘটাইছে। প্রাকৃতিক উৎস; যেনে— বতাহ, পানী আৰু ভূমি জ্ঞানহীন আৰু নির্মমভাৱে ধ্বংস কৰাৰ পৰিণামস্বৰূপে স্বয়ং মানুহৰে জীৱন বিপন্ন হৈ পৰিছে। তদুপৰি এটা সময়ত মানুহৰ বিশ্বাস আৰু নিষ্ঠা আছিল যে প্রাকৃতিক উৎসবোৰ অপর্যাপ্ত, যিবোৰ মানুহৰ ব্যৱহাৰত কেতিয়াও হ্রাস বা অন্ত নহয়; কিন্তু বর্তমান সময়ত জনসংখ্যাৰ বৃদ্ধি আৰু প্রাকৃতিক উৎসৰ অপ্রয়োজনীয় ধ্বংসই মানুহক সংৰক্ষণৰ প্রয়োজনীয়তাৰ বিষয়ে উপলব্ধি কৰাইছে। 1968 ৰল্ড কমিউনিটি কন্‌ফ্যাৰেন্স নাইৰোবি (World Community Conference, 1968, Nairobi) ত উত্থাপন হৈছিল যে পৰিৱেশ অধ্যয়নেৰে মানুহৰ মাজত ইয়াৰ উৎসসমূহৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে সচেতনতা আৰু বুজাপৰাৰ সৃষ্টি কৰিব লাগে।

'সংৰক্ষণ' শব্দটোৰ আক্ষৰিক অর্থ হ'ল পৃথিৱীৰ অসংখ্য প্রাকৃতিক আৰু জৈৱিক উৎসবোৰ অপৰিৱর্তনীয়কৈ ৰখা। পৰিৱেশ সংৰক্ষণ মানে হ'ল — সমগ্র পৰিৱেশত অন্তর্ভূক্ত হৈ থকা প্রাকৃতিক উৎসৰ বা এটি বিশেষ পৰিস্থিতিতন্ত্রৰ পৰিকল্পিত পৰিচালনা। ইয়াৰ জৰিয়তে প্রকৃতিৰ নিষ্পেষণ, প্রদূষণ, ধ্বংস প্রতিৰোধ কৰি ভৱিষ্যতলৈ উৎসৰ ব্যৱহাৰ নিশ্চিত কৰা আৰু বনহক্ষম উন্নয়নত উপনীত হ'বলৈ সক্ষম হোৱা। প্রকৃতি সংৰক্ষণ আৰু প্রাকৃতিক উৎসৰ আন্তঃৰাষ্ট্রীয় সংস্থা [The International Union for Conservation of Nature and Natural Resources (IUCN)] -এ পৰিৱেশ সংৰক্ষণক এই বুলি ক'ব খোজে — "মানুহৰ বায়ুমণ্ডলৰ ব্যৱহাৰে যাতে বৃহৎ বহনক্ষমৰ উপকাৰ প্রাপ্তি কৰে; তদুপৰি ভৱিষ্যত প্রজন্মৰ প্রয়োজন আৰু উচ্চাভিলাসৰ বাবে সম্ভাৱনীয় তত্ত্বাৱধান কৰাই হ'ল পৰিৱেশ সংৰক্ষণ।" সেয়েহে সংৰক্ষণ হ'ল প্রাকৃতিক উৎসৰ, যেনে — ভূমি, পানী, গছ, জন্তু আৰু খনিজৰ বহনক্ষম ব্যৱহাৰ। অর্থনীতিৰ ভাষাৰে ক'ব পাৰি — যিকোনো অঞ্চলৰ প্রাকৃতিক উৎসত নিহিত হৈ আছে তাৰ মৌলিক সমল আৰু এই উৎসৰ অপব্যয়ত নিহিত হৈ আছে অর্থনৈতিক ক্ষতি। সৌন্দর্যবোধ আৰু নৈতিকতাবোধৰ ধাৰণাৰ ফালৰপৰাও সংৰক্ষণে ৰাষ্ট্রীয় উদ্যান আৰু বন্যপ্রাণী অভয়াৰণ্যৰ ৰক্ষনাবেক্ষণক অর্ন্তভুক্ত কৰে। কিছু ক্ষেত্রত, সংৰক্ষণত ধাৰণাত আকৌ মানুহৰ অর্থনৈতিক কর্মতৎপৰতাৰ প্রাকৃতিক পৰিৱেশৰ সুৰক্ষাও অন্তর্নিহিত হৈ আছে।

'সুৰক্ষা' শব্দটোত অন্তর্নিহিত হৈ আছে — মানুহ দায়িত্বপূর্ণ হ'ব লাগে আৰু প্রাকৃতিক উৎসৰ নিৰর্থক ধ্বংস আৰু অৱনতি বন্ধ কৰিবৰ বাবে প্রয়োজনীয় পদক্ষেপ ল'ব লাগে। মানুহে প্রকৃতিৰ প্রতি বিপৰীতমুখী আৰু ধংসকাৰী ভূমিকাত প্রবৃত্ত হোৱাৰ সলনি সজ্ঞানতাৰ ভাব প্রদর্শন কৰিব লাগে। বহল অর্থত 'সংৰক্ষণ আৰু সুৰক্ষা'ক সমার্থকভাৱে ব্যৱহাৰ কৰিব পাৰি। মানুহে প্রকৃতিক সুৰক্ষা দিলেহে প্রকৃতিৰ সংৰক্ষণ সম্ভৱপৰ। মানুহে নিজৰ উপকাৰৰ বাবেই নতুন জ্ঞান আৰু দক্ষতা, বিজ্ঞান আৰু প্রযুক্তিবিদ্যা প্রয়োগ কৰি প্রকৃতিক সংৰক্ষণ আৰু সুৰক্ষা প্রদান কৰা উচিত। ইয়াৰ দ্বাৰা মানৱ সমাজৰ নিজৰো বহু লাভ হ'ব। এই নতুন উপলব্ধি কেৱল পৰিৱেশ অধ্যয়নৰ দ্বাৰাহে সম্ভৱপৰ হ'ব পাৰে।

৮.৩.১ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে আইন সম্বন্ধীয় আৰু সাংবিধানিক নিৰাপত্তামূলক ব্যৱস্থা

ভাৰত হ'ল পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ক্ষেত্রত সাংবিধানিকভাৱে নিয়ম প্রণয়ণ কৰা প্রথমখন দেশ। 1976 চনত চাৰিবছৰীয়া ষ্টকহ'ম সন্মিলনত (Stockholm), ভাৰতে 42 তম সংবিধান সংশোধনৰ দ্বাৰা পৰিৱেশ সুৰক্ষাৰ সাংবিধানিক নিয়ম প্রণয়ণ কৰে।

সংবিধানৰ অনুচ্ছেদ 48 (A)অনুসৰি, "এখন দেশে পৰিৱেশৰ সুৰক্ষা আৰু উন্নতি তথা দেশৰ অৰণ্য আৰু বন্যপ্রাণীৰ নিৰাপত্তাৰ প্রচেষ্টা কৰিব লাগে।"

অনুচ্ছেদ 51 (G) মতে, প্রকৃতিক উৎসৰ অন্তর্ভুক্ত হৈ থকা অৰণ্য, পুখুৰী, নদী আৰু বন্যপ্রাণীৰ সুৰক্ষা আৰু উন্নতি আৰু জীৱন্ত প্রাণীৰ প্রতি সহানুভূতিপূর্ণ হোৱাটো 'ভাৰতৰ প্রত্যেক নাগৰিকৰ কর্তব্য হ'ব লাগে।'

সেয়েহে, ভাৰতীয় সংবিধানত অন্তর্ভুক্ত হৈ থকা পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণ ভাৰতীয় গণৰাজ্যৰ সকলো নাগৰিকৰে এক মৌলিক কর্তব্য দৰে । ক্রমাগতৰূপে সংসদ আৰু ৰাজ্যিক বিধান মণ্ডলে কেন্দ্রীয়, ৰাজ্যিক আৰু সমৰর্তী তালিকাসমূহক এই নিয়ম প্রণয়ন কৰাৰ অধিকাৰ দিছে। সেইবোৰৰ ভিতৰত অন্তর্ভুক্ত হৈছে যেনে — ধ্বনি প্রদূষণ নিয়ন্ত্রণ, ভূমি উন্নয়ন, জলসিঞ্চন, নগৰ পৰিকল্পনা, বস্তি অঞ্চল পৰিষ্কাৰ, গৃহ আঁচনি, মহামাৰী নিয়ন্ত্রণ, জল প্রদূষণ, অৰণ্য, বন্যপ্রাণী মনোৰঞ্জন ইত্যাদিৰ। ফলস্বৰূপে, কিছুমান ক্ষেত্রত নতুন আইন অধিনিয়ম কৰা হৈছে। তেনে আইনসমূহৰ কেতবোৰ এনেধৰণৰ—

- ফেক্টৰী আইন, 1948 (The Factories Act, 1948)
- কীটনাশক আইন, 1968 (The Insecticides Act, 1968)
- বন্যপ্রাণী সুৰক্ষা আইন, 1972 (The Wildlife Protection Act, 1972)
- বন সংৰক্ষণ আইন, 1980 (The Forest Conservation Act, 1980)
- জল (নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রন আইন) 1981 (The Water Prevention

and Control of Pollution Act, 1981)

- বায়ু প্রদূষণ নিবাৰণ আৰু নিয়ন্ত্রণ আইন 1981 (The Air Prevention and Control of Pollution Act, 1981)
- পৰিৱেশ সুৰক্ষা আইন, 1986 (The Environment Protection Act, 1986)

সকলোবোৰ আইনৰ ভিতৰত, পৰিৱেশ আইনে আমাৰ পৰিৱেশ সুৰক্ষাৰ বাবে অভিষ্ট হৈ থকা আইনগত নির্দেশনা প্রদান কৰে। সেই আইনগত নির্দেশনাসমূহ তলত আলোচনা কৰা হ'ল।

- **ফেক্টৰী আইন,** 1948

ফেক্টৰী আইন, 1948 খন 1949 চনৰ পহিলা এপ্রিলৰ দিনাখন গৃহীত কৰা হৈছিল। আইনখনৰ উদ্দেশ্য আছিল কল-কাৰখানাত কাম কৰা শ্রমিকৰ স্বাস্থ্য, সুৰক্ষা আৰু কল্যাণৰ পৃষ্ঠপোষকতা কৰা। আইনখনত মহিলা আৰু অপ্রাপ্তবয়স্ক লোকৰ (শিশু আৰু কিশোৰ-কিশোৰী) নিয়োগ সুবিধা, মজুৰিসহ বার্ষিক ছুটি ইত্যাদি সুবিধাও অর্ন্তভুক্ত কৰা হৈছে। আইনখন জম্মু আৰু কাশ্মীৰকে ধৰি সমগ্র ভাৰততে সমানে প্রযোজ্য। স্বাস্থ্য সম্পর্কত আইনখনে পৰিষ্কাৰ-পৰিচ্ছন্নতা, ময়লা আৰু জৱৰ-জোঁথৰ নিষ্কাষণ, সতেজ বতাহৰ চলাচল আৰু উপযুক্ত উষ্ণতা, ধূলি আৰু ধোঁৱা, প্রয়োজনাধিক কর্মচাৰী, পোহৰ, খোৱাপানী, প্রস্রাৱগাৰ আদি বিষয়ত নীতি-নিয়ম নির্ধাৰণ কৰি দিছে। স্বাস্থ্যৰ উপৰি ফেক্টৰী আইনত সুৰক্ষাকেন্দ্রিক সুবিধাও অর্ন্তভুক্ত কৰা হৈছে, যেনে — যন্ত্র-পাতিৰ চাৰিওফালে উপযুক্ত বেষ্টনী তৈয়াৰ কৰা, চলি থকা যন্ত্র-পাতিৰ পৰা কিমান দূৰত্বত মানুহে কাম কৰা উচিত, নতুন-যন্ত্র-পাতি খোলাত (casing) ভৰোৱা, কটন অ'পেনাৰৰ দৰে যন্ত্রৰ ওচৰত মহিলা আৰু শিশুৰ নিয়োগৰ ক্ষেত্রত নিষেধাজ্ঞা ইত্যাদি।

- **কীটনাশক আইন, 1968**

মানুহৰ স্বাস্থ্য আৰু পৰিপার্শ্বিক উভয়ৰে বাবে কীটনাশক দ্রব্য অপকাৰী বাবে ভাৰত চৰকাৰে 1968 চনত কীটনাশক আইন গৃহীত কৰিছিল। 1971 চনৰ পৰা বলবৎ হোৱা এই আইনখনে মানুহ আৰু অইন জীৱ-জন্তুৰ স্বাস্থ্য বিপদাপন্ন কৰিব পৰা বিভিন্ন কীটনাশকৰ আমদানি, উৎপাদন, বিক্রী, সৰবৰাহ, বিতৰণ আৰু ব্যৱহাৰ নিয়ন্ত্রণকাৰী বহুতো নীতি-নিয়ম নির্ধাৰণ কৰিছে। আইনখনৰ ফলপ্রসূ কার্যৰূপায়ণৰ বাবে কেন্দ্রীয় কীটনাশক বোর্ড, কীটনাশক পঞ্জীয়ন কমিটি, কীটনাশক দ্রব্যৰ দ্বাৰা হোৱা পাৰিপার্শ্বিক প্রদূষণ বিষয়ক উপদেষ্টা কমিটি, কেন্দ্রীয় কীটনাশক পৰীক্ষণ গৱেষণাগাৰ আৰু কীটনাশক নিষেধ /প্রয়োগ সীমাৱদ্ধকাৰী কমিটি আদি বিভিন্ন এজেন্সী স্থাপন কৰা হৈছে।

- **বন্যপ্রাণী সুৰক্ষা আইন, ১৯৭২ (The Wildlife Protection Act, 1972)**

বন্যপ্রাণী আইনৰ ইতিহাসত 1972 চনৰ বন্যপ্রাণী সুৰক্ষা আইন এক

বৈশিষ্ট্যপূর্ণ আইন ৰূপে নিৰূপিত হৈছে। বন্যপ্রাণীক ৰাজ্যিক তালিকৰ পৰা সমর্বতী তালিকালৈ 1976 চনত স্থানান্তৰিত কৰা হৈছে, সেয়েহে কেন্দ্রীয় চৰকাৰে আইন-প্রণয়ন কৰাৰ অধিকাৰ পাইছে। 1952 চনত আমাৰ দেশত ভাৰতীয় বন্যপ্রাণী পৰিষদ [(The Indian Board of Wildlife (IBWL)] গঠন কৰা হয়, তাৰ পিছত বন্যপ্রাণী সুৰক্ষা আইন (Wildlife Protection Act) অধিনিয়মে সক্রিয়ভাৱে কর্মভাৰ গ্রহণ কৰি ৰাষ্ট্রীয় বন্যপ্রাণী উদ্যান আৰু অভয়াৰণ্য প্রতিষ্ঠিত কৰে। এই আইনৰ প্রধান কার্য্যকলাপ আৰু ব্যৱস্থাসমূহ এনেধৰণৰ —

- ই বন্যপ্রাণী সম্বন্ধীয় পৰিভাষা নির্ধাৰণ কৰে।
- ই বন্যপ্রাণীপৰামর্শমণ্ডলী তথা বন্যপ্রাণী নিৰাপত্তাৰক্ষী নিযুক্তি দিয়াৰ লগতে তেওঁলোকৰ অধিকাৰ, কতর্ব্য আদি আলিকাভুক্ত কৰে।
- এই আইনৰ অধীনত, প্রথমবাৰৰ বাবে বিলুপ্ত বন্যপ্রাণী প্রজাতিৰ সর্বাঙ্গীণ তালিকাভূক্তিকৰণ কৰা হৈছে, তদুপৰি বিলুপ্ত প্রজাতিৰ চিকাৰ নিবাৰণৰ বিষয়ে উল্লেখ কৰা হৈছে।
- এই আইনৰ অধীনত আকৌ কিছুমান বিলুপ্ত গছৰ সুৰক্ষাৰ বিষয়ে কোৱা হৈছে। যেনে— বেড্ডোম চাইক্ড, (Beddome Cycad) নীলা ভান্দা (Blue Vanda) লেডীচ স্লিপ্যাৰ অর্কিড্ (Lady's Slipper Orchid), কলসর্পণী (Pitcher Plant) ইত্যাদি।
- এই আইনে ৰাষ্ট্রীয় উদ্যান, বন্যপ্রাণী অভয়াৰণ্য আদি প্রতিষ্ঠিত কৰাৰ ব্যৱস্থা কৰে।
- এই আইনে কেন্দ্রীয় চিৰিয়াখানা কর্তৃপক্ষৰ সংগঠনৰ ব্যৱস্থা কৰে।
- ইয়াতে কিছুমান বন্যপ্রাণী প্রজাতিৰ বাবে ব্যৱসায় আৰু বাণিজ্যৰ ব্যৱস্থাও আছে; যাৰ দ্বাৰা সেই প্রজাতি বিক্রী, দখল, স্থানান্তৰ আদিৰ বাবে অনুজ্ঞাপত্র প্রদান কৰা হয়।
- এই আইনে তালিকাভুক্ত কৰা কিছুসংখ্যক জন্তুৰ ব্যৱসায় বা বাণিজ্যত বাধা-নিষেধ কৰিছে।
- ইয়াত বিষয়াৰ আইনগত অধিকাৰ আৰু অপৰাধীক শাস্তি দিয়াৰ ব্যৱস্থাও আছে।
- বিলুপ্ত প্রজাতিৰ প্রজননৰ দ্বাৰা বংশবৃদ্ধিৰ ব্যৱস্থাও কৰা হয় এই আইনৰ অধীনত।

➢ **জল (নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণ) আইন, ১৯৭৪ (The Water Prevention and Control of Pollution Act, 1974)**

জল নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, 1974-এ পানীৰ সুবিবেচনাৰ ভিত্তিত তাৰ ৰক্ষণাবেক্ষণ আৰু পুনৰুদ্ধাৰৰ বাবে ইয়াৰ নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণৰ উপায়

প্রদান কৰে। প্রদূষণ মানে হ'ল 'পানীৰ দূষিতকৰণ বা পানীৰ ভৌতিক, ৰাসায়নিক আৰু জৈৱিক বৈশিষ্ট্যৰ পৰিৱর্তন ঘটোৱা বা একধৰণৰ নির্গমন সম্ভৱতঃ কাৰণত ক্ষতি সাধন কৰা। যাৰ ফলত জনস্বাস্থ্য আৰু নিৰাপত্তা বা গছ আৰু অন্য প্রাণীৰ বা জীৱজগতৰ বাবে পানী অনিষ্টকৰ বা হানিকাৰক ৰূপে চিহ্নিত হ'ব পাৰে।' এই আইনৰ প্রধান প্রধান বৈশিষ্ট্য আৰু ব্যৱস্থাসমূহ এনেধৰণৰ —

এই আইনৰ প্রধান প্রধান বৈশিষ্ট্য আৰু ব্যৱস্থাসমূহ এনেধৰণৰ —

- ই বাহ্যিক আৰু ভূ-জল — দুয়োবিধ পানীৰে গুণৰ ৰক্ষণাবেক্ষণ আৰু পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰিছে।
- ই কেন্দ্রীয় আৰু ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ মণ্ডল প্রতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছে।
- এই আইনে তেওঁলোকক প্রদূষণ নিয়ন্ত্রণৰ ক্ষমতা আৰু কার্যকৰণৰ পৰামর্শ প্রদান কৰে।

এই ক্ষেত্রত কেন্দ্রীয় আৰু ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ মণ্ডলীয়ে পানী নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণৰ বাবে প্রতিনিধিত্বমূলকভাৱে তেওঁলোকক পৰামর্শদান কৰা, সুসংগঠিত কৰা আৰু কাৰিকৰী ক্ষেত্রত সহায়-সহযোগিতা আগবঢ়াব লাগে। ইয়াৰ বাবেও প্রদূষণ নিয়ন্ত্রণ মণ্ডলীক সম্পূর্ণ ক্ষমতা প্রদান কৰা হৈছে।

- এই আইনৰ অধীনত কেন্দ্রীয় আৰু ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ মণ্ডলীৰ সঞ্চয়, বাজেট, হিচাপ-নিকাচ আৰু হিচাপ নিৰীক্ষনৰ ব্যৱস্থা আছে।
- এই আইন ভংগকাৰী লোকৰ বাবে বহুতো শাস্তি আৰু একেদৰে কার্যপদ্ধতিৰ গঠনৰ ব্যৱস্থা আছে।

ইয়াত মুখ্য নিয়ন্ত্রণীয় সমিতি হ'ল 'প্রদূষণ নিয়ন্ত্রণ সমিতি' যাক নিম্নলিখিত কর্তব্য আৰু ক্ষমতা প্রদান কৰা হৈছে —

কেন্দ্রীয় প্রদূষণ নিয়ন্ত্রণ সমিতি (Central Pollution Control Board (CPCB)

(ক) ই কেন্দ্রীয় চৰকাৰক জল প্রদূষণ নিবাৰণ আৰু নিয়ন্ত্রণ সম্বন্ধীয় বিষয়ত পৰামর্শ দিয়ে।

(খ) ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ সমিতিৰ কার্যসূচীসমূহৰ সমন্বয় ৰক্ষা কৰে আৰু তেওঁলোকক কাৰিকৰী ক্ষেত্রত সহায় কৰাৰ লগতে নেতৃত্বও প্রদান কৰে।

(গ) প্রদূষণ নিবাৰণ আৰু নিয়ন্ত্রণৰ প্রশিক্ষণ কর্মসূচী অনুষ্ঠিত কৰে।

(ঘ) বিভিন্ন গণ মাধ্যমৰ দ্বাৰা প্রদূষণ সম্বন্ধীয় বিষয়বস্তুৰ সম্পূর্ণ কর্মসূচী অনুষ্ঠিত কৰে।

(ঙ) প্রদূষণ সম্বন্ধীয় কাৰিকৰী আৰু সাংখ্যিক তথ্যসমূহ সংগ্রহ, সঙ্কলন আৰু প্রকাশ কৰে।

(চ) কোনো বাণিজ্যিক ক্ষেত্রৰ কাযেদি বৈ যোৱা নলা-নর্দমাত কেনেদৰে জাৱৰ-

জোখৰ পেলাব লাগে বা সেই বোঁৱতী সুঁতি কেনেদৰে ব্যৱহাৰ কৰিব লাগে তাৰ ব্যৱস্থাপুথি প্ৰস্তুত কৰে।

(ছ) পানীৰ উৎকৰ্ষ নিৰ্ণয়ৰ বাবে এক নিৰ্দিষ্ট মান স্থিৰ কৰে।

(জ) প্ৰদূষণ নিবাৰণ, নিয়ন্ত্ৰণ বা উপশমকৰণৰ বাবে ৰাষ্ট্ৰ জোৰা কৰ্মসূচীৰ পৰিকল্পনা কৰে।

(ঝ) পানী, জাৱৰ-জোখৰ কঢ়িয়াই নিয়া খাল বা ব্যৱসায়িক ক্ষেত্ৰৰ কাষত থকা বোঁৱতী সুঁতিৰ পানীৰ নমুনাৰ পৰীক্ষাৰ বাবে গৱেষণাগাৰৰ নিৰ্মাণ কৰে আৰু স্বীকৃতি প্ৰদান কৰে।

ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিয়েও ৰাজ্যিক স্তৰত একেবোৰ কাৰ্যই সম্পাদন কৰে সমিতিখন কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিৰ নিৰ্দেশতে নিয়ন্ত্ৰিত হয়।

- এই সমতিয়ে ৰাজ্য চৰকাৰক কোনো এটা জান বা কুঁৱা প্ৰদূষিত কৰিব পৰা যিকোনো উদ্যোগৰ অৱস্থান সম্পৰ্কত পৰামৰ্শ প্ৰদান কৰে।
- ই বোঁৱতী পানীৰ মান নিৰ্ণয় কৰে আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ মাজেৰে পাৰ হৈ যোৱা কোনো জান, কুঁৱা, বোঁৱতী সুঁতি বা জাবৰ-জোখৰ কঢ়িয়াই নিয়া নলাৰ পৰা নমুনা সংগ্ৰহ কৰিব পাৰে।
- ৰাজ্যিক সমিতিক কোনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ কাষৰে বৈ যোৱা বোঁৱতী সুঁতিৰ নমুনা সংগ্ৰহ কৰাৰ আইনগত অধিকাৰ প্ৰদান কৰা হৈছে। অৱশ্যে সেই কামৰ বাবে তেওঁলোকে সেই বোঁৱতী সুঁতিৰ কাষত বাস কৰা অধিবাসীসকল বা অধিবাসীসকলৰ কোনো প্ৰতিনিধিৰ উপস্থিতিত সেই কৰ্ম সম্পাদন কৰে। সংগ্ৰহ কৰা নমুনা দুটা ভাগত বিভাজিত কৰি, মোহৰ মাৰি, দয়ো পক্ষই স্বাক্ষৰ কৰি স্বাকৃতিপ্ৰাপ্ত গৱেষণাগাৰলৈ পৰীক্ষাৰ বাবে পঠিয়াব পাৰে। যদি নমুনা সুনিশ্চিত জল উৎকৰ্ষৰ মানৰ লগত নিমিলে (সৰ্বাধিক অনুমোদনযোগ্য সীমা অতিক্ৰম কৰে), তেতিয়া সেই পানী ব্যৱহাৰৰ বাবে অনুমোদন প্ৰদান নকৰে।
- প্ৰত্যেক শিল্পোদ্যোগে এক নিৰ্দিষ্ট প্ৰ-পত্ৰত তেওঁলোকৰ উদ্যোগৰ সকলো কাৰিকৰী বৰ্ণনা সংলগ্ন কৰি প্ৰয়োজনীয় নিৰ্দিষ্ট মাচুল প্ৰদান কৰি সেই উদ্যোগে বোঁৱতী সুঁতিক কিমান প্ৰদূষিত কৰিব (এক নিৰ্দিষ্ট সময়সীমাৰ বাবে) সেয়া নিৰূপণ কৰিবলৈ সমিতিৰ ওচৰত আৱেদন কৰিব লাগিব।
- এই সমিতিয়ে বাণিজ্যক্ষেত্ৰৰ কাষত অৱস্থিতি বোঁৱতী সুঁতি উপযোগীতা থকাকৈ কোনেদৰে ব্যৱহাৰ আৰু প্ৰয়োগ কৰিব পাৰি তাৰ বাবেও পৰামৰ্শও প্ৰদান কৰে।

➢ **বন সংৰক্ষণ আইন, ১৯৮০** (The Forest Conservation Act, 1980)

বন সংৰক্ষণ আইন 1980, অৰণ্যৰ সংৰক্ষণ আৰু তাৰ লগত সম্পৰ্কীত

দিশসমূহৰ লগত জড়িত। জম্মু আৰু কাশ্মীৰৰ বাহিৰে এই আইন সমগ্ৰ ভাৰততে প্ৰযোজ্য। এই আইনে সকলো ধৰণৰ অৰণ্য সামৰি লয়। ইয়াত অন্তৰ্ভুক্ত হৈ আছে — সংৰক্ষিত অৰণ্য, সুৰক্ষিত অৰণ্য বা স্বত্ব নিৰ্বিশেষে অন্তৰ্ভুক্ত যিকোনো অৰণ্যৰ ভূমি। এই আইনৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

- এই আইনৰ অধীনত ৰাজ্য চৰকাৰক বনাঞ্চলৰ উদ্দেশ্যে অৰণ্যৰ ব্যৱহাৰ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। যদি তেওঁলোকে তেনে বনাঞ্চল অন্য কোনো কামৰ বাবে ব্যৱহাৰ কৰিব বিচাৰে তেতিয়া হ'লে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰ পৰা আগতিয়াকৈ অনুমতি গ্ৰহণ কৰিব লাগিব। তাৰ পিছতহে সংৰক্ষিত অৰণ্যক অনা-অৰণ্যৰ উদ্দেশ্যে (যেনে— খনি স্থাপন) বা কিছু স্বাভাৱিকভাৱে গজা গছৰ পৰিষ্কাৰ কৰি সেই ঠাইত লাভজনক বা গুৰুত্বপূৰ্ণ গছ ৰোপণ কৰি পুনৰ বনানীকৰণ কৰাৰ আদেশ জাৰি কৰিব পাৰিব।
- সকলো প্ৰকাৰৰ অৰণ্যৰ সংৰক্ষণৰ উদ্দেশ্যে এই আইনখন প্ৰণয়ন কৰা হৈছে আৰু এখন মন্ত্ৰণা সমিতি গঠন কৰা হৈছে। এই সমিতিখনে কেন্দ্ৰীয় চৰকাৰক অৰণ্য সংৰক্ষণৰ বাবে অনুদান প্ৰদান কৰাৰ নিৰ্দেশ দিয়ে।
- এই আইনৰ অধীনত যিকোনো অৰণ্য অঞ্চলত হোৱা অবৈধ অনা-অৰণ্য কাৰ্যসমূহ তৎক্ষণাত বন্ধ কৰিব পাৰে।

➢ **বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ আইন, ১৯৮১** (The Air Pre vention and Control of Pollution Act, 1981)

বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ আইন, 1981-ৰ প্ৰধান বৈশিষ্ট্যসমূহ এনেধৰণৰ —

- এই আইনত বায়ু প্ৰদূষণ নিবাৰণ, নিয়ন্ত্ৰণ আৰু হ্ৰাসকৰণৰ ব্যৱস্থা আছে।
- এই আইন মতে, — যিহেতু বায়ুমণ্ডলত গোটা, জলীয় বা বাষ্প পদাৰ্থ (ধ্বনিও অন্তৰ্ভুক্ত) উপস্থিতি হৈ আছে সেয়েহে এনেধৰণৰ সংমিশ্ৰণে মানুহ, আন কোনো প্ৰাণী, গছ-গছনি, প্ৰাকৃতিক সম্পদ বা পৰিৱেশৰ নিৰ্দ্দিষ্টভাৱে ক্ষতি কৰিব পাৰে আৰু সেয়াই বায়ু প্ৰদূষণ।
- 1987 চনৰ আইনখনত ধ্বনি প্ৰদূষণকো প্ৰদূষণ হিচাপে সন্নিৱিষ্ট কৰা হৈছে।
- কেন্দ্ৰীয় আৰু ৰাজ্যিক স্তৰত প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিক বায়ু আইন কাৰ্যকৰী কৰাৰ ঠিক সমান্তৰালভাৱে বায়ুৰ গুণ-মান উন্নত কৰা ক্ৰিয়াকলাপ কাৰ্য ৰূপায়িত কৰাৰ মুখ্য কৰ্তৃত্বও দিছে। এই সমিতিয়ে অনুচ্ছেদ 17ৰ অধীনত বায়ুত বিষাক্ত দ্ৰব্য এৰি দিয়াৰ মাত্ৰা নিৰ্ধাৰণ কৰা ৰীতি বা মানদণ্ড শিল্পোদ্যোগে সুনিৰ্দিষ্টভাৱে অনুসৰণ কৰিছেনে নাই তাৰ নিৰীক্ষণ

কৰিব লাগে। বিশ্লেষণ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি শিল্পোদ্যোগক কাম চলাই যোৱাৰ সন্মতি প্ৰদান বা প্ৰত্যাখ্যান কৰা হয়।

- জল আইনৰ দৰে বায়ু আইনতো প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিৰ সংবিধান, ক্ষমতা আৰু কাৰ্যসূচীৰ লগতে হিচাপ- নিকাচ, হিচাপ নিৰীক্ষণ, জৰিমনা আৰু কাৰ্যপদ্ধতিৰ সংজ্ঞা আগবঢ়োৱাৰ সুবিধা আছে।
- এই আইনৰ, অনুচ্ছেদ 20 ত, মটৰ গাড়ীৰ ধোঁৱা নিক্ষেপন মানদণ্ড নিশ্চিত কৰা ব্যৱস্থা আছে। ইয়াৰ আধাৰত ৰাজ্য চৰকাৰে মটৰ গাড়ীৰ পঞ্জীয়নকাৰী ভাৰপ্ৰাপ্ত কৃৰ্তত্বক (মটৰ গাড়ী আইন, 1937 অধীনত) আদেশ দিব পাৰে। সেই আদেশ বাধ্যতামূলকভাৰে গাড়ীচালকসকলে মানি চলিব লাগে।
- অনুচ্ছেদ 19-ৰ মতে, ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ সমিতিৰ সৈতে পৰামৰ্শ কৰি, ৰাজ্য চৰকাৰে ৰাজ্যৰ ভিতৰত এটি অঞ্চল, 'বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ অঞ্চল' বুলি ঘোষিত কৰিব পাৰে আৰু কোনো অঞ্চলত অনুমোদনপ্ৰাপ্ত ইন্ধনৰ বাহিৰে বায়ু প্ৰদূষণ সৃষ্টিকাৰী অন্য ইন্ধনৰ ব্যৱহাৰ নিষিদ্ধ কৰিব পাৰে। কোনো মানুহে কাৰ্যকৰী হৈ থকা 'বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ অঞ্চলত' ৰাজ্যিক সমিতিৰ পূৰ্ব সন্মতি নোহোৱাকৈ ঔদ্যোগিক প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিব নোৱাৰে।

➢ **পৰিৱেশ সুৰক্ষা আইন, ১৯৮৬** (The Environment Protection Act, 1986)

19 নবেম্বৰ, 1986 চনত দেশৰ পাৰিপাৰ্শ্বিকতা সুৰক্ষা বিষয়ৰ অগ্ৰণী পৃষ্ঠপোষক স্বৰ্গীয় প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম বাৰ্ষিকীৰ দিনা পৰিৱেশ (সুৰক্ষা) আইন, 1986, কাৰ্যকৰী কৰা হয়। এই আইন সমগ্ৰ ভাৰততে প্ৰযোজ্য। এই আইনত পৰিৱেশ সম্বন্ধীয় কিছুমান সংজ্ঞা বৰ্ণনা কৰা হৈছে যিবোৰ এনেধৰণৰ —

- পৰিৱেশে পানী, বায়ু আৰু ভূমি সকলোকে সামৰি লয় আৰু এইবোৰৰ মানুহ তথা অন্য সকলো প্ৰাণী আৰু সম্পদৰ লগত থকা পাৰস্পৰিক সম্বন্ধ নিৰূপণ কৰে।
- পৰিৱেশ প্ৰদূষণ মানে হ'ল পৰিৱেশত কোনো গোটা, জলীয়া বা বাষ্পীয় পদাৰ্থৰ মাত্ৰাধিক ঘনীভূত উপস্থিতি যিটো পৰিৱেশৰ বাবে ক্ষতি কাৰক।
- বিপদসংকুল পৰিৱেশ সৃষ্টি কৰিব পৰা পদাৰ্থ মানে হ'ল কোনো পদাৰ্থ বা মিশ্ৰণ যিটোৰ ভৌত-ৰাসায়নিক বৈশিষ্ট্য পৰিচালনাই মানুহৰ, অন্য প্ৰাণীৰ, সম্পদ বা পৰিৱেশৰ ক্ষতিৰ সম্ভাব্য কাৰণ হ'ব পাৰে।

এই আইনে কেন্দ্ৰীয় চৰকাৰক পৰিৱেশৰ সংৰক্ষণ আৰু উন্নীতকৰণৰ বাবে ব্যৱস্থা লোৱাৰ কৰ্তৃত্ব দিছে। আনহাতে ৰাজ্য চৰকাৰে এই কাম-কাজবোৰৰ সমন্বয় সাধন কৰে। এই আইনৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ কৰণীয়বোৰ হ'ল-

(ক) বিভিন্ন অঞ্চল আৰু উদ্দেশ্যৰ বাবে বায়ু, পানী আৰু ভূমিৰ গুণগত মানদণ্ড নির্ণয় কৰা।

(খ) বিভিন্ন অঞ্চলৰ বাবে বিভিন্ন পৰিৱেশৰ দূষিতকাৰী দ্রব্যৰ (ধ্বনি সহিতে) সর্বাধিক অনুমোদনযোগ্য সীমা নির্দিষ্ট কৰা।

(গ) বিপদসংকুল পদার্থৰ পৰিচালনা কার্যৰ বাবে কার্যপদ্ধতি আৰু নিৰাপত্তাজনিত ব্যৱস্থা নির্ধাৰণ কৰা।

(ঘ) বিভিন্ন অঞ্চলত বিপদসংকুল পদার্থৰ পৰিচালনা কার্য নিবাৰণ আৰু নিয়ন্ত্রণ কৰা।

(ঙ) বিভিন্ন অঞ্চলত শিল্পোদ্যোগৰ স্থাপন নিষেধ তথা নিয়ন্ত্রণ কৰা আৰু আন কিছুমান অঞ্চলত শিল্পোদ্যোগৰ কাম-কাজ চলাই যোৱা।

(চ) পৰিৱেশ প্রদূষণৰ কাৰণ হ'ব পৰা দুর্ঘটনা নিবাৰণৰ বাবে কার্যপদ্ধতি আৰু নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা। এনে দুর্ঘটনাৰ বাবে প্রতিকাৰমূলক ব্যৱস্থা প্রদান কৰা।

পৰিৱেশৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে কম-বেছি পৰিমাণে সমগ্র পৃথিৱীত বিভিন্ন আইন সংগত ব্যৱস্থা লোৱা হৈছে। কিন্তু এই আইনসমূহৰ প্রভাৱ বৰ সন্তোষজনক নহয়। এইটো মন কৰা হৈছে যে, আইনী নিয়ম কানুনে কেতিয়াও মানুহৰ আচৰণ আৰু ব্যৱহাৰ সলনি কৰাত সন্তোষজনক পৰিনাম আনিব পৰা নাই । প্রধানকৈ যিসকল সমগ্র পৰিৱেশৰ উৎকর্ষমানৰ অৱনতিৰ বাবে দায়ী সেইসকলৰ ক্ষেত্রত এয়া অধিক প্রযোজ্য। সেয়েহে, পৰিৱেশবিজ্ঞানী আৰু চিন্তাবিদসকলে ভাবিছিল যে জনসাধাৰণৰ মাজত পাৰিপার্শ্বিকতা কেন্দ্রিক আচৰণৰ সুৰক্ষাৰ বাবে প্রয়োজনীয় সচেতনতা সৃষ্টি কৰা উচিত। ইয়াৰ বাবে শিক্ষাক অতি গুৰুত্বপূর্ণ শক্তি ৰূপে ব্যৱহাৰ কৰিব পাৰি।



জানি থোৱা ভাল

- বহল ভিত্তিত বন্যপ্রাণীৰ সুৰক্ষাৰ পৰা বহনক্ষম উন্নয়নৰ প্রক্রিয়ালৈকে সমস্ত কথাই সংৰক্ষণৰ ধাৰণাটোত অন্তর্ভুক্ত হৈ আছে।
- সম্পদ সংৰক্ষণৰ উদ্দেশ্যসমূহ হ'ল মৌলিক পাৰিপার্শ্বিক প্রণালীৰ ৰক্ষণাবেক্ষণ, জৈৱ বৈচিত্র সংৰক্ষণ ইত্যাদি।
- ভাৰত চৰকাৰে গ্রহণ কৰা পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্বন্ধীয় গুৰুত্বপূর্ণ আইনসমূহ হ'ল বণ্যপ্রাণী (সুৰক্ষা) আইন, 1972 (Wildlife Protection Act 1972) জল (প্রদূষণ নিবাৰণ আৰু নিয়ন্ত্রণ) আইন 1974 (Water Prevention and Control of Pollution Act, 1974), বন (সংৰক্ষণ) আইন, 1980 (Forest Conservation Act, 1980)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 1ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণাটো বর্ণনা কৰক।

.....

.....

প্রশ্ন নং 2ঃ জল (প্রদূষণ নিবাৰণ আৰু নিয়ন্ত্রণ) আইন, 1974 ৰ প্রধান বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং 3ঃ অনুচ্ছেদ 48 A (Article 48 A) সম্পর্কে চমুকৈ লিখক।

.....

.....

৮.৩.২ পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে ব্যক্তি আৰু সমাজৰ ভূমিকা

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে ব্যক্তি হ'ল অতি তাৎপর্যপূর্ণ কাৰক। বিভিন্ন পৰিৱেশত মানুহে কৰা বহুতো কাম-কাজ বিভিন্ন পৰিৱেশিক সমস্যাৰ কাৰণ হৈ পৰিছে। সেয়েহে মানুহে পৰিৱেশ আৰু প্রকৃতিৰ সংৰক্ষণৰ প্রতি নিজকে সচেতন আৰু শিক্ষিত কৰিতোলা উচিত। প্রাকৃতিক আৰু পাৰিপার্শ্বিক সম্পদ সংৰক্ষণৰ ক্ষেত্রত ব্যক্তিৰ উপভোক্তা হিচাপে ভূমিকাও অতি তাৎপর্যপূর্ণ। প্রকৃতিৰ সংৰক্ষণ আৰু সুৰক্ষাৰ প্রতি ব্যক্তিয়ে আগবঢ়াব পৰা অৱদানৰ এটি চমু আভাস তলত উল্লেখ কৰা হ'ল-

- **জল সংৰক্ষণ [Conservation of Water]** ঃ পানী মানুহৰ বাবে জীৱনদায়িনী আৰু জীৱন ৰক্ষাকাৰী উৎস। দ্রুত উদ্যোগীকৰণ আৰু নগৰীকৰণ প্রক্রিয়াই জল প্রদূষণত প্রৱলভাৱে প্রভাৱিত কৰিছে। খোৱা পানীৰ অপৰিমিত ব্যয় আৰু অপব্যৱহাৰে প্রায়ে নগৰত পানী দুর্যোগৰ সৃষ্টি কৰিছে। সচেতনতাৰ অভাৱ আৰু বদ্ অভ্যাসেই অপচয় আৰু জল প্রদূষণৰ বাবে দায়ী। এই ক্ষেত্রত প্রতিগৰাকী ব্যক্তিয়ে কৰিবলগীয়া কামসমূহ তলত উল্লেখ কৰা হ'ল —
  - কাপোৰ ধোৱা, গা ধোৱা, দাঁত ঘহাঁ ইত্যাদি কামৰ পিছত পানীৰ কল খোলা ৰাখিব নালাগে।
  - পানীৰ নিঃসাৰণ নিৰীক্ষণ কৰিব লাগে আৰু তৎক্ষণাত মেৰামতি কৰিব লাগে।
  - ঘৰত পানীৰ পৰিমিত সংৰক্ষণৰ বাবে পানীৰ কলত নিয়ন্ত্রণ যতন লগাব লাগে।
  - বৰষুণৰ পানী সংগ্রহ আৰু ব্যৱহাৰৰ সুব্যৱস্থাৰ গ্রহণ কৰিব লাগে । অর্থাৎ,

বৰষুণৰ পানী জমা কৰা ব্যৱস্থাবোৰক উৎসাহিত কৰিব লাগে।

- উদ্যোনত পানী ব্যৱহাৰ কৰোতে পৰিমিতভাৱে ব্যয় কৰিব লাগে।
- চাবোন যুক্ত পানী কাপোৰ ধোৱাৰ বাবে পুনৰ ব্যৱহাৰ কৰিব লাগে।

➢ **ভূমি সংৰক্ষণ** (Conservation of Soil) ঃ সকলো ধৰণৰ জৈৱিক বৃদ্ধি আৰু বিকাশ ভূমিৰ দ্বাৰাহে সম্ভৱপৰ হ'ব পাৰে। সেয়েহে, ভূমি প্রদূষণ আৰু স্খলনৰোধ কৰি ভূমি সংৰক্ষণ কৰাত গৰাকী হিচাপে মানুহৰ গুৰুত্বপূর্ণ দায়িত্ব আছে। কিন্তু কৃষিজীৱি বিজ্ঞানসন্মত পথ আৰু ভূমি সংৰক্ষণৰ ক্ষেত্রত কৃষিজীৱিলোকৰ জ্ঞানৰ অভাৱ ভূমি প্রদূষণ ৰোধৰ এটি সমস্যা হিচাপে দেখা দিছে। এই ক্ষেত্রত ব্যক্তিৰ বিশেষ ভূমিকা নিম্নলিখিত ধৰণৰ হ'ব পাৰে —

- ব্যক্তিগত গৃহ নির্মাণ কৰোতে আগৰেপৰা থকা গছবোৰ সম্পূর্ণ উভালি পেলাব নালাগে।
- আমি বিভিন্ন ধৰণৰ আলংকৰিক গছ, তৃণ-লতা আদি উদ্যানত আৰু মুকলি অঞ্চলত ঘাঁহ ৰুব লাগে । ই ভূমি আটিল কৰিব আৰু ইয়াৰ অৱক্ষয় ৰোধ কৰিব।
- ব্যক্তিয়ে পথৰ কাষত ছাঁ দিয়া গছ ৰোপন কৰা অভ্যাস গঢ়ি তোলা উচিত।
- কৃষিভিত্তিক উদ্দেশ্যত ৰাসায়নিক সাৰৰ সলনি জৈৱসাৰহে ব্যৱহাৰ কৰিব লাগে।
- খেতি-বাতি কৰাৰ আগতে ভূমি পৰীক্ষণ কৰাটো আৱশ্যকীয়।

➢ **শক্তি সংৰক্ষণ** (Conservation of Energy) ঃ মানৱ সভ্যতাৰ বিকাশৰ বাবে শক্তি এটি প্রধান উৎস। বর্তমানৰ বৃহৎ আৰু ক্রমবর্দ্ধমান জনবসতিবোৰত বিভিন্ন কার্য-কলাপৰ কাৰণে বিপুল পৰিমাণৰ শক্তি নিবেশৰ প্রয়োজন হৈছে। এতেকে গৃহ আৰু ঔদ্যোগিক উদ্দেশ্যৰ বাবে ব্যৱহৃত হোৱা শক্তিৰ পৰিমাণ হ্রাস কৰিবলৈ শক্তি সংৰক্ষণ অত্যাৱশ্যকীয় প্রয়োজনীয়তাত পৰিণত হৈছে। উন্নয়নমূলক দেশবোৰৰ প্রতিজন ব্যক্তিয়ে বিশেষকৈ এই সমস্যা হ্রাস কৰিবলৈ ঘৰত শক্তিৰ অপচয় ৰোধ কৰাৰ সুঅভ্যাস গঢ়ি তুলিব লাগে। এই ক্ষেত্রত ব্যক্তিৰ ভূমিকা এনেধৰণৰ হোৱা উচিত —

- ব্যৱহাৰ নোহোৱা সময়ত বৈদ্যুতিক সঁজুলিবোৰ নিয়মিতভাৱে বন্ধ কৰি থ'ব লাগে।
- প্রাকৃতিক উৎস, যেনে সূর্য ৰশ্মিৰ দ্বাৰা আহৰিত তাপ শক্তি ব্যৱহাৰ কৰিব লাগে।
- যেতিয়া অপৰিহার্য তেতিয়াহে হিটাৰৰ দৰে উচ্চ শক্তি সম্পন্ন যতন ব্যৱহাৰ কৰিব লাগে।
- আহাৰ ৰান্ধোতে সৌৰপাত্র ব্যৱহাৰ কৰি এল. পি. জি ব্যয় হ্রাস কৰিব লাগে।
- গ্রীষ্মৰ প্রৱল গৰম হ্রাস কৰিবৰ বাবে ছাঁ দিব পৰা গছ ৰোপণ কৰিব লাগে।

- শীতকালত ঊনী কাপোৰ ব্যৱহাৰ কৰি শীত-তাপ নিয়ন্ত্রণ যন্ত্র ব্যৱহাৰৰ অভ্যাস পৰিহাৰ কৰিব লাগে।

➢ **বন্যপ্রাণী সংৰক্ষণ** (Conservation of Wildlife) ঃ মানুহ তেতিয়াহে জীয়াই থাকিব যেতিয়া আন জীৱ জন্তুও জীয়াই থাকিব। সেয়েহে মানুহ আৰু জীৱ জগতৰ মাজত এটি প্রাকৃতিক সামঞ্জস্য আৰু পাৰিপার্শ্বিক সমতা স্থাপন কৰাটো আৱশ্যকীয়। মানুহৰ দ্বাৰা বনৰীয়া জন্তুৰ জীৱন বিনাশ কৰাটো বন্ধ হোৱা উচিত। সেয়েহে, বন্যপ্রাণী সংৰক্ষণ ব্যক্তি আৰু সমাজৰ এটি নৈতিক দায়িত্ব। এই ক্ষেত্রত জীৱ-জন্তুৰ প্রতি ব্যক্তিৰ দায়িত্বসমূহ নিম্নলিখিত ধৰণৰ —

- মানুহে স্বভাৱ বা আচৰণৰ সলনি কৰি জন্তুৰ প্রতি আন্তৰিকতা বঢ়াব লাগিব।
- চোৰাং চিকাৰীৰ দ্বাৰা বনৰীয়া জন্তুৰ হত্যা বে-আইনী বুলি ধৰিব আৰু শাস্তি প্রদানৰ ব্যৱস্থা কৰিব লাগিব।
- বনৰীয়া জন্তু হত্যা কৰাৰ সলনি সিহঁতক জীৱন্তে ধৰিব আৰু চিৰিয়াখানাত ৰাখিব লাগিব।
- জন্তুৰ শৰীৰ, যেনে ছালৰ পৰা উৎপাদিত দ্রব্যৰ ব্যৱসায় বা বাণিজ্যিকভাৱে কৰা ব্যৱহাৰ বন্ধ কৰিব লাগিব।

➢ **বনজ সম্পদৰ সংৰক্ষণ** (Conservation of forest resources) ঃ দেশৰ অর্থনৈতিক উন্নয়নৰ বাবে বনজ সম্পদসমূহ অমূল্য প্রাকৃতিক উৎস। মানুহৰ দায়িত্বশীল আচৰণৰ দ্বাৰা এইবোৰৰ সংৰক্ষণ বা সঞ্চয় কৰিব পাৰি। বনজ সম্পদৰ দ্বাৰা মানুহে ঔদ্যোগিক প্রয়োজনসমূহ সর্বাঙ্গীনভাৱে পূৰণ কৰিব পাৰে। ইয়াৰ সংৰক্ষণ আৰু ব্যৱহাৰৰ বাবে ব্যক্তি আৰু সমাজে দায়িত্বশীল ভূমিকা পালন কৰা উচিত।এনে কেইটামান ভূমিকা তলত উল্লেখ কৰা হৈছে-

- চৰকাৰৰ পৰা প্রয়োজনীয় সহায়-সাহায্য লৈ অৰণ্যত গছ ৰোপণ কৰা অনুষ্ঠানৰ আয়োজন কৰিব লাগে।
- বনজ সম্পদৰ সুৰক্ষাৰ বাবে ব্যক্তিগত আৰু সমূহীয়াভাৱে দৃঢ় সজাগতা বজাই ৰাখিব লাগে।
- বনজাত দ্রব্যসমূহৰ সংৰক্ষণৰ বাবে চৰকাৰে গঠন কৰা নিয়ম আৰু আইনসমূহৰ বিষয়ে সকলো ব্যক্তি সজাগ হ'ব লাগে আৰু সেইবোৰ মানি চলিব লাগে।
- সমাজ বিৰোধী চক্রৰ পৰা বনজ সম্পদবোৰ সংৰক্ষিত কৰি ৰাখিবৰ বাবে স্থানীয় সম্প্রদায়ৰ লোক আৰু বন বিভাগে সহযোগিতাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে।
- বন বিভাগে বনজ সম্পদৰ সংৰক্ষণ আৰু সঞ্চয়ৰ বাবে স্থানীয় লোকক প্রশিক্ষণ দিব লাগে।

❍ বন নিৰাপত্তাৰক্ষীসকলক চোৰাং-চিকাৰী আৰু কাঠৰ চোৰাং বেপাৰীৰ পৰা বন সুৰক্ষিত ৰাখিব পৰাকৈ সুপ্ৰশিক্ষণ আৰু অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত কৰিব লাগে।

বনজ সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সমাজৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আমি উপলব্ধি কৰাতো অতি জৰুৰী যে আমি সকলোৱে পৰিৱেশৰ অংশ তথা আমি গছ আৰু জন্তুৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'ব পাৰোঁ। দুয়োটাই আমাৰ কাৰণে সৌন্দৰ্যবৰ্দ্ধক আৰু আৱশ্যকীয় কথা। সেয়েহে, এই পৃথিৱীৰ সকলো বাসিন্দাই জন্তু আৰু গছৰ জীৱন ৰক্ষা কৰাত সহায় কৰিব লাগে। যদি আমি আমাৰ পৰিৱেশক ভালদৰে চোৱা-চিতা কৰো, তেতিয়াহে ই দীৰ্ঘকাললৈ বৰ্তি থাকিব।

বিভিন্ন উপায়েৰে পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ কাৰণে সমাজে পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বহুতো উদাহৰণ আছে। বনজ সম্পদ সংৰক্ষণৰ বাবে চলা "চিপকো" (Chipko) আন্দোলন ভাৰতৰ উত্তৰাখণ্ড অঞ্চলৰ দৰিদ্ৰ শ্ৰেণী মানুহে আৰম্ভ কৰা এক অভূতপূৰ্ব আন্দোলন। হিন্দীত "চিপকো" (Chipko) মানে হ'ল 'সাবটি ধৰা' ই এক স্ত্ৰী আন্দোলন হিচাপে আৰম্ভ হৈছিল, য'ত মহিলাসকলে গছ সাবটি ধৰি গছ কটাৰ প্ৰতিবাদ কৰিছিল। এই আন্দোলনে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ প্ৰচাৰ আৰু সফলতা লাভ কৰিছে। মেধা পাটকাৰে আৰম্ভ কৰা 'নৰ্মদা বচাও আন্দোলন' (Narmada Bachao Andolan) সম্পদ সংৰক্ষণত সমাজে পালন কৰা বৃহৎ ভূমিকাৰ আন এটি উৎকৃষ্ট উদাহৰণ।

এইদৰে বহনক্ষম উন্নয়ণৰ বাবে আমাৰ পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ লগতে পৃথিৱীত মানুহৰ তাৎপৰ্যপূৰ্ণ অস্তিত্ব বৰ্তাই ৰখাৰ ক্ষেত্ৰত সমাজে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



জানি থোৱা ভাল

- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত ব্যক্তিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।
- প্ৰত্যেক ব্যক্তিয়ে জল সম্পদৰ সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ উপলব্ধি কৰি জল সংৰক্ষণৰ প্ৰচেষ্টা আৰম্ভ কৰিব লাগে।
- আমি গাইগুটিয়াভাৱে শক্তি সংৰক্ষণৰ ব্যৱস্থা ল'ব লাগে।
- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত সমাজে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং 4ঃ জল সংৰক্ষণৰ বাবে যিকোনো তিনিটা উপায় উল্লেখ কৰক।

.....

.....

প্রশ্ন নং 5ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সমাজৰ ভূমিকা চমুকৈ বর্ণনা কৰক (50 টা শব্দৰ ভিতৰত লিখক)

.....

.....



চিন্তা-চর্চা কৰক

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত মহিলাৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক। নিজৰ মন্তব্য লিখক।

.....

.....

৮.৪ বহনক্ষম উন্নয়নৰ ধাৰণা

তুলনামূলকভাৱে বহনক্ষম উন্নয়ন এটি নতুন ধাৰণা। ই বর্তমানৰ পৰিৱেশ পতনৰ ফলত মানুহৰ মনত সৃষ্টি হোৱা নতুন উপলব্ধি। মানুহে নিজৰ তাৎক্ষণিক প্রয়োজন পূৰণ কৰিবৰ বাবে পৰিৱেশৰ একেবাৰে অমনোযোগী আৰু অসাৱধান ব্যৱহাৰ কৰে। কিন্তু ই একধৰণৰ আত্মঘাতী আচৰণৰ বাহিৰে একো নহয়। সেয়েহে বহনক্ষম উন্নয়নৰ বাবে মানুহৰ মনত যুক্তিৰ উদ্রেক হোৱাৰ প্রয়োজন যাতে এই দিশত চিন্তা আৰু কাম কৰিব পাৰে।

বহনক্ষম উন্নয়নৰ ধাৰণা মতে ভৱিষ্যত সামাজিক উন্নয়নৰ বাবে মানুহৰ উচ্চাভিলাসত কোনোধৰণৰ ব্যাঘাত নিদিয়াকৈ সুফলদায়ক পৰিৱেশ পৰিকল্পনাক বাস্তৱত ৰূপায়িত কৰাটো সম্ভৱপৰ হ'ব পাৰে। বর্তমান আৰু ভৱিষ্যৎ উভয় প্রজন্মৰ জীৱন যাপনৰ মান আৰু জীৱন উন্নত কৰাই ইয়াৰ লক্ষ্য। বহনক্ষম উন্নয়ণৰ ধাৰণাৰ মূলবাণী হ'ল বর্তমানত জীয়াই থকা আৰু ভৱিষ্যতৰ বাবে জীয়াই ৰখা। আমি কিমান সুচাৰুভাৱে বর্তমানৰ আর্থ-সামাজিক আৰু পাৰিপার্শ্বিক প্রয়োজনৰ ভাৰসাম্য বজাই ৰাখিব পাৰোঁ। তাৰ ওপৰত ভৱিষ্যতৰ প্রয়োজনীয়তা পূৰণৰ বিষয়টো নির্ভৰশীল। এই উন্নয়নৰ ধাৰণাটোৱে বিশ্বাস কৰে যে মানুহৰ আর্থ-সামাজিক উন্নয়ন, বর্তমানক লৈ মানুহৰ আশা আৰু ইচ্ছাক ভৱিষ্যতে কোনো ব্যাঘাত নোহোৱাকৈ বাস্তৱ ৰূপ দিব পৰা যায়। এই উদ্দেশ্যত উপনীত হ'বৰ বাবে, মানুহে যি পৰিৱেশত থাকে আৰু যাৰ দ্বাৰা বিকাশ সাধন হয় তাৰ প্রতি মানুহৰ আচৰণ আৰু মনোভাব সলনি কৰা প্রয়োজন। গান্ধীজীয়ে কৈছিল,

"সকলোৰে প্ৰয়োজন পূৰাবৰ বাবে প্ৰকৃতিত যথেষ্ট আছে, কিন্তু প্ৰকৃতিয়ে সকলোৰে লোভ পূৰণ কৰিব নোৱাৰে।" মানুহৰ দ্বাৰা প্ৰাকৃতিক সম্পদৰ স্বাৰ্থপৰ, একপক্ষীয় আৰু ব্যৱহাৰৰ কাৰণে বহনক্ষম উন্নয়ন ক্ষতিগ্ৰস্থ হৈছে।

উন্নয়নৰ এই নতুন উপলব্ধিকৰণ প্ৰথমবাৰৰ বাবে প্ৰতিফলিত হৈছিল 1987 চনৰ পৰিৱেশ আৰু উন্নয়নৰ বিশ্ব আয়োগত (World Commission on Environment and development) ইয়াক ব্ৰাণ্ডট ল্যান্ড্ প্ৰতিবেদন (Brundt Land Report) বুলি জনা যায়। এই প্ৰতিবেদনত কোৱা হৈছিল, "বহনক্ষম উন্নয়ন হ'ল এনে এটি উন্নয়ন যিটোৱে বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰে ভৱিষ্যৎ প্ৰজন্মৰ সামৰ্থৰ আপোচ নকৰাকৈ সিহঁতৰ প্ৰয়োজনসমূহ পূৰ কৰে।" এই ধাৰণাৰ সমৰ্থনত ক'ব পাৰি যে আজি যদি আমি এডাল গছ কাটো তেন্তে ভৱিষ্যতে দুডাল গছ ৰোপন কৰিব লাগে। 1992 চনত ৰিঅ'-ডি-জেনেৰিঅ' (Rio-De-Janerio) ৰাষ্ট্ৰসংঘৰ পৰিৱেশ বিষয়ক সন্মিলনত (UN Conference) বিষয়সূচী 21 ৰ সৈতে (Agenda 21) ই বহনক্ষম উন্নয়ণৰ বাবে লোৱা আন্দোলনত সমৰ্থন কৰা প্ৰতিশ্ৰুতি দিছিল।

৮.৪.১ বহনক্ষম উন্নয়নৰ ধাৰণাত অন্তৰ্নিহিত হৈ থকা মুখ্য বৈশিষ্ট্যসমূহ

ওপৰৰ আলোচনাৰ আধাৰত আমি বহনক্ষম উন্নয়নৰ ধাৰণাত আৰ্ন্তনিহিত হৈ থকা মুখ্য বৈশিষ্ট্যসমূহ এনেধৰণে আলোচনা কৰিব পাৰোঁ —

- ভৱিষ্যতত কোনো ব্যাঘাত নজন্মোৱাকৈ মানুহৰ বৰ্তমানৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়ন সাধন কৰিব পাৰি।
- বহনক্ষম উন্নয়নৰ বাবে সু-চিন্তিত বিজ্ঞান আৰু প্ৰযুক্তিভিত্তিক কাৰ্যসূচীৰ প্ৰয়োজন।
- যিকোনো কাৰ্য-কলাপক বহনক্ষম বুলি ক'ব পাৰি যদিহে ই ভৱিষ্যতৰ আশা আৰু প্ৰয়োজনসমূহৰ বিষয়ে ইতিবাচকভাৱে বিবেচনা কৰে।
- বহনক্ষম উন্নয়ন হ'ল মানুহৰ যুক্তিপূৰ্ণ, সু-চিন্তিত আৰু দূৰদৰ্শী কাৰ্য পৰিকল্পনা। ইয়াক তাৎক্ষণিক, আকস্মিক আৰু অদূৰদৰ্শী আচৰণ বুলি ক'ব পৰা নায়ায়।
- এনে ধৰণৰ উন্নয়নে উচ্চ-নীচ, ধনী আৰু দুখীয়াৰ কোনো প্ৰভেদ নৰখাকৈ সমাজৰ সকলো শ্ৰেণীৰ লোককে সামৰি লয়।
- ই এই ধাৰণা প্ৰবৰ্তন কৰে যে বৰ্তমান প্ৰজন্মৰ মানুহৰ তেওঁলোকৰ উত্তৰ পুৰুষৰ প্ৰতি দায়িত্ববোধ আছে।
- বহনক্ষম উন্নয়নৰ সমৰ্থনত মানুহে অযথা প্ৰতিদ্বন্দ্বিতা পৰিহাৰ কৰিব লাগে আৰু বুজাপৰা তথা সহযোগিতাৰ ভাব বিকাশ কৰিব লাগে।
- বহনক্ষম উন্নয়ন মানুহৰ মনৰ উচিত নৈতিক প্ৰমূল্যৰ ওপৰত নিৰ্ভৰশীল।
- বিশ্বৰ বিভিন্ন দেশে উমৈহতীয়াভাৱে গ্ৰহণযোগ্য এক অৰ্থনৈতিক মূলনীতি প্ৰস্তুত কৰাৰ প্ৰয়োজন।

- বিশ্ব সম্প্রদায়ে বহনক্ষম উন্নয়ন সম্পর্কত থকা উমৈহতীয়া সহমতৰ ভিত্তিত এক উমৈহতীয়া আদর্শগত নীতি মানি চলা দৰকাৰ।

৮.৪.২ বহনক্ষম উন্নয়নৰ বাবে শিক্ষা

বহনক্ষম পৰিৱেশ সৃষ্টি কৰাৰ বাবে বর্তমান প্রজন্মই ল'বলগীয়া কিছুমান প্রয়োজনীয় পদক্ষেপ তলত উল্লেখ কৰা হ'ল —

- **জনসংখ্যা নিয়ন্ত্রণ ঃ** জনসংখ্যা বিস্ফোৰণৰ ফলত পৰিৱেশত অস্বাভাৱিক চাপ পৰিছে আৰু সম্ভাব্য সকলো ধৰণে পৰিৱেশ প্রদূষণ, বিনাশ আৰু অৱনতিৰ সৃষ্টি হৈছে। সেয়েহে, যিবোৰ, দেশ অত্যধিকজনসংখ্য সমস্যাৰ দ্বাৰা আক্রান্ত তেওঁলোকে জনসংখ্যা হ্রাস কৰাৰ বাবে তৎক্ষণিক আৰু সুচিন্তিত পদক্ষেপ ল'ব লাগে।
- **সার্বজনীন স্বীকৃতি ঃ** উন্নয়নৰ বাবে বহনক্ষম পৰিৱেশৰ প্রশ্নটো সামাজিক আৰু ধর্মীয় বিবেচনাৰ উর্ধ্বত। সম্পূর্ণৰূপে আন্তঃৰাষ্ট্রীয় শ্রদ্ধা আৰু প্রশংসা লাভ কৰা উচিত।
- **গণ সজাগতাৰ অনুষ্ঠান ঃ** আঞ্চলিক, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত ব্যাপক গণ সজাগতাৰ অনুষ্ঠান আয়োজন কৰিব লাগে। গণ সংবাদ মাধ্যমে বহনক্ষম উন্নয়নৰ বাবে কার্যকাৰী অনুষ্ঠানসূচী প্রস্তুত কৰিব লাগে।
- **প্রমূল্য ভিত্তিত শিক্ষা ঃ** বহনক্ষম কৰি তুলিবৰ বাবে পৰিৱেশ সংৰক্ষণৰ ধাৰণা সম্পর্কত মানুহৰ মনত উচিত মূল্যবোধৰ ধাৰণা গঢ়ি তুলিব লাগে। সেইকাৰণে উচিত আন্তৰিকতাৰ সৈতে শিশুক প্রমূল্য ভিত্তিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।
- **সৌন্দর্যবোধৰ শিক্ষা ঃ** বহনক্ষম উন্নয়নৰ বাবে মানুহৰ জীয়াই থকাৰ এটি সৌন্দর্যাত্মক ভাব আৰু এটি সুন্দৰ জীৱন শৈলী গঢ়ি তোলাটো প্রয়োজনীয়। শিশুৰ মনত এই ভাব বৃদ্ধি কৰাৰ প্রয়োজন যাতে সিহঁতে শিক্ষা জীৱনৰ আৰম্ভণিৰ পৰা প্রকৃতিৰ সৌন্দর্য বুজিব আৰু উপলব্ধি কৰিব পাৰে।
- **পৰিৱেশ পৰিকল্পনা ঃ** এটা অঞ্চলত সুস্থ পৰিৱেশ এটা সৃষ্টি কৰাৰ কামটো সংশ্লিষ্ট কর্তৃপক্ষই প্রকৃত নিষ্ঠাৰ সৈতে কৰা উপযুক্ত পৰিকল্পনা আৰু ইয়াৰ সম্পাদনাৰ ওপৰত যথেষ্ট নির্ভৰশীল। দুর্নীতি আৰু ন্যস্ত স্বার্থ জড়িত প্রভাৱৰ পৰা মুক্ত কৰি ৰাখি এনে কাম-কাজবোৰ নিষ্ঠা সহকাৰে সম্পাদন কৰিব লাগে।
- **আইন বলবৎকৰণ ঃ** এতিয়ালৈকে পৰিৱেশ সুৰক্ষাৰ বাবে বহুকেইখন আইন প্রণয়ন কৰা হৈছে। এই আইনবোৰৰ উচিত প্রয়োগৰ দ্বাৰা যাতে বিচাৰামতে ফলাফল পাব পাৰি তাৰ বাবে আইন প্রৱর্তন কর্তৃপক্ষৰ ওপৰত বেছি গুৰুত্ব দিব লাগে। ইয়াৰ বাবে ৰাজনৈতিক সদিচ্ছা অপৰিহার্য ।

- **আচৰণ পৰিৱৰ্তন ঃ** সুস্থ পৰিৱেশ সৃষ্টি কৰাৰ বাবে মানুহৰ আচৰণ পৰিৱৰ্তন কৰাত অধিক মনোযোগ দিব লাগে। পৰিৱৰ্তিত পৰিৱেশৰ লগত মিলাকৈ মানুহৰ পুৰণি দৃষ্টিভঙ্গী, আচৰণ, ৰুচি আৰু অভ্যাস সলনি কৰিব লাগে।
- **গণ অভিমতৰ সৃষ্টি ঃ** গণ অভিমত সৃষ্টি কৰাৰ বাবে আলোচনা, অধ্যয়ন-চক্ৰ, আলোচনা চক্ৰ, প্ৰদৰ্শনী, গণ-প্ৰদৰ্শন ইত্যাদি অনুষ্ঠিত কৰিলে অধিক সুফল পোৱা যাব। মানৱতাবাদী, বৈজ্ঞানিক, বুদ্ধিজীৱী, শিক্ষক, উদ্যোগপতি আৰু চৰকাৰী কৰ্মচাৰীৰ প্ৰতিনিধিত্বত শক্তিশালী সাংগঠনিক সমিতি গঠন কৰিব লাগে।
- **আন্তঃ বিষয়ৰ গৱেষণা ঃ** পৰিৱেশ অধ্যয়নৰ পৰিসৰ বিস্তৃত হোৱাৰ বাবে বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদৰ দ্বাৰা আন্তঃবিষয়ৰ অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে বিভিন্ন বিষয়বস্তু আৰু সমস্যা বুজাৰ প্ৰচেষ্টা চলাব লাগে। তেওঁলোকৰ সিদ্ধান্তসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা নিয়মীয়াকৈ কাৰ্যৰূপায়িত কৰিব লাগে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং 6ঃ বহনক্ষম উন্নয়নৰ ধাৰণাটোৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং 7ঃ বহনক্ষম উন্নয়নৰ বাবে শিক্ষা প্ৰদান কৰোতে ল'বলগীয়া বিভিন্ন কৌশলসমূহ উল্লেখ কৰক।

.....

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ আলোচনাৰ পৰা আমি শিকিলোঁ —

- পৰিৱেশ সংৰক্ষণ মানে হ'ল সমগ্ৰ পৰিৱেশত অন্তৰ্ভুক্ত হৈ থকা প্ৰাকৃতিক সম্পদবোৰৰ এটি বিশেষ পৰিকল্পিত পৰিচালনা য'ত সম্পদৰ মাত্ৰাধিক প্ৰয়োগ, প্ৰদূষণ, ধ্বংস প্ৰতিৰোধ কৰি ভৱিষ্যতলৈ সম্পদ ব্যৱহাৰ আৰু বহনক্ষম উন্নয়ন সুনিশ্চিত কৰিব পাৰি।
- প্ৰকৃতিৰ সুৰক্ষাৰ দ্বাৰাহে প্ৰকৃতিৰ সংৰক্ষণ সম্ভৱপৰ হ'ব পাৰে।
- দেশত পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লগত জড়িত বিভিন্ন আইন প্ৰস্তুত কৰা হৈছে। যেনে — অনুচ্ছেদÃ 48 (A), অনুচ্ছেদ 51 (G) ইত্যাদি।
- ভাৰতীয় সংবিধানত পৰিৱেশৰ সুৰক্ষা আৰু সংৰক্ষণক নাগৰিকৰ এক মৌলিক কৰ্তব্য বুলি কোৱা হৈছে। সময় বাগৰাৰ লগে লগে কেন্দ্ৰীয় আৰু ৰাজ্যিক বিধান পৰিষদবোৰক

কেন্দ্রীয়, ৰাজ্যিক আৰু সমবর্তী তালিকাৰ বিষয়বস্তু, যেনে ধ্বনি নিয়ন্ত্রণ, ভূমি উন্নয়ণ, জলসিঞ্চন, নগৰ পৰিকল্পনা, বস্তি অঞ্চল পৰিষ্কাৰ, গৃহ আঁচনি, কীটনাশক নিয়ন্ত্রণ, জল প্রদূষণ অৰণ্য, বন্যপ্রাণী, মনোৰঞ্জন ইত্যাদি বিষয়ৰ বিধি-বিধান প্রণয়ন কৰাৰ অধিকাৰ দিছে। ফলস্বৰূপে, কিছুমান বিষয়ৰ বাবে নতুন আইন প্রণয়ন কৰা হৈছে। সেই বিষয় আৰু আইনসমূহ এনেধৰণৰ —

- কাৰখানা আইন, 1948 (The Factories Act, 1948)
- কীটনাশক আইন, 1968 (The Insecticides Act, 1968)
- বন্যপ্রাণী সুৰক্ষা আইন, 1972 (The Wildlife Protection Act, 1972)
- বন (সংৰক্ষণ) আইন,1980 (The Forest Conservation Act,1980)
- জল (নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, 1974 (The Water Pre vention and Control of Pollution Act, 1974)
- বায়ু (প্রতিৰোধ আৰু প্রদূষণ নিয়ন্ত্রণ) আইন, 1981
- পৰিৱেশ সুৰক্ষা আইন, 1986 (The Environment Protiction Act, 1986)

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে ব্যক্তি অতি গুৰুত্বপূর্ণ কাৰক।
- আমি প্রত্যেকেই জীৱ-বৈচিত্রৰ সংৰক্ষণৰ বাবে অনুপ্রেৰণাদায়ক কাম-কাজ, যেনে — গছ ৰোপন কৰা, বনাঞ্চল ধ্বংসৰোধ কৰা ইত্যাদিৰ ব্যৱস্থা ল'ব লাগে।
- আমি নিজাববীয়াকৈ শক্তি সংৰক্ষণ, ভূমি, জল, বন্যপ্রাণী সুৰক্ষা ইত্যাদিৰ ব্যৱস্থা ল'ব লাগে।
- বহনক্ষম উন্নয়ণৰ ধাৰণা মতে ভৱিষ্যত সামাজিক উন্নয়ণৰ বাবে মানুহৰ উচ্চাভিলাসত কোনো ধৰণৰ ব্যাঘাত নিদিয়াকৈ সুকার্যকৰ পৰিৱেশ পৰিকল্পনা সাধন কৰাটো সম্ভৱপৰ হব পাৰে। ই বর্তমান আৰু ভৱিষ্যত প্রজন্মৰ জীৱন যাপনৰ মান আৰু মানুহৰ জীৱনৰ উৎকর্ষ সাধন কৰাৰ লক্ষ্যেৰে কার্য সম্পাদন কৰি যায়।
- 1992 চনত ৰিঅ'-দী- জেনেৰিঅ'ত (Rio-De- Janerio) অনুষ্ঠিত হোৱা ৰাষ্ট্রসংঘৰ পৰিৱেশ বিষয়ক সম্মিলনত (Un Conference), বিষয়সূচী 21 ৰ সৈতে (Agenda 21) বহনক্ষম উন্নয়নৰ বাবে চলা আন্দোলনবোৰক সমর্থন কৰা প্রতিশ্রুতি প্রদান কৰা হৈছিল।
- বহনক্ষম উন্নয়নৰ বাবে প্রকৃতিৰ ভাৰসাম্য আৰু ইয়াৰ সম্পদ সংৰক্ষণৰ কৰাত সমাজে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব লাগে।



৮.৬ অধিক জানিবলৈ

1] Reddy, K.P & Reddy D.N : *Environmental Education*. Hyderabad : Neelkamal Publication Pvt. Ltd, .

2] Mukunda Sarma : Enviromental and Population Education, DVS Publishers Panbazar, Guwahati.



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ।'সংৰক্ষণ' শব্দটোৰ প্রকৃতার্থ হ'ল পৃথিৱীৰ অসংখ্য প্রাকৃতিক আৰু জৈৱিক সম্পদ অপৰিৱর্তনীয়কৈ ৰখা। 'সুৰক্ষা' শব্দটোৰ অন্তর্নিহিত অর্থ হ'ল মানুহে দায়িত্বশীল হ'ব লাগে আৰু প্রাকৃতিক সম্পদৰ নিৰর্থক ধ্বংস আৰু অৱনতি বন্ধ কৰাৰ বাবে প্রয়োজনীয় পদক্ষেপ ল'ব লাগে। মানুহে প্রকৃতিৰ প্রতি বিপৰীতমুখী আৰু ধ্বংসকাৰী ভূমিকাত লিপ্ত হৈ সংযমহীনভাৱে আচৰণ কৰাতকৈ সচেতন মনোভাব প্রদর্শন কৰিব লাগে। বহল অর্থত 'সংৰক্ষণ আৰু সুৰক্ষা' সম্বন্ধযুক্ত বুলি ক'ব পাৰি। মানুহে প্রকৃতিৰ সুৰক্ষা কৰিলেহে প্রকৃতিৰ সংৰক্ষণ সম্ভৱপৰ হ'ব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জল (নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণ) আইন, 1974 ৰ প্রধান বৈশিষ্ট্যসমূহ এনেধৰণৰ —

- ই সকলো ধৰণৰ বাহ্যিক আৰু ভূগর্ভস্থ জলৰ গুণৰ ৰক্ষণাবেক্ষন আৰু পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰিছে।
- ই কেন্দ্রীয় আৰু ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ মণ্ডল প্রতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছে।
- এই আইনে মণ্ডলবোৰক প্রদূষণ নিয়ন্ত্রণৰ ক্ষমতা আৰু কার্য্যকৰী কৰাৰ পৰামর্শ দিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সংবিধানৰ অনুচ্ছেদ 48 (A) মতে, " এখন দেশে পৰিৱেশৰ সুৰক্ষা আৰু উন্নতিৰ লগতে দেশৰ অৰণ্য আৰু বন্যপ্রাণীক নিৰাপত্তা প্রদান কৰাৰ প্রচেষ্টা কৰিব লাগে।"

৪ নং প্রশ্নৰ উত্তৰ ঃ জল সংৰক্ষণৰ তিনিটা ব্যৱস্থা হ'ল —

- কাপোৰ ধোৱা, গা-ধোৱা, দাঁত ঘঁহা ইত্যাদিৰ পিছত পানীৰ কল খোলা ৰাখিব নালাগে।

- পানীৰ নিঃসৰণ নিৰীক্ষণ কৰিব লাগে আৰু তৎক্ষণিকভাৱে মেৰামতি কৰিব লাগে।
- ঘৰত পানীৰ পৰিমিত সংৰক্ষণৰ বাবে পানী কলত নিয়ন্ত্রণ যতন ব্যৱহাৰ কৰিব লাগে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত সমাজৰ ভূমিকা অতি উল্লেখযোগ্য। এইটো আমাৰ বাবে উপলব্ধি কৰাটো অতি গুৰুত্বপূর্ণ যে আমি সকলোৱে পৰিৱেশৰ অংশ। আমি গছ আৰু জন্তুৰ সুৰক্ষাৰ বাবে প্রয়োজনীয় পৰিচর্যা ল'ব লাগে। কাৰণ উভয়েই আমাৰ কাৰণে সৌন্দর্যশালী আৰু আৱশ্যকীয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়ণৰ ধাৰণা মতে ভৱিষ্যত সামাজিক উন্নয়ণৰ বাবে মানুহৰ উচ্চাভিলাসত কোনো ধৰণৰ ব্যাঘাত নিদিয়াকৈ সুকার্যকৰ পৰিৱেশ পৰিকল্পনা সাধন কৰা সম্ভৱপৰ হ'ব পাৰে। ই বর্তমান আৰু ভৱিষ্যত প্রজন্মৰ জীৱন যাপনৰ মান আৰু জীৱনৰ উৎকর্ষ সাধনৰ লক্ষ্য আগত ৰাখি কার্য সম্পাদন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়নৰ শিক্ষা প্রদান কৰোতে ল'বলগীয়া কৌশলসমূহ হ'ল — জনসংখ্য নিয়ন্ত্রণ, সার্বজনীন স্বীকৃতি, গণ-সজাগতাৰ অনুষ্ঠান, মূল্যভিত্তিত শিক্ষা, সৌন্দর্যাত্মিক শিক্ষা, পৰিৱেশ পৰিকল্পনা, আইনৰ কার্যকৰী কৰণ, আচৰণ পৰিৱর্তন, গণ অভিমতৰ সৃষ্টি, আন্তঃবিষয়ৰ গৱেষণা।



৮.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (50 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'সংৰক্ষণ' বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ঃ 1968 ৰ বিশ্ব সম্প্রদায় সন্মিলন, নাইৰৌবিত কি উত্থাপন হৈছিল?

প্রশ্ন ৩ঃ 'সুৰক্ষা' শব্দটোৱে কি বুজায়?

প্রশ্ন ৪ঃ 'চিপকো" শব্দটোৰ অর্থ কি?

প্রশ্ন ৫ঃ ঃ বহনক্ষম উন্নয়ণ বুলিলে আপুনি কি বুজে?

(খ) চুটি প্রশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'ভাৰতত পৰিৱেশ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থা সমূহ কি কি?

প্রশ্ন ২ঃ শক্তি সংৰক্ষণৰ ক্ষেত্রত ব্যক্তিৰ ভূমিকাসমূহ কি কি?

প্রশ্ন ৩ঃ বণ্যপ্রাণী সংৰক্ষণৰ বাবে ব্যক্তিৰ দায়িত্বসমূহ কি কি?

প্রশ্ন ৪ঃ বহনক্ষম উন্নয়ণৰ মুখ্য বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বন্যপ্রণী সুৰক্ষা আইন, 1972–ৰ প্রধান বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাত ব্যক্তি আৰু সমাজৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ বহনক্ষম উন্নয়ণ বুলিলে আপুনি কি বুজে? বহনক্ষম উন্নয়ণৰ ধাৰণাটো স্পষ্ট কৰাত শিক্ষাৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ পৰিৱেশ সুৰক্ষা আৰু আইনী বিধানসমূহ

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য

9.2 পৰিচয়

9.3 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ

9.3.1 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ

9.3.2 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ভাগসমূহ

9.4 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ আইনী বিধানসমূহ

9.5 পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাংবিধানিক বিধানসমূহ

9.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

9.7 অধিক জানিবলৈ

9.8 অগ্রগতিৰ খতিয়ান

9.9 আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে থকা আইনী বিধানসমূহ ব্যাখ্যা কৰিব পাৰিব
- পৰিৱেশ সুৰক্ষাৰ বাবে থকা সাংবিধানিক বিধানসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

আমি জানো যে আমাৰ চাৰিওফালৰ সকলো বস্তুক লৈ পৰিৱেশ গঠিত হয়। মানৱ জাতি, গছ-গছনি, জীৱ-জন্তু আৰু খালী চকুৰে মনিব নোৱাৰা অতি ক্ষুদ্র জীৱ, ভূ-পৃষ্ঠ, জল, ভূ-গর্ভস্থ জল, মাটি, খনিজ পদার্থ আৰু তেল লগতে পৃথিৱীৰ আন আন উপাদানসমূহো পৰিৱেশৰ অন্তর্ভুক্ত। আমি জীৱ কুল পৰিৱেশৰ প্রধান অংশ। মানৱ জাতি জীয়াই থকাটো নির্ভৰ কৰে পৰিৱেশৰ ওপৰত। আগৰ অধ্যায়টিৰ পৰা আপুনি জানিব পাৰিছে যে পৰিৱেশে আমাৰ সুৰক্ষাৰ বাবে পার্যমানে চেষ্টা কৰে কিন্তু আমি স্বার্থপৰ মানৱ জাতিয়ে নিজৰ স্বার্থৰ বাবে আমাৰ ধুনীয়া আৰু সেউজীয়া পৃথিৱীখন দিনক দিনে ধ্বংস কৰি আহিছো। শক্তি আৰু ক্ষমতা আহৰণৰ বাবে মানুহে অত্যধিক হাৰত জীৱাশ্ম আৰু দাহ্য পদার্থৰ ব্যৱহাৰ কৰাৰ ফলত আৰু কলকাৰখানাৰ পৰা ওলোৱা বর্জনীয় পদার্থই প্রদূর্ষণ ক্রমান্বয়ে বৃদ্ধি কৰি আহিছে। যাৰ বাবে পৰিৱেশলৈ বিপদ নামি অহাৰ লগতে পৰিৱেশৰ ভাৰসাম্যতা হ্রাস পাই আহিছে। এনেদৰে যদি দিনক দিনে পৰিৱেশ

প্রদূষিত হৈ থাকে তেনেহ'লে এনে এটি দিন আহিব য'ত আমি অক্সিজেন কিনিব লাগিব। আমাৰ নিৰাপত্তা আৰু সৰল জীৱন-যাপনৰ বাবে আমি আমাৰ পৃথিৱীখন, আমাৰ পৰিৱেশ সুৰক্ষিত কৰিব লাগিব। এই অধ্যায়ত আমি, পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ উপায়সমূহৰ লগতে পৰিৱেশ সংৰক্ষণৰ বাবে থকা আইনী আৰু সাংবিধানিক বিধানসমূহৰ বিষয়ে অধ্যয়ন কৰিম।

৯.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে বুজা যায় যে সম্পদৰ এনে এক পৰিকল্পিত পৰিচালনা যাৰ জৰিয়তে সম্পদৰ অপচয় হ্রাস কৰাৰ লগতে যোগানৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ইয়াৰ গুণাগুণ, মূল্য আৰু বৈচিত্র্য ৰক্ষা কৰিব পৰা যায়। পৰিৱেশৰ ক্ষেত্রত সম্পদ মানৱ সৃষ্ট বা প্রাকৃতিক হ'ব পাৰে আৰু পৰিৱেশ সংৰক্ষণ বুলিলে এই সকলো ধৰণৰ সম্পদকে সামৰি লয়। সেইদৰে ধ্বংসাত্মক প্রভাৱ, প্রাকৃতিক দুর্যোগ বা অপচয়ৰ পৰা সম্পদক সুৰক্ষা প্রদান কৰাকো পৰিৱেশ সংৰক্ষণে সামৰি লয়।

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে সহজ অর্থত মাটি, বায়ু, পানী, খনিজ পদার্থ আৰু অন্য সম্পদবোৰ সাৱদানেৰে প্রয়োগ কৰাকে বুজা যায়। পৰিৱেশ সংৰজ্ঞা আৰু সুৰক্ষা হ'ল, ভৱিষ্যত পৰিকল্পনাৰ সতে সহযোগিতা ৰক্ষা কৰি বর্তমান পৰিকল্পিতভাৱে সম্পদৰ ব্যৱহাৰ কৰা। পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাই মানৱ সৃষ্ট আৰু প্রাকৃতিক সম্পদৰ পুনৰ ব্যৱহাৰ যোগ্যতা বজায় ৰখাৰ ওপৰত গুৰুত্ব দিয়ে। পৰিৱেশ সংৰক্ষণ বা সুৰক্ষাৰ আন এটি গুৰুত্বপূর্ণ দিশ হ'ল যে, পৰিৱেশ সুৰক্ষাই কৃষিৰ ব্যৱহাৰ, শক্তি প্রবাহ, বর্জনীয় সামগ্রীৰ ব্যৱস্থাপনা, বন্যপ্রাণী ব্যৱস্থাপনা, প্রাকৃতিক উদ্যান, অভয়াৰণ্য, পানী ব্যৱস্থাপনাৰ লগতে পৰিৱেশ প্রদূষণ নোহোৱাকৈ হোৱা সকলো উন্নয়নকে সামৰি লয়। পৰিৱেশ সংৰক্ষণে বর্তমান প্রজন্মই কৌশলগতভাৱে সম্পদ ব্যৱহাৰ কৰাৰ ওপৰতেই কেৱল গুৰুত্ব নিদিয়ে ই একে সময়তে ভৱিষ্যত প্রজন্মৰ বাবে সম্পদৰ ব্যৱহাৰ যোগ্যতা বজায় ৰখাৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়ে।

৯.৩ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ অর্থ

হোৱাইট (Whyte) ৰ মতে, 'পৰিৱেশ সংৰক্ষণে মানৱ জাতিকে ধৰি জীৱ মণ্ডলৰ সকলো জীৱৰে বর্তমান প্রজন্মৰ বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব দিয়াৰ লগতে ভৱিষ্যত প্রজন্মই যাতে তেওঁলোকৰ প্রয়োজন আৰু আকাংক্ষা পূৰণ কৰিব পাৰে। তাৰ ওপৰতো মনোনিৱেশ কৰে।'

পৰিৱেশ সংৰক্ষণ বিষয়টি বর্তমান বিশ্বজনীন এক উদ্বেগৰ বিষয়। এই বিষয়টি অকল জীৱমণ্ডলৰ বাবেই নহয় বিশেষকৈ জীৱ মণ্ডলৰ মানৱ জাতিৰ বাবে অতি গুৰুত্বপূর্ণ। মানুহক পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পর্কত সজাগ কৰাৰ উদ্দেশ্যে প্রত্যেক বছৰে 5 জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাবে পালন কৰি অহা হৈছে। পৰিৱেশ সংৰক্ষণৰ ওপৰত আলোচনা

কৰিলে এইটো বুজা প্ৰয়োজন যে পৰিৱেশ সংৰক্ষণৰ কাৰ্যকাৰিতা মূলতঃ ব্যক্তিৰ পৰিৱেশ সংৰক্ষণ সম্পৰ্কে থকা জ্ঞানৰ ওপৰত নিৰ্ভৰশীল। প্ৰত্যেক ব্যক্তিয়ে পৰিৱেশ সংৰক্ষণৰ বাবে বিশেষভাৱে ব্যৱস্থা হাতত ল'লেহে পৰিৱেশ সংৰক্ষণৰ লক্ষ্যত উপনীত হ'ব পৰা যাব।



জানি থোৱা ভাল

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে সহজ অৰ্থত মাটি, বায়ু, পানী, খনিজ পদাৰ্থ আৰু অন্য সম্পদবোৰ সাৱধানেৰে প্ৰয়োগ কৰাকে বুজায়। পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা হ'ল, ভৱিষ্যত পৰিকল্পনাৰ মতে সহযোগিতা ৰক্ষা কৰি বৰ্তমান পৰিকল্পিতভাৱে সম্পদৰ ব্যৱহাৰ কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিশ্ব পৰিৱেশ দিৱস হিচাবে কোনটো দিন পালন কৰা হয়?

.....

.....

৯.৩.১ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বৈশিষ্ট্য আৰু উদ্দেশ্যসমূহ

তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ পৰা আপুনি পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে স্পষ্টকৈ বুজিব পাৰিব—

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা হ'ল প্ৰাকৃতিক সম্পদৰ সাৱধানেৰে ব্যৱহাৰ কৰা।
- ই পৰিৱেশৰ পৰিকল্পিত ব্যৱস্থাপনাক বুজায়।
- ই জনসাধাৰণৰ পৰিৱেশ সম্পৰ্কত সচেতনতা বৃদ্ধি কৰে।
- পৰিৱেশ সজাগতাই মাটি, পানী, খনিজ পদাৰ্থ, কৃষি শক্তি প্ৰবাহ, বৰ্জনীয় সামগ্ৰীৰ ব্যৱস্থাপনা, বন্যপ্ৰাণী ব্যৱস্থাপনা, প্ৰাকৃতিক উদ্যান, অভয়াৰণ্য, পানী ব্যস্থাপনা ইত্যাদি সামৰি লয়।
- পৰিৱেশ সংৰক্ষনে প্ৰদূষণ নোহোৱাকৈ কৰা নবীকৰণ শক্তিৰ ওপৰত গুৰুত্ব দিয়ে।
- পৰিৱেশ সংৰক্ষণে সকলো সম্পদৰ কেৱল বৰ্তমান প্ৰজন্মৰ ব্যৱহাৰৰ ওপৰতেই গুৰুত্ব নিদিয়ে ই ভৱিষ্যত প্ৰজন্মৰ উন্নয়নৰ ওপৰতো সমানে গুৰুত্ব দিয়ে।



জানি থোৱা ভাল

পৰিৱেশ সংৰক্ষণৰ মূল বৈশিষ্টসমূহ হ'ল—

- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা হ'ল সাৱধানাতে প্ৰাকৃতিক সম্পদৰ সদব্যৱহাৰ কৰা।
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা হ'ল সম্পদৰ পৰিকল্পিত ব্যৱস্থাপনা।
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাই জনসাধাৰণক পৰিৱেশ সম্পৰ্কে সজাগ কৰে।

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ উদ্দেশ্যসমূহ—

তলত দিয়া সমূহ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ মূল উদ্দেশ্য—

- প্ৰয়োজনীয় পৰিস্থিতিতন্ত্ৰৰ আৰু জীৱন নিৰ্বাহৰ বাতাবৰণ বজায় ৰখা।
- জৈৱ বৈচিত্ৰতা বজায় ৰখা।
- বহনক্ষম উন্নয়ন নিশ্চয় কৰা।
- অকল বৰ্তমান প্ৰজন্মৰ প্ৰয়োজন পূৰণ কৰাই নহয় ভৱিষ্যত প্ৰজন্মৰ বাবেও প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰা।
- মাটি, পানী, বায়ু আৰু অৰণ্য তথা খনিজ পদাৰ্থৰ বিবেচনাৰে ব্যৱহাৰ কৰা।
- পৃথিৱীৰ সকলো ক্ষেত্ৰতে ভাৰসাম্যতা বজায় ৰখা।
- পৰিৱেশগত হেঁচা আৰু বিপদত বাধা দিয়া।
- জৈৱিক আৰু অজৈৱিক উপাদানসমূহ শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ পৃথিৱীক সুস্থ আৰু সেউজীয়া কৰি ৰখা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পৰিৱেশ সংৰক্ষণৰ কিয় প্ৰয়োজন?

.....

.....

৯.৩.২ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ ভাগসমূহ

পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ আলোচনাত পৰিৱেশ সংৰক্ষণৰ ভাগসমূহ জনাটো অতি দৰকাৰ। পৰিৱেশ সংৰক্ষণ মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে—

- আন্তঃস্থানিক সংৰক্ষণ
- বহিঃস্থানিক সংৰক্ষণ
- **আন্তঃস্থানিক সংৰক্ষণ**

আন্তঃস্থানিক পৰিৱেশ সংৰক্ষণ বুলিলে কোনো বংশানুক্ৰমিক সম্পদৰ উৎপত্তি স্থলতে প্ৰাকৃতিক পৰিৱেশ অথবা কৃত্ৰিমভাৱে প্ৰস্তুত কৰা পৰিৱেশৰ দ্বাৰা সংৰক্ষণ কৰা

বুজায়। বংশানুক্রমিক সম্পদৰ সংৰক্ষণৰ বাবে এইটো এটা আদর্শনীয় ব্যৱস্থা। এই ধৰমৰ সংৰক্ষণে বিভিন্ন শ্রেণীৰ পৃথক উদ্দেশ্যেৰে সমাজৰ উন্নয়নৰ বাবে গঠিত হোৱা সংৰক্ষিত অঞ্চলৰ ব্যৱস্থাক সামৰি লয়। প্রাকৃতিক উদ্যান, অভয়াৰণ্যসমূহ, প্রাকৃতিক স্মৃতি স্তম্ভ, সাংস্কৃতিক স্মৃতিস্তম্ভ, জীৱ মণ্ডলৰ সংৰক্ষণ, প্রকৃতিৰ সংৰক্ষণ আদি আন্তঃস্থানিক সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। উদাহৰণস্বৰূপে ক'ব পাৰি যে, তাজমহল আৰু কাজিৰঙা ৰাষ্ট্রীয় উদ্যানৰ চৰকাৰে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। এইবোৰ সংৰক্ষণ আৰু সুৰক্ষিতৰ ব্যৱস্থা প্রকৃতিগত পৰিৱেশ অথবা মানুহে সৃষ্টি কৰা পৰিৱেশৰ দ্বাৰা উৎপত্তি স্থলতে কৰা হয়। এনেদৰে আভ্যন্তৰীণভাৱে কৰা সংৰক্ষণকে আন্তঃস্থানিক সংৰক্ষণ বুলি জনা যায়।

- **বহিঃস্থানিক সংৰক্ষণ**

এই ধৰণৰ সংৰক্ষণে বাসস্থানৰ বাহিৰত সংৰক্ষণৰ ব্যৱস্থা কৰে। চিৰিয়াখানা, উদ্ভিদ উদ্যান, সাংস্কৃতিক সংগ্রহালয় আদিত অবিৰতভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰাটো বহিঃস্থানিক সংৰক্ষণৰ অন্যতম উদাহৰণ। আপুৰুগীয়া মাছৰ কণী, শস্যৰ বীজ আদি পৃথককৈ জন সংৰক্ষণ প্রণালীৰে সুৰক্ষাৰ ব্যৱস্থা কৰাকো বহিঃ স্থানিক সংৰক্ষণ বুলি জনা যায়। জীৱ-জন্তুবোৰতকৈ বহিঃ স্থানিক সংৰক্ষণত গছ-গছনি অতি সাৱধানতাৰে সংৰক্ষণ কৰা হয়। আমি সাধাৰণতে চিৰিয়াখানা বা উদ্ভিদ উদ্যান অথবা সংগ্রাহলয়ত সম্পদবোৰ অতি সাৱধানতাৰে সংৰক্ষণ কৰা দেখা পাওঁ।



চিন্তা চর্চা কৰক

আন্তঃস্থানিক আৰু বহিঃস্থানিক সংৰক্ষণৰ কিছুমান উদাহৰণ উল্লেখ কৰক। আপোনাৰ ঘৰত বহিঃস্থানিক সংৰক্ষণৰ বাবে কেনেধৰণৰ ব্যৱস্থা ল'ব উল্লেখ কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আন্তঃস্থানিক সংৰক্ষণ বুলিলে কি বুজা ?

.....

.....

৯.৪ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ আইনৰ বিধানসমূহ

উপৰোক্তা আলোচনাৰ পৰা আপুনি জানিব পাৰছে যে পৰিৱেশ সংৰক্ষণ আৰু সুক্ষাৰ অতি প্রয়োজন। 1971 চনৰ 5 জুন তাৰিখে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পর্কে ছুইডেনৰ ৰাজধানীত আন্তঃৰাষ্ট্রীয় সন্মিলন অনুষ্ঠিত হয়। এই সনিমলনৰ পাছৰ পৰাই 5 জুন তাৰিখটো

'বিশ্ব পৰিৱেশ' দিৱস হিচাবে পালন কৰি অহা হৈছে। আমি সকলোৱে জানো আমাৰ ৰাষ্ট্ৰখনে 1947 চনত স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগৰ পৰাই পৰিৱেশ সম্পৰ্কত বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰি অহা দেখা যায়। পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগ আৰু সচেতনতা বৃদ্ধি হয় ষ্ট'ক হ'ম সম্মিলনৰ পাছত। এই সম্মিলনৰ দ্বাৰাই বিষয়টিয়ে বিশ্বজনীনতা লাভ কৰে। এই অধ্যায়ত আমি ভাৰত চৰকাৰে গ্ৰহণ কৰা পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কীয় বিভিন্ন আইনী বিধানসমূহৰ বিষয়ে আলোচনা কৰিম।

- **পৰিৱেশ নীতি আৰু পৰিকল্পনা সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰিষদ, ১৯৭২ ঃ** ভাৰত চৰকাৰৰ অধীনস্থ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ দ্বাৰা 1972 চনত পোন প্ৰথমে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কীয় নীতি আৰু পৰিকল্পনা প্ৰস্তুত কৰা হয়। পৰিৱেশ সম্পৰ্কীয় বিষয়ত পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্য গঠিত ই আছিল এটা আইনগত গোট।
- **জল সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰন আইন, ১৯৭৪ ঃ** পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ উদ্দেশ্য আগত ৰাখি 1974 চনত 'জল সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ' আইন গ্ৰহণ কৰা হৈছিল। এই আইনখনৰ জৰিয়তে পানী প্ৰদীষণ হ'ব পৰা পেলনীয়া সামগ্ৰী পানীত পেলোৱাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা হয় আৰু এনে বাধা অৱজ্ঞা কৰা ব্যক্তিক শাস্তি বিহাৰ ব্যৱস্থা কৰা হয়। ইয়াৰ পাছত 'কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ আয়োগ এব'ৰ্ড নামে আন এখন ব'ৰ্ড প্ৰতিষ্ঠা কৰা হয় আৰু এই ব'ৰ্ডে কেন্দ্ৰীয়ভাৱে জল সংৰক্ষণ আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰে। জল সংৰক্ষণ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় জল সংৰক্ষণৰ ব'ৰ্ডৰ তত্বাৱধানত 'ৰাজ্যিক জল সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড প্ৰতিষ্ঠা কৰা হয়।
- **বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰন আইন, ১৯৮১ ঃ** নিৰ্দেশনাত্মক নীতিৰ আলোচনাত ইতিমধ্যে আমি ভাৰতীয় সংবিধানৰ 253 নং অনুচ্ছদৰ বিষয়ে অধ্যয়ন কৰিছো। ষ্টকহ'ম সম্মিলনত গ্ৰহণ কৰা সিদ্ধান্তক বাস্তৱত কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ভাৰতীয় সংবিধানৰ 253 নং অনুচ্ছেদৰ অধীনত 1981 চনত 'বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন' বলবৎ কৰা হয়।
- **পৰিৱেশ আৰু বন সংৰক্ষণ মন্ত্ৰনালয়, ১৯৮৫ ঃ** ৰাষ্ট্ৰীয় পৰিৱেশ নীতি আৰু পৰিকল্পনা পৰিষদ 1985 চনত 'পৰিৱেশ আৰু বন সংৰক্ষণ বিভাগলৈ উন্নীত হয়। বৰ্তমান সময়ত ভাৰতবৰ্ষৰ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কীয় নীতি নিৰ্ধাৰণ কৰা এইটোৱেই হ'ল সৰ্বোচ্চ কৰ্তৃত্বশীল গোট। পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে এই গোটটোৱে বিভিন্ন ধৰণৰ আইন আৰু নীতি-নিয়ম নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে।
- **পৰিৱেশ, বন আৰু বন্যপ্ৰাণী সংৰক্ষণ বিভাগ, ১৯৮৫ ঃ** 1985 চনত পৰিৱেশ, বন আৰু বন্যপ্ৰাণী সংৰক্ষণ মন্ত্ৰণালয় প্ৰতিষ্ঠা কৰা হৈছিল। এই মন্ত্ৰণালয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ, বন আৰু বন্যপ্ৰাণী সম্পৰ্কীয় আঁচনি সমূহৰ প্ৰশাসনিক গাঁথনিৰ পৰিকল্পনা,

উন্নয়ন আৰু সমন্বয়ৰ ক্ষেত্ৰত বিশেষভাৱে কাম কৰে। এই মন্ত্ৰণালয়ৰ মূল কার্য হ'ল— গছ-গছনি আৰু জীৱ-জন্তুৰ সংৰক্ষণৰ ব্যৱস্থা কৰা, বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ব্যৱস্থা কৰা, প্ৰদূষণত বাধা প্ৰদান আৰু নিয়ন্ত্ৰণ, বনানীকৰণৰ ব্যৱস্থা কৰা আৰু ইতিমধ্যে হোৱা প্ৰদূষিত অঞ্চলসমূহ অনুকূল কৰি গঢ়ি তোলা।

- **পৰিৱেশ সংৰক্ষণ আইন, ১৯৮৬ ঃ** পৰিৱেশ সংৰক্ষণ 1986, আইনখনক কেন্দ্ৰীয় চৰকাৰে পৰিৱেশ উন্নীত কৰা আৰু যি সমূহ উৎসৰ পৰা পৰিৱেশ প্ৰদূষণ হ'ব পাৰে তেনে উৎসসমূহত বাধা প্ৰদান আৰু নিয়ন্ত্ৰণ কৰাৰ বাবে কর্তৃত্ব প্ৰদান কৰা। এই আইনখনে পৰিৱেশ প্ৰদূষিত হ'ব পৰা কল-কাৰখানা স্থাপনত বাধা প্ৰদান কৰে।
- **পৌৰ নিগমৰ পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা নীতি, ২০০০ ঃ** এই আইন বা নীতিৰ অধীনত চৰকাৰে প্ৰত্যেক পৌৰ নিগমৰ দ্বাৰা পেলনীয়া সামগ্ৰীসমূহ সংগ্ৰহ কৰাৰ লগতে এই সমূহ বিভাজিত কৰি এনে ঠাইত পেলোৱাৰ ব্যৱস্থা কৰে যাতে সকলোৰে বাবে স্বাস্থ্যসম্মত পৰিৱেশ এটি সুৰক্ষিত হৈ থাকে।
- **শব্দ প্ৰদূষণ (বিধি আৰু নিয়ন্ত্ৰণ সংশোধন) নীতি, ২০০২ ঃ** সাংস্কৃতিক অথবা ধর্মীয় উৎসৱ পার্বনৰ ক্ষেত্ৰত ব্যৱহৃত উচ্চ প্ৰাবল্যৰ শব্দ নিয়ন্ত্ৰণ কৰাৰ বাবে শব্দ প্ৰদূষণ নীতি, 2002 গ্ৰহণ কৰা হয়। বিশেষকৈ ৰাতি 10 বজাৰ পৰা 12 বজালৈ যাতে শব্দ প্ৰদূষণত বাধা প্ৰদান কৰিব পৰা যায়, ইয়াৰ বাবে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰে।
- **জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আইন, ২০০২ ঃ** ৰাষ্ট্ৰ সংঘৰ দ্বাৰা প্ৰণয়ন কৰা 1992 চনৰ জৈৱ বৈচিত্ৰ্য আইনৰ উদ্দেশ্য সাধনৰ অর্থে ভাৰতবর্ষত 2002 চনত 'জৈৱ বৈচিত্ৰ্য সংৰক্ষণ' আইন গ্ৰহণ কৰা হয়। জৈৱিক সম্পদ আৰু ইয়াৰ লগত সংলগ্ন সম্পদৰ সংৰক্ষণ কৰাই হ'ল এই আইনৰ মূল উদ্দেশ্য। এই আইনে সম্পদৰ বহনক্ষম প্ৰয়োগ আৰু কার্যকৰণৰ ওপৰতো গুৰুত্ব দিয়ে। এই আইনৰ উদ্দেশ্য সাধনৰ বাবে ভাৰতবর্ষৰ চেন্নাইত ৰাষ্ট্ৰীয় জৈৱিক বৈচিত্ৰ্য সংৰক্ষণ কর্তৃপক্ষ গঠন কৰা হয়।
- **ৰাষ্ট্ৰীয় পৰিৱেশ আদালত আইন, ২০১০ ঃ** এই আইনৰ মূল উদ্দেশ্য হ'ল পৰিৱেশ সম্পর্কীয় গোচৰ খৰতকীয়া কৰা আৰু পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে সুস্থ ৰায় প্ৰদান কৰা। ইয়াৰ উপৰিও সকলো ধৰণৰ প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু পৰিৱেশ সম্পর্কীয় আইনগত অধিকাৰ জনসাধাৰণক প্ৰদান কৰাৰ লগতে জীৱন আৰু সম্পদৰ সুৰক্ষা প্ৰদান কৰা।
- **বৈদ্যুতিক পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা আইন, ২০১১ ঃ** এই আইন বা নীতিৰ মূল উদ্দেশ্য হ'ল— বৈদ্যুতিক পেলনীয়া সামগ্ৰীৰ পৰা হ'ব পৰা বিপদ হ্ৰাস কৰা আৰু এই সামগ্ৰীসমূহ পুনৰ ব্যৱহাৰ যোগ্য কৰি সুস্থ পৰিৱেশ গঢ়ি তোলা।
- **সাগৰীয়া অঞ্চলৰ বাবে নির্দেশনা, ২০১১ ঃ** 2011 চনৰ 6 জানুৱাৰী তাৰিখে ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰনালয়ে সাগৰীয়া অঞ্চলৰ বিশেষকৈ মৎস্য উৎপাদনৰ লগত জৰিত ব্যক্তিসকলৰ লগতে অন্য ব্যক্তি সকলৰো জীৱন আৰু সম্পদৰ নিৰাপত্তাৰ

উদ্দেশ্যে এই নির্দেশনা জাৰি কৰে। এই নির্দেশনাৰ জৰিয়তে সাগৰীয় অঞ্চলৰ পৰিসীমা বিজ্ঞান সন্মত আৰু বহনক্ষম দৃষ্টিভংগীৰে উন্নয়ন কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।



চিন্তা চৰ্চা কৰক

পৰিৱেশ সংৰক্ষণৰ বাবে আপোনাৰ অঞ্চলত কেনেধৰণৰ ব্যৱস্থা গ্রহণ কৰিব, ব্যাখ্যা কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰা

ভাৰতীয় সংবিধানৰ ..... অনুচ্ছেদৰ অধীনত 1981 চনৰ বায়ু সংৰক্ষণ আৰু প্রদূষণ নিয়ন্ত্রণ আইন গ্রহণ কৰা হৈছিল।

প্রশ্ন নং ৫ ঃ জৈৱ-বৈচিত্র্য আইন, 2002 ৰ মূল উদ্দেশ্য কি?

.....

.....

প্রশ্ন নং ৬ ঃ ভাৰতবর্ষত পানী সংৰক্ষণৰ বাবে থকা কেইখনমান আইনী ব্যৱস্থা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৭ ঃ ভাৰতবর্ষৰ ক'ত ৰাষ্ট্রীয় জৈৱ-বৈচিত্র্য কর্তৃপক্ষ প্রতিষ্ঠা কৰা হয়?

.....

.....

৯.৫ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ সাংবিধানিক বিধানসমূহ

ইতিমধ্যে উল্লেখ কৰা হৈছে যে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ সংস্থা। চৰকাৰ আৰু বে-চৰকাৰী সংস্থাই চেষ্টা কৰি আহিছে। ভাৰতবর্ষৰ সংবিধানেও পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিশেষভাৱে গুৰুত্ব দি আহিছে। উদাহৰণ স্বৰূপে, ক'ব পাৰি যে সংবিধানত নাগৰিকৰ বাবে পৰিৱেশ অধিকাৰ অন্তর্ভুক্ত কৰা হৈছে। এই অ্যায়ত আমি পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লগতে পৰিৱেশতান্ত্রিক ব্যৱস্থা সুৰক্ষাৰ বাবে ভাৰতীয় সংবিধানত থকা আইনী বিধানসমূহ আলোচনা কৰা হ'ব—

ভাৰতীয় সংবিধানৰ 42তম্ সংশোধনীৰ জৰিয়তে নির্দেশনাত্মক নীতি আৰু মৌলিক অধিকাৰৰ ভিতৰত পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বিষয়টি স্পষ্টভাৱে লিপিবদ্ধ কৰে। আপুনি এইটো জনা দৰকাৰ যে এই সংশোধনীয়ে ভাৰতীয় সংবিধানৰ সপ্তম অনুসূচীৰো কিছু পৰিৱর্তন আনে। এই সংশোধনীৰ জৰিয়তে 'বন' আৰু 'বন্যপ্রাণী' বিষয় দুটি ৰাজ্যিক সূচীৰ পৰা সমৱর্তী

(কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰৰ সম অধিকাৰ) লৈ হস্তান্তৰিত কৰা হয়। এই সংশোধনীৰ জৰিয়তে পৰিৱেশ সম্পৰ্কীয় বিষয়টিক ৰাষ্ট্ৰীয় গুৰুত্ব অৰ্পণ কৰা হৈছে।

ৰাষ্ট্ৰৰ নিৰ্দেশনাত্মক নীতি আৰু মৌলিক অধিকাৰৰ ভিতৰত থকা পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কীয় সাংবিধানিক বিধানসমূহ হ'ল—

1] অনুচ্ছেদ নং 48A ৰ মতে, ৰাষ্ট্ৰই পৰিৱেশ সংৰক্ষণ আৰু উন্নয়নৰ লগতে বন আৰু বন্যপ্ৰাণীৰ জীৱন সংৰক্ষণৰ বাবে যত্ন ল'ব।

2] অনুচ্ছেদ নং 51-A ৰ মতে, ভাৰতবৰ্ষৰ প্ৰত্যেক নাগৰিকৰে গছ-গছনি, হ্ৰদ, নদী আৰু বন্যপ্ৰাণীকে ধৰি পৰিৱেশৰ সকলো প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু সুৰক্ষা কৰাটো কৰ্তব্য আৰু লগতে সকলো প্ৰাণীৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে। (মৌলিক কৰ্তব্য)

3] অনুচ্ছেদ নং 253 ৰ মতে, ভাৰতবৰ্ষৰ সংসদে পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ লগত জৰিত যিকোনো আইন, সন্ধি, চুক্তি কোনো ৰাজ্য বা গোটেই ৰাষ্ট্ৰৰ বাবে প্ৰণয়ন কৰিব পাৰে আৰু লগতে ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় সন্মিলন অথবা সংস্থাই গ্ৰহণ কৰা পৰিৱেশ সংক্ৰান্তীয় বিষয় সংসদে কাৰ্যকৰী কৰিব পাৰে।

অনুচ্ছেদ 253 য়ে সংসদক তলত দিয়া ক্ষমতাসমূহ অৰ্পণ কৰে—

- ভাৰতবৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত থকা দায়বদ্ধতা আৰু আন্তঃৰাষ্ট্ৰীয় সন্মিলন, সংস্থা আৰু অন্য আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানে গ্ৰহণ কৰা সিদ্ধান্ত, কাৰ্যকৰী কৰিবলৈ সংসদে আইন প্ৰণয়ন কৰিব।
- বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন, 1981 আৰু পৰিৱেশ সংৰক্ষণ আইন 1986 সংসদে কাৰ্যকৰী কৰিব।
- প্ৰাকৃতিক সম্পদ সংৰক্ষণ আৰু মৌলিক অধিকাৰ লগতে পৰিৱেশ সংৰক্ষণ সম্পৰ্কীয় সকলো বিষয়ত সংসদে আইন প্ৰণয়ন কৰিব পাৰে।

ভাৰতীয় সংবিধানৰ পৰিৱেশতান্ত্ৰিক সুৰক্ষা সম্পৰ্কীয় নাগৰিকক কিছুমান মৌলিক অধিকাৰ অৰ্পন কৰিছে। তলত এইবোৰ আলোচনা কৰা হ'ল—

- **স্বাস্থ্য সম্মত পৰিৱেশৰ অধিকাৰ (অনুচ্ছেদ ২১) ঃ** আইনে কোনো ব্যক্তিক জীৱন আৰু সম্পদৰ পৰা বঞ্চিত কৰিব নোৱাৰিব।

  এই অনুচ্ছেদৰ দ্বাৰা জনসাধাৰণক স্বাস্থ্য সম্মত পৰিৱেশ সুৰক্ষাৰ ব্যৱস্থা কৰে।

  এই অনুচ্ছেদৰ দ্বাৰা ন্যায়ালয়ে ৰাষ্ট্ৰ নাইবা ব্যক্তিয়ে পৰিৱেশ বিনষ্ট কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব পাৰে।
- **জীৱিকাৰ অধিকাৰ (অনুচ্ছেদ ২১) ঃ** এই অনুচ্ছেদৰ দ্বাৰা দুখীয়া জনসাধাৰণৰ জীৱন আৰু জীয়াই থকাৰ অধিকাৰ সুনিশ্চিত কৰে। চৰকাৰে যাতে কোনো ক্ষেত্ৰতে এনে লোকক বঞ্চিত কৰিব নোৱাৰে তাৰ নিশ্চয়তা প্ৰদান কৰে।
- **সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪) ঃ** ৰাষ্ট্ৰই সকলোকে সমান আইন আৰু সমান ৰক্ষণা-বেক্ষণা প্ৰদান কৰিব লাগিব।

পৰিৱেশ সম্পৰ্কেও সকলো জনসাধাৰণক ৰাষ্ট্রই স্বাস্থ্যসম্মত পৰিৱেশ প্রদান কৰিবলৈ বাধ্য।

- **বেপাৰ-বাণিজ্যৰ অধিকাৰ {অনুচ্ছেদ ১৯ (১) (g)}** ঃ প্রত্যেক জনসাধাৰণৰ নিজৰ পচন্দ অনুযায়ী জীৱিকা গ্রহণ, ব্যৱসায়-বাণিজ্য কৰাৰ অধিকাৰ আছে।

  এই অধিকাৰ ভোগ কৰাৰ সময়ত জনসাধাৰণে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বাধ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ খালী ঠাই পূৰ কৰা

ক) ৰাজ্যিক সূচীৰ পৰা 'বন' আৰু 'বন্যপ্রাণী' বিষয় দুটি ..... সূচীলৈ হস্তান্তৰিত কৰা হয়।

খ) স্বাস্থ্যসম্মত পৰিৱেশৰ অধিকাৰ ..... অনুচ্ছেদত লিপিবদ্ধ আছে।

প্রশ্ন নং ৯ ঃ কোনবোৰ মৌলিক অধিকাৰ পৰিৱেশৰ লগত জৰিত ?

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে বুজা যায় যে, সম্পদৰ এনে এক পৰিকল্পিত পৰিচালনা যাৰ জৰিয়তে সম্পদৰ অপচয় হ্রাস কৰাৰ লগতে যোগানৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ইয়াৰ গুণাগুন, মূল্য আৰু বৈচিত্র্য ৰক্ষা কৰিব পৰা যায়।
- পৰিৱেশৰ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে সহজ অর্থত মাটি, বায়ু, পানী, খনিজ পদার্থ আৰু অন্য সম্পদবোৰ সাৱধানেৰে প্রয়োগ কৰাকে বুজা যায়।
- হোৱাইটৰ মতে "পৰিৱেশৰ সংৰক্ষণে মানৱ জাতিকে ধৰি জীৱ মণ্ডলৰ সকলো জীৱৰে বর্তমান প্রজন্মৰ লগতে ভৱিষ্যত প্রজন্মই যাতে তেওঁলোকৰ প্রয়োজন আৰু আকাংক্ষা পূৰণ কৰিব পাৰে। তাৰ ওপৰতো মনোনিৱেশ কৰে।'
- বিশ্ব পৰিৱেশ দিৱস 5 জুন তাৰিখে পালন কৰা হয়।
- পৰিৱেশ সংৰক্ষণে প্রদূষণ নোহোৱাকৈ কৰা নবীকৰণ শক্তিৰ ওপৰত গুৰুত্ব দিয়ে। পৰিৱেশ সংৰক্ষণে সকলো সম্পদৰ কেৱল বর্তমান প্রজন্মৰ ব্যৱহাৰৰ ওপৰতেই গুৰুত্ব নিদিয়ে ই ভৱিষ্যত প্রজন্মৰ উন্নয়নৰ ওপৰতো সমানে গুৰুত্ব দিয়ে।

- পৰিৱেশ সংৰক্ষণৰ মূল উদ্দেশ্য হ'ল— প্ৰয়োজনীয় পৰিবেশতন্ত্ৰ আৰু জীৱন-নিৰ্বাহৰ অনুকূল বাতাবৰণ বজায় ৰখা, জৈৱ বৈচিত্ৰতা বজায় ৰখা আৰু বহনক্ষম উন্নয়ন নিশ্চিত কৰা।
- মূলতঃ দুই প্ৰকাৰৰ সংৰক্ষণ হ'ল— আন্তঃস্থানিক সংৰক্ষণ আৰু বহিঃ স্থানিক সংৰক্ষণ।
- আন্তঃস্থানিক পৰিৱেশ সংৰক্ষণ বুলিলে কোনো বংশানুক্ৰমিক সম্পদৰ উৎপত্তি স্থলতে প্ৰাকৃতিক পৰিৱেশ অথবা কৃত্ৰিমভাৱে প্ৰস্তুত কৰা পৰিৱেশৰ দ্বাৰা সংৰক্ষণ কৰা বুজায়।
- বহিঃস্থানিক সংৰক্ষণ হ'ল বাসস্থানৰ বাহিৰত পৃথক পৰিবেশত কৰা সংৰক্ষণ। চিৰিয়াখানা, উদ্ভিদ উদ্যান, সাংস্কৃতিক সংগ্ৰাহালয় আদিত অবিৰতভাৱে সংৰজ্ঞাৰ ব্যৱস্থা কৰাটো বহিঃস্থানিক সংৰক্ষণৰ অন্যতক উদাহৰণ।
- 1971 চনৰ 5 জুন তাৰিখে ছুইডেনৰ ৰাজধানী ষ্টকহ'মত পৰিৱেশ সংৰক্ষণ সম্পৰ্কে প্ৰথম আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হয়।
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা সম্পৰ্কে থকা বিভিন্ন আইনী ব্যৱস্থাসমূহ যেনে— পৰিৱেশ নীতি আৰু পৰিকল্পনা সম্পৰ্কীয় ৰাষ্ট্ৰীয় পৰিষদ, 1972äÂ জল সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন, 1974äÂ বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন 1981äÂ পৰিৱেশ আৰু বন সংৰক্ষণ মন্ত্ৰণালয়, 1985äÂ পৰিৱেশ, বন আৰু বন্যপ্ৰাণী সংৰক্ষণ বিভাগ, 1985äÂ পৰিৱেশ আইন, 1986äÂ পৌৰ নিগমৰ পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা নীতি, 2000äÂ শব্দ প্ৰদূষণ (বিধি আৰু নিয়ন্ত্ৰণ সংশোধন) নীতি, 2002äÂ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আইন, 2002äÂ ৰাষ্ট্ৰীয় পৰিৱেশ আদালত আইন, 2010äÂ বৈদ্যুতিক পেলনীয়া সামগ্ৰী ব্যৱস্থাপনা আইন, 2011äÂ সাগৰীয়া অঞ্চলৰ বাবে নিৰ্দেশনা, 2011।
- পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিভিন্ন ধৰণৰ সাংবিধানিক বিধানো আছে।
- ভাৰতীয় সংবিধানৰ 42 তম সংশোধনীৰ জৰিয়তে নিৰ্দেশনাত্মক নীতি আৰু মৌলিক অধিকাৰৰ ভিতৰত পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বিষয়টি স্পষ্টভাৱে লিপিবদ্ধ কৰে।
- "বন" আৰু "বন্যপ্ৰাণী" এই বিষয় দুটি ৰাজ্যিক সূচীৰ পৰা সমৰৰ্তী সূচীলৈ হস্তান্তৰিত কৰা হয়।
- ভাৰতীয় সংবিধানত পৰিৱেশ সংৰক্ষণৰ বাবে থকা অনুচ্ছেদসমূহ যেনে— অনুচ্ছেদ— 48-A, অনুচ্ছেদ 51-A অনুচ্ছেদ 253 ইত্যাদি।
- মৌলিক অধিকাৰ আৰু পৰিৱেশ সংৰক্ষণৰ লগত জৰিত অধিকাৰসমূহ যেনে— স্বাস্থ্যসন্মত পৰিৱেশৰ অধিকাৰ (অনুচ্ছেদ 21), জীৱিকাৰ অধিকাৰ (অনুচ্ছেদ 21), সমতাৰ অধিকাৰ (অনুচ্ছেদ 14), বাণিজ্যৰ স্বাধীনতা {অনুচ্ছেদ 19 [1] (g)}।



৯.৭ অধিক জানিবলৈ

1] Bhattacharya K, Bhattacharya R and Sharma S (2012): Environmental Education, Assam Book Depot.

2] Sharma P.D (1990): Ecology and Environment, Rastogi Publishers, Meerut.

3] Sharma R. A(2010) : Environmental Education, R.Lall Book Depot

4] Sigh S and Dubey A (1989): Environment Management, Allahabad University.



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 5 জুন।

২ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশ সংৰক্ষণৰ প্রয়োজনীয়তা হ'ল—

- প্রয়োজনীয় পৰিৱেশতন্ত্র আৰু জীৱন-নির্বাহৰ অনুকূল বাতাবৰণ বজায় ৰখা।
- জৈৱ বৈচিত্র্যতা বজায় ৰখা।
- বহনক্ষম উন্নয়ন নিশ্চিত কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ আন্তঃস্থানিক পৰিৱেশ সংৰক্ষণ বুলিলে কোনো বংশানুক্রমিক সম্পদৰ উৎপত্তি স্থলতে প্রাকৃতিক পৰিৱেশ অথবা কৃত্রিমভাৱে প্রস্তুত কৰা পৰিৱেশৰ দ্বাৰা সংৰক্ষণ কৰা বুজায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ বায়ু সংৰক্ষণ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, 1981 ভাৰতীয় সংবিধানৰ 253 অনুচ্ছেদৰ অধীনত প্রণয়ন কৰা হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ জৈৱ বৈচিত্র্য সংৰক্ষণ আইন, 2002ৰ মূল উদ্দেশ্য হ'ল— জৈৱিক সম্পদ আৰু ইয়াৰ লগত সংলগ্ন সম্পদৰ সংৰক্ষণ কৰা আৰু লগতে সম্পদৰ বহনক্ষম উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতবর্ষত পানী সংৰক্ষণৰ বাবে থকা কেইখমান আইন হ'ল— জল সংৰক্ষণ আৰু প্রদূষণ নিয়ন্ত্রণ আইন, 1974, জৈৱ বৈচিত্র্য আইন, 2002।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতবর্ষৰ চেন্নাইত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ৰাজ্যিক সূচীৰ পৰা 'বন' আৰু বন্যপ্ৰাণী বিষয় দুটি সমৱৰ্তী সূচীলৈ হস্তান্তৰিত কৰা হয়।

খ) স্বাস্থ্যজনিক পৰিৱেশৰ অধিকাৰ 21 নং অনুচ্ছেদত লিপিবদ্ধ আছে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ সম্পৰ্কীয় মৌলিক অধিকাৰবোৰ হ'ল—

- স্বাস্থ্যসন্মত পৰিৱেশৰ অধিকাৰ (অনুচ্ছেদ 21) ঃ আইনে কোনো ব্যক্তিক জীৱন আৰু সম্পদৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এই অনুচ্ছেদৰ দ্বাৰা জনসাধাৰণক স্বাস্থ্য সন্মত পৰিৱেশ সুৰক্ষাৰ ব্যৱস্থা কৰে।
- জীৱিকাৰ অধিকাৰ (অনুচ্ছেদ 21) ঃ এই অনুচ্ছেদৰ দ্বাৰা দুখীয়া জনসাধাৰণৰ জীৱন আৰু জীয়াই থকাৰ অধিকাৰ সুনিশ্চিত কৰে। চৰকাৰে যাতে কোনো ক্ষেত্ৰতে এনে লোকক বঞ্চিত কৰিব নোৱাৰে তাৰ নিশ্চয়তা প্ৰদান কৰে।
- সমতাৰ অধিকাৰ (অনুচ্ছেদ 14) ঃ ৰাষ্ট্ৰই সকলো নাগৰিককে সমান আইন আৰু সমান ৰক্ষণাবেক্ষণ দিবলৈ বাধ্য।
- বেপাৰ বাণিজ্যৰ অধিকাৰ {অনুচ্ছেদ 19 [1] (g)} ঃ প্ৰত্যেক জনসাধাৰণৰ নিজৰ পচন্দ অনুযায়ী জীৱিকা গ্ৰহণ, ব্যৱসায় বাণিজ্য কৰাৰ অধিকাৰ আছে। এই অধিকাৰ ভোগ কৰাৰ সময়ত জনসাধাৰণে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বাধ্য।



৯.৯ আৰ্হি প্ৰশ্ন

ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পৰিৱেশ সংৰক্ষণ আৰু সুৰক্ষা বুলিলে কি বুজে ?

প্ৰশ্ন ২ ঃ 5 জুন তাৰিখটো কিয় 'বিশ্ব পৰিৱেশ' দিৱস হিচাপে পালন কৰা হয় ? আপোনাৰ নিজস্ব মতামত দিয়ক।

প্ৰশ্ন ৩ ঃ উদাহৰণ সহ পৰিৱেশ সংৰক্ষণৰ ভাগকেইটা আলোচনা কৰক ?

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষৰ সংবিধানৰ 42 তম সংশোধনীটো পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত কিয় গুৰুত্বপূৰ্ণ ?

খ) দীঘল প্ৰশ্ন (300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ পৰিৱেশ সংৰক্ষণৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা আইনী ব্যৱস্থাসমূহ আলোচনা কৰক ।

প্ৰশ্ন ২ ঃ পৰিৱেশ সংৰক্ষণৰ বাবে থকা সাংবিধানিক ব্যৱস্থাসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ বহনক্ষম উন্নয়ন

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য
10.2 পৰিচয়
10.3 বহনক্ষম উন্নয়নৰ ধাৰণা
10.4 বহনক্ষম উন্নয়নৰ বৈশিষ্ট্য
10.5 বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা
10.6 বহনক্ষম উন্নয়নৰ বাবে শিক্ষা
10.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
10.8 অধিক জানিবলৈ
10.9 অগ্ৰগতিৰ খতিয়ান
10.10 আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বহনক্ষম উন্নয়নৰ সংজ্ঞা আৰু ধাৰণা বোধগম্য হ'ব
- বহনক্ষম উন্নয়নৰ বৈশিষ্ট্যসমূহ তালিকা কৰিব
- বহনক্ষম উন্নয়নৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব, আৰু
- বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

পূৰ্বৰ অধ্যায়ত আপুনি পৰিৱেশৰ বিভিন্ন উপাদান, পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত থকা বিভিন্ন সংকট আৰু এইবোৰ মষিমূৰ কৰাৰ উদ্দেশ্যে চৰকাৰী, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিছে। আমি ভালকৈ জনা উচিত যে বিভিন্ন সংকটৰ পৰা পৰিৱেশ কেৱল সুৰক্ষা কৰাই আমাৰ বাবে যথেষ্ট নহয়, আমি ভৱিষ্যত প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণ কৰি ৰাখিব লাগিব। অত্যাধিক প্ৰযুক্তিৰ প্ৰয়োগে আমাৰ সেউজীয়া ধৰণীখন ক্ৰমান্বয়ে বিনষ্ট কৰি আনিছে আৰু ই ভৱিষ্যত প্ৰজন্মৰ বাবে ভয়াৱহ হৈ আহিছে। আমি যেনেদৰে বৰ্তমান প্ৰজন্মৰ বাবে ধন অৰ্জন কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে ধন জমা কৰো। ঠিক তেনেদৰে পৰিৱেশৰ ক্ষেত্ৰতো ভৱিষ্যত প্ৰজন্মৰ বাবে পৰিৱেশ অনুকূল কৰি ৰখাৰ ওপৰত মনোনিৱেশ কৰিব লাগে। 'বহনক্ষম উন্নয়ন' নামৰ অধ্যায়টিৰ জৰিয়তে আমি ভৱিষ্যত প্ৰজন্মৰ বাবে পৰিৱেশ প্ৰয়োগ আৰু সংৰক্ষণৰ বিষয়ে অধ্যয়ন কৰিম।

১০.৩ বহনক্ষম উন্নয়নৰ ধাৰণা

1970ৰ দশকৰ আৰম্ভণি সময়ছোৱা কোকয়োক ঘোষণাৰ (Cocoyoc Declaration) ৰ জৰিয়তে 'বহনক্ষম উন্নয়ন (Sustainable development) শব্দবোৰ ব্যৱহাৰ কৰা হৈছিল। 70ৰ দশকৰ পৰাই আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে 'পৰিৱেশগত উপকাৰী উন্নয়ন'ক মূল লক্ষ্য হিচাবে বিবেচনা কৰি আহিছে।

পৰিবহনৰ ক্ষেত্ৰত হোৱা বিপ্লৱ আৰু নগৰীকৰণ ব্যৱস্থাৰ লগতে ঔদ্যোগিক ক্ষেত্ৰত হোৱা বিপ্লৱে পৰিৱেশলৈ কঢ়িয়াই অনা ভাবুকিৰ পৰিপ্ৰেক্ষিতত 'বহনক্ষম উন্নয়ন' ধাৰণাটিৰ উদ্ভৱ হয়। এই ধাৰণাই আগন্তুক দিনত পৰিৱেশ সম্পৰ্কে পৃথিৱীলৈ আহিব পৰা বিপদ আৰু বৰ্তমান সময়ত যদি আমি সম্পদ ব্যহাৰৰ ক্ষেত্ৰত সজাগ নহওঁ তেনেহ'লে ভৱিষ্যত প্ৰজন্মৰ বাবে যিকোনো সম্পদ নাথাকিব তাকেই সৰ্তক কৰি দিয়ে। সম্পদৰ অত্যাধিক শোষণ আৰু প্ৰযুক্তিৰ অপ-প্ৰয়োগৰ বাবেই 'বহনক্ষম উন্নয়ন'ৰ প্ৰশ্ন উত্থাপিত হৈছে। বহনক্ষম উন্নয়ন হ'ল— এনে এক ব্যৱস্থা য'ত এটা অনুকূল পৰিৱেশ তন্ত্ৰৰ ভিতৰত মানৱ জাতিৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়। কোনো ধৰণৰ প্ৰাকৃতিক সম্পদৰ অপব্যয় নোহোৱাকৈ বহনক্ষম উন্নয়ন উন্নয়নৰ ধাৰণাই সকলো ক্ষেত্ৰতে বিকাশ হোৱাটো সমৰ্থন কৰে। পাৰিপাৰ্শ্বিক উন্নয়ন বহনক্ষম উন্নয়নৰ এনে এক ধাৰণা য'ত পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষা কৰি উন্নয়ন কাৰ্য ৰূপায়ণ কৰা হয়।

1983 চনত 'ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু উন্নয়ন আয়োগ' গঠন কৰা হৈছিল আৰু 1987 চনত এই আয়োগে 'ব্ৰুণ্ডটলেণ্ড' প্ৰতিবেদন প্ৰকাশ কৰিছিল। এই প্ৰতিবেদনখনে প্ৰত্যেক ৰাষ্ট্ৰৰ উন্নয়নৰ ক্ষেত্ৰত ন্যায়, বিকাশ আৰু পৰিৱেশ সংৰক্ষণকে ধৰি ৰাষ্ট্ৰৰ অৰ্থনৈতিক দক্ষতা বৃদ্ধি আৰু সম্পদৰ মিতব্যয়ী প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। এই আয়োগখনে বহনক্ষম উন্নয়নৰ বাবে তিনিটা মৌলিক উপাদানৰ ওপৰত গুৰুত্ব দিয়ে। এই তিনিটা উপাদান হ'ল পৰিৱেশ সুৰক্ষা, অৰ্থনৈতিক বিকাশ আৰু সামাজিক ন্যায়। আমাৰ পৰিৱেশৰ সীমাবদ্ধতাৰ ভিতৰতেই আমি জীৱন-নিৰ্বাহ কৰাটো বহনক্ষম উন্নয়নৰ মূল নীতি।

বহনক্ষম উন্নয়নৰ আটাইতকৈ গ্ৰহণযোগ্য আৰু সৰ্বব্যাপী প্ৰয়োগ কৰা বিশ্ব পৰিবেশ আয়োগে উল্লেখ কৰা সংজ্ঞাটি হ'ল— "বহনক্ষম বিকাশ হ'ল সেই বিকাশ, যি বিকাশে ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণৰ সামৰ্থৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমানৰ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণ কৰে।"

আকৌ 'বিশ্ব সংৰক্ষণ কৌশল প্ৰতিবেদন'য়েও বহনক্ষম উন্নয়নৰ সংক্ষা আগবঢ়াই। এই প্ৰতিবেদনৰ মতে, 'সকলো জনসাধাৰণৰ সৰ্বাংগীন উন্নয়ন আৰু সুৰক্ষাৰ বাবে বিশ্বত গ্ৰহণ কৰা সামূহিক সংশোধিত সংৰক্ষণ আৰু উন্নয়নৰ ব্যৱস্থা।'

ওপৰোক্ত সংজ্ঞাসমূহৰ পৰা ক'ব পাৰি যে বহনক্ষম উন্নয়নে একে সময়তে বিশে, চাৰিটা উদ্দেশ্যত উপনীত হ'বলৈ কাম কৰে—

- সামাজিক প্ৰগতি যিয়ে প্ৰত্যেকৰে প্ৰয়োজনকে স্বীকৃতি দিয়ে,

- পৰিৱেশৰ কাৰ্যক্ষম সু�ৰক্ষা,
- প্ৰাকৃতিক সম্পদৰ বিবেচনাপূৰ্ণ প্ৰয়োগ, আৰু
- উচ্চ হাৰত অৰ্থনৈতিক বৃদ্ধি আৰু কৰ্মসংস্থাপনৰ লগতে স্থিতিশীলতা ৰক্ষা কৰা।

১০.৪ বহনক্ষম উন্নয়নৰ বৈশিষ্ট্য

বহনক্ষম উন্নয়নৰ বৈশিষ্ট্য তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- **পাৰস্পৰিক নির্ভৰশীলতা ঃ** আমাৰ জীৱনৰ বিভিন্ন দিশ আন এটা স্থানীয় অঞ্চল বা গোটেই অঞ্চলৰ মানুহৰ লগত নির্ভৰশীল যাৰ বাবে কোনো এঠাইত গ্ৰহণ কৰা কোনো এট সিদ্ধান্তই আন এঠাইৰ মানুহক প্ৰভাৱিত কৰে।
- **নাগৰিকত্ব আৰু ন্যস্ত দায়িত্ব ঃ** আমাৰ যিহেতু 'সিদ্ধান্ত-গ্ৰহণ'ত অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে সেয়ে ভৱিষ্যতে হ'ব পৰা পৰিণাম আমি সকলোৱে ব্যক্ত কৰা উচিত।
- **ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজন আৰু অধিকাৰ ঃ** আমি আনৰ অধিকাৰ সুৰক্ষিত কৰি নিজৰ জীৱন নির্বাহ কৰিবলৈ শিকিব লাগে আৰু যি কৰো বর্তমান আৰু ভৱিষ্যতে কেনে প্ৰভাৱ পৰিব জানিব লাগে।
- **বৈচিত্ৰতা ঃ** আমাৰ সাংস্কৃতিক, সামাজিক আৰু জৈৱিক মূল্য আৰু বৈচিত্ৰ্য উপলব্ধি কৰাৰ লগতে এইবোৰ অবিহনে আমাৰ জীৱন যে অর্থহীন বুজা উচিত।
- **জীৱনৰ মানদণ্ড ঃ** যিকোনো উন্নয়নত যাতে মানুহৰ ন্যায় সংগত উপকাৰ হয় আৰু এই উন্নয়নে যাতে সকলোকে স্পৰ্শ কৰে।
- **বহনক্ষম পৰিৱর্তন ঃ** উন্নত ৰাষ্ট্ৰসমূহে কৰা উন্নয়নৰ নামত অপৰিকল্পিত বিকাশে আন ৰাষ্ট্ৰসমূহৰ ওপৰত কু-প্ৰভাৱ পৰাৰ লগতে দৰিদ্ৰতা আৰু কষ্ট বৃদ্ধি হৈছে আৰু আমাৰ সকলোৰে বাবে পৰিৱেশ অৰক্ষয় হৈ আহিছে।
- **অনিশ্চয়তা আৰু সর্তকতা ঃ** আমি যিবিলাক কার্য কৰো ইয়াৰ অজ্ঞাত ফলাফল সম্পর্কে সজাগ হ'ব লাগে আৰু এনে দৃষ্টিভংগী উদ্ভাৱন কৰা উচিত যাতে আমাৰ গৃহটো ভৱিষ্যত সুৰক্ষিত হৈ থাকে।



জানি থোৱা ভাল

- পৰিবহনৰ ক্ষেত্ৰত হোৱা বিপ্লৱ আৰু নগৰীকৰণ ব্যৱস্থাৰ লগতে ঔদ্যোগিক ক্ষেত্ৰত হোৱা বিপ্লৱে পৰিৱেশলৈ কঢ়িয়াই অনা ভাবুকিৰ পৰিপ্ৰেক্ষিতত 'বহনক্ষম উন্নয়ন' ধাৰণাটিৰ উদ্ভৱ হয়।
- বহনক্ষম উন্নয়নৰ মূল তিনিটা উপাদান হ'ল— পৰিৱেশ সুৰক্ষা, অর্থনৈতিক বিকাশ আৰু সামাজিক ন্যায়।'
- বহনক্ষম উন্নয়নৰ আটাইতকৈ গ্ৰহণযোগ্য আৰু সর্বব্যাপী প্ৰয়োগ কৰা সংজ্ঞাটি

বিশ্ব পৰিৱেশ আয়োগে আগবঢ়ায়, বহনক্ষম উন্নয়ন হ'ল সেই উন্নয়ন, যি উন্নয়নে ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণৰ সামৰ্থৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমানৰ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণ কৰে।'



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পৰিৱেশ উন্নয়ন কি ?

.....

.....

প্ৰশ্ন নং ২ ঃ 'বিশ্ব পৰিৱেশ আয়োগ' কোন চনত গঠিত হৈছিল ?

.....

.....

প্ৰশ্ন নং ৩ ঃ বহনক্ষম উন্নয়নৰ দুটা বৈশিষ্ট্য লিখক।

.....

.....

১০.৫ বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা

ক্ৰমান্বয়ে পৰিৱেশ অৱক্ষয় হৈ অহাৰ ফলত পৰিস্থিতিতন্ত্ৰৰ লগতে মানুহৰ জীৱন ধাৰণৰ মানদণ্ড নিম্নগামী হৈ আহিছে। এনে কাৰণতে বৰ্তমান সময়ত আমাৰ পৃথিৱীখনক ৰক্ষা কৰিবলৈ বহনক্ষম উন্নয়ন ধাৰণাৰ প্ৰয়োজনীয়তা আহি পৰিছে। পৰিৱেশতন্ত্ৰ বজায় ৰাখিবলৈ বহনক্ষম বিপ্লৱ পৃথক স্থানত ভিন্ন পৰ্যায়ত ক্ষীপ্ৰ গতিত হ'ব লাগিব।

তলত দিয়া ধৰণে বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা আলোচনা কৰিব পাৰি—

- **সম্পদৰ সংৰক্ষণ** ঃ বহনক্ষম উন্নয়নৰ মূল প্ৰয়োজন হ'ল প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰা। সম্পদ বৰ্তমান আৰু ভৱিষ্যত উভয় প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাটো প্ৰয়োজন। আচলতে বহনক্ষম উন্নয়নৰ মূল বৈশিষ্ট্য হ'ল পৰিৱেশ অৱক্ষয় নোহোৱাকৈ কৰা নতুন উন্নয়ন।
- **সম্পদৰ ব্যৱস্থাপনা** ঃ সম্পদ সংৰক্ষণেই যথেষ্ট নহয়। সম্পদৰ যদি সু-ব্যৱস্থাপনা নাতাকে তেনেহ'লে সম্পদৰ অৱক্ষয় হোৱাৰ দৰেই হয়। বহনক্ষম উন্নয়নৰ মূল উদ্দেশ্য হ'ল, পৃথিৱীজুৰি বহনক্ষম বিকাশৰ বাবে আমাৰ যিখিনি সম্পদ আছে সেই সম্পদৰ ওপৰত দক্ষ আৰু সু-ব্যৱস্থাপনা কৰা।
- **বহনক্ষম প্ৰযুক্তি** ঃ নৱীকৰণ শক্তিৰ সহায়ত প্ৰযুক্তিৰ দ্বাৰা নৱীকৰণ নোহোৱা সম্পদ ব্যৱহাৰ কৰি উন্নয়ন কৰা হয়। এনে অতি প্ৰয়োজন আৰু ই বহনক্ষম উন্নয়নৰ অন্যতম বৈশিষ্ট্য।
- **জৈৱ-বৈচিত্ৰ বজায় ৰখা** ঃ অপৰিকল্পিত আৰু অত্যাধিক সম্পদ প্ৰয়োগেৰে হোৱা উন্নয়ন বহুক্ষেত্ৰত জৈৱ বৈচিত্ৰ্যৰ বাবে ক্ষতিকাৰক আৰু লগতে ই ভাৰসাম্য ৰক্ষাত ব্যাঘাত

জন্মায়। বহনক্ষম উন্নয়ন অতি প্রয়োজন কিয়নো ই নবীকৰণ শক্তি উদাহৰণ স্বৰূপে, জৈৱিক কৃষিকার্য অনুশীলন আদিত উৎসাহ জন্ময়। যিয়ে জৈৱ-বৈচিত্রতাত কোনো কু-প্রভাৱ নেপেলায়।

- **আর্থিক স্থিতিশীলতা ঃ** নবীকৰণ শক্তি প্রযুক্তিৰ উন্নয়নে ৰাষ্ট্রৰ এখনৰ কেৱল সম্পদ সংৰক্ষণতে সহায় নকৰে। ই আর্থিক স্থিতিশীলতা ৰক্ষাতো সহায় কৰে।
- **জলবায়ু পৰিৱর্তন পৰিচালনা ঃ** পৃথিৱীৰ অৱক্ষয়ে জলবায়ুতো প্রভাৱ পেলায়। গোলকীয় উষ্ণতা জলবায়ু পৰিৱর্তন প্রশমিত কৰাৰ বাবে বহনক্ষম উন্নয়নৰ প্রয়োজনীয়তা অপৰিসীম আৰু বহনক্ষম উন্নয়নেহে প্রাকৃতিক সম্পদ যেনে— তেল, প্রাকৃতিক গেছ, কয়লা আদিৰ ব্যৱহাৰ হ্রাস কৰিব পাৰিব।
- **বহনক্ষম বৃক্ষৰোপণ ঃ** বৃক্ষৰোপণৰ ক্ষেত্রত বহনক্ষম উন্নয়নৰ ধাৰণা নির্ভৰশীল। বহনক্ষম উন্নয়নে বহনক্ষম কৃষিপদ্ধতিৰ ওপৰত গুৰুত্ব দিয়ে। বহনক্ষম কৃষি পদ্ধতিয়ে আকৌ কার্যকৰী বীজ কৌশল ব্যৱস্থা আৰু একেডৰা ভূমিতে ভিন্ন খেতিৰ জৰিয়তে অত্যাধিক উৎপাদনৰ ওপৰত গুৰুত্ব দিয়ে।
- **জীৱন-ধাৰণৰ মান নিশ্চিত কৰা ঃ** বহনক্ষম উন্নয়নে সুখত গুৰুত্ব দিয়ে আৰু ইয়াৰ বাবে প্রয়োজনীয়খিনি পূৰণ কৰাত মনোনিৱেশ কৰে।



চিন্তা-চর্চা কৰক 12.1

গাঁৱৰ কৃষকসকলে কৃষি জীয়াই ৰাখিবলৈ বহনক্ষম কৃষি কার্য । কেইটামানৰ নাম লিখক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বহনক্ষম উন্নয়নৰ প্রয়োজনীয়তা আলোচনা কৰক।

.....

.....

১০.৬ বহনক্ষম উন্নয়নৰ বাবে শিক্ষা

ওপৰোক্ত আলোচনাৰ পৰা আপুনি বুজিব পাৰিছে যে, বহনক্ষম উন্নয়ন কিছুমান নির্দেশনা যাৰ জৰিয়তে সুৰক্ষিত পৰিৱেশৰ মাধ্যমেৰে শক্তি ৰক্ষা কৰি নতুন উন্নয়ন আঁচনিৰ সৃষ্টি কৰা। ইয়াৰ বাবে সম্পদৰ সংৰক্ষণ আৰু মানুহৰ জীৱন-ধাৰণৰ মানদণ্ড নিশ্চিত কৰাৰ দৰকাৰ। নতুন উন্নয়নমূলক আঁচনি গ্রহণ কৰিবলৈ হ'লে জনসাধাৰণে কিন্তু বহনক্ষম উন্নয়ন আৰু সম্পদৰ সংৰক্ষণ সম্পর্কে জ্ঞান থাকিব লাগিব। বহনক্ষম উন্নয়ন সম্পর্কে মানুহক জ্ঞান দিবলৈ হ'লে শিক্ষাৰ বাহিৰে আন কোনো শক্তিশালী মাধ্যম নাই। পাৰিপার্শ্বিক শিক্ষা অতি শক্তিশালী আহিলা

যাৰ জৰিয়তে মানুহক পৰিৱেশৰ ভয়াৱবহতা আৰু বহনক্ষম উন্নয়ন সম্পর্কে সজাগ কৰিব পাৰি।

মিশ্ৰৰ ভাষাত, পৰিৱেশ শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে পৰিৱেশ উন্নয়নৰ বাবে সজাগতাৰে, জ্ঞানেৰে, কৌশলেৰে, দৃষ্টিভংগীৰে আৰু আত্ম উৰ্চগাৰে সজ্জিত হৈ নিজকে থিয় কৰাব পাৰে।'

পৰিৱেশ শিক্ষা আৰু বহনক্ষম উন্নয়ন ঃ ওপৰত উল্লেখ কৰা হৈছে যে পৰিৱেশ শিক্ষাই বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শিক্ষাৰ ভূমিকা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

- সম্পদৰ প্ৰয়োগৰ ক্ষেত্ৰত বহনক্ষমতা ৰক্ষা কৰাৰ ক্ষেত্ৰত পৰিৱেশ শিক্ষা গুৰুত্বপূৰ্ণ আহিলা।
- প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু প্ৰয়োগৰ ক্ষেত্ৰত প্ৰয়োজনীয় মূল্য আৰু কৌশল আয়ত্ত কৰাৰ ক্ষেত্ৰত পৰিৱেশ শিক্ষাই সহায় কৰে আৰু ইয়ে বহনক্ষম উন্নয়নত অৰিহনা যোগায়।
- উন্নয়নৰ দীৰ্ঘম্যাদী আঁচনি ৰূপায়ণৰ দ্বাৰা পৰিৱেশ যাতে বিনষ্ট নহয় তাৰ শিক্ষা পৰিৱেশ সম্পৰ্কীয় শিক্ষাৰ পৰা আহৰণ কৰিব পাৰি।
- পৰিৱেশ শিক্ষাই প্ৰকৃতিক ভাল পাবলৈ আৰু মানুহ আৰু প্ৰকৃতিৰ মাজত একতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- পৰিৱেশ শিক্ষাই উন্নয়নৰ ক্ষেত্ৰত থকা সমস্যা যেনে- আন্তঃৰাষ্ট্ৰীয় বিষয় তাক উপলব্ধি কৰিবলৈ শিকায়।
- পৰিৱেশ শিক্ষাৰ দ্বাৰা শিক্ষিত ব্যক্তিয়ে পৰিৱেশ সংৰক্ষণৰ বাবে স্থানীয়, আঞ্চলিক আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত নিজৰ দায়িত্ব উপলব্ধি কৰে। পৰিৱেশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় চুক্তি, সন্ধি ৰূপায়ণৰ ক্ষেত্ৰত পৰিৱেশ শিক্ষাই যথেষ্ট আহিলা আগবঢ়ায়।
- পৰিৱেশ শিক্ষাই মানুহক সম্পদৰ অৱক্ষয়ৰ ক্ষেত্ৰত অৰিহনা যোগোৱা উপাদানসমূহৰ সম্পৰ্কে সজাগ কৰে।
- পৰিৱেশ শিক্ষাৰ এটি গুৰুত্বপূৰ্ণ দিশ হ'ল— জনসংখ্যা শিক্ষা, অত্যাধিক জনসংখ্যাই যে পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায় সেই সম্পৰ্কে জনসংখ্যা শিক্ষাই মানুহক সজাগ কৰে। জনসংখ্যা নিয়ন্ত্ৰণ কৰি সম্পদৰ মিতব্যয়ী প্ৰয়োগৰ ক্ষেত্ৰত পৰিৱেশ শিক্ষাই সহায় কৰে।
- পৰিৱেশ শিক্ষাই পৃথিৱীত মানুহে কৌশলপূৰ্ণ আৰু পৰিকল্পিতভাৱে সম্পদ প্ৰয়োগৰ শিক্ষা আহৰণত সহায় কৰে।

  ওপৰোক্ত আলোচনাৰ ভিত্তিত ক'ব পাৰি যে মানুহে বহনক্ষম উন্নয়নৰ ধাৰণা বুজাৰ বাবে পৰিৱেশ শিক্ষা হ'ল অন্যতম আহিলা।



জানি থোৱা ভাল

- **মিশ্ৰৰ মতে,** "পৰিৱেশ শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে পৰিৱেশ উন্নয়নৰ বাবে সজাগতাৰে, জ্ঞানেৰে, কৌশলেৰে, দৃষ্টিভংগীৰে আৰু আত্ম-উচৰ্গাৰে সজ্জিত হৈ নিজকে থিয় কৰাব পাৰে।'
- প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু প্ৰয়োগৰ ক্ষেত্ৰত প্ৰয়োজনীয় মূল্য আৰু কৌশল আয়ত্ত কৰাৰ ক্ষেত্ৰত পৰিৱেশ শিক্ষাই সহায় কৰে আৰু ইয়ে বহনক্ষম উন্নয়নত অৰিহণা যোগায়।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 1970 ৰ দশকৰ আৰম্ভণি সময়ছোৱাত কোকয়োক ঘোষণাৰ জৰিয়তে 'বহনক্ষম উন্নয়ন' শব্দটোৰ ব্যৱহাৰ কৰা হৈছিল।
- বহনক্ষম উন্নয়ন হ'ল এনে এক ব্যৱস্থা য'ত এটা অনুকূল পৰিৱেশতন্ত্ৰৰ ভিতৰত মানৱ জাতিৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।
- কোনোধৰণৰ প্ৰাকৃতিক সম্পদৰ অপব্যয় নোহোৱাকৈ বহনক্ষম উন্নয়নৰ ধাৰণাই সকলো ক্ষেত্ৰত বিকাশ হোৱাটো সমৰ্থন কৰে।
- পৰিৱেশ উন্নয়ন এনে এক বহনক্ষম ধাৰণা যাৰ জৰিয়তে প্ৰাদেশিক পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে কাৰ্য ৰূপায়ণ কৰা হয়।
- বহনক্ষম উন্নয়নৰ তিনিটা মৌলিক উপাদান হ'ল— পৰিৱেশ সুৰক্ষা, অৰ্থনৈতিক বিকাশ আৰু সামাজিক ন্যায়।
- বেহনক্ষম উন্নয়নৰ আটাইতকৈ গ্ৰহণযোগ্য আৰু সৰ্বব্যাপী প্ৰয়োগ কৰা সংজ্ঞাটি আগবঢ়ায় বিশ্ব পৰিৱেশ আয়োগে। এই সংজ্ঞাটি হ'ল,— 'বহনক্ষম উন্নয়ন হ'ল সেই উন্নয়ন, যি উন্নয়নে ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণৰ সামৰ্থৰ ক্ষেত্ৰত আপোচ নকৰাকৈ বৰ্তমানৰ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণ কৰে।'
- বহনক্ষম উন্নয়ন পৰিৱেশ সংৰক্ষণ, সম্পদৰ ব্যৱস্থাপক, বহনক্ষম প্ৰযুক্তিৰ লগতে জীৱন-ধাৰণৰ মানদণ্ড নিশ্চিত কৰাৰ বাবে প্ৰয়োজন।
- পৰিৱেশৰ ভয়াৱহতা আৰু বহনক্ষম উন্নয়ন সম্পৰ্কে জনসাধাৰণক সজাগ কৰাৰ শক্তিশালী আহিলা হ'ল পৰিৱেশ শিক্ষা।
- মিশ্ৰৰ ভাষাত — 'পৰিৱেশ শিক্ষা এনে এক প্ৰক্ৰিয়া যাৰ জৰিয়তে মানুহে সজাগতাৰে,

জ্ঞানেৰে, কৌশলেৰে, দৃষ্টিভংগীৰে আৰু আত্ম-উচৰ্গাৰে সজ্জিত হৈ নিজকে থিয় কৰাব পাৰে।'

- উন্নয়নৰ সমস্যা যে এক আন্তঃৰাষ্ট্ৰীয় বিষয় তাক বুজাত পৰিৱেশ শিক্ষাই সহায় কৰে।



১২.৮ অধিক জানিবলৈ

1] Bhattacharya K, Bhattacharya R and Sharma S (2012): Environmental Education, Assam Book Depot.

2] Sharma P.D (1990): Ecology and Environment, Rastogi Publishers, Meerut.

3] Sharma R.A(2010) : Environmental Education, R.Lall Book Depot.

4] Sigh S and Dubey A (1989): Environment Management, Allahbad University.



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিৱেশ উন্নয়ন এনে এক বহনক্ষম ধাৰণা যাৰ জৰিয়তে প্ৰাদেশিক পৰিৱেশতন্ত্ৰৰ ভাৰসাম্যতা ৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 1983 চনত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আৰু উন্নয়ন আয়োগ গঠন হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ তলত বহনক্ষম উন্নয়নৰ দুটা বৈশিষ্ট্য আলোচনা কৰা হ'ল।

(ক) **পাৰস্পৰিক নিৰ্ভৰশীলতা ঃ** আমাৰ জীৱনৰ বিভিন্ন দিশ আন এটা স্থানীয় অঞ্চল বা গোটেই অঞ্চলৰ মানুহৰ লগত নিৰ্ভৰশীল যাৰ বাবে কোনো এঠাইত গ্ৰহণ কৰা কোনো এটা সিদ্ধান্তই আন এঠাইৰ মানুহক প্ৰভাৱিত কৰে।

(খ) **নাগৰিকত্ব আৰু ন্যস্ত দায়িত্ব ঃ** আমাৰ যিহেতু 'সিদ্ধান্ত-গ্ৰহণ'ত অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে সেয়ে ভৱিষ্যতে হ'ব পৰা পৰিণাম আমি সকলোৱে ব্যক্ত কৰা উচিত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

(ক) **সম্পদৰ সংৰক্ষণ ঃ** বহনক্ষম উন্নয়নৰ মূল প্ৰয়োজন হ'ল প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰা। সম্পদ বৰ্তমান আৰু ভৱিষ্যত উভয় প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাটো প্ৰয়োজন। আচলতে, বহনক্ষম উন্নয়নৰ মূল বৈশিষ্ট্য হ'ল পৰিৱেশ অৱক্ষয় নোহোৱাকৈ কৰা

নতুন উন্নয়ন।

(খ) **সম্পদৰ ব্যৱস্থাপনা ঃ** সম্পদ সংৰক্ষণেই যথেষ্ট নহয়। সম্পদৰ যদি সু-ব্যৱস্থাপনা নাথাকে তেনেহ'লে সম্পদৰ অৱক্ষয় হোৱাৰ দৰেই হয়। বহনক্ষম উন্নয়নৰ মূল উদ্দেশ্য হ'ল, পৃথিৱীজুৰি বহনক্ষম বিকাশৰ বাবে আমাৰ যিখিনি সম্পদ আছে সেই সম্পদৰ ওপৰত দক্ষ আৰু সু-ব্যৱস্থাপনা কৰা।

(গ) **বহনক্ষম প্রযুক্তি ঃ** নবীকৰণ শক্তিৰ সহায়ত প্রযুক্তিৰ দ্বাৰা নবীকৰণ নোহোৱা সম্পদ ব্যৱহাৰ কৰি উন্নয়ন কৰা হয়। এনে অতি প্রয়োজন আৰু ই বহনক্ষম উন্নয়নৰ অন্যতম বৈশিষ্ট্য।

(ঘ) **জৈৱ-বৈচিত্র বজায় ৰখা ঃ** অপৰিকল্পিত আৰু অত্যাধিক সম্পদ প্রয়োগেৰে হোৱা উন্নয়ন বহুক্ষেত্রত জৈৱ বৈচিত্র্যৰ বাবে ক্ষতিকাৰক আৰু লগতে ই ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মায়। বহনক্ষম উন্নয়ন অতি প্রয়োজন কিয়নো ই নবীকৰণ শক্তি উদাহৰণ স্বৰূপে জৈৱিক কৃষিকার্য, অনুশীলন আদিত উৎসাহ জন্মায়। যিয়ে জৈৱ-বৈচিত্রতাত কোনো কু-প্রভাৱ নেপেলায়।

(ঙ) **আর্থিক স্থিতিশীলতা ঃ** নৱীকৰণ শক্তি প্রযুক্তিৰ উন্নয়নে ৰাষ্ট্রৰ এখনৰ কেৱল সম্পদ সংৰক্ষণতে সহায় নকৰে। ই আর্থিক স্থিতিশীলতা ৰক্ষাতো সহায় কৰে।



১০.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (50 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বহনক্ষম উন্নয়নে কি বুজায়?

প্রশ্ন ২ ঃ ব্রুণ্ডটলেণ্ড প্রতিবেদনৰ মূল বিষয়বস্তু কি আছিল?

প্রশ্ন ৩ ঃ অ-নবীকৰণ সম্পদ কিছুমানৰ নাম উল্লেখ কৰক?

খ) চমুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বিশ্ব পৰিৱেশ আৰু উন্নয়ন আয়োগে আগবঢ়োৱা বহনক্ষম উন্নয়ন সম্পর্কীয় সংজ্ঞাটি নিজৰ ভাষাত আলোচনা কৰক।

প্রশ্ন ২ ঃ বহনক্ষম উন্নয়নৰ মৌলিক উপাদানসমূহ সংক্ষিপ্তকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ শিক্ষা বহনক্ষম উন্নয়নৰ সৈতে কেনেদৰে সম্পর্কযুক্ত সংক্ষিপ্তকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বহনক্ষম উন্নয়নৰ বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ২ ঃ বহনক্ষম উন্নয়নৰ প্রয়োজনীয়তা আলোচনা কৰক।

প্রশ্ন ৩ ঃ বহনক্ষম উন্নয়নৰ বাবে শিক্ষাৰ ভূমিকা আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ পৰিৱেশ বা পাৰিপার্শ্বিক শিক্ষা ঃ অসমৰ প্ৰেক্ষাপটত ইয়াৰ সমস্যা আৰু সম্ভাৱনা

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা

11.3.1 অসমত থকা বিশেষ পৰিৱেশ বা পাৰিপার্শ্বিকতাজনিত সমস্যাবোৰ

11.3.2 পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ

11.3.3 অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সুযোগ

11.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.5 অধিক জানিবলৈ

11.6 অগ্রগতিৰ খতিয়ান

11.7 আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সমস্যাবোৰ চিনাক্ত কৰিব পাৰিব
- পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ বিচাৰ কৰি চাব পাৰিব
- অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- অসমত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰসাৰত দেখা দিয়া সমস্যাবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব, ইত্যাদি

১১.২ পৰিচয়

পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণাটো আমাৰ বাবে তুলনামূলকভাৱে নতুন। বহল পৰিসৰত পৰিৱেশ বা পাৰিপার্শ্বিকতা বিষয়ক শিক্ষাই জীৱন-মণ্ডল (biosphere) অথবা পাৰিপার্শ্ব -প্ৰণালী বা পৰিস্থিতিতন্ত্ৰ (eco-system) থকা বিভিন্ন ধৰণৰ উপাদান, বস্তু, পদাৰ্থ আৰু জীৱক সামৰি লয়। ইংৰাজী 'biosphere' শব্দটোৰ দুটা অংশ আছে- 'bio' আৰু 'sphere'। শব্দটোৰ মূল হ'ল দুটা গ্ৰীক শব্দ। 'bio' শব্দৰ মূল হ'ল 'bios'- ইয়াৰ অৰ্থ হ'ল মানৱ জীৱন। 'sphere' শব্দৰ মূল হ'ল 'sphaire' - ইয়াৰ অৰ্থ হ'ল এটি গোলাকাৰ বস্তু । চমুকৈ 'biosphere' (জীৱ-মণ্ডল) শব্দৰ অৰ্থ হ'ল পৃথিৱীৰ সেইবোৰ অংশ য'ত জীৱৰ (living organism) উপস্থিতি আছে।

মানুহ সদায় পাৰিপাৰ্শ্বিকতাৰ বা পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। আৰম্ভণিতে যেতিয়া পৃথিৱীৰ জনসংখ্যা কম আছিল তেতিয়া মানুহৰ প্ৰয়োজন পূৰাবলৈ সীমিত সম্পদৰ দৰকাৰ আছিল বাবে মানুহৰ কাৰ্য-কলাপে পৰিৱেশত গুৰুত্বৰ কুপ্ৰভাৱ পেলোৱা নাছিল। কিন্তু পৃথিৱীৰ ক্ৰমবৰ্দ্ধমান জনসংখ্যাই প্ৰকৃতি আৰু ইয়াৰ সম্পদবোৰত মাত্ৰাধিক কুপ্ৰভাৱ পেলাইছে। ইয়াৰ ফলত আমাৰ পৰিৱেশ অৱস্থাৰ প্ৰাকৃতিক সমতা ধ্বংস হৈছে। সমগ্ৰ বিশ্বতে পৰিৱেশ জনিত সমস্যাই এনে এক পৰ্যায় পাইছে যিটোৱে সমগ্ৰ মানৱ জাতিৰ প্ৰতি গুৰুতৰ ভাবুকিৰ সৃষ্টি কৰিছে। সেয়েহে লাহে লাহে সকলোৱে পৰিৱেশ জনিত সমস্যা আৰু দিশবোৰৰ বিষয়ে মানুহক শিক্ষিত কৰি তোলাৰ লগতে মানুহৰ কাৰ্য-কলাপে কেনেদৰে পাৰিপাৰ্শ্বিকতাক বা পৰিৱেশক প্ৰভাৱিত কৰে সেই সম্পৰ্কে সজাগ কৰি তোলাৰ প্ৰয়োজনীয়তা বুজি পাইছে। মানৱ জাতিৰ এই আত্মোপলব্ধিয়েই হ'ল পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ধাৰণাটোৰ উত্থান আৰু বিকাশৰ ভেটি। এই অধ্যায়টিত আমি অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সমস্যা আৰু সম্ভাৱনা সম্পৰ্কে আলোচনা কৰিম।

১১.৩ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন সমস্যা

স্থানীয়, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা লাহে লাহে সকলোৱে উপলব্ধি কৰিবলৈ ধৰিছে। বৰ্তমান সময়ত বিষয়টো প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিভিন্ন সমস্যা আছে। ইয়াৰে দুটামান প্ৰধান সমস্যা তলত উল্লেখ কৰা হ'ল-

- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰকৃতি এটি বিষয়-বস্তু হিচাপে অতি বিস্তৃত। ই প্ৰকৃতিৰ বিভিন্ন ৰূপ আৰু এনে ৰূপ গঠনৰ উপাদানবোৰৰ ভিন ভিন বৈচিত্ৰ্যক সামৰি লয়। এই বিস্তৃত ৰূপৰ বাবে পাঠ্যক্ৰম হিচাপে বিষয়টো সংগঠিত কৰাত সমস্যাৰ সৃষ্টি হৈছে।
- শিক্ষাৰ যিকোনো আঁচনিৰ সফলতা সদায় বিষয়টোৰ সৈতে জড়িত শিক্ষকসকলৰ দক্ষতা আৰু পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰশীল। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত সমস্যা এটা হ'ল শিক্ষকৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ অভাৱ।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা হ'ল এটা বহু-বিভাগযুক্ত আৰু আন্তঃবিভাগযুক্ত বিষয়। ইয়াৰ বাবে অভূতপূৰ্ব শৈক্ষিক সহযোগিতাৰ প্ৰয়োজন হয়। ব্যৱহাৰিকভাৱে এনে সহযোগিতা গঢ়ি তোলাটো অতি কঠিন।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা কাৰ্যসূচীৰ সফল প্ৰয়োগৰ বাবে কিছুমান সুনিৰ্দিষ্ট আন্তঃগাঁতনিমূলক সুবিধাৰ প্ৰয়োজন। অসমত এনে সুবিধা পৰ্যাপ্ত নহয়। সেয়েহে ৰাজ্যখনত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰচলন কৰাত সমস্যাই দেখা দিছে।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সফল প্ৰচলন কৰিব নোৱাৰাৰ আন এটা



অভূতপূৰ্ব (unprecedented) পূৰ্বে নঘটা, নজিৰবিহীন

প্ৰধান কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ ওপৰত থকা নিৰ্ধাৰিত পাঠ্যসূচীৰ বোজা। এই বোজাই ছাত্ৰ-ছাত্ৰীক যথেষ্ট মানসিক চাপৰ মাজত ৰাখে। পাঠ্যসূচীৰ অত্যাধিক বোজাৰ বাবে বিদ্যালয়সমূহে পাৰিৱেশীক ক্ষেত্ৰভিত্তিক কাৰ্য-কলাপ বেছিকৈ হাতত ল'ব নোৱাৰে।

- আমাৰ দেশত যদিও পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা বাধ্যতামূলক কৰা হৈছে তথাপিও ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা সংশ্লিষ্ট সকলোৰে মাজত পাৰিপাৰ্শ্বিকতা সমতা পুনঃ সংস্থাপনৰ বিষয়টোক লৈ কোনো জৰুৰী প্ৰয়োজনীয়তাবোধ গঢ় লৈ উঠা নাই।
- যিকোনো বিশেষভাৱে যুগুতাই উলিওৱা বিষয় অধ্যয়ন কৰাৰ পাছত সংস্থাপনৰ সুযোগ কেনেধৰণৰ হ'ব পাৰে সেয়া বৰ্তমান সময়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এক ডাঙৰ প্ৰশ্ন। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা চাকৰিকেন্দ্ৰিক কৰি প্ৰস্তুত কৰিব নোৱাৰিলে ছাত্ৰ-ছাত্ৰীক বিষয়টোক লৈ উচ্ছ শিক্ষা আৰু গৱেষণা কৰিবলৈ উদ্বুদ্ধ কৰিব পৰা নাযায়।
- সমগ্ৰ ভাৰত আৰু অসমত বিশেষকৈ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা ক্ষেত্ৰখনত চলা গৱেষণাৰ সংখ্যা নিচেই সীমিত।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাক লৈ ৰাজনৈতিক সদিচ্ছা আৰু চৰকাৰৰ অগ্ৰাধিকাৰ প্ৰদানকাৰী মানসিকতাৰ অভাৱ হ'ল বিষয়টোৰ প্ৰসাৰত বাধাৰ সৃষ্টি কৰা আন এক প্ৰধান কাৰণ। বিষয়টোৱে আমাৰ দেশত অতি কম গুৰুত্ব লাভ কৰাৰ কাৰণ হ'ল অন্য উন্নয়নমূলক আৰু শিক্ষাকেন্দ্ৰিক দিশবোৰত চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰি আহিছে।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত প্ৰকল্প আৰু কাৰ্য-কলাপবোৰ সম্পাদন কৰিবলৈ বৃহৎ পৰিমাণৰ পুঁজি আৰু প্ৰয়োজনীয় সা-সামগ্ৰী যোগান ধৰাৰ প্ৰয়োজন হয়।
- ভাৰত আৰু অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ আন এক সমস্যা হ'ল পাৰিপাৰ্শ্বিকতা সম্বন্ধীয় সময়সাপেক্ষ তথ্যৰ অভাৱ। পৰিৱেশ বিষয়ক ডেটা আৰু তথ্য সংগ্ৰহকাৰী তথা ব্যৱস্থাপনাকাৰী এজেন্সীবোৰৰ মাজত সমন্বয় আৰু যোগাযোগৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ।
- বিদ্যালয়সমূহত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাকেন্দ্ৰিক বিভিন্ন পৰিকল্পনা যুগুত কৰিবলৈ, বিভিন্ন কাৰ্য-কলাপ অনুস্থিত আৰু কাৰ্যৰূপায়িত কৰিবলৈ আৰু সেইবোৰৰ তদাৰক কৰিবলৈ চৰকাৰত সঠিকভাৱে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষা বিষয়াৰ অভাৱ। এই অভাৱৰ বাবেই পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ আৰু প্ৰয়োগ কৰাত সমস্যাৰ সৃষ্টি হয়।

পুনঃ সংস্থাপন (Restoration) পূৰ্বৰ ভাল/ উন্নত অৱস্থা পুনৰ প্ৰবৰ্তন কৰাৰ / ঘূৰাই অনাৰ প্ৰক্ৰিয়া।

১১.৩.১ অসমত থকা বিশেষ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাজনিত সমস্যাবোৰ

অসম ইয়াৰ সমৃদ্ধ প্ৰাকৃতিক পাৰিপাৰ্শ্বিক সম্ভাৱনাৰ বাবে খ্যাত। ৰাজ্যখনৰ জল সম্পদ, বনজ সম্পদ, খনিজ সম্পদ আৰু শক্তি সম্পদবোৰে ইয়াক দেশৰ ভিতৰতে

এক ঈৰ্ষণীয় মৰ্যাদা প্ৰদান কৰিছে। কিন্তু প্ৰাকৃতিক সম্পদেৰে চহকী হোৱা সত্বেও ৰাজ্যখনৰ বাসিন্দা অৰ্থনৈতিকভাৱে দুৰ্বল, অনগ্ৰসৰ আৰু ঔদ্যোগিকভাৱে অনুন্নত। ইয়াৰ মূল কাৰণ হ'ল ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদবোৰৰ ফলপ্ৰসূ ব্যৱহাৰ নোহোৱাটো। এই সমস্যাৰ আঁৰৰ কাৰণ হ'ল মানৱ-সম্পদৰ নাটনি আৰু আন কেতবোৰ কাৰক। পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সন্মুখীন হোৱা কিছুমান সমস্যাৰ বিষয়ে আমি ওপৰৰ শিতানত আলোচনা কৰিছোঁ। ওপৰৰ সমস্যাবোৰৰ লগতে অসমে আন কিছুমান বিশেষ সমস্যাৰ মুখামুখি হৈ আহিছে। পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই, অসমত মুখামুখি হোৱা প্ৰধান সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল-

- **দ্ৰুত জনসংখ্যা বৃদ্ধিঃ** অসমত অস্বাভাৱিক হাৰত জনসংখ্যা বৃদ্ধি হৈছে। ইয়াৰ কুপ্ৰভাৱ প্ৰাকৃতিক সম্পদৰ ওপৰত পৰিছে। 2011 চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা হ'ল 31,205,576।ইয়াৰে 15,939,443 জন হ'ল পুৰুষ আৰু 15,266,133 গৰাকী হ'ল মহিলা। 2011 চনত অসমৰ মুঠ জনসংখ্যা আছিল ভাৰতৰ মুঠ জনসংখ্যাৰ 2.58 শতাংশ।
- **বৃহৎ পৰিসৰৰ প্ৰব্ৰজন আৰু অবৈধ অনুপ্ৰৱেশঃ** এই কথা সকলোৱে জ্ঞাত যে চুবুৰীয়া বাংলাদেশৰ পৰা অসমলৈ বৃহৎ হাৰত অবৈধ অনুপ্ৰৱেশ ঘটে। এই অনুপ্ৰৱেশৰ ফলত ৰাজ্যখনত প্ৰাকৃতিক সম্পদেই কেৱল ধ্বংস হোৱা নাই , ইয়াৰ ফলত ৰাজ্যখনৰ খিলঞ্জীয়া বাসিন্দাৰ জনসাংখ্যিক গাঁথনিৰো পৰিৱৰ্তন ঘটিছে।
- **বনজ সম্পদৰ বিনাশঃ** অসমৰ মূল্যবান বনজ সম্পদ দ্ৰুতগতিত কমি আহিবলৈ ধৰিছে। যধে মধে গছ কাটি ৰাজ্যৰ বাহিৰলৈ গোপনে সৰবৰাহ কৰিবলৈ লোৱাসকলৰ সৈতে বন বিষয়াৰ বুজা-বুজিৰ ফলতে এই সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰিছে।
- **উদ্যোগৰ অপৰিকল্পিত বিকাশঃ** অসমত ঔদ্যোগিক বিকাশ দ্ৰুত হৈছে যদিও এই বিকাশ পৰিকল্পিত নহয়। ইয়াৰ ফলত ৰাজ্যখনত বায়ু, পানী আৰু ভূমি প্ৰদূষণ ঘটিছে আৰু পৰিৱেশৰ সমতা বিনষ্ট হৈছে।
- **যান-বাহনৰ সমস্যা ঃ** নগৰ অঞ্চলত, বিশেষকৈ গুৱাহাটীত যান-বাহনৰ দ্বাৰা সৃষ্ট সমস্যাই গুৰুত্বৰ ৰূপ ধাৰণ কৰিছে। নগৰৰ ঘন জনবসতিপূৰ্ণ এলেকাবোৰৰ মাত্ৰাধিক যান-বাহনে বায়ু আৰু শব্দ প্ৰদূষণ ঘটাইছে। ইয়াৰ ফলত বাসিন্দসকলৰ স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।
- **গোটা বৰ্জ্য সামগ্ৰীয়ে সৃষ্টি কৰা সমস্যা ঃ** নগৰ অঞ্চলৰ বাসিন্দাসকলৰ দায়িত্বজ্ঞানহীন আচৰণৰ বাবে গোটা বৰ্জ্য সামগ্ৰী আৰু অন্য জাবৰ-জোথৰে বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। ই বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰাৰ ফলত নগৰীয়া বাসিন্দাৰ স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি ভাবুকি কঢ়িয়াই

আনিছে। নলা নৰ্দমাৰ ব্যৱস্থা সঠিক নোহোৱা বাবে এই বৰ্জ্য পদাৰ্থবোৰে পানী বৈ যোৱা পথ বন্ধ কৰি পেলাইছে। ইয়াৰ ফলস্বৰূপে গুৱাহাটীৰ দৰে নগৰত কৃত্ৰিম বানপানীৰ সৃষ্টি হ'বলৈ ধৰিছে।

- **বানপানী আৰু খহনীয়াঃ** অসমৰ এটা প্ৰাকৃতিক সমস্যা হ'ল বানপানী আৰু খহনীয়া। প্ৰতি বছৰে গৰমকালি ৰাজ্যখনত এই সমস্যাই জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন কৰে। ব্ৰহ্মপুত্ৰ নদীৰ বাবে হোৱা বানপানী আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক গোহাৰি জনোৱা হৈছে।
- **মানুহ-জন্তুৰ সংঘাত ঃ** অসমৰ আন এক বিশেষ পৰিৱেশ জনিত সমস্যা হ'ল মানুহ আৰু জন্তুৰ সংঘাত। মানুহে প্ৰায়েই বিভিন্ন প্ৰজাতিৰ বাঘ আৰু বনৰীয়া হাতীৰ সৈতে সংঘাতত লিপ্ত হ'ব লগীয়া হয়। এনে সংঘাতৰ পৰিণতি মানুহ অথবা জন্তুৰ মৃত্যুও হ'ব পাৰে। বনাঞ্চল ধ্বংস, শিল ফুটোৱা আদি কাৰ্য-কলাপে বনৰীয়া জন্তুক প্ৰাকৃতিক বাসস্থানৰ পৰা জনবসতিপূৰ্ণ এলেকালৈ ওলাই আহিবলৈ বাধ্য কৰিছে। ইয়াৰ ফলত মানৱ জীৱন আৰু সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে।
- **মাটিৰ অবৈধ খনন আৰু দখল ঃ** নগৰ অঞ্চলত জনসংখ্যাৰ বিস্ফোৰণ ঘটাৰ লগে লগে পাহাৰীয়া এলেকাৰ মাটি কটা, দলনি পোতা আৰু অকৰ্তৃত্বশীলভাৱে ঘৰ সজা আদি কাম সাধাৰণ দৃশ্যত পৰিণত হৈছে। ইয়াৰ ফলত বহুতো অঞ্চলত ভূমি প্ৰদূষণ আৰু ভূমিস্খলনৰ দৰে সমস্যাই দেখা দিছে।



জানি থোৱা ভাল

পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সৈতে জড়িত কেইটামান প্ৰধান সমস্যা হ'ল-

- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ
- সঠিক আন্তঃগাঁথনিমূলক সা- সুবিধাৰ অভাৱ
- ছাত্ৰ-ছাত্ৰীৰ ওপৰত অত্যাধিক পাঠ্যসূচীৰ বোজা
- অতি সীমিত গৱেষণা
- ৰাজনৈতিক সদিচ্ছাৰ অভাৱ
- পুঁজি নাটনি
- উপযুক্তভাৱে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষা বিষয়াৰ নাটনি ইত্যাদি

এই সমস্যাবোৰৰ উপৰি অসমত থকা দুটামান পৰিৱেশ বাপাৰিপাৰ্শ্বিকতাজনিত সমস্যা হ'ল-

- বনজ সম্পদৰ ধ্বংস
- অপৰিকল্পিতভাৱে বিকাশ ঘটা উদ্যোগ

- বনৰীয়া জন্তুই সৃষ্টি কৰা সমস্যা
- প্লাষ্টিক বেগৰ বহুল ব্যৱহাৰ ইত্যাদি



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 1ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাজনিত সমস্যাবোৰৰ বিষয়ে লিখক।

.....

.....

১১.৩.২ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ

প্ৰতিটো নতুন বিষয়েই প্ৰাৰম্ভিক অৱস্থাত বিভিন্ন সাংগঠনিক আৰু নীতি নিৰ্দেশনামূলক সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয়। পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাও ইয়াৰ ব্যতিক্ৰম নহয়। কিন্তু ভৱিষ্যত প্ৰজন্মৰ কল্যাণ আৰু সুস্বাস্থ্যৰ ওপৰত ইয়াৰ সম্ভাব্য সুপ্ৰভাৱৰ কথালৈ লক্ষ্য কৰিলে বিষয়টোৰ গুৰুত্ব তথা সম্ভাৱনা সম্পৰ্কে সহজেই বুজিব পাৰি। বিষয়টোৰ সৈতে জড়িত কেইটামান প্ৰধান দিশৰ ওপৰত ,তলত আলোকপাত কৰা হ'ল। বিশ্বই এই দিশবোৰৰ প্ৰতি মনোযোগ দিয়া উচিত।

- **উন্নয়নশীল আৰু অনুন্নত দেশৰ বাবে সুবিধা ঃ** আমি সকলোৱে বুজা উচিত যে বিশ্বৰ উন্নয়নশীল আৰু অনুন্নত দেশবোৰৰ আৰ্থ- সামাজিক উন্নয়নৰ সৈতে পৰিৱেশবাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। এনে দেশবোৰে জনসংখ্যা বিস্ফোৰণ, নিৰক্ষৰতা, সাংস্কৃতিক তথা ধৰ্মীয় গোড়ামি, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু নিবনুৱা সমস্যা আদিৰ দৰে গুৰুতৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হয়। এনে সমস্যাবোৰ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাজনিত প্ৰদূষণ আৰু পৰিৱেশ অৱনমনৰ বাবে দায়ী। সেয়েহে এনে দেশবোৰৰ অৱস্থা আৰু মান উন্নত কৰাত পৰিৱেশ অধ্যয়নে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- **মানুহৰ মাজত থকা আন্তঃ সম্পৰ্কৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা ঃ** পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা হ'ল মানৱ সমাজৰ মানসিক স্বাস্থ্য (sanity) অক্ষুণ্ণ ৰখাৰ বাবে লোৱা এক সাহসী পদক্ষেপ। ই পৰিৱেশ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় বোধ উদয়ৰ ক্ষেত্ৰত পালন কৰিবলগীয়া আচাৰ-আচৰণক যুক্তিযুক্ততা প্ৰদান কৰে। পাৰিপাৰ্শ্বিকতা বিষয়ক বিশ্বজনীন সংস্থা ইউনেস্ক' ই (UNESCO) 1970 চনত কৈছিল যে "মানুহ, তেওঁৰ সংস্কৃতি আৰু তেওঁৰ চৌপাশৰ বৃহৎ ভৌতিক পৰিৱেশৰ সৈতে থকা আন্তঃসম্পৰ্কৰ কথা বুজিবলৈ আৰু এই সম্পৰ্কক আদৰ কৰিবলৈ প্ৰয়োজন হোৱা দক্ষতা আৰু মানসিকতাৰ বিকাশ ঘটাবলৈ কিছুমান প্ৰমূল্যক স্বীকৃতি দিবলৈ তথা কিছুমান ধাৰণা স্পষ্ট কৰিবলৈ থকা

প্ৰক্ৰিয়াটোৱেই হ'ল পৰি ৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা ।" পাৰিপাৰ্শ্বিকত সমস্যা হ'ল এটা বিশ্বজনীন সমস্যা। সেয়েহে ইউনেস্ক'ৰ (UNESCO) দৰে আন্তঃৰাষ্ট্ৰীয় সংগঠনে বিষয়টো সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাবোৰে বিশ্বৰ উন্নয়নশীল আৰু অনগ্ৰসৰ দেশবোৰৰ বাবে আশাৰ ৰেঙনি কঢ়িয়াই আনিছে।

- **ন্যায্য আৰু নৈতিক প্ৰমূল্যৰ উত্থান ঃ**পৰি ৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই মানুহক পৰি ৱেশৰ প্ৰতি নিজৰ চিন্তা, কৰ্ম আৰু আচৰণ শৃংখলাৱদ্ধ কৰি তোলাৰ বাবে প্ৰয়োজন হোৱা ন্যায্যতাৰ ধাৰণা, নৈতিক প্ৰমূল্য তথা নান্দনিক সচেতনতা গঢ়ি তুলিবলৈ আৰু সেয়া প্ৰয়োগ কৰিবলৈ শিকায়। যি পৰিৱেশত আমি জীয়াই থাকো আৰু আমাৰ বিকাশ ঘটে সেই পৰিৱেশৰ প্ৰতি আমি দায়বদ্ধ হোৱা উচিত। বৰ্তমান বিশ্বৰ দেশবোৰে সন্মুখীন হৈ থকা বিভিন্ন পাৰিপাৰ্শ্বিকতাজনিত সমস্যাৰ সমাধান বাহিৰ কৰাত এই শিক্ষাৰ জৰিয়তে উত্থান ঘটা নৈতিক প্ৰমূল্যবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- **আৰ্থ-সামাজিক সমস্যাৰ সমাধান ঃ** আধুনিক সমাজৰ মানুহে সন্মুখীন হোৱা বিভিন্ন গুৰুত্বৰ আৰ্থ-সামাজিক সমস্যা সমাধানৰ ক্ষেত্ৰ ত পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সহায় কৰে। জনসংখ্যা বিস্ফোৰণ, শক্তি সম্পদ হ্ৰাস পোৱা, বনাঞ্চল ধ্বংস, মানুহৰ প্ৰাকৃতিক বাসস্থান ধবংস হোৱা, বায়ু-পানী-মাটি প্ৰদূষণ, ভূমিস্ফলন, গোলকীয় উষ্ণতা বৃদ্ধি আদিৰ দৰে সমস্যাবোৰৰ সমাধান সূত্ৰ মানুহক পৰি ৱেশ অধ্যয়নেৰে শিক্ষিত কৰি তোলাৰ আঁৰত লুকাই আছে। এখন দেশৰ আৰ্থ-সামাজিক সমস্যাবোৰ একপাক্ষিকভাৱে সমাধান কৰিব নোৱাৰি।
- **স্বাস্থ্য আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখা ঃ** পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই বৰ্তমান সময়ত মানুহৰ পৰিস্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাৰ দৰে গুৰুত্বপূৰ্ণ সমস্যাৰ সৈতে জড়িত কৰা হৈছে। জীৱ-মণ্ডল আৰু বায়ুমণ্ডলৰ ষ্ট্ৰেট'স্ফেয়াৰত (Stratosphere) হোৱা জল আৰু বায়ু প্ৰদূষণৰ দৰে পাৰিপাৰ্শ্বিকতাজনিত সমস্যাৰ মাজতেই কেন্সাৰ আৰু টিউমাৰ আদিৰ দৰে মাৰাত্মক বেমাৰৰ উৎস লুকাই থকাৰ কথা পোহৰলৈ আহিছে। এনে ৰোগবোৰে আধুনিক মানৱক চিকিৎসা বিজ্ঞানৰ সহায় লৈ জীয়াই থকাৰ প্ৰত্যাহ্বান জনাইছে ।পৰি ৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই শৰীৰতত্ব বিজ্ঞানৰ উচ্চ গৱেষণা আৰু অধ্যয়নৰ পথ মুকলি কৰিছে।
- **নতুন সৃজনশীলতাৰ সুযোগ ঃ**পৰি ৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাই সৃজনশীল বুদ্ধিদীপ্ত ব্যক্তিসকলৰ বাবে পৰিৱেশ বিষয়ক উচ্চ শিক্ষা আৰু বিভিন্ন গৱেষণাৰ বাবে প্ৰয়োজনীয় সুবিধাৰ সৃষ্টি কৰিছে। এই শিক্ষাই সৃজনশীল প্ৰতিভাৰ অধিকাৰীসকলক ভৱিষ্যতৰ বাবে উন্নত জীৱন আৰু পৰিৱেশ গঢ়ি

তোলাৰ বাবে একেলগে চিন্তা, অনুভৱ আৰু কাম কৰাৰ সুযোগ দিছে।

ভাৰতীয় সংবিধানেও পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা আৰু প্ৰমূল্যবোধক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰিছে। সংবিধানৰ দফা 48-A ত কোৱা হৈছে- "ৰাষ্ট্ৰই পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সুৰক্ষিত আৰু উন্নত কৰাৰ লগতে দেশৰ বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিব।"

দফা 51- (g)- ত পুনৰ কোৱা হৈছে যে-

"বনাঞ্চল , হ্ৰদ, নদী আৰু বন্যপ্ৰাণীকে ধৰি সকলো প্ৰাকৃতিক পৰিৱেশৰ সুৰক্ষা আৰু অৱস্থা উন্নত কৰাৰ প্ৰয়াসৰ লগতে সকলো জীৱৰ প্ৰতি কৰুণা প্ৰদৰ্শন কৰোটো দেশৰ প্ৰতিগৰাকী নাগৰিকৰে কৰ্তব্য হ'ব।"

1986- চনৰ শিক্ষা বিষয়ক ৰাষ্ট্ৰীয় নীতিতপৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাক গুৰুত্ব দি কোৱা হৈছে যে- "পৰিৱেশক বাপাৰিপাৰ্শ্বিকতাক লৈ সচেতনতাবোধ গঢ়ি তোলাটো অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। বয়স আৰু শ্ৰেণী নিৰ্বিশেষে সমাজৰ সকলোকে সচেতন কৰি তুলিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্য্যয়ত শিশুৰ পৰা আৰম্ভ কৰি সকলোৰে মনত্পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক সচেতনতাবোধৰ জন্ম দিব লাগিব। এই দিশটো সমগ্ৰ শৈক্ষিক প্ৰক্ৰিয়াৰ সৈতে সংযুক্ত কৰিব লাগিব।"

শিক্ষা বিষয়ক বিভিন্ন আয়োগ, প্ৰতিবেদন আৰু নীতিতো পৰিৱেশ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ ওপৰত জোৰ দিয়া হৈছে। ইমানবোৰ প্ৰয়াসৰ পাছতো বৰ্তমান সময়লৈকে আমাৰ আনুষ্ঠানিক শিক্ষা পদ্ধতিত বিষয়টোৱে প্ৰাপ্য মনোযোগ আৰু গুৰুত্ব লাভ কৰা নাই।

অসমক ভাৰতৰ জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ৰাজ্যবোৰৰ মাজৰ এখন বুলি গণ্য কৰা হয়। অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। অসমত জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ বিশ খনতকৈও অধিক সংৰক্ষিত বনাঞ্চল আছে। কিন্তু সংৰক্ষণ সম্পৰ্কীয় সজাগতাৰ অভাৱ আৰু সম্পদৰ প্ৰয়োজনাধিক ব্যৱহাৰে অঞ্চলটোৰ বনাঞ্চল আৰু বন্য জীৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

১১.৩.৩ অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সুযোগ

- **অনা-চৰকাৰী সংস্থাবোৰৰ (NGOs) ভূমিকাঃ** পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক সজাগতা বৃদ্ধিত অসমৰ বিভিন্ন প্ৰান্তত কাম কৰি থকা অনা-চৰকাৰী সংস্থাবোৰে এক ফল প্ৰসূ সাংগঠনিক দায়িত্ব পালন কৰিব পাৰে। শেহতীয়াভাবে চেভ গুৱাহাটী এণ্ড বিল্ড গুৱাহাটী (SGBG)নামৰ অনা-চৰকাৰী সংস্থাটোৱে গুৱাহাটী- এলেকাৰ পাহাৰ, জলাহ অঞ্চল আৰু সমতল অঞ্চলৰ জৰীপ কৰাৰ দাবী উত্থাপন কৰিছে। অসম বিজ্ঞান সমিতিৰ দৰে আন কিছুমান সংস্থাই বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে মানুহক পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক বিজ্ঞানসম্মত

জ্ঞান প্ৰদান কৰি আহিছে। পৰিৱেশৰ সমস্যা আৰু সমাধানৰ ক্ষেত্ৰত এনে সংস্থাবোৰে চৰকাৰ আৰু ৰাইজৰ মাজত যোগসূত্ৰকাৰীৰ ভূমিকা পালন কৰিব পাৰে। এনে শিক্ষা প্ৰসাৰত ব্ৰতী অনা-চৰকাৰী সংস্থাবোৰক চৰকাৰে বিত্তীয় সাহায্য প্ৰদান কৰিব পাৰে।

- **কৃষি সম্প্ৰসাৰণ শিক্ষা ঃ** ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়ে গ্ৰামাঞ্চলৰ কৃষিজীৱি লোককপৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা দিবলৈ বিভিন্ন সম্প্ৰসাৰণ সেৱা আগবঢ়াব পাৰে। বিশ্ববিদ্যালয়ে ৰাজ্যৰ খেতিপ্ৰধান অঞ্চলবোৰত প্ৰশিক্ষণ কেন্দ্ৰ খুলি সাৰ, ৰাসায়নিক দ্ৰব্য আদিৰ প্ৰয়োগ বিধি, মাটি সংৰক্ষণ আৰু জলসিঞ্চনৰ পদ্ধতি আদি শিকাব পাৰে। চৰকাৰৰ কৃষি বিভাগেও ৰাজ্যখনৰ বাসিন্দাক এই ক্ষেত্ৰত প্ৰয়োজনীয় সহায় আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰে।
- **চৰকাৰৰ ভূমিকা ঃ** অসম চৰকাৰৰ পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা আৰু বন বিভাগে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে বিভিন্ন নীতি-নিয়ম বান্ধি দিছে। বিভাগে হস্তী উৎসৱ আৰু বনোৎসৱৰ দৰে বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰে। পাৰিপাৰ্শ্বিকতাজনিত সমস্যাবোৰৰ বিষয়ে মানুহক সজাগ আৰু সংগঠিত কৰিবলৈ অসম চৰকাৰে অসম প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ড (PCBA) গঠন কৰিছে। ইয়াৰ মূল উদ্দেশ্য হ'ল পৰিৱেশ সুৰক্ষিত কৰা আৰু ৰাজ্যৰ প্ৰদূষণৰ হাৰ নিয়ন্ত্ৰণ কৰা। পৰিৱেশ আৰু বন বিভাগে PCBA ৰ সৈতে মিলি ৰাজ্যৰ বাসিন্দাৰ মাজত পৰিৱেশ বিষয়ক সচেতনতা আৰু জ্ঞানৰ উন্মেষ ঘটাব পাৰে।
- **বিভিন্ন বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ভূমিকা ঃ** পৰিৱেশ বা পাৰিপাৰ্শ্বিকতাৰ সাম্প্ৰতিক অৱক্ষয়ৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ বাসিন্দাক অনতিপলমে বিষয়টো সন্দৰ্ভত সজাগ কৰি তোলাৰ প্ৰয়োজন হৈ পৰিছে। প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাই এতিয়াও পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰা নাই। বিষয়টোৰ মৌলিক প্ৰয়োজনীয়তাক স্বীকৃতি দি 2003 চনত উচ্চতম ন্যায়ালয়ে 2004–05 শিক্ষাবৰ্ষৰ পৰা সকলো শ্ৰেণীতেপৰিৱেশ অধ্যয়ন আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলোবোৰ ৰাজ্য আৰু বিদ্যায়তনিক কৃৰ্তৃপক্ষক পুনৰ -নিৰ্দেশ দিছিল। ন্যায়ালয়ে NCERT আৰু UGC -ক ক্ৰমে বিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত পৰিৱেশ অধ্যয়নৰ বাবে আৰ্হি পাঠ্যক্ৰম যুগুতাই উলিয়াবলৈ পৰামৰ্শ দিছিল। ইয়াৰ ফল শ্ৰুতিতে দেশৰ সকলো পৰ্যায়ৰ শিক্ষাতে পৰিৱেশ অধ্যয়নৰ বিষয়টো বাধ্যতামূলক হৈ পৰিছে।
- **বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ ভূমিকা ঃ** অসমত থকা দুটামান বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান- প্ৰতিষ্ঠানে ৰাজ্যখনৰ বাসিন্দাৰ মাজত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত গুৰুত্বপূৰ্ণ

ভূমিকা পালন কৰি আহিছে। এনে দুটামান কেন্দ্ৰ আৰু অনুষ্ঠান- প্ৰতিষ্ঠান হ'ল যোৰহাটৰ আঞ্চলিক গৱেষণা কেন্দ্ৰ (RRL), বশিষ্ঠৰ নলগাহৰি গৱেষণা কেন্দ্ৰ, খানাপাৰাৰ আঞ্চলিক বিজ্ঞান কেন্দ্ৰ, অসম স্বেচ্ছাসেৱী স্বাস্থ্য সংগঠন, অসম বিজ্ঞান আৰু প্ৰযুক্তি শিক্ষা পৰিষদ (ASTEC) ইত্যাদি।



জানি থোৱা ভাল

অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত তলৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে উল্লেখনীয় ভূমিকা ল'ব পাৰে-

- অনা-চৰকাৰী সংস্থাসমূহ
- কৃষি সম্প্ৰসাৰণ প্ৰশিক্ষণ কেন্দ্ৰ
- পাৰিপাৰ্শ্বিকতা আৰু বন বিভাগ, অসম চৰকাৰ
- বিভিন্ন বিশ্ববিদ্যালয় কৰ্তৃপক্ষ



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং 2ঃ অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰৰ দুটা সুযোগৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং 3ঃ "পৰিৱেশবা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ"- বিষয়টো 50 টা শব্দৰ ভিতৰত বৰ্ণনা কৰক।

.....

.....



চিন্তা চৰ্চা কৰক ১৪.১

পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সন্দৰ্ভত জন সচেতনতা কেনেদৰে গঢ়ি তুলিব পাৰি? মতামত লিখক।

.....

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বহল পৰিসৰত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক জীৱ-মণ্ডল অথবা পাৰিপাৰ্শ্ব - প্ৰণালীত থকা বিভিন্ন ধৰণৰ উপাদান, বস্তু, পদাৰ্থ আৰু জীৱক সামৰি লয়। ইংৰাজী 'biosphere' শব্দটোৰ দুটা অংশ আছে- 'bio' আৰু 'sphere'। শব্দটোৰ মূল হ'ল দুটা গ্ৰীক শব্দ। 'bio' শব্দৰ মূল হ'ল 'bios' -ইয়াৰ অৰ্থ হ'ল মানৱ জীৱন।'sphere'শব্দৰ মূল হ'ল 'sphaire'- ইয়াৰ অৰ্থ হ'ল গোলাকাৰ বস্তু। চমুকৈ 'biosphere' (জীৱ-মণ্ডল) শব্দৰ অৰ্থ হ'ল পৃথিৱীৰ সেইবোৰ অংশ য'ত জীৱৰ উপস্থিতি আছে।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা হ'ল এনে এক কাৰ্যসূচী যাৰ জৰিয়তে মানুহ আৰু তেওঁৰ পৰিৱেশৰ মাজত থকা আন্তঃসম্পৰ্কৰ প্ৰক্ৰিয়াটো অধ্যয়ন কৰা হয়।
- পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা কাৰ্যসূচীবোৰে নিঃসন্দেহে মানুহৰ মাজত সজাগতাৰ বৃদ্ধি কৰি মানুহক বিষয়টো সন্দৰ্ভত সংবেদনশীল কৰি তুলিছে। কিন্তু এই কাৰ্যসূচীবোৰে প্ৰয়োজনীয় দক্ষতা আৰু মানসিকতা গঢ়ি তোলাত মনোযোগ নিদিয়ে বাবে সিমান ফলপ্ৰসূ ৰূপ ল'ব পৰা নাই।
- পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা কাৰ্যসূচীৰ বৰ্তমান পদ্ধতিটোক বহুতো সমস্যাই প্ৰভাৱিত কৰিছে। এনে দুটামান সমস্যা হ'ল- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ, উপযুক্ত আন্তঃগাঁথনিমূলক সা-সু বিধাৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ ওপৰত মাত্ৰাধিক পাঠ্যসূচীৰ বোজা, অতি সীমিত গৱেষণা, ৰাজনৈতিক সদিচ্ছাৰ অভাৱ, পুঁজিৰ নাটনি, উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষা বিষয়াৰ অভাৱ ইত্যাদি।
- অসমে যুঁজিবলগীয়া হোৱ দুটামান বিশেষ পৰিৱেশজনিত সমস্যা হ'ল- দ্ৰুত জনসংখ্যা বৃদ্ধি, বৃহৎ পৰিসৰত ঘটা প্ৰব্ৰজন আৰু অনুপ্ৰৱেশ, বনজ সম্পদ ধ্বংস, অপৰিকল্পিত ঔদ্যোগিক বিকাশ, যান-বাহনে সৃষ্টি কৰা সমস্যা, গোটা বৰ্জ্য পদাৰ্থই সৃষ্টি কৰা সমস্যা, বানপানী আৰু খহনীয়া, মানুহ-জন্তুৰ সংঘাত, অকৰ্তৃত্বশীলভাৱে মাটি খন্দা আৰু মাটি দখল কৰা ইত্যাদি।
- ভাৰতীয় সংবিধানেপৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা আৰু প্ৰমূল্যবোৰক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান কৰিছে।

  সংবিধানৰ দফা 48-A-ত কোৱা হৈছে-

  "ৰাষ্ট্ৰই পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা সুৰক্ষিত আৰু উন্নত কৰাৰ লগতে দেশৰ বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে অহোপুৰুষাৰ্থ কৰিব।"

  দফা 51- (g)-ত পুনৰ কোৱা হৈছে যে-

  "বনাঞ্চল, হ্ৰদ, নদী আৰু বন্যপ্ৰাণীকে ধৰি সকলো প্ৰাকৃতিক পৰিৱেশৰ সুৰক্ষা আৰু

অৱস্থা উন্নত কৰাৰ প্ৰয়াসৰ লগতে সকলো জীৱৰ প্ৰতি কৰুণা প্ৰদৰ্শন কৰাটো দেশৰ প্ৰতিগৰাকী নাগৰিকৰে কৰ্তব্য হ'ব।"

- অসমক ভাৰতৰ জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ৰাজ্যবোৰৰ মাজৰ এখন বুলি গণ্য কৰা হয়। অসম প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। অসমত জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ বিশখনতকৈও অধিক সংৰক্ষিত বনাঞ্চল আছে। কিন্তু সংৰক্ষণ সম্পৰ্কীয় সজাগতাৰ অভাৱ আৰু সম্পদৰ প্ৰয়োজনাধিক ব্যৱহাৰে অঞ্চলটোৰ বনাঞ্চল আৰু বন্য জীৱৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।
- অসমত পৰিৱেশ বিষয়ক শিক্ষা প্ৰসাৰত তলৰ কাৰকবোৰে অৰিহণা যোগাব পাৰে- অনা-চৰকাৰী সংস্থাবোৰৰ লগতে অন্য অনুষ্ঠান- প্ৰতিষ্ঠানৰ ভূমিকা, কৃষি সম্প্ৰসাৰণ শিক্ষা, চৰকাৰৰ ভূমিকা, বিশ্ববিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ ভূমিকা, বৈজ্ঞানিক গৱেষণা কেন্দ্ৰ আৰু অনুষ্ঠান- প্ৰতিষ্ঠানৰ ভূমিকা ইত্যাদি।



১১.৫ অধিক জানিবলৈ

1] Reddy, K.P. & Reddy, D.N. : Environmental Education (Neelkamal Publication Pvt. Ltd. Hyderabad).



১১.৬ অগ্ৰগতিৰ খতিয়ান

1 **নং প্ৰশ্নৰ উত্তৰ ঃ** অসমৰ বিশেষ পৰিৱেশ জনিত সমস্যাবোৰ হ'ল-

- দ্ৰুত জনসংখ্যা বৃদ্ধি
- বৃহৎ পৰিসৰত হোৱা প্ৰব্ৰজন আৰু অনুপ্ৰৱেশ
- বনজ সম্পদ ধ্বংস
- অপৰিকল্পিত ঔদ্যোগিক বিকাশ
- যান-বাহনে সৃষ্টি কৰা সমস্যা
- গোটা বৰ্জ্য সামগ্ৰীয়ে সৃষ্টি কৰা সমস্যা
- বানপানী আৰু খহনীয়া
- মানুহ-জন্তুৰ সংঘাত
- অকৰ্তৃত্বশীলভাৱে মাটি খন্দা আৰু দখল কৰা প্ৰক্ৰিয়া।

2 **নং প্ৰশ্নৰ উত্তৰ ঃ** অসমত পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰৰ দুটা সুযোগ হ'ল-

- ৰাজ্যৰ কৃষি বিশ্ববিদ্যালয়ে গ্ৰামাঞ্চলৰ কৃষিজীৱি লোকক পৰিৱেশ বিষয়ক শিক্ষা দিবলৈ বিভিন্ন সম্প্ৰসাৰণ সেৱা আগবঢ়াব পাৰে। বিশ্ববিদ্যালয়ে ৰাজ্যৰ

খেতিপ্ৰধান অঞ্চলবোৰত প্ৰশিক্ষণ কেন্দ্ৰ খুলি সাৰ, ৰাসায়নিক দ্ৰব্য আদিৰ প্ৰয়োগ বিধি, মাটি সংৰক্ষণ আৰু জলসিঞ্চনৰ পদ্ধতি আদি শিকাব পাৰে।

- পৰিৱেশ অধ্যয়নৰ ক্ষেত্ৰত জড়িত হৈ থকা বিভিন্ন চৰকাৰী আৰু অনা-চৰকাৰী সংস্থাই (NGO) অনা- আনুষ্ঠানিক শিক্ষা পদ্ধতিৰে মানুহক সজাগ কৰি তুলিব পাৰে। গুৱাহাটী কেন্দ্ৰিক অনা-চৰকাৰী সংস্থা SGBG- এ শেহতীয়াভাৱে গুৱাহাটী অঞ্চলৰ পাহাৰ, দলনি / জলাহ আৰু সমভূমি অঞ্চলৰ জৰীপ কৰাৰ দাবী উত্থাপন কৰিছে।

3 **নং প্ৰশ্নৰ উত্তৰ ঃ** বিশ্বৰ উন্নয়নশীল আৰু অনুন্নত দেশবোৰৰ আৰ্থ-সামাজিক উন্নয়নৰ সৈতে পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। এনে দেশবোৰে জনসংখ্যা বিস্ফোৰণ, নিৰক্ষৰতা, সাংস্কৃতিক তথা ধৰ্মীয় গোড়ামি, অৰ্থনৈতিক অনগ্ৰসৰতা আৰু নিবনুৱা সমস্যাৰ দৰে গুৰুতৰ সমস্যাৰ সৈতে যুঁজিবলগীয়া হয়। এই সমস্যাবোৰ পৰিৱেশ প্ৰদূষণ আৰুপৰিৱেশ অৱনমনৰ বাবে দায়ী।



১১.৭ আৰ্হি প্ৰশ্ন

(ক)বস্তুধৰ্মী প্ৰশ্ন (50 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানৰ দফা 48-A ই পৰিৱেশ বাপাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা সম্পৰ্কে কি কৈছে?

প্ৰশ্ন ৩ঃ ভাৰতীয় সংবিধানৰ দফা 51(g) এ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা সম্পৰ্কে কি কৈছে?

(খ) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ যিকোনো পাঁচটা প্ৰধান সমস্যা উল্লেখ কৰক।

প্ৰশ্ন ২ঃ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰত অনা-চৰকাৰী সংস্থাৰ (NGO) ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰিৱেশজনিত সমস্যাবোৰ চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে গুৰুতৰ পৰিৱেশজনিত সমস্যাবোৰ বহলাই আলোচনা কৰক।

প্ৰশ্ন ২ঃ পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষাৰ সম্ভাৱনাসমূহ বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ অসমৰ বিশেষ উল্লেখৰ সৈতে পৰিৱেশ বা পাৰিপাৰ্শ্বিকতা বিষয়ক শিক্ষা প্ৰসাৰৰ উপায়বোৰ আলোচনা কৰক।

*** ***** ***



REFERENCES

Books:

1) Akhatar, P. and others (2008) : *Environment and Population Education*, Assam Book Depot., Guwahati.

2) Barua, J. (2009) : *Paribesh Aru Janasankhya Siksha,* Chandra Prakash, Guwahati.

3) Das, S. (2011) : *Environmental Education- Concepts, Issues and Problems,* K.K. Publication, Guwahati.

4) Saruna, A. B. (1986) : *Environmental Education*, national Psychological Corporation, Agra.

5) Shrivastva, K.K. (2004) : Environmental Education- Principles, Concepts and Management, Kanishka Publishers & Distributors, New Delhi.

6) Aggarwal, J. C.(2005). *Essentials of Educational Technology: Teaching Learning*. New Delhi: Vikas Publishing House.

7) Sampath, K et al. (1987). *Introduction to Educational Technology*. New Delhi: Sterling Publishers.

8) Shrivastava, K. K. (2004). *Environmental Education: Principles oncepts and Management*. New Delhi: Kanishka Publishing and Distributors.

9) Mohapatra, Damodar: *Environmental Education*, Kalyani Publishers, New Delhi - 2002.

10) Reddy K.P. &Reddy D.N. : *Environmental Education*, Neelkamal Publication Pvt. Ltd. Hyderabad(2003).